ব্যথাৰ অলকানন্দা : নলিনীবালা

জীৱনবৃত্ত আৰু সাহিত্যকৃতি

সম্পাদনা : হৰপ্ৰিয়া বাককিয়াল বৰগোহাঞি

অসম লেখিকা সন্থা
কম্বাচল ৰোড
শিলপুখুৰী
গুৱাহাটী - ৭৮১০০৩

A collection of critical essays on the life and literary activities of Padmashree Nalinibala Devi, compiled and edited by Harapriya Barukial Bargohain and published by Asom Lekhika Santha, Kanwachal Road, Silpukhuri, Guwahati-3. Price Rs. Seventy five (Rs. 75/-) only.

প্ৰকাশক : অসম লেখিকা সন্থা
কণাচল ৰোড্
শিলপুখুৰী
গুৱাহাটী - ৭৮১০০৩

প্ৰথম প্ৰকাশ : জুলাই /১৯৯৮

মূল্য : পয়সত্তৰ (৭৫.০০) টকা মাথোন

ছপা : চন্দ্ৰকান্ত প্ৰেছ প্ৰাইভেট লিমিটেড
তৰুণ নগৰ
গুৱাহাটী - ৫

ডি.টি.পি. : গন্ধৰ্ব কম্পিউটাৰ
বামুণীমৈদাম
গুৱাহাটী - ২১

পদ্মশ্রী নলিনীবালা দেবী

জন্ম : ১৮৯৮ চন
মৃত্যু : ১৯৭৭ চন

সম্পাদনা সমিতি

চিত্ৰলতা ফুকন — সভানেত্ৰী

হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি — সম্পাদিকা

গীতা উপাধ্যায়	ঃ	সদস্যা
অৰূপা বৰুৱা	ঃ	”
সুমিত্ৰা হাজৰিকা	ঃ	”
মীনাক্ষি বেজবৰুৱা	ঃ	”
মীৰা ঠাকুৰ	ঃ	”
ৰতি প্ৰভা গগৈ	ঃ	”
যোগমায়া গগৈ	ঃ	”
মীৰা দত্ত	ঃ	”

পদূলিতে ঃ

"সমস্ত সত্ত্বা যাৰ চিৰসুন্দৰৰ চৰণ প্ৰান্তত উৎসৰ্গিত, অথচ মানৱাত্মাৰ অপমানত এই অৰ্পিত হৃদযেই যাৰ মুহূৰ্ততে উঠে জ্বলি, স্নিগ্ধকণ্ঠত ধ্বনিত হয় প্ৰতিবাদৰ বজ্ৰধ্বনি"– সেইগৰাকী মহিযসী, অসম সাহিত্যসভাৰ দ্বাৰা জাতীয় অনুষ্ঠানৰ সৰ্বোচ্চ পদত অধিষ্ঠিতা প্ৰথম মহিলা, সাহিত্য অকাদেমীৰ দ্বাৰা সৰ্বভাৰতীয় স্তৰত বিভূষিতা প্ৰথম মহিলা কবি, পদ্মশ্ৰী নলিনীবালা দেৱীৰ জন্ম শতবৰ্ষ প্ৰাপ্তিৰ প্ৰাক্‌মুহূৰ্তত অসমৰ প্ৰান্তে প্ৰান্তে ধ্বনিত হ'ল শতবাৰ্ষিকী উৎসৱ উদযাপনৰ উৎসাহ, উদ্দীপনা। সেই পৰিপ্ৰেক্ষিতত ১৯৯৬ চনৰ ১৫ ডিচেম্বৰত শিৱসাগৰত অনুষ্ঠিত অসম
কাৰ্যনিৰ্বাহক সভাই ঘোষণা কৰিলে ১৯৯৭ চনৰ ২৩ মাৰ্চৰ পৰাই মহীয়সী নলিনীবালা দেৱী জন্ম শতবৰ্ষ উৎসৱ উদ্‌যাপনৰ আনুষ্ঠানিকতা আৰম্ভ কৰিব বুলি। আনহাতে ১৯৯৮ চনৰ ২৩ মাৰ্চৰ পিচত অৰ্থাৎ তেওঁৰ শতবৰ্ষ সম্পূৰ্ণ হোৱাৰ পিছত যি কোনো এটি দিনত উন্মোচন কৰিব পৰাকৈ মহীয়সী গৰাকীৰ জীৱনবৃত্ত আৰু সাহিত্য কৃতি সম্পৰ্কত এখনি গৱেষণা গ্ৰন্থ অসম লেখিকা সন্থাই সম্পাদনা কৰি প্ৰকাশ কৰিব। শতবৰ্ষ উৎসৱ উদ্‌যাপনৰ আৰম্ভণিৰ পৰা সামৰণিৰ সময় ছোৱাত অসম লেখিকা সন্থাৰ সমূহ শাখাই নলিনীবালা দেৱীৰ গীতৰ শৰাই, কবিতাৰ আবৃত্তি অনুষ্ঠান আৰু তেওঁৰ জীৱন আৰু সাহিত্য প্ৰতিভা, জীৱনদৰ্শন সম্পৰ্কীয় প্ৰবন্ধ প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। অসমৰ সমূহ বাতৰি কাকত যোগে এই ঘোষণা প্ৰচাৰ হোৱাৰ পিচত পুণ্যাত্মা গৰাকীৰ নিৰ্বাণৰ বৰ্ষ প্ৰাপ্তিৰ দিনটোতে অসম লেখিকা সন্থাই গুৱাহাটীস্থ নলিনীবালা দেৱী উদ্যানত স্থিত তেওঁৰ আৱক্ষ মূৰ্তিত মাল্যদান কৰি মূৰ্তিৰ সন্মুখত নিৰ্বাণৰ গছি বন্তি প্ৰজ্জ্বলনেৰে শতবাৰ্ষিকী উৎসৱ উদ্‌যাপনৰ শুভ আৰম্ভণি কৰে। অনুপদি ৩০ মাৰ্চত অগ্ৰজা কবি সকলৰ এখনি মনোজ্ঞ সন্মিলনো অনুষ্ঠিত কৰে। সেইদৰে যোৱা ২৩ মাৰ্চত তেওঁৰ শতবৰ্ষ প্ৰাপ্তিৰ দিনটোত পুনৰ তেওঁৰ আৱক্ষ মূৰ্তিৰ সন্মুখত এশ গছি বন্তি প্ৰজ্জ্বলন আৰু প্ৰাৰ্থনা সভাৰে শতবাৰ্ষিকী উৎসৱৰ সামৰণি অনুষ্ঠানৰ সূচনা কৰে। অসম লেখিকা সন্থাৰ অষ্টম দ্বি-বাৰ্ষিক সোণাৰি অধিৱেশনৰ কাৰ্যসূচী সমূহৰ লগতে শতবাৰ্ষিকী উৎসৱৰ মূল সামৰণি অনুষ্ঠানৰ আয়োজন কৰি সেই অনুষ্ঠানতে প্ৰকাশিত গৱেষণামূলক গ্ৰন্থখনিৰ উন্মোচনৰ দিহা কৰা হয়।

উক্ত গুৰুত্বপূৰ্ণ গ্ৰন্থখনিৰ সম্পাদনাৰ ভাৰ কাৰ্যনিৰ্বাহকে আমাৰ ওপৰতে অৰ্পণ কৰিছিল। সেই ভাৰ পালন কৰিবলৈ পৰিকল্পনা কৰি কামত আগবঢ়া হৈছিল। ইমানদিনে মহিয়সী গৰাকীক কেৱল ৰহস্যবাদী, অতীন্দ্ৰিয়বাদী কবি বুলি স্বীকৃতি

দি থকাৰ বিপৰীতে তেওঁ যে এগৰাকী স্বদেশপ্ৰেমী, মানৱতাবাদী কবি হোৱাৰ উপৰি এগৰাকী প্ৰেৰণাময়ী গদ্যলেখিকাও- সেই সত্য প্ৰতিষ্ঠিত কৰিবলৈ পাৰ্যমানে যত্ন কৰা হৈছে গ্ৰন্থখনিত। আনহাতে সাহিত্যৰ ছাত্ৰ-ছাত্ৰী তথা সহৃদয় পাঠকৰ উপযোগী হোৱাকৈ তেঁওৰ জীৱনবৃত্তৰ পৰা সাহিত্যকৃতিলৈকে বিভিন্ন দিশ সামৰা হৈছে ইয়াত। তেওঁৰ একান্ত ঘনিষ্ঠ সম্পৰ্কীয় তথা সান্নিধ্যত থকা কেইগৰাকীমানৰ স্মৃতি চাৰণো ইয়াত সন্নিবিষ্ট কৰা হৈছে মহিয়সী গৰাকীৰ ব্যক্তিত্ব প্ৰকাশৰ উদ্দেশ্যে। এই ক্ষেত্ৰত আৰম্ভণিৰ পৰা দিহা পৰামৰ্শ দিয়াৰ উপৰি প্ৰবন্ধ সংগ্ৰহ কৰালৈকে নানা ক্ষেত্ৰত সহায় কৰা অসম লেখিকা সন্থাৰ প্ৰতিষ্ঠাপক সম্পাদিকা, সুদীৰ্ঘকালৰ সভানেত্ৰী তথা বৰ্তমানৰ মুখ্য উপদেষ্টা প্ৰীতি বৰুৱাৰ ওচৰত সম্পাদিকা আজীৱন কৃতজ্ঞ আৰু ঋণী হৈ থাকিব। অধ্যাপিকা নীলিমা দত্ত, ড° নিৰ্মল প্ৰভা বৰদলৈ, অধ্যাপিকা কেশদা মহন্তকে প্ৰমুখ্য কৰি নিজৰ বহুমূলীয়া সময় আৰু শ্ৰম খৰচ কৰি প্ৰবন্ধ সমূহেৰে গ্ৰন্থখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰা সমূহ লেখিকা, নলিনীবালা দেৱীৰ পৰিয়ালৰ সদস্যাবৃন্দা আৰু তেওঁৰ একান্ত সান্নিধ্যত থকা তুলতুল বৰুৱাক অসম লেখিকা সন্থাৰ হৈ আন্তৰিক কৃতজ্ঞতা জনাইছো সহযোগিতাৰ বাবে। সম্পাদনা সমিতিৰ সভানেত্ৰীকে প্ৰমুখ্য কৰি সমূহ সদস্যাৰ লগতে অসম লেখিকা সন্থাৰ আজীৱন সদস্যাদ্বয় মঞ্জু দত্ত বৰুৱা, ৰীতা চৌধুৰী আৰু সন্থাৰ শুভাকাঙ্খী যতীন্দ্ৰ কুমাৰ বৰগোহাঞিক সহযোগিতাৰ বাবে ধন্যবাদ জনাইছো।

অসম লেখিকা সন্থা আৰ্থিকভাবে স্বচ্ছল নহয়। গ্ৰন্থখনি প্ৰকাশৰ কাৰণে আৰ্থিক সাহাৰ্য বিচাৰি চৰকাৰক আবেদন জনোৱাত দহ হাজাৰ টকাৰ এটি অনুদান লাভ কৰা হৈছিল। সেই টকাৰে গ্ৰন্থখনি প্ৰকাশৰ প্ৰাৰম্ভিক কামখিনি মাত্ৰ সম্পন্ন কৰা হৈছে। শুভাকাঙ্খী পাঠক-পাঠিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে আদৰি ললে আমাৰ শ্ৰম সাৰ্থক হোৱা যেন লাগিব, লগতে অসম লেখিকা সন্থাও উপকৃত হ'ব। সহৃদয় সমালোচক সকলক দোষ-ত্ৰুটি আঙুলিয়াই গঠনমূলক সমালোচনা আগবঢ়াবলৈ বিনম্ৰ অনুৰোধ জনালো এই ছোগতে। কাৰণ নলিনীবালা দেৱীৰ দৰে এগৰাকী বিদুষী নাৰীৰ জীৱনবৃত্ত আৰু সাহিত্যকৃতি সম্পৰ্কীয় গৱেষণামূলক গ্ৰন্থ এখনি সম্পাদনা কৰা অতি কঠিন আৰু কষ্টসাধ্য কাম।

হৰপ্ৰিয়া বৰুকিয়াল বৰগোহাঞি

বিষয়সূচী

পৃষ্ঠা

১। আহ্বান— নবাগতা কবিসকললৈ ✍ নলিনীবালা দেৱী ১

২। পদ্মশ্ৰী নলিনীবালা দেৱীলৈ জন্ম শতবৰ্ষৰ শ্ৰদ্ধাঞ্জলি

পুৱা সন্ধ্যাৰ মঙ্গল আৰতি ✍ মীৰা ঠাকুৰ ৩

তুমি ✍ মঞ্জু দত্ত বৰুৱা ৭

মহাশ্বেতালৈ ✍ চিত্ৰলতা ফুকন ৮

৩। ব্যথা-পংকৰ পংকজা : নলিনীবালা (জীৱনাভাস) ✍ অধ্যাপিকা প্ৰীতি বৰুৱা ৯

৪। আধ্যাত্মিক কবি নলিনীবালা দেৱীৰ 'সন্ধিয়াৰ সুৰ' (কবিৰ জন্মশতবাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি) ✍ অধ্যাপিকা নীলিমা দত্ত ৩১

৫। নলিনীবালা দেৱীৰ জীৱনীমূলক ৰচনাঃ এটি আলোচনা ✍ ডঃ অঞ্জলি শৰ্মা। ৩৫

৬। নলিনীবালা দেৱীৰ অভিভাষণ ✍ দীপালি ভট্টাচাৰ্য বৰুৱা ৪২

৭। পদ্মশ্ৰী নলিনীবালা দেৱীৰ কবিতাত দেশপ্ৰেম আৰু জাতীয়তাবাদ ✍ শুচিব্ৰতা ৰায়চৌধুৰী ৪৬

৮। নলিনীবালা দেৱীৰ তত্ত্ব জিজ্ঞাসা ✍ ডঃ মালিনী গোস্বামী ৫৫

৯। নলিনীবালা দেৱীৰ কাব্যত আধ্যাত্মিকতাবাদ ✍ ডঃ নলিনী দেৱী মিশ্ৰ ৬০

১০। নলিনীবালা দেৱীৰ কবিতাত মানৱতাবাদৰ প্ৰকাশ ✍ অৰুণা বৰুৱা ৬৮

১১। নলিনীবালা দেৱীৰ স্বদেশপ্ৰেমমূলক কবিতাৰ উৎস ✍ ৰতি প্ৰভা গগৈ ৭৪

১২। পদ্মশ্ৰী নলিনীবালা দেৱীৰ
কবিতাত অতীন্দ্ৰিয়বাদ ✍ মীনাক্ষি বেজবৰুৱা ৭৮

১৩। কবি নলিনীবালা দেৱীৰ গীত ✍ ডঃ নিৰ্মল প্ৰভা বৰদলৈ ৮৫

১৪। নলিনী বালা দেৱীৰ কবিতা
আৰু গীতৰ শব্দচয়ন ✍ ডঃ দীপ্তি ফুকন পাটগিৰি ৯০

১৫। নলিনীবালা দেৱীৰ কবিতাত সংস্কৃত প্ৰভাৱ ✍ অধ্যাপিকা কেশদা মহন্ত ৯৭

১৬। নলিনী-কাব্যত ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰভাৱ ✍ ড° লিলি ৰাজবংশী ১০৬

১৭। নলিনীবালা দেৱী আৰু মহাদেৱী বৰ্মাঃ
এটি তুলনামূলক বিচাৰ ✍ ডঃ নীৰাজনা মহন্ত বেজবৰা ১১০

১৮। আত্মজীৱনী লেখিকা হিচাপে নলিনীবালা দেৱী
আৰু ৰাসসুন্দৰী দেৱীৰ তুলনামূলক আলোচনা ✍ ডঃ সুমিত্ৰা চৌধুৰী ১২৮

১৯। নলিনীবালা দেৱী ঃ
মই চিনি পোৱা জেঠাইদেউ গৰাকী ✍ তুলতুল বৰুৱা ১৩৭

২০। কবি নলিনীবালা দেৱীৰ সান্নিধ্যত
মোৰ জীয়ৰী কালৰ এছোৱা ✍ কণিকা বৰদলৈ ১৪১

২১। আইৰ সান্নিধ্যত ✍ ৰেণুকা দেৱী ১৪৪

২২। কবি নলিনীবালা দেৱীৰ ঘৰুৱা জীৱনৰ স্মৃতি ✍ মাধুৰী দেৱী ১৪৮

আহ্বান— নবাগতা কবিসকললৈ

উদ্বোধন

কবিৰ সুদুৰ প্ৰসাৰী দৃষ্টিয়ে বহু নেদেখা বস্তু দেখা পায়, বহু নুশুনা কথা শুনে, বিশ্ব প্ৰকৃতিৰ চেতন অচেতন সকলো বস্তুতে প্ৰাণময় স্পন্দন অনুভৱ কৰিব পাৰে। কবিৰ দৃষ্টি বা ভাবধাৰা যেন এটি বেলেগ উপাদানেৰে গঢ়া। প্ৰকৃত কবিৰ হৃদয় এখনি বিৰাট বিশ্বপাঠ বুলিলেও বঢ়াই কোৱা নহয়। কাব্যৰ মূল উৎস সত্যবিকাশ, সুললিত প্ৰকাশভঙ্গী, সুমধুৰ শব্দবিন্যাস বা সংযোজনা, আকৰ্ষণীয় অভিব্যক্তি। এনেধৰণেৰে সাধনা কৰিলে কবিসকলে কাব্য সাধনাত উৎকৰ্ষ সাধন কৰিব পাৰিব। কবিৰ সূক্ষ্ম দৰ্শনৰ বিষয়ে কবিগুৰুৰ সহজ কবিতা এফাঁকিৰে উদাহৰণ এটি দাঙি ধৰিলো। কবিৰ সৰু ছোৱালী এটিয়ে দেউতাকক আগচি ধৰি কলে, "যেতে নাহি দিব"। এই সামান্য কথাটিয়ে কবিৰ মনত কি সুদুৰ প্ৰসাৰী ভাবৰ সৃষ্টি কৰিছিলঃ

যেতে নাহি দিব
এ অনন্ত স্বৰ্গ মৰ্ত্ত ছেয়ে
সবচেয়ে পুৰাতন কথা—গভীৰ ক্ৰন্দন
'যেতে নাহি দিব'—

এই সামান্য কথাত কবিৰ সুদুৰ প্ৰসাৰী দৃষ্টিয়ে কতৰূপে কল্পনা কৰিলে, 'যাবলৈ নিদিও' এই ক্ষুদ্ৰ কথাটিত চৰাচৰ বিশ্বব্ৰহ্মাণ্ডৰ কি গভীৰ প্ৰশ্নৰ আকুতি শুনিলে, ভাবি চাওক। এনে গভীৰ দৰ্শন, গভীৰ আকুলতাৰ অনুভূতি নাথাকিলে কবি হ'ব নোৱাৰে। কেইটিমান কথাৰ মিল থাকিলেই কবিতা নহয়, কবিতাৰ মাজত গভীৰ সত্য নাথাকিলে, সত্যৰ মনোৰম প্ৰকাশভঙ্গী নাথাকিলে, সেই কথাৰ মিলক কবিতা আখ্যা দিব নোৱাৰি। অতীজৰে পৰা কাব্যসাহিত্যক সাহিত্যানুৰাগী সকলে শ্ৰেষ্ঠস্থান দিছিল, কাৰণ কাব্যৰ মধুৰ সুৰৰ আবৃত্তিয়ে শ্ৰোতাৰ অন্তৰ চেতনাক স্পন্দনময় কৰি তোলে, মুগ্ধ কৰে। কাব্যত সুৰ-সংযোগ কৰিলে সঙ্গীতৰ ৰূপ লয়। কাব্য সাহিত্যই সঙ্গীতৰ সুৰ তৰঙ্গৰ দৰে মধুৰ সুৰ সৃষ্টি কৰিব পাৰে।

সেয়েহে আজি পৃথিৱীৰ অমৰ কবি সকলৰ কাব্যসুৰে পৃথিৱীৰ মানৱ-মানসত প্ৰেৰণা-প্ৰবাহ বোৱাই আহিছে। ভাৰতবৰ্ষতো অতীতৰ মহাকাব্য সমূহ, আদিকবি বাল্মিকীয়ে ৰামায়ণ, ব্যাসমুনিয়ে মহাভাৰত কাব্য-ছন্দত ৰচনা কৰিছিল। শ্ৰীমদ্ভাগৱত

গীতাখনিও শ্ৰীকৃষ্ণ বাসুদেৱৰ মুখ-নিঃসৃত অমৃতবাণীসমূহ শ্লোক ছন্দেৰে ৰূপায়িত। অসমৰ আদিকবিসকলেও সংস্কৃতৰ পৰা ভাঙনি কৰি লেচাৰি, দুলড়ী, পদ ছন্দেৰে লিখি গৈছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচনা কীৰ্ত্তন, দশম আদিও সুললিত পদ্যছন্দে লিখি অসমৰ সাহিত্য জগতত কাব্যক শ্ৰেষ্ঠস্থান দি গৈছে। এই সুৰ-ছন্দেৰে ৰূপায়িত কাব্যসমূহ চিৰ অমৰ হৈ পৃথিৱীত সুৰ-মন্দাকিনীধাৰা বোৱাই থাকিব। ছন্দ তালত অৱস্থিত ব্ৰহ্মাণ্ডৰ মহাগতিৰ ছন্দ পতন হ'ব নোৱাৰে। আজিৰ এই নতুন নাৰী কবিৰ সন্মিলনত মহাকাব্যৰ ৰসধাৰাৰে কবিমন আপ্লুত হওক! কল্যাণী নাৰীসকলৰ অন্তৰ সত্যসুন্দৰৰ সৌন্দৰ্য-সৃষ্টিত বিকশিত হৈ উঠক। এয়ে মোৰ নবাগতা কবিসকলৈলে আশীৰ্বাদ। ওম্ মধু, ওম্ মধু ওম্ মধু— *

— নলিনীবালা দেৱী

* ১৯৭৬ চনৰ ১৬, ১৭ অক্টোবৰত অনুষ্ঠিত অসম লেখিকা সন্থাৰ প্ৰথম অধিবেশনৰ কবি সন্মিলনত নলিনীবালা দেৱীয়ে দিয়া উদ্বোধনী ভাষণ। উল্লেখযোগ্য কবি নলিনীবালা দেৱীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি ১৭ অক্টোবৰৰ পুৱা অনুষ্ঠিত হোৱা কবি সন্মিলনখনিৰ নামকৰণ কৰা হৈছিল 'নলিনী প্ৰভাত' বুলি।□

পদ্মশ্ৰী নলিনীবালা দেবীলৈ জন্ম শতবৰ্ষৰ শ্ৰদ্ধাঞ্জলি ঃ

পুৰা সন্ধ্যাৰ মঙ্গল আৰতি

✍ মীৰা ঠাকুৰ

(১)

তৰা ফুলা এই গধূলি, নীল সাগৰৰ ঢৌবোৰত সাতুৰি নাদুৰি খেলি ফুৰোতে, সম্মোহনী তুলিকাৰে তুমি ঢৌবোৰৰ পাখিত ৰং সানিছিলা, সোণালী, ৰূপালী। বা দিওঁ বুলি কণ কণ তৰা বোৰেও পানীৰ মৰমত এটাৰে ফুল বিচনী এখন সাজিছিল। মৌ পিয়া পৰী দুজনীয়ে আক' উপহাৰ দিও বুলি সাগৰ তলি খুচৰি লৈ আহিছিল পোহৰৰ বেঁৰুসনা মাণিক এধাৰ। তোমাৰ ভিঙি ওপচাই জলমলাই উঠিছিল সেই নীল বৰ্ণী চেতনাৰ বৈভৱ, তুমি হাঁহিছিলা, হাঁহিৰ উজ্বল টুকুৰাবোৰ ওপঙি ফুৰিছিল পানীত, নীলপৰীয়ে হাততে পাই পোহৰৰ টুকুৰাবোৰ আচল পাতি পাতি বুকু পাতি পাতি বুটলি ফুৰিছিল।

(২)

এনেতে ঋতুৰে আহি ক'লেহি, তোমাক হেনো 'সেউজীয়াই' মাতিছে। পৃথিৱীৰ মৰমে কোলাপাতি আছে তোমালৈ। গহীন নিশাৰ দুৱাৰ খুলি, তুমি নামি আহিলা পোহৰৰ কন্যা হৈ।

(৩)

ওঠত পঞ্চামৃত, দেহত মাতৃৰ চেতনা, চকুৰ অকণ্য ভাঙি ভাঙি উলাহৰ কদম তলি। ওৰণিৰ তলে তলে আয়তীৰ উলাহত আহিৰ পানী তোলা ঘাট। ঘাটত কলচী, কলচীত তোমাৰ সোণসেৰীয়া গা। কলা কলাকৈ বাঢ়ি আহে পঞ্চেন্দ্ৰিয়, জ্ঞানেন্দ্ৰিয়, খুদমানি মানৱীৰ দিব্যজ্যোতি ৰূপ।

(৪)

আজি বৰপেটাৰ অলিয়ে গলিয়ে আলোকৰ শোভাযাত্ৰা। ককা দেউতাৰ হাউলীৰ প্ৰসুতি গৃহত আহিৰ জনত মুখ গুজি আকাশী কন্যাই সোৱাদ লৈছে অমৃতৰ। পিতাৰ হেপাহৰ বঙীণ চোতালত উৎসৱৰ নিচিগাধাৰ। কোন আহে সেইয়া। কোন আহে। মাটিৰ প্ৰথম প্ৰেমত ফুলি উঠে কোন। ওঠৰ নঙলাখুলি বিজুলীয়াই আহে শিশু শইচৰ গান। উৰুলিকৃত হয় আকাশ বতাহ হাউলীৰ দশোদিশ।

(৫)

সবিয়হৰ সুগন্ধি বলয় এটাৰ মাজেদি 'বাচ' পাতি পাতি বগা জেওৰ সাঁকো। দুৱাৰ দলিৰ সিপাৰ হৈ গুচি যায় অপদেৱতাৰ ভয়। হেপাহে ডিঙি মেলি মেলি চাই তোমাৰ দিব্যজ্যোতি ৰূপ অপৰূপ। মুখ লগা ভঙা হাতেৰে আয়ে নৈবেদ্য সজায় ভিতৰ চোতালত। ধূপ দীপ সুগন্ধি চন্দনৰ। মাটিৰ চাকি এগছিৰ কুণ্ডলী পকোৱা পোহৰত বেলিয়ে ডাৱৰ ফালি মুখ চাই তোমাৰ সৰু দেহৰ।

'মুকুটবিহীন সম্রাটৰ' মৰমৰ ছাঁত এনেকৈয়ে বাঢ়ে জোনৰ শীতলতা, একলা, দুকলা। পদ্মিনীৰ মাজেৰে বাঢ়ে নলিনীৰ মনৰ সপোন। দহোটা বসন্তৰ সতে খেলি-ধুলি বাঢ়ি আহে কিশোৰী জীৱন।

(৬)

থিয় হাউলীৰ চৌপাশে থিয় দি থকা বহুবৰ্ণী ফুলবোৰৰ সতে পাতসিয়া চৰাইজনীৰ হলিগলি দেখি মৌমাখি জাকে মেৰি ধৰেহি ফুলবোৰ। লাজত ৰঙা-চিঙা পৰি গধূলি গোপালে চকু টিপিয়াই মাতে, মুৰ দুপিয়াই মাতে, গাত গা লগাই বাঢ়ি আহে সেউজীয়া জোনাক, কথা পাতে, 'যাত্রা' আৰু ফুটুকী হৰিণে কাণ থিয় কৈ শুনে, সেই মৌ মিঠা কথোপ-কথন। পলকতে তুমি পখিলা এজনী হৈ উৰি ফুৰা কাননৰ সেউজী ভূমিত। তোমাৰ উলাহ মুগ্ধত একাত্ম হৈ পোহ মনা চৰাইবোৰে মাত মাতে অমাতৰ।

(৭)

আশ্রিতজনৰ মনৰ সপোনে পাহ মেলে তাতে। 'আশ্রম'ৰ মাজেৰেই সপোনৰ যাত্রা। তুমি তাতে ধ্যানস্থ হোৱা সাধুকথাবোৰৰ মাজত। 'ভিতৰ চ'ৰাত' গজি উঠা পাঠশালা গৃহত একাত্ম হোৱা গ্রন্থৰ বুকুৰ উমাল তাপেৰে।

(৮)

দহোটি বসন্ত গ'ল কি নগ'ল। কিশোৰী কইনা হ'ল। 'সাত পান' গচকি ওলাই আহিল পিতা আইৰ চকুৰ মাণিক, ৰংঘৰ তলাতলৰ বাৰুদিৰে উজাই গ'ল চেনেহৰ জী। কোন ৰূপহ কোঁৱৰৰ জীৱন পাশত আবদ্ধ হৈ ব'ল দুপহি মেলা চম্পা কলিটি। তুমি ৰজা ঘৰীয়া মাটিত ভৰি থলাগে, নতুন ৰূপত নতুন সাজত নতুন ঘৰৰ লখিমী হৈ। কোঁৱৰৰ চম্পা বৰণীয়া দেহত সুবাস লাগিল তোমাৰ।

(৯)

এনেকৈয়ে পাৰ হ'ল নক্ষত্র খচিত আকাশত, জোন বেলি তৰাৰ, পোৱা নোপোৱা অলেখ মায়ু।

(১০)

কেইপাহ পাৰিজাত উপহাৰ দিব, দেৱতাই কৈছিল নেকি তোমাক। নে, চুই চাঁওতেই ওভোটাই নিব দুপাহ! অঙ্কুৰিত বীজ ফুলি নৌ উঠোতেই সোণ সেৰীয়া সেওঁতাৰে উজাই আহিছিল শোকৰ কজলা নৈ। ওহো, এৰোতো কোৱা নাছিল নিবোকা দেৱতাই। কালৰাত্ৰিৰ ছন্দিতঅৰতাত ধুমুহাই আহি বিধ্বস্ত কৰিছিল মাটিৰ কণখানি সেউজীয়া ঘৰ। শত শাওণৰ চকু দুগালে তিয়াই নামিছিল ধাৰাসাৰ। চোতালত বান বেদনাৰ, কণা বিধাতাৰ। আজি এদিন, এটা জীয়া কবিতাৰ শোক গাঁথা হৈ তুমি ঘূৰি আহিলা এৰি যোৱা পদুলিলৈ। ৰঙলা শুলিয়েই পিতাই পঢ়িছিল তোমাক। শুনিছিল হিয়া ভগা কৰুণ ৰিনিনি, তুমি কিসতে সহিলা পিতা শোকৰ যাতনা।

(১২)

তুমি স্থিতপ্ৰজ্ঞ, এটি জ্যোতিৰ্ময় শোকৰ সুৰাশুৰি তুলি আথে বেথে লৈ আহিছিলা বুকুৰ আশ্ৰয় স্থলীলৈ, আমাৰি সাদৰি নাম থৈছিলা 'মহাশ্বেতা'।

(১৩)

তেতিয়াৰ পৰাই তুমি অনন্যা হ'লা। হাজাৰ ধুমুহায়ো ভাঙিব নোৱাৰা মৃণ্ময়ী ঘৰত এগচি বন্তি জ্বলিছিল আঁচাৰ। শোহৰত আলোকিত দশোদিশ।

(১৪)

তাতে বুকুৰ পদুলি অধাই চোচেকি ফুলৰ কলি নাচি আহিল বজাহত হাঁহি জালি। আস্ কোনে চিণ্ডি নিলা আকৰ দুটি নিঠুৰ হাতেৰে।

(১৫)

'মহাশ্বেতা' তুমি হ'লা ধৈৰ্য্য কৰণি। কবিতা ফুলৰ মাজারে উপচি পৰিল কৰুণিৰ সম্মোহনী বুকু। আজ তেতিয়াই তুমি সাবিত্ৰীৰ সুৰেৰে উজাই যাও বাই আহিলা। পলকতে 'সাপোনৰ সুৰ' এটি হ'লা। প্ৰাণ গঙ্গাৰ 'পদাঙ্কিত' ফুল দেৱতায়ো চাই থাকিল তোমালৈ অপলক নেত্ৰ মেলি। হে শুভ্ৰ কমলা জীৱন্ত কবিতা, বুকুৰ মাজতে বৈ আছে তোমাৰ জ্ঞানময়ী 'অলকানন্দা', 'ব্ৰহ্মজ্ঞান' ৰ মুক্তিধাৰা মোৰ চিত্ৰ চিন্তাৰ 'জাগৃতি' চেতনা তোমাৰ।

(১৬)

বেদবতী হিন্দু, মুছলিম সহোদৰ মানি তুমি আহিৰ মৰমী জীয়ৰী, ভাষা জননীক সেৱী সাহিত্যৰ কাননত কই থলা অনেক সুৰতি, তাৰে সুবাসত সুবাসিত হৈ জন্ম ললে পাৰিজাত কাননে।

(১৭)

কাৰাৰুদ্ধ পিতায়ে দিছিল ধৈৰ্যৰ অনেক শকতি। শিশু 'ৰাম মূৰ্ত্তি', দেৱতাৰ প্ৰিয় হোৱা দিনা সেয়ে হ'লা ধৈৰ্যৰ মূৰতি। সুন্দৰ সুঠাম দেহ 'পবিত্ৰ' তোমাৰ ছাত্ৰ আন্দোলন কৰি ভাগৰি জুগৰি তেওঁ শুলে কাল শেতেলীত আহ্ কিযে সকৰুণ! পুত্ৰ শোকত উটি ভাহি যায় অভাগা মাতৃৰ হৃদয়। সেই শোকে ৰচিলে 'পুতলী' কাললৈ অজৰ অমৰ।

(১৮)

কণ কণ শিশুবোৰৰ বাবে পিতায়ে সূতা কাটিছিল সপোনৰ, তুমি বৈ কাটি উলিয়াইছিলা মৰমৰ চেলেং চাদৰ তেওঁলোকৰ বাবে। ঘৰ খনেই সকলো, ঘৰ খনেই প্ৰাণ, মাটিক ভাল পোৱাৰ, মানুহক ভাল পোৱাৰ, সেউজীয়াক ভাল পোৱাৰ। তাতে তুমি শিপা হ'লা প্ৰেমৰ। তোমাৰ কণ্ঠেৰে নিগৰি অহা 'বৰগীত'ৰ অময়াসুৰেৰে আলোকিত হ'ল ঘৰৰ মজিয়া। গছ, গছনি, ফুল আৰু চৰাইবোৰে কাণ পাতি পাতি শুনিলে তোমাৰ সুৰদী কণ্ঠৰে নিগৰি অহা সুকোমল ৰাগ।

(১৯)

অসমীয়া সংস্কৃত আৰু বঙালী ভাষাৰ ৰাগীত তুমি যেন মন্ত্ৰ মুগ্ধ। জ্ঞানৰ আধাৰ পাতি ডুবি ৰ'লা গ্ৰন্থৰ প্ৰেমত। তেনে যাওঁ বুলি কিয় গুচি গ'লা 'অন্তিম সুৰেৰে বিদায়ৰ মুদ্ৰা এটি হৈ আপোন ঘৰলৈ। অনাথ সন্তানে আজি চাই আছে তোমাৰ দিব্য তিৰোভাব।

(২০)

'মহাশ্বেতা' বুকুৰ পাতাল ফুটা তলিত আঁকি থৈছো তোমাৰেই ছবি। যাবতো নোৱাৰা কবি। জন্মভূমিৰ মৰমত তিতিবুৰি প্ৰতিশ্ৰুতিৰ সতে আহিবা বহুবাৰ।

(২১)

তুমি যুগে যুগে যুগময়ী জ্ঞানময়ী প্ৰেমৰ প্ৰতিমা। পৰিচয় তোমাৰ নাৰী। মানবী তোমাৰ নাম। তুমি, আকাশ, বতাহ, নৈ, মাটি আৰু শইচৰ গান। তুমি মৃন্ময়ী আইৰ চকুৰ মুকুতা, কোলাৰ মলয়া, লোহিত, দিহিং, দিচাং, ধনশিৰি, পাগলাদিয়া হৈ তুমি বৈ আছা অবিৰাম। লুইত যে তোমাৰেই নাম।

(২২)

তুমি পখী হৈ গীত জোৰা। মেঘ হৈ সোণোৱালী হাঁহি। তৰা হৈ ফুলি থাকা, জীৱন হৈ জীৱৰ মাজত। আছা মহাশ্বেতা আছা হিয়া হৈ হিয়াৰ মাজেৰে বৈ আছা। মোৰ আইৰ বুকুত মূৰ থলেই আজিও বিচাৰি পাঁও তোমাৰ মনৰ দিব্য শক্তি ৰূপ যাৰ সুবাসত প্ৰতিভাত হয় মন্ময়ী আইৰ প্ৰতিটো পুৱা সন্ধ্যাৰ মঙ্গল আৰতি।

তুমি

✍ মঞ্জু দত্ত বৰুৱা

চম্পা ফুলৰ সুবাসেৰে
সপোনৰ সুৰ এটি হৈ তুমি বৈ আহিছিলা
পৃথিৱীলৈ।

আতুৰ প্ৰাণত পলস সিঁচি
নিৰবধি বৈ আছা তুমি,
বৈয়েই আছা আজিও সবাৰে প্ৰাণত।
তোমাৰ আঙুলিৰ পাহে পাহে
লহপহাই বাঢ়ি আহে শব্দৰ নিপোটল শৰীৰ,
য'ত মুখৰ হয় সত্য আৰু সাধনাৰ একান্ত গোপন
সময়।

সময়ে তাকেই সোঁৱৰায়— 'ৰদ আৰু মুকুতাৰ আভৰণ খুলি
নলিনীয়েই গাঁথি গ'ল কবিতাৰ সাতসৰী হাৰ'।
হে দেৱী নলিনী,
বোকাৰ মাজত কুসুম ছন্দ তুমি,
ধাৰণ কৰিলা পদুমৰ বীজ
গৌৰী ৰসেৰে সিক্ত কৰিলা জীৱন, সেই জীৱনৰ
কুশলী হাতেৰে আন্ধাৰৰ অতল তলিত
নিৰ্মাণ হ'ল অন্য এক সুদীৰ্ঘ বাট— যি বাটে বৈ যায়
প্ৰজ্ঞাৱতী নৈ— নাৰী হৈ মাতৃ হৈ। ☐

মহাশ্বেতালৈ

✍ চিত্ৰলতা ফুকন

সূৰ্যই যেতিয়া সামৰি লৈছিল
পোহৰৰ জালখন
মৌ পিয়া চৰাইজনী উৰি গৈছিল
খোপাত গুজি হালধীয়া ফণীখন
আকাশ বতাহৰ মৃদু সিহৰণ
বৈ বোকোচাত
ভাঁহি আহিছিল "সন্ধিয়াৰ সুৰ" এটি
মই চকু মুদিছিলো সিহৰণত
তালে তালে নাচিছিল পৰী
"অলকানন্দা"ৰ অটল তলীত
স্বৰ্গীয় স্ৰোতধাৰাৰ নিষিদ্ধ গহ্বৰত
মই বুটলিব খুজিছিলো
পবিত্ৰ প্ৰবাল।
মই কাণ উনাইছিলো
"যুগদেৱতাৰ" বাণী শুনিবলৈ
প্ৰাৰ্থনা কৰিছিলো
"অন্তিম সুৰ" শুনিবলৈ
আৰু প্ৰাৰ্থনা কৰিছিলো
"পৰশ মণিৰ" পৰশ পাবলৈ।
তোমাৰ "নাট ঘৰত" আমি ভাবৰীয়া
উদং পাত্ৰবোৰ আমাৰ লগৰীয়া
তালফাল কৰি ৰজনজনাই যোৱা বাচনবোৰ
ঋতুৱে ঋতুৱে তুমি আঁহা
পবিত্ৰ পজাঁবোৰত বহা
নদ, নদী, ওখ বিৰিখৰ পখীবোৰে
তোমাক আদৰিবলৈ অপেক্ষা কৰে—
সিহঁতৰ বন্দনাত স্বৰ্গীয় লালিত্যৰ মধুক্ষৰণেৰে
কি অৰ্ঘ্য লৈ আমি তোমাক বন্দনা কৰো

"পৰম তৃষ্ণা" পূৰণেৰে চিৰসুন্দৰক
সপি দিলা অতনু অমৃত। ☐

ব্যথা-পঙ্কৰ পঙ্কজা ঃ নলিনীবালা

✍ প্ৰীতি বৰুৱা

অসম দেশত উনৈশ শতিকাৰ দ্বিতীয়াৰ্ধত এগৰাকী নতুন দিনৰ বাৰ্তা বাহিকাৰ আবিৰ্ভাব ঘটিছিল। সেই গৰাকী চিৰস্মৰণীয়া পদ্মাৱতী দেৱী ফুকননী। (১৮৫৩-১৯২৯) চিন্তানায়ক আনন্দৰাম ঢেকিয়াল ফুকনৰ কন্যা আৰু সেই শতিকাৰে অন্তিম লগ্নত ১৮৯৮ ত উপজি তেওঁৰেই উত্তৰসাধিকা নলিনীবালা কুৰিশতিকাৰ সৰ্বশ্ৰেষ্ঠা নাৰীৰূপে বন্দিতা হৈছে। কুৰি শতিকাৰ আৰম্ভণিতে এই গৰাকী নাৰীৰ জীৱননাটৰ প্ৰস্তাৱনা। তাৰ পাচত বহুতো ঘাত- প্ৰতিঘাতৰ উৰ্মিমালাৰ মাজেৰে সেই নাট্য প্ৰবাহ এক অনিবাৰ্য পৰিণতিত স্তব্ধ হৈছে। সেই পৰিণতি আধ্যাত্মিকতাৰ হিৰণ্ময় জ্যোতিৰে জ্যোতিষ্মান। ১৮৯৮ চনৰ পৰা ১৯৭৭ চনলৈকে এই সুদীৰ্ঘ কালছোৱা অসমৰো বিশেষকৈ অসমীয়া নাৰীৰ নব-অভ্যুদয়ৰ কাল। নলিনীবালাৰ জীৱনৰ এই অভ্যুদয়ত পিতৃ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰো আছিল প্ৰভূত অৰিহনা। নবীনচন্দ্ৰৰ পিতৃ আছিল মাধৱ কন্দলীৰ 'সাতকাণ্ড ৰামায়ণ' আৰু 'দীপিকা ছন্দ' সম্পাদনা কৰি ছপাই উলিওৱা ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈ। ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈ ব্ৰিটিছ চৰকাৰৰ সন্মানিত বিষয়া আছিল। গুৱাহাটীৰ যোৰপুখুৰীৰ পাৰতে আছিল বৰদলৈ মাধৱ চন্দ্ৰৰ হাউলী। এই মাটিখিনি মাধৱচন্দ্ৰই কিনি লৈছিল। বৰদলৈ পৰিয়ালৰ ঘাই ঘৰ আছিল ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে উত্তৰ গুৱাহাটীতহে। তাৰো আগতে তেওঁলোকৰ পূৰ্ব পুৰুষ আছিল উজনি অসমৰ শিৱসাগৰত। মানৰ আক্ৰমণৰ প্ৰবল আঘাতত তিষ্ঠিব নোৱাৰি বহুতো পুৰণি পৰিয়াল নামনিলৈ পলাই আহি উত্তৰ গুৱাহাটীত থিতাপি লৈছিল। নলিনীবালাৰ আজো ককাক কমলনাথ বৰদলৈয়ে কোনোমতে মানৰ হাতৰপৰা সাৰি আহি উত্তৰ গুৱাহাটী পাইছিলহি।

কমলনাথ বৰদলৈ দৈৱজ্ঞ পৰিয়ালৰ সন্তান। দৈৱজ্ঞসকলক সূৰ্যবিপ্ৰ বুলিও কোৱা হয়। আহোম ৰজাসকলৰ ৰাজচ'ৰাত দৈৱজ্ঞসকল বিশেষ সন্মানীয় ব্যক্তি আছিল। ঐতিহাসিক সকলৰ মতে, দৈৱজ্ঞসকল কনৌজৰপৰা আহি আহোম ৰাজ্য আৰু ক্ৰমে দৰং আৰু কামৰূপৰ কোঁচৰাজ্যত থিতাপি লৈছিল। জ্যোতিষ-বিদ্যাত পাৰ্গত হোৱাৰ উপৰি তেওঁলোক ৰাষ্ট্ৰনীতিতো পাৰ্গত আছিল। দৈৱজ্ঞসকলক 'খৰি' (ঋষী) উপাধি দিয়া হৈছিল। ইতিহাসবিদ ডক্টৰ সূৰ্যকুমাৰ ভূঞাদেৱে কৈছে যে অসমৰ সংস্কৃতি আৰু ৰাজনীতি ক্ষেত্ৰত এই দৈৱজ্ঞসকলে মাতৃভূমিৰ উন্নতিৰ হকে প্ৰভূত ৰঙণি

দি গৈছে। উদাহৰণ স্বৰূপে 'অসম-বুৰঞ্জী' প্ৰণেতা সোণামুৰা পৰিয়ালৰ সদৰ-আমিন হৰকান্ত মজিন্দাৰ বৰুৱা; ৰুদ্ৰখৰি পৰিয়ালৰ মাধৱ কন্দলীৰ ৰামায়ণৰ সম্পাদক আৰু প্ৰকাশক ৰায়বাহাদুৰ মাধৱ চন্দ্ৰ বৰদলৈ আৰু তেখেতৰ সুযোগ্য সন্তান দেশপ্ৰাণ আৰু সাহিত্যিক নবীন চন্দ্ৰ বৰদলৈৰ নামো উল্লেখ কৰিছে।

মানৰ হাতৰ পৰা সাৰি আহি কল্পনাথ যেতিয়া গুৱাহাটী পাইছিল, তেতিয়া তেওঁৰ বয়স মাত্ৰ বাৰ বছৰ। ভাগ্যক্ৰমে এগৰাকী দয়ালু ইংৰাজে পাই কল্পনাথক কিছু লেখা-পঢ়া শিকালে আৰু তেওঁক এটা কৰ্মসংস্থানো দিলে। পাছত তেওঁ দুগৰাকী বাই-ভনীক বিয়া কৰাই উত্তৰ গুৱাহাটীতে নিগাজীকৈ থাকিবলৈ ল'লে। ডাঙৰ গৰাকী পত্নীৰ পুত্ৰ মাধৱচন্দ্ৰ। নলিনীবালা দেৱীৰ ককাদেউতাক। যথেষ্ট কষ্ট কৰি তেখেতে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা আইনৰ পৰীক্ষা পাছ কৰে আৰু ওকালতি কৰিবলৈ লয়। পাচতহে চৰকাৰী বিষয়া হয়গৈ। মাধৱচন্দ্ৰৰ দ্বিতীয় পুত্ৰ নবীনচন্দ্ৰ (১৮৭৫-১৯৩৬) — যি গৰাকীয়ে পাঁচ দশকৰো অধিক কাল নিজ কৰ্ম-সাধনাৰে অসমৰ মনোজগতত আধিপত্য স্থাপন কৰি 'কৰ্মবীৰ' নামে চিৰস্মৰণীয় হৈছে। নবীনচন্দ্ৰই ডিব্ৰুগড়ৰ বিখ্যাত চাহ খেতিয়ক মালভোগ বৰুৱাৰ কন্যা হেমন্ত কুমাৰী দেৱীক বিয়া কৰাইছিল। অসমমাতৃৰ এইগৰাকী সুসন্তানৰে কন্যা নলিনীবালাই ১৮৯৮ চনৰ ২৩ মাৰ্চ তাৰিখে বৰপেটাত জন্মগ্ৰহণ কৰিছিল। ককাদেউতাক মাধৱচন্দ্ৰই নাতিনীয়েকৰ নাম ৰাখিছিল 'পদ্মিনী'। পাচত পিতৃ নবীনচন্দ্ৰৰ ইচ্ছাত তেওঁৰ নাম হ'লগৈ 'নলিনী'। হয়তো নবীনচন্দ্ৰৰ আধুনিক ৰুচিয়ে সমাৰ্থক এই নামটিত অধিক আধুনিকতা অনুভৱ কৰিলে।

মাধৱ চন্দ্ৰই গুৱাহাটীৰ যোৰপুখুৰীৰ পাৰত আহল-বহল বাৰীৰে সৈতে কিনি লোৱা মাটি ডোখৰতে আছিল মাধৱচন্দ্ৰৰ হাউলী। কথিত আছে যে এই হাউলীটোত আগতে নামনি অসমৰ শাসনকৰ্তা বৰফুকনসকলে বাস কৰিছিল। একেবাৰে শেষৰ গৰাকী বাসিন্দা আছিল বুৰঞ্জীপ্ৰসিদ্ধ কলিয়াভোমোৰা বৰফুকন। মাধৱচন্দ্ৰই মাটি কিনোতে আগৰ ঘৰ-দুৱাৰৰ কোনো চিন-মোকাম নাছিলগৈ যদিও, প্ৰকাণ্ড হাউলীটোত অসংখ্য ডাঙৰ গছ আছিল। আম-কঠাল আদি ফলৰ গছো যথেষ্ট আছিল। প্ৰাকৃতিক সৌন্দৰ্যৰ স্পৰ্শ থকা সেই পৰিবেশৰ সোঁ-মাজতে মাধৱচন্দ্ৰই ডাঙৰ চাং-বঙলা সজালে। সৌন্দৰ্যৰ লগত যুক্ত হৈছিল মাধৱ চন্দ্ৰৰ প্ৰাচুৰ্য। হাউলী গুৱাই আছিল চাৰিখনকৈ ঘোঁৰাবাগীয়ে। ঘোঁৰাও পছিমীয়া, ওখ-পাখ। হাতী এজনীও আছিল 'যাত্ৰা' নামেৰে। পৰিয়ালৰ মানুহৰ বাহিৰেও বন্দী- বেটী, নিৰাশ্ৰয় বিধৱা, দুখীয়া ছাত্ৰ আদিৰে এশজন মানুহ নিগাজীকৈ থাকে হাউলীটোত। তদুপৰি হাউলীৰ সমুখৰ পুখুৰীত বিবিধ চৰাই পৰেহি। ককাদেউতাক মাধৱচন্দ্ৰই কলিকতাৰ পৰা বহুতো চৰাই আনি দিছিল নাতিনীয়েকক, পুহিবলৈ। চৰাইৰ সংখ্যা আৰু বিধ দিনে দিনে বাঢ়ি এখন সৰু-সুৰা

চিৰিয়াখানাই হৈ পৰিছিল। দিনটো সকৰু ছোৱালীজনীৰ চৰাই তদাৰক কৰিয়েই আজৰি নাই। চৰায়ে আনন্দ দিয়াৰ লগতে কন্দুৱায়ো। চৰাইবোৰ নানা কাৰণত প্ৰায়ে মৰে। মৰিলে নলিনীবালাই কান্দি কান্দি চকু উখহায়। আনন্দ আৰু দুখ একেলগেই আহে। জীৱ আৰু জড় প্ৰকৃতিৰ প্ৰতি স্নেহে সেইদৰেই হৃদয়ত বাহ লয়। নলিনীবালাই নিতৌ দুবৰি বনৰ নিয়ৰ গচকি ঘৰৰ ফুলনিত ফুলা নানা বৰণৰ সুগন্ধি ফুল কুঁকি ভৰাই তুলি গোঁসাইঘৰত থয়হি। দোকমোকালিতে আইতাকৰ লগত বিছনাত শুই-শুইয়ে সুৰ মিলাই বৰগীত, সংস্কৃত স্তোত্ৰ গায়। শৈশৱত হাউলীৰ বাহিৰৰ ল'ৰা-ছোৱালীৰ সঙ্গ নাছিল বাবেই নলিনীবালাই 'ফুল-পখিলাৰ ৰেহ-ৰূপ চাই, পুখুৰীত চৰি থকা হাঁহবোৰৰ ধেমালি চাই' সময় পাৰ কৰিছিল। ৰামায়ণ, মহাভাৰত, কীৰ্ত্তনঘোষাৰ পদ আৰু কাহিনী শুনি আপোন পাহৰা হৈছিল। ঘৰুৱা সংস্কৃত শিক্ষক গোপালকৃষ্ণ দে' ডাঙৰীয়াই নিচেই কম বয়সতে নলিনীবালাক সংস্কৃত পাঠ শিকাইছিল। 'অভিজ্ঞান শকুন্তলম্'ৰ কাহিনী আৰু কালিদাসৰ কাব্যৰসে কণমানি নলিনীবালাৰ অন্তৰত কেনে অনুভূতিৰ সঞ্চাৰ কৰিছিল সেই কথা নলিনীবালাই আত্মজীৱনী 'এৰি অহা দিনবোৰ'ত মনোৰম ভাষাত লেখিছে। শকুন্তলাক সুঁৱৰি সুঁৱৰি তেওঁ নিজেই যেন শকুন্তলা হ'ল। ঘৰৰ বাৰীখন কন্বমুণিৰ আশ্ৰম যেন লগা হ'ল। তেজস্বিনী সুভদ্ৰাও হ'বলৈ মন গ'ল এদিন সুকণ্ঠ-গায়ক পিতৃ নবীনচন্দ্ৰ বৰদলৈৰ মুখত শুনা ৰবীন্দ্ৰ সংগীতৰ এটি শাৰীয়ে "নিবিয়া বাঁচিল নিশাৰ প্ৰদীপ, উষাৰ বাতাস লাগি"— নলিনীবালাৰ হৃদয়তন্ত্ৰীত সোণৰ-কাঠিৰ পৰশেৰে ঝঙ্কাৰ তুলিলে। কাব্যৰ প্ৰভাৱ, সংস্কৃত-শিক্ষকৰ পৰা শিকা বঙলা আৰু সংস্কৃত কাব্যৰ শব্দ সম্ভাৰ মনত পুঞ্জীভূত হৈ আছিলেই। সকলো মিলি দহ বছৰীয়া নলিনীবালাক কবিতা ৰচনাত উজ্জীবিত কৰিলে। তেওঁৰ প্ৰথম কবিতাৰ সৃষ্টি হ'ল 'সন্ধ্যা' নামেৰে। তাৰ পাছত 'পিতা'। দুয়োটা কবিতাই প্ৰকাশ হৈছিল ডিব্ৰুগড়ৰ পৰা ওলোৱা 'আলোচনী'ত। 'ঘৰজেউতি'ত ওলায় 'পুতলী' নামৰ শোক-কবিতাটি। অনাহুত আৰু পৰমতৃষ্ণাই আবাহনত আত্মপ্ৰকাশ কৰি অসমীয়া কাব্য জগতত খলকনি তোলে। এইদৰেই আৰম্ভ হ'ল অৰ্ধ শতিকাৰো অধিক কাল জোৰা অবিৰত কাব্য-যাত্ৰা। নলিনীবালাৰ ব্যক্তিগত জীৱন বহু-মৃত্যুৰ বেদনাৰে ব্যথাদীৰ্ণ। এবাৰ স্বামী অভেদানন্দ আহিছিল গুৱাহাটীলৈ। দৰ্শন প্ৰাৰ্থিনী, শুভ্ৰবেশিনী নলিনীবালাৰ মুখলৈ চাই স্বামীজীয়ে ক'লে, "মা তুমিতো পথ লৈছাই। গৈ থাকা। দ্বিধাহীনভাবে আগুবাই যোৱাঁ। প্ৰকৃত পথ পাবা। উভতি নাচাবা, মই কৈছো তুমি যি বিচাৰিছা পাই যাবা।"

পৰবৰ্তী কালত আমি দেখিবলৈ পাইছো জীৱনৰ কঠিন পথত, বিভিন্ন পৰ্যায়ত নলিনীবালাই দ্বিধাহীনভাবে পথ অতিক্ৰম কৰা। এই পথত তেওঁ ব্যক্তিগত কাৰুণ্য আৰু নিঃসঙ্গতা সত্বেও দুহাতে আপোন প্ৰাণৰ ঐশ্বৰ্য্য বিলাই গৈছে। গানেৰে,

কবিতাৰে, প্ৰেমেৰে, দেশসেৱাৰে, সংগ্ৰামেৰে। 'সন্ধিয়াৰ সুৰ'ৰে জীৱন আৰম্ভ কৰি 'সপোনৰ সুৰ'ত আপোন পাহৰা হৈ অৱশেষত যে 'পৰশমণি' লাভ কৰিছে তাত সন্দেহ নাই। নলিনীবালা নামটোৱেই তাৎপৰ্যপূৰ্ণ। পঙ্কত জন্মি পঙ্কজে শতদল মেলি ক্ৰমে ঊৰ্ধমুখী হয়। পঙ্কৰ গ্লানি তাত নাথাকে। পঙ্কজ অৰ্থাৎ নলিনীও ঊৰ্ধমুখী হৈ হৈ আধ্যাত্মিকতাৰ চৰম উৎকৰ্ষতাত উপনীত হৈছে। ব্যথাৰ পঙ্ক হিৰন্ময়-দ্যুতিৰ আধ্যাত্মিকতাত বিলীন হৈছে। সেয়ে নলিনীবালাৰ জীৱন-কাহিনী ব্যথাৰ পঙ্কত পঙ্কজৰ বিকাশৰ কাহিনী।

অফুৰন্ত প্ৰাণশক্তিৰ প্ৰতীক পিতৃ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়েই আছিল নলিনীবালাৰ আদৰ্শ আৰু প্ৰেৰণাৰ উৎস। নবীনচন্দ্ৰই দেশৰ আহ্বানত মন-প্ৰাণ সঁপি স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰি কাৰাদণ্ড ভোগ কৰিছিল। সমগ্ৰ অসমক নেতৃত্ব দিয়াৰ গধুৰ দায়িত্বৰ মাজতো তেওঁ সাহিত্য আৰু সংগীত চৰ্চা কৰিছিল। স্বদেশপ্ৰেমৰ দীপ্ত আবেগেৰে বহুতো কবিতা আৰু গীতৰ উপৰি উপন্যাস, কাহিনী, নাটক, জীৱনী আদিও তেখেতে ৰচনা কৰিছিল। ৰাজনীতিত নেতৃত্ব দিব লগা দায়িত্ব নোলোৱা হলে হয়তো নবীনচন্দ্ৰই এজন সাহিত্যিক হিচাপেই উচ্চ আসন ল'লেহেঁতেন। নলিনীবালাই পিতৃৰ সাহিত্যানুৰাগ আৰু স্বদেশপ্ৰেমৰ উত্তৰাধিকাৰ লাভ কৰিছিল। নবীনচন্দ্ৰৰ কৰ্ম আৰু চিন্তাৰ মাজত নাৰী-জাগৰণ আৰু নাৰী-মুক্তিৰ চিন্তায়ো এক বিশিষ্ট স্থান পাইছিল। পিতৃৰ সহায়তে নলিনীবালাৰ সামাজিক চেতনা, শিক্ষা, সাহিত্য চৰ্চা, আধ্যাত্মিক চেতনা আৰু জাতীয় ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা জন্মিছিল তাত সন্দেহ নাই।

নবীনচন্দ্ৰ সৰুৰেপৰা সামাজিক কামৰ প্ৰতি আগ্ৰহশীল আছিল। তেওঁ এজন সমাজ সেৱাৰ আগৰণুৱা সংগঠক হিচাপেও জনাজাত আছিল। গুৱাহাটীতো কুৰি শতিকাৰ প্ৰথম ছোৱাত কলাজ্বৰ আৰু মেলেৰীয়াৰ প্ৰাদুৰ্ভাৱ হৈছিল। মাজে সময়ে ই মহামাৰী আকাৰো ধাৰণ কৰিছিল। নবীনচন্দ্ৰই যুৱকসকলক লৈ স্বেচ্ছাসেৱীদল গঠন কৰিছিল আৰু ঘৰে ঘৰে গৈ জাতি-ধৰ্ম-নিৰ্বিশেষে সকলো ৰোগীকে শুশ্ৰূষা কৰিছিল। তেওঁ হোমিঅ'পেথি চিকিৎসা কৰিবলৈকো লৈছিল। নিজৰ হাউলীতে বিনামূলীয়াকৈ চিকিৎসা-সেৱা আগবঢ়োৱাত দুখীয়া-নিচলা আৰু ৰোগীয়ে নিচেই পুৱাৰে পৰা অপেক্ষা কৰিছিল। নলিনীবালা তেতিয়া দহবছৰীয়া। তেৱোঁ ৰোগীৰ সেৱাত দেউতাকক সাধ্যানুসাৰে সহায় কৰিবলৈ লৈছিল। এইদৰেই পাছলৈ তেওঁ এই চিকিৎসা-পদ্ধতি শিকিছিল। 'এৰি অহা দিনবোৰ'ত নলিনীবালাই তেওঁৰ চিকিৎসাত দুৰাৰোগ্য ৰোগী ভাল হোৱাৰ ঘটনাও বৰ্ণনা কৰিছে। দেউতাকৰ সেৱা পৰায়ণতায়ো এইদৰেই নলিনীবালাক অনুপ্ৰাণিত কৰিছিল।

নবীনচন্দ্ৰৰ অতিথিপৰায়ণতাৰ বিশেষ খ্যাতি আছিল। কন্যা নলিনীবালাই এই

গুণটো আয়ত্ব কৰিছিল। বৰদলৈ-হাউলী দুখীয়া ছাত্ৰ, নিৰাশ্ৰয়া বিধবা আৰু কংগ্ৰেছ কৰ্মীৰ অতিথিশালা আছিল। মহাত্মা গান্ধী, যমুনালাল বাজাজ, বাবু ৰাজেন্দ্ৰ প্ৰসাদ, নেতাজী সুভাষচন্দ্ৰ আদি বহু সৰ্বভাৰতীয় নেতায়ো ইয়াত আতিথ্য গ্ৰহণ কৰিছিল। নলিনীবালাই শৈশৱতে এই বৰেণ্য নেতাসকলৰ সান্নিধ্যলৈ আহিবলৈ সুযোগ পাইছিল। পৰৱৰ্তী কালত যেতিয়া নবীনচন্দ্ৰই স্বদেশী আন্দোলনৰ বাবে কাৰাবৰণ কৰিবলগীয়া হৈছিল তেতিয়া তেওঁ গান্ধীবাদী আদৰ্শেৰে প্ৰতিদিনে চৰখাত সূতা কাটিছিল আৰু সেই সূতা ঘৰলৈ পঠিয়াইছিল। নলিনীবালায়ো সেই আৰ্হিতে ঘৰতে সূতা কাটিবলৈ লৈছিল আৰু পিতৃয়ে পঠিওৱা সূতাৰ লগতে নিজে কটা সূতাৰে তেওঁলৈ তাঁতশালত চুৰিয়া বৈ পঠিয়াইছিল।

স্বাধীনতা-সংগ্ৰামী আৰু ব্যস্ত সংগঠক হৈও নবীনচন্দ্ৰই তাৰ মাজতে সাহিত্য-চৰ্চাৰ বাবে সময় উলিয়াই লৈছিল। জাতীয়তাবোধক বহু কবিতাৰ উপৰি নবীনচন্দ্ৰই 'গৃহলক্ষ্মী' নামেৰে সামাজিক নাট ৰচনা কৰিছিল। শ্বেইক্সপিয়েৰৰ নাটকৰো অসমীয়া ভাঙনি কৰিছিল। 'শেৱালী' নামৰ উপন্যাস, গল্প-সংগ্ৰহ 'হাতেমতাই' আৰু ইটালীয় বিপ্লৱী গেৰিবল্ডিৰ জীৱনীও ৰচিছিল। ৰাজনীতিক মুখ্য কৰি নোলোৱা হ'লে নবীনচন্দ্ৰ এগৰাকী সফল সাহিত্যিকৰূপেই পৰিগণিত হ'লহেঁতেন। পিতৃৰ আৰ্হিয়ে নলিনীবালাক সাহিত্য-চৰ্চাৰ প্ৰতি আগ্ৰহী কৰি তুলিছিল।

নবীনচন্দ্ৰৰ চিন্তাত নাৰীৰ অধিকাৰ আৰু নাৰীৰ মুক্তিৰ যি ভাবনাই বিশেষ ঠাই আগুৰি আছিল, নলিনীবালাই ডাঙৰ হৈ অহাৰ লগে লগে পিতৃৰ সেই চিন্তা-ভাৱনা সঠিকভাৱে অনুধাৱন কৰিব পাৰিছিল। নবীনচন্দ্ৰই নাৰীৰ মুক্তিৰ প্ৰথম পদক্ষেপ হিচাপে সেই কালৰ ওপৰ শ্ৰেণীৰ মহিলাৰ মাজত প্ৰচলিত পৰ্দা-প্ৰথাৰ বিৰুদ্ধে উঠি পৰি লাগিছিল। পোণতে, নিজৰ ঘৰতে ইয়াৰ বিলোপ সাধনত গুৰুত্ব দিছিল। পিতৃৰ এনে আৰ্হিয়েই পৰৱৰ্তী কালত নলিনীবালাক সামাজিক জীৱনৰ বহু অন্ধ-সংস্কাৰৰ বিৰুদ্ধে যুঁজিবলৈ প্ৰেৰণা দিছিল। পিতৃৰ সহায়ত ঘৰতে গৃহশিক্ষকৰ যত্নত অসমীয়া, বঙালী আৰু সংস্কৃত ভাষাৰ শিক্ষাই নলিনীবালাক যি জ্ঞান দিছিল, সেই জ্ঞান তেওঁ তেনে কোনো সুবিধা নোপোৱা ছোৱালীবিলাকক বিলাইছিল। জ্ঞান-আহৰণত নলিনীবালাই যথেষ্ট পৰিশ্ৰম কৰিছিল। বৰদলৈ পৰিয়ালত সংগীতৰ চৰ্চা আছিল। নবীনচন্দ্ৰৰ পৰা নলিনীবালাই বৰগীত আৰু ৰবীন্দ্ৰ সংগীতো শিকিছিল-বিশেষকৈ ৰবীন্দ্ৰনাথৰ ব্ৰাহ্মসংগীত। আইতাকেও ধৰ্মীয় গীত-মাত শিকাইছিল। সু-গায়ক, অভিনেতা, নাট্যকাৰ আৰু কৃতী শিক্ষক কামাখ্যা নাথ ঠাকুৰে তেখেতৰ আত্মজৈৱনিক ৰচনাত নলিনীবালা দেৱীৰ ৰবীন্দ্ৰ-সংগীত চৰ্চাৰ কথা উল্লেখ কৰিছে। যি সময়ত নাৰীয়ে সংগীত-চৰ্চা কৰা কথাটোৱেই ভাবিব নোৱাৰা কথা আছিল, সেই কালতে নলিনীবালাই তেওঁৰ সুৰীয়া আৰু সুৰুদী কণ্ঠত ৰবীন্দ্ৰ সংগীত গোৱাৰ কথা কৈছে।

নবীনচন্দ্ৰই তেওঁৰ কন্যাৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উন্নতিৰ প্ৰতি সমানে লক্ষ্য ৰাখিছিল। সেয়ে উত্তৰ গুৱাহাটীৰ চিত্ৰ-শিল্পী ৰমাকান্ত মজিন্দাৰ বৰুৱাৰ অধীনত কন্যাক চিত্ৰ-কলাৰো শিক্ষা দিয়াইছিল। ষাঠি বছৰ বয়সতো নলিনীবালাই তেওঁৰ 'বিশ্বদীপা' নামৰ গ্ৰন্থৰ বহুতো চিত্ৰ নিজেই অঙ্কণ কৰিছিল।

নবীনচন্দ্ৰয়ো দেশ-দস্তুৰ মতে ব্ৰাহ্মণ কন্যাক গৌৰীদান দিছিল। এঘাৰ বছৰ বয়সত নলিনীবালাক (১৯০৯ চনত) শিৱসাগৰৰ জীৱেশ্বৰ চাংকাকতিলৈ বিয়া দিছিল আৰু আঠ বছৰৰ পাছতে বিধবা হৈ তেওঁ পিতৃ গৃহলৈ উভতি আহিছিল। তেতিয়া তেওঁ চাৰিটি সন্তানৰ জননী। পঞ্চম কন্যা-সন্তানটি স্বামীৰ মৃত্যুৰ পাছতহে উপজিছিল। নলিনীবালাৰ অকাল বৈধব্যৰ ঘটনা বৰদলৈ পৰিয়ালৰ বাবে নিদাৰুণ আঘাত আছিল। সেই অন্ধকাৰময় মুহূৰ্তত পিতৃৰ উপদেশেই নলিনীবালাৰ জীৱনৰ পথ-নিৰ্দেশক ধ্ৰুৱতৰা আছিল। নলিনীবালাৰ সন্মুখত তেতিয়া এক দীঘল আৰু হতাশাৰে আবৰা পথ। পিতৃয়ে যন্ত্ৰণাকাতৰ হৃদয় ঢাকি, কন্যাক সান্ত্বনা-বাণীৰে শাঁত কৰিবলৈ বিচাৰিছিল। যাতনা আৰু আনন্দ জীৱনলৈ আহিবই। দুয়োটাকে লৈ জীৱন কটাব পৰাতেই জীৱনৰ সাৰ্থকতা। কন্যাৰ হাতত পিতৃয়ে তুলি দিলে শ্ৰীমদ্ভাগৱত গীতা আৰু পূৰ্ণানন্দগিৰিৰ 'বেদবাণী'ৰ তিনিটা খণ্ড। সংগোপন কল্পনাত শকুন্তলা আৰু সুভদ্ৰা হ'ব খোজা ছোৱালীজনীক সোতৰ বছৰ বয়সতে পৰিস্থিতিয়ে অন্য বাটেৰে লৈ গ'ল। এই আধ্যাত্মিক অনুভূতিৰ উন্মেষকালত ৰবীন্দ্ৰনাথৰ গীতাঞ্জলিৰ গভীৰ, কৰুণ ভক্তিৰসাত্মক গীতে তেওঁৰ মনক অতীন্দ্ৰিয় অনুভূতিৰে জীপাল কৰিলে।

কাব্য চৰ্চা ঃ

অকাল বৈধব্যৰ যাতনাতে নলিনীবালাৰ দুৰ্ভাগ্যৰ শেষ হোৱা নাছিল। পাঁচবছৰীয়া প্ৰতিশ্ৰুতিসম্পন্ন শিশুপুত্ৰ পুতলী অগ্নিদগ্ধ হৈ মৃত্যু মুখত পৰিল। পুতলীৰ মৃত্যুত কাৰাগাৰৰ পৰা নবীনচন্দ্ৰই লেখিছিলঃ তুমি দগ্ধা হৈছা .... আশীৰ্বাদ কৰোঁ শীঘ্ৰে তীব্ৰ বৈৰাগ্য আহি তোমাৰ হিয়া অধিকাৰ কৰক। নাৰীৰ বৈৰাগ্যৰ শেষ সাধনা বিশ্বপ্ৰেম।

তাৰপিছত, পিতৃৰ মৃত্যুৰ কিছু পাছতেই দেশপ্ৰাণ, তীক্ষ্ণধী, তৰুণ পুত্ৰ পবিত্ৰ প্ৰাণৰো মৃত্যু হয়। এইদৰে আঘাতে আঘাতে জৰ্জৰিত জীৱন দুখৰ জুইত পুৰি সোণ হৈহে জিলিকি উঠিল। নলিনীবালাই পিতৃ-উপদেশ সাৰোগত কৰি 'বৈৰাগ্যৰ সাধনা' কৰিবলৈ ল'লে। এই সাধনা বিশ্বৰ প্ৰতি নিৰ্লিপ্ততাৰে নহয়—স্বদেশ-স্বজাতি, আৰু মানৱ প্ৰেমেৰে। এই বিশ্বপ্ৰেমৰ বাবেই জগতে পালে এগৰাকী মহান কবিক, এক বৰ্ণাঢ্য ৰূপত।

দহ বছৰ বয়সত ৰচনা কৰিছিল 'পিতা' 'সন্ধ্যা' নামৰ দুটি সুকলা কবিতা। কিন্তু,

প্ৰকৃত জয়যাত্ৰা আৰম্ভ হ'ল 'অনাহুত' আৰু 'পৰমতৃষ্ণা' নামৰ দুটি অনুপম কবিতাৰে। এই দুয়োটি কবিতাই 'আবাহন'ত ওলাইছিল। ১৯২৮ চনত প্ৰকাশ হ'ল কবিতা সংকলন 'সন্ধিয়াৰ সুৰ'। ইয়াৰ কবিতাসমূহতে স্পষ্টকৈ বাজি উঠিল আধ্যাত্মিকতাৰ সুৰ। মাত্ৰ কৈশোৰ- উত্তীৰ্ণা কবিৰ ব্যথাদীৰ্ণ হৃদয়ত নিঃসঙ্গতা আৰু যাতনাই জগাই তুলিছিল সেই সুৰ, যি সুৰত সমুদ্ৰৰ গভীৰতা সমাহিত হৈ আছে। তেওঁৰ মানসিকতাৰ এক দুৰ্লভ পৰিমণ্ডলত বেদনাৰ কাতৰতা শাঁত পৰিছে, আৰু এক বিৰল স্বচ্ছ দৃষ্টি ফুটি উঠিছে। দ্বিতীয়খন কাব্যগ্ৰন্থ হ'ল 'সপোনৰ সুৰ'। ই কবিৰ আধ্যাত্মিক আৰু কাব্যিক দ্বিতীয় পৰ্য্যায়। এই কবিতাবোৰত নিৰাশাবাদী সুৰ নাই বৰং ইয়াত পৰিস্ফুট হৈছে মানৱৰ অসীম ভবিষ্যত আৰু মানবাত্মাৰ মৃত্যুঞ্জয়ী শক্তি। ১৯৪৮ৰ পৰা ১৯৬৪ লৈকে এই কালছোৱাতে 'সপোনৰ সুৰ', 'পৰশমণি', 'যুগদেৱতা', 'জাগৃতি' আৰু 'অলকানন্দা' প্ৰকাশ হৈছে। 'পৰশমণি' কবিৰ আধ্যাত্মিক জাগৰণৰ মহিমাময় ৰূপ। এইখন পুথিৰ পাতনিত কবিয়ে এনে ভাব ব্যক্ত কৰিছে যে, জীৱন হৈছে এক অসীম ৰহস্যৰে প্ৰকাশ হৈছে জীৱন, আৰু শান্তিৰ অনন্ত সন্ধানী হৈছে আত্মা। কবিয়ে এই সত্যক নিৰস দাৰ্শনিক চিন্তাৰ পৰা সৌন্দৰ্যৰ অভিনৱ স্তৰত তুলি ধৰিছে। ইয়াৰে 'অলকানন্দা'ত কবিতাৰ লগতে যথেষ্ট সংখ্যক গীতো সংযোজিত হৈছে। উল্লেখ যোগ্য যে কবিৰ একান্ত অনুৰাগী পণ্ডিত ড° কৃষ্ণকান্ত সন্দিকৈয়ে এই পুথি প্ৰকাশৰ সমস্ত ব্যয় বহন কৰিছিল। ৰহস্যবাদ, স্বদেশপ্ৰেম, প্ৰকৃতি-মগ্নতা, পৰমজনৰ ওচৰত আত্মসমৰ্পণ আৰু বিষাদময়তাৰ মিশ্ৰিত প্ৰকাশ ইয়াত দেখা যায়। এই পুথিৰ বাবেই কবিয়ে 'সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল। মৃত্যুৰ আগে আগে প্ৰকাশ পালে 'অন্তিম সুৰ'। কবিৰ ভাবনাৰ ই তৃতীয় স্তৰ। এই স্তৰত পৰিণত বয়সৰ পৰিপক্কতাৰে কবিয়ে সুন্দৰৰ ওচৰত আকুলভাৱে আত্ম সমৰ্পণ কৰিছে। ইয়াৰ চুটি চুটি কবিতাবোৰত অনন্তত মিলি যোৱাৰ ব্যাকুলতা।

নলিনীবালাৰ জীৱন গঢ়ি উঠিছিল ভাৰতীয় ঐতিহ্যৰ ছাঁত। ভাৰতীয় ঋষি, সাধক, মহামানৱ— এইসকলৰ আদৰ্শই তেওঁক চিৰকাল অভিভূত কৰিছিল। ভাৰতীয় চিন্তা, ভাৰতীয় সংস্কৃতিৰ বন্দনা কবিৰ প্ৰায় সকলো ৰচনাতে পোৱা যায়। তেওঁৰ বেদনাময় জীৱনত শান্তি আৰু আশাৰ পোহৰ পেলাইছিল উপনিষদৰ বাণীয়ে। সেয়ে তেওঁৰ কাব্যত উপনিষদীয় বাণীৰ প্ৰতিধ্বনি শুনা যায়। বৰ্তমান জগতৰ অশান্তি, বৈষম্য, ভোগ-সৰ্বস্বতাৰ ফলত হোৱা অস্থিৰতা আদিলৈ লক্ষ্য কৰি ভাৰতৰ ত্যাগ, অহিংসা, প্ৰেম আদিৰ শক্তি পুনৰ জগাই তোলাৰ আহ্বান জনাইছে। তেওঁৰ বিভিন্ন কবিতাত আৰু গদ্যৰচনাতো ভাৰতীয় সংস্কৃতিৰ প্ৰতি, ভাৰতীয় জীৱন-যাপন ৰীতি, ইয়াৰ আদৰ্শ আৰু দৰ্শনৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিছে।

নলিনীবালাৰ কবি-ব্যক্তিত্বৰ বহুমুখী বৈশিষ্ট্য। কবি আত্মশোকতে মগ্ন হৈ থকা

নাই। তেওঁ বৃহত্তৰ জীৱন, বহল মানৱ সমাজ, স্বদেশ আৰু স্বজাতিৰ চিন্তাকো গুৰুত্বপূৰ্ণ স্থান দিছিল। আত্মমুক্তি তেওঁৰ লক্ষ্য নহয়। তেওঁ বিচাৰিছে মানুহৰ দুখ যাতনাৰ অৱসান। যাতনাহীন নতুন সমাজ এখনৰ স্বপ্ন তেওঁৰ চকুত। তাৰ বাবে পৰাখিনি কৰিবলৈকো আগ্ৰহী। তেওঁৰ এই স্বপ্নক বাস্তবায়িত কৰাত সহায়ক হবলৈ কবি, বিজ্ঞানী, শিক্ষাব্ৰতী— সকলোকে আহ্বান জনাইছে। নলিনীবালাৰ এই চেতনা তেওঁৰ ব্যক্তিত্বৰ এটা বলিষ্ঠ দিশ। চিৰসুন্দৰৰ চৰণত নিজকে উৎসৰ্গ কৰিলেও জীৱন বিৰোধী, নীতি বিৰোধী যি কোনো কামৰ বিৰুদ্ধেই তেওঁৰ প্ৰতিবাদ উচ্চাৰিত হৈছিল।

সন্ধিয়াৰ সুৰৰ 'জনমভূমি' কবিতাটো সৰ্বকালৰ সৰ্বমানৱৰ হৃদয়মথিত কৰিব পৰা এটি স্বদেশপ্ৰেমৰ কবিতা। বিশেষকৈ, সেইবোৰ দুখীয়া দেশৰ য'ৰ 'ভগা পঁজাত একোখনি তীৰ্থ, একোখনি পুণ্যৰ আশ্ৰম।' জীৱনৰ অন্তহীন পথ-পৰিক্ৰমাত বাৰে বাৰে এখনি দুখীয়া দেশতে পুনৰ জনম লোৱাৰ বাসনা। যুগদেৱতা, জাগৃতি আৰু অলকানন্দা কাব্যগ্ৰন্থ কেইখনিতো স্বদেশপ্ৰেমৰ কেইবাটিও কবিতা আছে। তেওঁ বেদান্তৰ দাৰ্শনিক ভাৱেৰে উদ্বুদ্ধ হৈ সেই দৰ্শনক সৌন্দৰ্যৰ চৰম অৱস্থালৈ লৈ যাব পাৰিছে। সেই সৌন্দৰ্য-দৃষ্টিৰেই বিশ্বসৃষ্টিক গ্ৰহণ কৰি বিশ্বজগতক পৰম স্নেহেৰে আকোৱালি লৈছে। এনে দৃষ্টিৰ বাবেই তেওঁৰ স্বদেশপ্ৰেমত দেশ আৰু কালৰ কোনো সীমাবদ্ধতা নাই। শান্তি, প্ৰেম আৰু সত্যৰ দৃষ্টিৰে দেশক ভাল পাইছে কাৰণেই তেওঁৰ জাতীয়তাবাদ আৰু বিশ্বমানবতাবাদৰ মাজত কোনো দ্বন্দ্ব নাই। ভাৰতীয় ঐতিহ্যৰ প্ৰভাৱতেই যে নলিনীবালাৰ কাব্যত অতীন্দ্ৰিয়বাদী আৰু জাতীয়তাবাদী সুৰৰ অপূৰ্ব সংমিশ্ৰণ ঘটিছে তাত সন্দেহ নাই।

ভাৰতীয় ঐতিহ্যৰ বাহক গান্ধীজী আৰু ৰবীন্দ্ৰনাথকো কবিয়ে উচ্ছসিত হৃদয়ৰ অভিনন্দন জনাইছে। 'মুক্তিদূত' আৰু 'মহামানৱ' কবিতা দুটিত গান্ধীজীক আদৰ্শমূৰ্ত্তিত পৰিণত কৰিছে। সেইদৰেই ৰবীন্দ্ৰনাথৰ দ্বাৰাও কবি গভীৰভাৱে প্ৰভাৱিত হৈছিল। ৰবীন্দ্ৰনাথৰ গীতাঞ্জলিৰ কেইটিমান কবিতা যে নলিনীবালাৰ হৃদয়ৰ পৰম সম্পদ আছিল আৰু সেই কেইটি গীতেই চকুৰ লোটকেৰে গাই নলিনীবালাই শান্তি আৰু সান্ত্বনা লাভ কৰিছিল কবিৰ আত্মজীৱনীত এই কথাৰ উল্লেখ আছে। নলিনী-কাব্যৰ ভাষাত যি নিৰ্বাচিত শব্দৰ সুৱলা ঝঙ্কাৰ তাত সংস্কৃত কাব্য আৰু ৰবীন্দ্ৰকাব্যৰ অণুৰণন স্পষ্ট।

মুঠতে ভাৰতীয় ঐতিহ্যয়ে নলিনীবালাৰ জীৱনলৈ শান্তি আৰু আনন্দ বোৱাই আনিছিল। এনে শান্তি আৰু আনন্দপূৰ্ণ হৃদয়েৰে নলিনীবালাই সকলো কবিকে আহ্বান জনাইছে সেই সুৰত গীত গাবলৈ যি মৃত্যুমুখীক সঞ্জীৱনী সুধা দিব, ছিন্ন-ভিন্ন জীৱনক আশাৰে জীপাল কৰিব, যি গীতে এন্ধাৰে আৱৰা আত্মাত আলোকৰ ৰূপালীৰেখা

বিৰিঙাব। আলোকৰ বাণীয়েই নলিনীবালাৰ কবিতাৰ বাণী আৰু নিশ্চিতভাৱে এই বাণীৰ উৎস ভাৰতীয় ঐতিহ্য।

গদ্য সম্ভাৰ ঃ

অসমীয়া সাহিত্যত নলিনীবালা মুখ্যতঃ কবিতাৰেহে পৰিচিত। তেওঁ যে এগৰাকী সুদক্ষ গদ্য ৰচয়িতাও সেই কথা বহু সময়ত অলক্ষিতে থাকি যায়। নলিনীবালাই তেওঁৰ অনবদ্য শিল্প ৰীতিৰে যথেষ্ট সংখ্যক গদ্য সম্ভাৰো দি গৈছে। কবিতাৰ দৰে তেওঁ 'শান্তিপথ'ৰ বহু ৰচনাত দাৰ্শনিক দৃষ্টিৰে স্বাক্ষৰ ৰাখি গৈছে। উপনিষদীয় দৰ্শনৰ প্ৰভাৱ 'শান্তিপথ' নামৰ প্ৰবন্ধ সংগ্ৰহত স্পষ্টভাৱেই পৰিছে। কিন্তু সাধাৰণ পাঠকে বুজিব পৰাকৈ যথাসাধ্য সহজ ভাষাতেই এই দাৰ্শনিক প্ৰবন্ধসমূহ ৰচনা কৰিছে। ইয়াত ভাৱৰ গভীৰতা আছে। ৰচনা-শৈলী গাম্ভীৰ্যপূৰ্ণ, অৰ্থ সাবলীল আৰু মৰ্মস্পৰ্শী। তেওঁৰ গদ্যৰচনাৰ আন এটি উল্লেখনীয় সৃষ্টি হৈছে অসম সাহিত্যসভাৰ সভানেত্ৰীৰ অভিভাষণখনি। অভিভাষণখনিৰ ছত্ৰে ছত্ৰে নলিনীবালাৰ মাতৃভূমি আৰু মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধা প্ৰকাশ পাইছে। সাহিত্যিকৰ তথা শিল্পীৰ সামাজিক দায়িত্ব সম্বন্ধে ক'বলৈ গৈ কৈছে ঃ সাহিত্যৰ ঠাই ৰাজনীতিৰ ভেদমূলক ব্যৱস্থাৰপৰা বহু উৰ্ধত। দেশৰ সাহিত্যিক শক্তি এটা অজেয় শক্তি। এই শক্তিয়ে পৃথিৱীৰ শত ৰূপান্তৰ আনিব পাৰে। ..... স্বাধীনতাৰ পিছত আমি বহুত সুবিধা পাইছো। কিন্তু আমাৰ অপ্ৰস্তুত সমাজখনে সুবিধাৰ দান উদাৰভাৱে গ্ৰহণ কৰিব পৰা নাই। সংকীৰ্ণ ভাৱধাৰাক আশ্ৰয় কৰি আমাৰ আজি দৃষ্টিভঙ্গী ঠেক পৰ্যায়লৈ নামি গৈছে। দেশ, সমাজ পাহৰি আত্মকেন্দ্ৰিক মনোভাৱ লৈ উৎকট স্বাৰ্থচিন্তাই বহল কৰ্মক্ষেত্ৰখনক অতি ঠেক কৰি পেলাইছে। আমি আজি নিঃস্বাৰ্থ সেৱাৰ মনোভাৱ হেৰুৱাই পেলাবলৈ ধৰিছো। প্ৰত্যেক কামতে আজি প্ৰেৰণাৰ শিথিলতাই বাধাৰ সৃষ্টি কৰে। জনসেৱাৰ ভাৱ তল পৰি আত্মপ্ৰতিষ্ঠাৰ ভাৱে আগ ঠাই লয়।"

নলিনীবালা মাতৃভাষাৰ প্ৰতি নিজৰ দায়িত্ব সম্পৰ্কেও অতিশয় সচেতন আছিল। আমাৰ ভাষাৰ পূৰ্ণ বিকাশৰ বাবে এটা সুস্থ সামাজিক পাৰিপাৰ্শ্বিক প্ৰয়োজন বুলি তেওঁ ভাবিছিল। অসমীয়া ভাষাৰ প্ৰতিটো শব্দৰ মাজত, ইয়াৰ মধুৰ গীতিময়তাৰ মাজত আমাৰ জাতিটোৰ পৰিচয় লুকাই আছে বুলি কৈছিল। বিভিন্ন সভা সমিতিত তেওঁ নিজৰ মাতৃভাষাক যতনেৰে লালন-পালন কৰিব লাগে বুলি বৰ আকৰ্ষণীয় ভাষাত ব্যক্ত কৰিছিল।

অসমৰ এগৰাকী কৰ্মযোগী কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ দেৱৰ আদৰ্শণীয় জীৱনৰ সকলো দিশ সামৰি এখন জীৱনী-গ্ৰন্থ ৰচনাকৰোঁতা নোলোৱাত তেখেতৰ কন্যায়ে সেইটো এটা জাতীয় দায়িত্ব বুলি মূৰ পাতি লৈছিল। তিনিশপিঠীয়া এই জীৱনী গ্ৰন্থ— 'স্মৃতি-তীৰ্থ' নলিনীবালাৰ অসমীয়া গদ্য সাহিত্যলৈ এটি আপুৰুগীয়া দান।

ই এগৰাকী বিদুষী কন্যাৰ পিতৃৰ প্ৰতি শ্ৰদ্ধাঞ্জলিয়েই নহয়, ই অসমৰ এক সন্ধিক্ষণৰ সামাজিক আৰু ৰাজনৈতিক ইতিহাসৰো দলিল। নলিনীবালা দেৱীলৈ প্ৰশংসাসূচক এখন চিঠিত ড° বাণীকান্ত কাকতিদেৱে এইদৰে লেখিছিল যে, ভাষাৰ সাৰল্য আৰু ভাবৰ সাৱলীলতাই ইয়াক এখন মহৎ ৰচনাৰ স্তৰলৈ নিছে। পুথিখন প্ৰকৃততেই বিশ্বাসযোগ্য অতিৰঞ্জন বা তথ্য বিকৃতি নাই। তেখেতে 'স্মৃতিতীৰ্থ' অসমীয়া সাহিত্যৰ এটা মাইলৰ খুটি বুলিও কৈছে।

'স্মৃতি-তীৰ্থ' অতি আকৰ্ষণীয় ভঙ্গীত আৰম্ভ হৈছে, আৰু নলিনীবালা দেৱীৰ ৰোমাণ্টিক শিল্প-ৰীতিয়ে ইয়াক নীৰস জীৱনীৰ পৰা উপন্যাসৰ সৰসতালৈ উন্নীত কৰিছে। লেখিকাই কৈছে যে জীৱনৰ বিশাল বেদনা-সাগৰৰ পাৰত বহি অতীতলৈ উভতি চাওতে আৰু আনন্দময় উৎসৱৰ মুহূৰ্ত্তবোৰ, মহান পিতৃৰ স্নেহাৰ্দ্ৰ হৃদয় আৰু প্ৰজ্ঞাৰ বাণী— এই সকলোবোৰৰ স্মৃতিয়েও তেওঁৰ মনত ভীৰ কৰিছেহি। কিন্তু আমি দেখিছোঁ, তেওঁ সেই স্মৃতি ভাণ্ডাৰৰ পৰা নিপুণ ভাবে মুহূৰ্ত্তবোৰ বাছি বাছি 'স্মৃতি-তীৰ্থ'ত ভৰাইছে।

এই পুথিখনতো নলিনীবালাই অতি বিশ্বস্ততাৰে অসমৰ সেই কালৰ সামাজিক আৰু ৰাজনৈতিক পৰিবেশৰ-বৰ্ণনা দিছে— অসমৰ জাতীয়তাবোধৰ জাগৰণ, ছাত্ৰ আন্দোলন, বঙ্গৰ স্বদেশী আন্দোলনৰ প্ৰভাৱ আদি সকলোবোৰৰে সঠিক বৰ্ণনা দিছে। অসমৰ স্বাধীনতা আন্দোলনৰ আৰম্ভণি কালছোৱাৰ নেতৃবৃন্দ সম্বন্ধেও বহুতো কথা সন্নিবিষ্ট কৰিছে। পিতৃৰ মৃত্যু আৰু তেখেতৰ অন্ত্যোষ্টি ক্ৰিয়াৰ বৰ্ণনা এনে মৰ্মস্পৰ্শী ভাষাত বৰ্ণনা কৰিছে যে সেই মুহূৰ্তৰ ছবিখন বেদনাবিধুৰ ৰূপত মূৰ্ত্ত হৈ উঠিছে।

নলিনীবালাৰ গদ্য শৈলী এনে কাব্যধৰ্মী যে ই প্ৰায়েই কবিতাৰ সৌৰভ লাভ কৰিছে। ভাষাৰ গুণত বৰ্ণিত কথাই সজীৱতা লাভ কৰি পুথিখনক বিয়োগান্ত উপন্যাসৰ পৰিণতি দান কৰিছে। প্ৰকৃত বিজ্ঞানসম্মত দৃষ্টিৰে ৰচনা কৰা জীৱনী বুলিব হয়তো নোৱাৰি কিন্তু ড° কাকতিদেৱৰ মন্তব্যৰ আধাৰত ক'ব পাৰি যে 'স্মৃতি তীৰ্থ' অসমীয়া সাহিত্যৰ এটি মাইলৰ খুটি। ইয়াৰ ক'তো অতিৰঞ্জন নাই নাইবা তথ্য-বিকৃতিও নাই।

নলিনীবালাই আৰু দুখন জীৱনীও ৰচনা কৰিছে। এখন হ'ল 'বিশ্বদীপা' (১৯৬১), পঁচিশগৰাকী স্বনামধন্য নাৰীৰ জীৱন কথাৰ সংকলন। আৰ্যযুগত বিদুষী নাৰী, সুন্দৰৰ সাধনাত নাৰী, দেশসেৱাত স্বদেশপ্ৰেমিকা নাৰী, বিশ্বকল্যাণত নাৰী, বিজ্ঞানত নাৰী— এই পাঁচোটা ভাগত নাৰীসকলক ভাগ কৰিছে। অৱশ্যে ইয়াৰ আৰ্যযুগৰ বিদুষী নাৰীৰ জীৱন-কথাত বেছিভাগ ক্ষেত্ৰতেই কিম্বদন্তীৰহে সহায় লৈছে। তথাপি নলিনীবালাৰ মোহনীয় ৰচনাৰীতিয়ে জীৱন-কথাখনি উপভোগ্য কৰিছে।

১৯৬৬ চনত প্ৰকাশিত ভাৰতৰ লৌহমানৱ বুলি খ্যাত চৰ্দাৰ বল্লভভাই পেটেলৰ

জীৱনীখন এখন চমু জীৱনাভাস মাত্ৰ। তথাপি ভাষাৰ গুণত ই সুখপাঠ্য।

নলিনীবালাৰ গদ্যসম্ভাৰৰ ভিতৰত সৰ্ববৃহৎ গ্ৰন্থ হৈছে কবিৰ আত্মজীৱনী— "এৰি অহা দিনবোৰ"। এই গ্ৰন্থখনিত লেখিকা নলিনীবালা আৰু নাৰী নলিনীবালাৰ জীৱনক নিয়ন্ত্ৰণ কৰা তিনিটা প্ৰধান বৈশিষ্ট্য সমুজ্জ্বল ভাৱে প্ৰকট হৈছে। প্ৰথম বৈশিষ্ট্য হৈছে, তেওঁৰ গভীৰ আৰু সুদৃঢ় স্বদেশপ্ৰেম— যি স্বদেশপ্ৰেম তেওঁৰ জীৱনৰ ধ্ৰুৱতৰা আৰু প্ৰেৰণাৰ উৎস। দ্বিতীয়টো হৈছে আধ্যাত্মিক চেতনা আৰু তৃতীয় বৈশিষ্ট্য হৈছে নিজৰ দেশ, জাতি আৰু সৰ্বমানৱৰ প্ৰতি আত্মীয়তা। তেওঁৰ আত্মজীৱনী কেৱল তেওঁৰেই আত্মজীৱন কথা নহয়। ই অসমৰ কেইবাটাও দশক জোৰা এখন সামাজিক দলিল। ইয়াত নলিনীবালাই তিনিকুৰি ওঠৰ বছৰীয়া জীৱনৰ নানাৰঙী আৰু বিচিত্ৰ কৰ্মৰাশি বৰ্ণনা কৰাৰ উপৰি সেই কালছোৱাৰ অসমীয়া সমাজ জীৱনৰ বিভিন্ন দিশবোৰকো সফলভাৱে ৰূপায়িত কৰিছে। বৰদলৈ পৰিয়ালৰ পাৰিবাৰিক জীৱন, তাত অনুষ্ঠিত হোৱা নানা ধৰ্মীয় আচাৰ-অনুষ্ঠান আৰু উৎসৱ, সেইকালৰ গুৱাহাটী চহৰৰ আঢ্যৱন্ত অসমীয়া পৰিয়ালবোৰৰ জীৱন যাপনৰ ধৰণ-কৰণ আৰু দৃষ্টিভংগীও এই গ্ৰন্থৰ অন্তৰ্গত বিষয়। কুৰি শতিকাৰ প্ৰথম কেই দশক মানলৈকে সম্ভ্ৰান্ত পৰিয়ালৰ মহিলাই প্ৰায় আবুৰত জীৱন কটাইছিল। আনহাতে, সেইকালৰ সামাজিকভাৱে নিম্ন শ্ৰেণীৰ নাৰীয়ে মুক্তভাৱে চলা ফুৰা কৰিব পাৰিছিল। সেই যুগৰ উচ্চ শ্ৰেণীৰ অসমীয়া মহিলাৰ অৱগুণ্ঠিত জীৱনৰ দুৰ্লভ চিত্ৰ এই গ্ৰন্থত তেওঁ দাঙি ধৰিছে। তেওঁ আক্ষেপেৰে কৈছে যে কিমানবোৰ ফুল যে ওৰণিৰ তলতে নীৰৱে মৰহি গ'ল, কোনে তাৰ লেখ ৰাখিছে! এই আত্মজীৱনীৰ পৰাই আমি এই কথাও জানিব পাৰোঁ যে কৰ্মবীৰ নবীনচন্দ্ৰই তেওঁৰ সমসাময়িক প্ৰগতিশীল চিন্তাৰ ব্যক্তিৰ লগ লাগি এনেবোৰ কু-প্ৰথা বিলুপ্ত কৰাত ব্ৰতী হৈছিল আৰু এই বিষয়ত সফলো হৈছিল।

'এৰি অহা দিনবোৰ'ত লেখিকাৰ বৈধব্য আৰু পুত্ৰশোকৰ যাতনাৰ উল্লেখ থকাৰ লগতে কিদৰে তেওঁ এই সকলোবোৰ অতিক্ৰম কৰি আধ্যাত্মিক স্তৰলৈ গতি কৰিছে সেই কাহিনীও পাওঁ। কিন্তু নলিনীবালাৰ আত্মজীৱনীখনৰ আন এটা বৈশিষ্ট্যও লেখতলবলগীয়া। এই গ্ৰন্থ পাঠ কৰিলে আমি নলিনীবালাৰ কবিতা সমূহৰ সৃষ্টিত দেশৰ বিভিন্ন সামাজিক, ৰাজনৈতিক আৰু ব্যক্তিগত প্ৰতিক্ৰিয়া আৰু তাৰ প্ৰতিফলনৰ ইঙ্গিতো পাওঁ।

'এৰি অহা দিনবোৰ'ত অসমৰ দৃষ্টিৰে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসৰ প্ৰতিচ্ছবিও ধৰা পৰিছে। ইয়াত বৰ্ণিত সকলো কথাই পুংখানুপুংখভাৱে দিয়া হৈছে। অসমৰ নেতৃবৃন্দ, ছাত্ৰ আৰু সৰ্বসাধাৰণ ৰাইজৰ ভূমিকা, বিভিন্ন ঘটনাত তেওঁলোকৰ প্ৰতিক্ৰিয়া সকলো বৰ্ণনা কৰা হৈছে। সেইকালৰ পৰা এই গ্ৰন্থই সেই গুৰুত্বপূৰ্ণ

কালছোৱাৰ বুৰঞ্জীৰ অনুসন্ধানত যথেষ্ট আলোকপাত কৰিব পাৰিব। দ্বিতীয় বিশ্বযুদ্ধ, ভাৰতত্যাগ আন্দোলন আদি ঘটনাই অসমত কি ধৰণৰ সংকটৰ সৃষ্টি কৰিছিল তাৰো সবিশেষ বৰ্ণনা আছে। অসম সাহিত্য সভাৰ সভানেত্ৰী হিচাপে অসমীয়া ভাষাৰ স্বাৰ্থত দৃঢ়তা আৰু বিচক্ষণতাৰে থিয় দিছিল। ১৯৬২ চনৰ আক্ৰমণৰ বিষয়ে ৰাষ্ট্ৰপতি সঞ্জীব ৰেড্ডিৰ ওচৰত সাহসিকতা আৰু সফলতাৰে বক্তব্য দাঙি ধৰিছিল। সভানেত্ৰী হিচাপে তেওঁ অসমৰ ভাষা-সমস্যা সম্বন্ধে প্ৰধানমন্ত্ৰী নেহৰুৰ ওচৰত স্পষ্ট মত প্ৰকাশ কৰাৰ লগতে গৃহমন্ত্ৰী পন্তৰ অসমীয়া মানুহৰ বিষয়ে অসন্মানসূচক মন্তব্যৰ তীব্ৰ প্ৰতিবাদ জনাইছিল। পাছত গৃহমন্ত্ৰী ইন্দিৰা গান্ধী আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৱাই. বি. চৱনৰ বিৰুদ্ধেও কঠোৰভাৱে লিখিত অভিযোগ কৰিছিল। সক্ৰিয় ৰাজনীতিত নাথাকিও নলিনীবালাই ৰাজনৈতিক ঘটনাৱলীক সঠিকভাৱে অধ্যয়ন কৰিব পাৰিছিল আৰু ভালদৰে সেই সমস্যাবোৰৰ সমাধানৰ চেষ্টা কৰিব পাৰিছিল।

নলিনীবালাৰ বৰ্ণাঢ্য জীৱন এই গ্ৰন্থত ফটফটীয়াকৈ ওলাই পৰিছে। এই গ্ৰন্থত তেওঁৰ বিষয়ে জানিবলগীয়া সকলো ধৰণৰ তথ্যকে দিয়া হৈছে। তেওঁৰ বিভিন্নধৰণৰ কৰ্মৰাজি, নানা সময়ত দিয়া বক্তৃতাৰ উদ্ধৃতি, লাভ কৰা প্ৰশস্তি-লেখা, এনে সকলোবোৰ কথাই সন্নিবিষ্ট হৈছে। এই আত্মজীৱনীৰ আন এটা বৈশিষ্ট্য এইখিনিতেই যে ইয়াত উদ্ধৃত ঘটনা আৰু কাল লেখিকাৰ অনবদ্য সাৱলীল গদ্যভাষাৰে সজীৱ হৈ উঠিছে। এইখন লেখিকাৰ জীৱন আৰু কালৰ বিশ্বস্ত দলিল। নলিনীবালাৰ জীৱন-প্ৰীতি আৰু মানবিক গুণাৱলী ইয়াৰ ছত্ৰে ছত্ৰে যিদৰে প্ৰকাশ পাইছে সেয়ে প্ৰমাণ কৰিছে যে নলিনীবালাৰ বৈৰাগ্যই কাহানিও জীৱনক প্ৰত্যাখ্যান কৰা নাছিল। অসমীয়া ভাষাক লালিত্যদান আৰু উন্নীত কৰাত নলিনীবালাৰ বৰঙণি স্বীকাৰ্য। নলিনীবালা ৰচিত জীৱনী কেইখন আৰু আত্মজীৱনীখনো সম্পূৰ্ণ বিজ্ঞানসন্মত ৰীতিৰে ৰচনা কৰা বুলি ক'ব নোৱাৰিলেও লেখিকাই বৰ্ণিত ব্যক্তিসকলৰ চৰিত্ৰৰ নিৰ্যাস টুকি আনিবলৈ সমৰ্থ হৈছে।

ভাৰতীয় ঐতিহ্যৰ প্ৰভাৱ :

নলিনীবালাৰ জীৱন যে ভাৰতীয় ঐতিহ্যৰ প্ৰভাৱতে গঢ় লৈ উঠিছিল তাত সন্দেহ নাই। ভাৰতৰ সুপ্ৰাচীন সামাজিক-সাংস্কৃতিক ঐতিহ্যৰ গভীৰ প্ৰভাৱৰ প্ৰমাণ তেওঁৰ ধ্যান-ধাৰণা আৰু জীৱন যাপন পদ্ধতিতে লক্ষ্য কৰা যায়। নলিনী-সাহিত্যৰ প্ৰায় সকলোতেই ভাৰতীয় দাৰ্শনিক চিন্তা আৰু ঐতিহ্য পৰম্পৰা ফটফটীয়াকৈ জিলিকি আছে। প্ৰাচীন ভাৰতৰ গৌৰৱজ্যোতি আজি ম্লান হলেও তেওঁৰ স্বৰ্গাদপি গৰীয়সী ভাৰত যে পুনৰ জ্যোতিষ্মান হ'ব তাত তেওঁৰ সন্দেহ নাছিল।

ভাৰতীয় সংস্কৃতিত তপস্যাৰ প্ৰভাৱৰ কথা চিৰন্তা সত্যৰূপে গৃহীত। সকলো

শ্ৰেয়ঃ আৰু প্ৰেয়ঃ তপস্যাৰ বলতে লাভ কৰিব পাৰি বুলি বিশ্বাস। নলিনীবালাও তপস্যাৰ অন্তৰ্নিহিত শক্তিত বিশ্বাসী আছিল। নলিনীবালা দেৱীৰ বিভিন্ন কবিতা আৰু গদ্য ৰচনাই কবিৰ ভাৰতীয় জীৱনচৰ্যাৰ প্ৰতি, ইয়াৰ আদৰ্শ আৰু ত্যাগৰ মহত্বৰ প্ৰতি শ্ৰদ্ধাশীল মনোভাৱৰ স্বাক্ষৰ বহন কৰিছে। গীতা আৰু চণ্ডীৰ দ্বাৰাও তেওঁ প্ৰভাৱিত হৈছে। পাঞ্চজন্যধাৰী শ্ৰীকৃষ্ণক প্ৰেম আৰু দয়াৰ আধাৰৰূপে দেখিছিল। মহিষমৰ্দিনী শক্তিৰ প্ৰভাৱ যেন তেওঁ নিজৰ জীৱনতে উপলব্ধি কৰিছিল। দশভূজা মাতৃ' 'সত্য পথিক' আদি কবিতাত এনে ভাৱেই প্ৰকাশ পাইছে। ভাৰতীয় চিন্তাৰ জন্মান্তৰবাদত নলিনীবালাৰ বিশ্বাস আছিল। 'এটি দীঘলীয়া ৰাতি' নামৰ কবিতাটোত ইয়াৰ কাব্যিক প্ৰকাশ সুন্দৰৰূপে প্ৰতিভাত হৈছে।

'পৰশমণি'ত অন্তৰ্ভুক্ত 'সিদ্ধাৰ্থ' আৰু 'যুগদেৱতা'ত সন্নিবিষ্ট 'বুদ্ধদেৱ' কবিতাত তেওঁ বুদ্ধক বিশ্ব-শান্তিৰ দূত বুলি অভিহিত কৰিছে আৰু বুদ্ধৰ প্ৰেম, অহিংসা আৰু শান্তিৰ বাণীক অভিনন্দিত কৰিছে।

'সঁচা নে' কবিতাত ভাৰতীয় দাৰ্শনিক চিন্তাৰ মুকলি প্ৰকাশ ঘটিছে। জীৱনৰ শোক-দুখ, উত্থান-পতনক তেওঁ সমাহিত চিত্তে গ্ৰহণ কৰিব পাৰিছে, ফলত তেওঁৰ চৰিত্ৰ বিচিত্ৰ বৰ্ণৰ আভাৰে সমুজ্জ্বল হৈছে। আত্ম-চিন্তাত সংকুচিত হৈ নাথাকি তেওঁৰ মনে জীৱনক, মানৱসমাজক, স্বদেশক আৰু স্বজাতিক সামৰি ল'ব পাৰিছে আৰু সকলো কবিকে এই চিন্তাৰ সহমৰ্মী হ'বলৈ আহ্বান জনাইছে। বিজ্ঞানী আৰু শিক্ষাব্ৰতীকো বাদ দিয়া নাই।

'জনমভূমি' (সন্ধিয়াৰ সুৰ") 'জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী'ৰ হৃদয়মথিত এক কাব্যিক ৰূপ। ই অসমীয়া সাহিত্যৰ এক কালোত্তীৰ্ণ স্বদেশপ্ৰেমৰ গীত।

যুগদেৱতা, জাগৃতি আৰু অলকানন্দাত স্বদেশপ্ৰেমমূলক যথেষ্ট সংখ্যক কবিতা সন্নিবিষ্ট হৈছে। বেছিভাগ কবিতাতে জন্মভূমি অসমৰ বন্দনাকে কৰা হৈছে যদিও ক'তো সংকীৰ্ণ জাতীয়তাৰ আভাস নাই। ভাৰতীয় জাতীয়তা আৰু মানৱতাৰ লগত সম্পৃক্ত হৈ ই উদাৰতাৰ উচ্চ স্তৰলৈ উন্নীত হৈছে। নলিনীবালাৰ উদাৰ দৃষ্টিভংগীৰ আৰু দূৰদৃষ্টিৰ অন্যতম উদাহৰণ হৈছে ১৯৫৪ চনৰ অসম সাহিত্য সভাৰ সভানেত্ৰীৰ আসনৰ পৰা অসমীয়া মানুহৰ জাতীয় ঐক্য শক্তিশালী কৰিবলৈ জনজাতীয় ভাষা শিকিবলৈ জনোৱা উদাত্ত আহ্বান। জাতীয় ঐক্যত ভাষাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা নলিনীবালাই অতি সচেতন ভাৱে উপলব্ধি কৰিছিল। ভাষাৰ ভিত্তিত প্ৰদেশ পুনৰ্গঠনৰ পন্থাটোত তেওঁ শঙ্কিত হৈছিল। সীমা কমিছনৰ আগত তাক ব্যক্ত কৰিছিলঃ...... এই পন্থাটোৱেই এটা মাৰাত্মক ভুল পন্থাস্বৰূপ হৈছে। কিয়নো এই পন্থাটোৱে ঐতিহ্যপূৰ্ণ ভাৰতশক্তিক শতধা বিচ্ছিন্ন কৰি পেলোৱাৰ বাট উলিয়াব।...... ভাৰতৰ স্বাধীন

চৰকাৰে যেন সুসংগঠিত ভাৰতবৰ্ষক পুনৰ খণ্ড-বিখণ্ড হোৱাৰ পাতনি নেমেলে। অসমক খণ্ডিত কৰিলে ভাৰতবৰ্ষ বিপদাপন্ন হৈ নাথাকে।” নলিনীবালাৰ সেই আশঙ্কা একেবাৰে অমূলক নাছিল। ভাৰতীয় ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাশীল আৰু সেই ঐতিহ্যৰ সৈতে ওতঃপ্ৰোত সম্বন্ধ নলিনীবালাই সততে অনুভৱ কৰিছিল বাবেই তেওঁৰ মনত এনে আশঙ্কাই ঠাই পাইছিল।

নলিনীবালাৰ বৈদান্তিক দৰ্শনৰ প্ৰতি আস্থাই চিৰসুন্দৰৰ প্ৰতি ঐকান্তিক হেঁপাহৰ মাজত প্ৰতিধ্বনিত হৈছে। ৰহস্যবাদৰ মূলতে হৈছে বৈচিত্ৰ্যৰ মাজত ঐক্যৰ সন্ধান আৰু আত্মীয়তাৰ বন্ধন। এনে বিশ্বাসৰ ফলতেই কৱিয়ে জন্মভূমি আৰু ইযাৰ পৰিমণ্ডলক ভাল পাইছে। দেশপ্ৰেম তেওঁৰ ধমনীৰ তেজৰ লগত মিহলি হৈছে। তেওঁৰ জাতীযতাবাদ আৰু বিশ্বমানৱতাবাদৰ মাজত কোনো পাৰ্থক্য নাই। নলিনী কাব্যত আধ্যাত্মিকতা আৰু জাতীয়তাবাদৰ যি সুসংহত মিলিত সুৰৰ ধাৰা সি ভাৰতীয ঐতিহ্যৰে প্ৰভাৱতে হৈছে।

সাহিত্য অকাডেমিৰ পুৰস্কাৰ গ্ৰহণৰ ভাষণত কবিযে তেওঁৰ কাব্যৰ উৎস সম্বন্ধে এইদৰে কৈছিল ঃ

.... ভাৰতীয় দৰ্শনে অধ্যয়নৰ মাজেৰেই মোৰ জীৱনত আলোকপাত কৰে। ভাৰতীয় দৰ্শনৰ মাজত মই বিচাৰি পাইছো সংঘাতে আৱৰা মোৰ জীৱনৰ শান্তিপথ। অন্তৰ্নিহিত কাব্যৰ উৎস বিকশিত হৈ উঠিছিল জীৱন-সংঘাতৰ কৰুণ ৰসধাৰাত সিক্ত হৈ। মই ভাবোঁ, কবিৰ অনুভূতি স্বতঃস্ফূৰ্ত হৈ উঠে দেশ-কাল-প্ৰকৃতিৰ পৰিবেশত। কবিৰ মানস-সংযোজনা সুদূৰ প্ৰসাৰী। ...... মই এটি কথা মোৰ জীৱনত বিশেষভাৱে অনুভৱ কৰি আহিছো যে শত শত অপ্ৰকাশ সত্যৰ প্ৰকাশ কৰিবলৈ সত্য তত্বসমূহে আধাৰ বিচাৰি ফুৰে। .... নভৱা-নিচিন্তা কথা যেতিয়া মোৰ লেখনীৰ আগত কাব্যৰূপে ধৰা দিয়ে, মই নিজেই আচৰিত হওঁ, তৃপ্ত হওঁ এই ভাবি-সত্য চিন্তাৰ বিনাশ নাই। আচৰিত হওঁ এই ভাবি, মই মহান ভাৰতীয় সংস্কৃতিৰ উত্তৰাধিকাৰিনী। মোৰ মনত আহি ধৰা দিছেহি পূৰ্বপুৰুষৰ মহান চিন্তাৰ কঁপনি, এয়ে মোৰ কাব্যৰ উৎস।”

ভাৰতীয় ঐতিহ্যৰ বাণীকেই নলিনীবালাই তেওঁৰ কবিতাত উদ্ভাসিত কৰিছে। অন্তৰৰ পৰম শান্তিৰে কবিয়ে জগতক নতুন যুগৰ শান্তিবাণী বিলাইছে। সকলো কবিকে আহ্বান কৰিছে সেই গীত গাবলৈ যি গীতে মৃতক জাগ্ৰত কৰিব, যি গীতে বিধ্বস্ত জীৱনত আশাৰ দীপ জ্বালিব, যি গীত হ'ব এজাৰ আত্মাক উদ্ভাসিত কৰিব পৰা পোহৰৰ ৰেখা। নলিনীবালাৰ বাণী হৈছে ভাৰতৰ ঐতিহ্যবাহিত আলোকৰ বাণী।

অসমৰ ৰাজনৈতিক আৰু সামাজিক ঘটনাৱলীত নলিনীবালাৰ প্ৰতিক্ৰিয়া ঃ

উনৈশ শতিকাত যিসকল ব্যক্তিয়ে অসম গঢ়াত আগভাগ লৈছিল আৰু ভাৰতীয় জীৱনৰ মূলসূঁতিৰ লগত অসমক সংযুক্ত কৰিছিল সেইসকল ব্যক্তিৰ ক্ৰান্তদৰ্শী পুৰুষ আছিল কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ। এইসকলৰ ব্যক্তিত্বৰ উজ্জল দিশ আছিল দেশপ্ৰেম লগতে মহৎব্যক্তি আৰু মানৱতাৰ প্ৰতি অগাধ বিশ্বাস। সংগীত, শিল্প আৰু সাহিত্যৰ উপৰি নবীনচন্দ্ৰই নিয়মীয়া শৰীৰ-চৰ্চাকো গুৰুত্ব দিছিল। এই সকলোবিলাক গুণেৰে ভূষিত হৈ নবীনচন্দ্ৰ বিশাল ব্যক্তিত্বৰ অধিকাৰী হৈছিল। ১৯১৮ চনত প্ৰকাশিত মণ্টেগো চেমচফোৰ্ডৰ ৰিপৰ্টত অসমক আন আন প্ৰদেশৰ সম-মৰ্যাদা নিদিয়াত বৰদলৈ খণ্ডত একো নাই হৈছিল আৰু বৃটিছ পাৰ্লিয়ামেণ্টত এদিৰে যুক্তি দাঙি ধৰিছিল ঃ

"যদি (অসমৰ) মানুহৰ উপযুক্তভাৱে শিক্ষা নাই বুলি ভবা হৈছে তেনেহলে মই এই সংখ্যা-তালিকা দেখুৱাই ক'ব খোজোঁ যে জনসংখ্যাৰ অনুপাতে শিক্ষিত লোকৰ সংখ্যা ভাৰতৰ ভিতৰতে তৃতীয় বা চতুৰ্থ স্থানত। অসমক কিয় সামাজিকভাৱে অনুন্নত প্ৰদেশ বুলি ধৰা হয়, তাক মই বুজিব নোৱাৰোঁ। বৰং মোৰ বিশ্বাস অসম ভাৰতৰ কোনো কোনো মুখ্য প্ৰদেশবোৰৰ তুলনাত অধিকহে উন্নত।"

আচাম এচোছিয়েচনৰ নেতাৰূপে নবীনচন্দ্ৰই লণ্ডনত যি যুক্তি দাঙি ধৰিছিল তাৰ সুফল ফলিছিল। ১৯২০ চনত সংগঠন অসম কংগ্ৰেছলৈ পৰিণত হ'ল। অসমৰ অসহযোগ আন্দোলনৰ পুৰোধা ব্যক্তি হ'ল নবীনচন্দ্ৰ। অসমৰ অসহযোগ আন্দোলন তীব্ৰ হৈ উঠিছিল আৰু নেতৃত্বই কলিকতাত উচ্চশিক্ষা লাভ কৰিবলৈ যোৱা ছাত্ৰসকলকে ধৰি অসমৰ ছাত্ৰসকলকো স্কুল-কলেজ এৰি আন্দোলনত জপিয়াই পৰিবলৈ আহ্বান জনাইছিল। সেই আহ্বানত দলে-দলে ছাত্ৰই স্কুল-কলেজ ত্যাগ কৰিছিল। বাবু ৰাজেন্দ্ৰ প্ৰসাদে চিভিল ডিচঅ'বিডিয়েন্স এনকোয়াৰি কমিটিৰ ৰিপৰ্টত অসমৰ এই প্ৰতিশ্ৰুতিসম্পন্ন যুৱকসকলৰ অসহযোগ আন্দোলনত যোগদান কৰাৰ কথা বিশেষভাৱে উল্লেখ কৰিছে। নবীনচন্দ্ৰই আৰম্ভণিৰে পৰা মত পোষণ কৰিছিল যে উপনিবেশিক শাসনৰ তলতীয়া মানুহৰ প্ৰাথমিক লক্ষ্যই হৈছে স্বাধীনতা লাভ। এই উদ্দেশ্যই তেওঁ শান্তি আৰু ঐশ্বৰ্যৰ জীৱন ত্যাগ কৰি কঠিন ব্ৰত গ্ৰহণ কৰি গণ-আন্দোলনক সাৱটি ল'লে। তেওঁ আছিল এজন নিৰ্ভীক বক্তা।

নলিনীবালাৰ সম্বন্ধে ক'বলৈ গৈ নবীনচন্দ্ৰৰ বিষয়েহে ক'বলৈ লোৱাটো বিষয়ৰপৰা আঁতৰি অহা নহয়। নলিনীবালা মুখ্যতঃ কবি হিচাপে স্বীকৃত হলেও, পৰমসুন্দৰৰ তৃষ্ণাতুৰ পথিক হিচাপে জীৱনক পৰিচালিত কৰিলেও, জীৱনৰ শেষলৈকে তেওঁ দেশ, জাতি আৰু সমাজৰ বিষয়ে সদা-সচেতন আছিল। এই ক্ষেত্ৰত নবীনচন্দ্ৰৰ পোনপটীয়া প্ৰভাৱ অনস্বীকাৰ্য।

১৯১৯ চনত নবীনচন্দ্ৰৰ হাউলী অসমৰ ৰাজনীতিৰ কেন্দ্ৰস্থল আছিল। বৰদলৈৰ ঘৰখনত সকলো সময়তে ৰাজনৈতিক নেতা আৰু কংগ্ৰেছ স্বেচ্ছাসেৱকৰ অবাৰিত প্ৰবেশ আছিল। ঘৰখনে সকলোকে সমানে পৰিচৰ্যা কৰিছিল। সকলো কামৰ হেঁচা সত্বেও নবীনচন্দ্ৰই পৰিয়ালৰ লোক, বিশেষকৈ দুৰ্ভগীয়া প্ৰিয়তমা কন্যাৰ লগত কটাবলৈ সময় উলিয়াই লৈছিল। ৰাজনীতিৰ কথা-বাৰ্তাও পাতিছিল। এইদৰেই নলিনীবালাই সমসাময়িক ভাৰতীয় ৰাজনৈতিক চিন্তাৰ আদৰ্শৰ লগত পৰিচিত হৈছিল। এইদৰেই বৰদলৈ হাউলীতে গান্ধীজী প্ৰমুখ্যে ভাৰতৰ বিশিষ্ট ৰাজনৈতিক নেতাৰ সান্নিধ্যলৈ আহিছিল আৰু তেওঁৰ মানসিকতাত গভীৰ প্ৰভাব পেলাইছিল। গান্ধীজীৰ মহৎহৃদয় আৰু আদৰ্শৰ বন্দনাৰে কবিতা লিখিছিল। ক্ৰমান্বয়ে নলিনীবালাৰ কবিতাত মাতৃভূমি, স্বজাতি আৰু মানৱতাৰ জয়ধ্বনি ধ্বনিত হ'বলৈ ধৰিছিল। সীমাবদ্ধতাৰ মাজেৰে হলেও কৰ্মবীৰ পিতৃৰ গুৰুত্বপূৰ্ণ ৰাজনৈতিক চিন্তা আৰু কৰ্মৰ লগত পৰিচিত হৈছিল। তাৰফলতেই পৰৱৰ্তী কালত পিতৃৰ জীৱন আধাৰিত 'স্মৃতিতীৰ্থ'ৰ দৰে গুৰুত্বপূৰ্ণ জীৱন-কথা ৰচনা সম্ভৱপৰ হৈছিল। নলিনীবালাই অভিভূত হৈ দেখিবলৈ পাইছিল ১৯২১ চনৰ অসহযোগ আন্দোলনত ভৱিষ্যতৰ ব্যক্তিগত চিন্তা পৰিত্যাগ কৰি দলে দলে তৰুণে নিজকে আহুতি দিছিল। মাতৃভূমিৰ বাবে তৰুণৰ এই আত্মোৎসৰ্গৰ সঙ্কল্প দেখি নলিনীবালাৰ কবি-হৃদয় উথলি উঠিছিল। কবিতাৰ সুৰেৰে মাতৃবন্দনাৰ লগতে তৰুণ পুত্ৰসকলৰ বন্দনাও কবিতাত অনুৰণিত হৈছিল। নলিনীবালাৰ ভ্ৰাতৃ উমেশ বৰদলৈয়ে ডাক্তৰী-শিক্ষা এৰি কলিকতাৰ পৰা ঘূৰি আহিছিল এই আন্দোলনত যোগ দিবলৈ। প্ৰতিভাবান পুত্ৰ পবিত্ৰপ্ৰাণ চাংকাকতিয়ে পঢ়া এৰি আন্দোলনত যোগ দিছিল। পাছত এই উজ্জ্বল-সম্ভাৱনাপূৰ্ণ সন্তানৰ অকালতে মৃত্যু ঘটে। নবীনচন্দ্ৰৰ ঘৰখনতেই প্ৰথম অৱস্থাত অসম কংগ্ৰেছৰ অফিচ আছিল। বৰদলৈ আছিল প্ৰথম সম্পাদক। ধুমুহাৰ গতিৰে ভ্ৰমণ কৰি নবীনচন্দ্ৰই দেশখনক জগাই তুলিছিল তেওঁৰ বৈপ্লৱিক আৰু আবেগময় ভাষণৰে। নলিনীবালাই পৰৱৰ্তী কালত তেওঁৰ দীঘলীয়া অথচ সুললিত আৰু স্বতঃস্ফূৰ্ত ভাষণদানৰ ক্ষমতা নবীনচন্দ্ৰৰ পৰাই আহৰণ কৰিছিল বুলি ভাবিবৰ থল আছে। নলিনীবালাই স্মৃতি কথাত উল্লেখ কৰিছে যে সেই সময়ৰ স্কুলীয়া ছাত্ৰ তেওঁৰ পুত্ৰ উপেন্দ্ৰনাথ চাংকাকতিয়ে বাকচৰ আৰ্হিত সূতাকটা যন্ত্ৰ তৈয়াৰ কৰি ককাদেউতাকক উপহাৰ দিছিল। নলিনীবালাই ক'ব খুজিছে যে গান্ধীজীৰ অসম ভ্ৰমণকালত তেনে এটা যঁতৰ তেখেতকো উপেন্দ্ৰই উপহাৰ দিছিল। তেওঁৰ মতে গান্ধীজীৰ 'বাৰ্ধা চৰখা'ৰ আৰ্হি আছিল অসমীয়া ছাত্ৰৰ এই যঁতৰটো।

নবীনচন্দ্ৰই নলিনীবালাৰ ওপৰত যথেষ্ট আস্থা ৰাখিছিল। কংগ্ৰেছ-আন্দোলনৰ কালত তেওঁ নলিনীবালাক বহুতো গোপনীয় আৰু গুৰুত্বপূৰ্ণ লেখা আৰু অন্যান্য

গোপনীয় নথি-পত্ৰ থবলৈ দিছিল কাৰণ অসহযোগ আন্দোলনে তীব্ৰতৰ ৰূপ ধাৰণ কৰাৰ সময়ত কংগ্ৰেছ অফিচত প্ৰায়েই খানাতালাচ চলিছিল। নবীনচন্দ্ৰই গোপনীয় কাগজ-পত্ৰ অতি দায়িত্বশীল কন্যা নলিনীবালাক লুকুৱাই থবলৈ দিছিল আৰু কেবাবাৰে এনে পুলিচী জুলুমৰ সময়ত নলিনীবালাই সেইবোৰ লুকুৱাই ৰাখিবলৈ সক্ষম হৈছিল। তেওঁৰ এনে বিশ্বাসযোগ্যতাক দেউতাকে শলাগিছিল।

মহাত্মা গান্ধীৰ প্ৰথমবাৰলৈ অসম ভ্ৰমণৰ কাৰ্যসূচীৰ ঘোষণাই ৰাইজক অতীৱ উৎফুল্লিত কৰিছিল। নবীনচন্দ্ৰই অতি যত্নেৰে পাঁচশ ভলণ্টিয়াৰৰ এটা দল গঠন কৰিছিল। এই দলটোক বৰদলৈ হাউলীতে কঠোৰ প্ৰশিক্ষণ দি তৈয়াৰ কৰা হৈছিল। বৰদলৈ হাউলীৰ তেতিয়ালৈ নামকৰণ হৈছিল 'শান্তি ভৱন'। বৰদলৈৰ নেতৃত্বত এই পাঁচশ সৈনিকে মাতৃভূমিৰ হকে প্ৰাণোৎসৰ্গৰ প্ৰতিজ্ঞা লৈছিল। এই পাঁচশ সৈনিকৰ বাবে পাঁচশ 'গান্ধী টুপি' তৈয়াৰ কৰাৰ দায়িত্ব দিয়া হৈছিল নলিনীবালাক। তেওঁ আত্মীয়স্বজনৰ সহযোগত এই কাম কৰি দিছিল। নিৰ্দিষ্ট দিনত কামখিনি সমাধা কৰিবলৈ তেওঁলোক সকলোৱে দিনে নিশাই পৰিশ্ৰম কৰিবলগীয়া হৈছিল।

গান্ধীজী, মৌলানা মহম্মদ আলি, বেগম মহম্মদ আলি, যমুনালাল বাজাজ, আজাদ শোভানী, কৃষ্ণদাস, বাবু ৰাজেন্দ্ৰ প্ৰসাদ, সুভাষ বসু, আৰু অন্যান্য সৰু-বৰ সকলো নেতাই 'শান্তি ভৱন' পৰিদৰ্শন কৰিছিল। এখেতসকলৰ সান্নিধ্যই নলিনীবালাৰ দেশপ্ৰেমৰ প্ৰাবল্য বঢ়াইছিল। দেখিছিল প্ৰকৃত দেশপ্ৰেমিক পিতৃদেৱ আৰু তৰুণৰাম ফুকনৰ দৰে ব্যক্তিয়ে খদ্দৰৰ জনপ্ৰিয়তা বঢ়োৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰি মোনাত খাদীবস্ত্ৰ ভৰাই নিজেই কান্ধত ভাৰ বৈ নি বজাৰত বেচিছিলগৈ। নবীনচন্দ্ৰৰ এনে কাৰ্যই বৰদলৈ-পৰিয়ালৰ নলিনীবালাকে ধৰি সকলোটিকে সূতা কাটি কাপোৰ ব'বলৈ প্ৰেৰণা দিছিল। স্বাধীনতা সংগ্ৰামত নলিনীবালা এইদৰেই পৰোক্ষভাৱে জড়িত হৈ পৰিছিল।

• ১৯৪১ চনত পুনৰ অসম আৰু পূৰ্ববঙ্গক লৈ পূৰ্ববঙ্গ মুছলিম ৰাজ্য গঠনৰ প্ৰস্তাৱ তুলি মহম্মদ আলি জিন্নাই অসমত তুমুল বিৰোধী আন্দোলনৰ ঢৌ তোলে। অৱশেষত এই প্ৰস্তাৱ বৰ্জন কৰা হ'লগৈ। অসমৰ এই ভয়ঙ্কৰ দুৰ্যোগপূৰ্ণ কালছোৱাত গান্ধীজীয়ে সম্পূৰ্ণ নীৰৱতা অৱলম্বন কৰিছিল। ক্ষুব্ধা নলিনীবালাই এটি আবেগ- বিহ্বল কবিতাৰে গান্ধীজীলৈ প্ৰতিবাদ জনাইছিল। ৰাজনীতিক আৰু সাহিত্যিক হেম বৰুৱাই ইয়াৰ ইংৰাজী তৰ্জমা কৰি দিছিল। এই কবিতাটোৰ কাব্যমূল্য সিমান নহলেও কবিতাটিয়ে কবিৰ পূৰঠ দায়িত্ববোধৰ পৰিচয় বহন কৰিছে।

১৯৪১ চনত অসমত মুচলিম লীগ চৰকাৰ গঠন হয়। সেই সময়তে বিশ্বযুদ্ধত ভাৰতীয় জনসাধাৰণৰ সৃতিছৰ পক্ষে সহযোগিতাৰ পৰিচয় দিবলৈ চৰকাৰী প্ৰচেষ্টাত

'ৰাৰ-ফ্ৰণ্ট'ত সহায় কৰিবলৈ গুৱাহাটীৰ কটন কলেজত এখন প্ৰদৰ্শনীৰ আয়োজন হৈছিল। কলেজৰ ছাত্ৰ ইউনিয়নে প্ৰদৰ্শনী বৰ্জন কৰিবলৈ আহ্বান দিয়ে আৰু এটা প্ৰতিবাদী সমদল বাহিৰ কৰে। দুৰ্ভাগ্যবশতঃ কামৰূপৰ উপায়ুক্তই লাঠি-চাৰ্জৰ আদেশ দিয়ে। ফলত সমদলকাৰী বহুতো ছাত্ৰ আৰু ছাত্ৰীও আঘাত প্ৰাপ্ত হৈ হস্পিতালত থাকিব লগা হৈছিল। এই ঘটনাত সমগ্ৰ অসমতে বিক্ষোভ ফাটি পৰিছিল। নলিনীবালা দেবীৰ নেতৃত্বত মহিলা সমিতিয়ে চৰকাৰক দোষাৰোপ কৰি এটা প্ৰস্তাৱ গ্ৰহণ কৰিছিল। স্বতঃস্ফূৰ্ত অথচ শৃঙ্খলাবদ্ধভাবে সমগ্ৰ অসমতে তীব্ৰ প্ৰতিবাদৰ জোৱাৰ উঠিল ফলত লীগ মন্ত্ৰীসভাৰ পৰা ৰোহিনীকুমাৰ চৌধুৰীয়ে পদত্যাগ কৰিবলগীয়া হ'ল। নলিনীবালা দেবীয়ে ছাত্ৰ সমাজৰ ওপৰত এইদৰে প্ৰভূত প্ৰভাৱ পেলাবলৈ সমৰ্থ হৈছিল। জীৱনৰ শেষলৈকে নলিনীবালা দেবীয়ে অসমৰ ছাত্ৰসমাজত আস্থা আৰু শ্ৰদ্ধাৰ স্থান পাইছিল।

১৯৪৬ চনৰ ২৩ মাৰ্চত কেবিনেট মিছনৰ ভাৰতৰ স্বাধীনতা সম্পৰ্কে প্ৰস্তাব লৈ ভাৰতলৈ আগমন হৈছিল। মিঃ এ. ডি আলেকজেণ্ডাৰ, চাৰ ষ্টেফৰ্ড ক্ৰিপচ্ আৰু লৰ্ড পেথিক লৰেন্স ইয়াৰ সদস্য আছিল। এই মিছনেও অসম আৰু বঙ্গদেশক একত্ৰিত কৰি শাসন প্ৰবৰ্তন কৰাৰ পোষকতা কৰে। এই প্ৰস্তাৱ পূৰ্বতে মুছলিম লীগ আৰু কংগ্ৰেছেও সমৰ্থন কৰিছিল। কিন্তু অসমৰ নেতৃবৰ্গই এনে 'গ্ৰুপিঙ'ৰ বিৰোধিতা কৰে। আৰম্ভণিতে গান্ধীজীয়েও ইয়াক সমৰ্থন কৰিছিল। সেই সময়ৰ অসমৰ প্ৰধানমন্ত্ৰী গোপীনাথ বৰদলৈয়ে বিৰোধিতাত অটল থাকি কংগ্ৰেছ ৱৰ্কিং কমিটিত এখন আবেদন-পত্ৰ দাখিল কৰে। তেওঁ গান্ধীজীকো লগ ধৰে আৰু এই বিষয়ে অসমৰ তীব্ৰ বিৰোধিতাৰ বিষয়ে ব্যক্ত কৰে। অৱশেষত গান্ধীজীয়ে তেওঁৰ দৃষ্টিভংগী সলনি কৰে আৰু বৰদলৈৰ স্থিতিতে হয়ভৰ দিয়ে। আনহাতে লীগেও মিছনৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰে। সেই সময়তে কলিকতাত থকা অসমীয়া মানুহখিনিয়ে 'অসম সংঘ' গঠন কৰে আৰু বিচ্ছিন্নতাবাদী আন্দোলনৰ বিৰুদ্ধে যুঁজ দিবলৈ সাজু হয়। সেই সময়ত নলিনীবালা কলিকতা প্ৰবাসী হৈ আছিল আৰু তেওঁ অসমীয়া লোকসকলক নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ উৎসাহ প্ৰদান কৰিছিল। তেওঁৰ উদাত্ত আহ্বানে জনসাধাৰণক উদ্দীপিত কৰিলে। অসম আন্দোলন তীব্ৰ মুহূৰ্তত উপনীত হ'ল আৰু প্ৰথমবাৰলৈ সমগ্ৰ ভাৰতৰ বিৰুদ্ধে অকলশৰীয়াকৈ থিয় দিলে। গ্ৰুপিঙৰ বিৰুদ্ধে ৰাজনৈতিক নেতৃবৃন্দৰ স্থিতিক সবল কৰাত নলিনীবালা দেবীয়েও যথেষ্ট বৰঙণি আগবঢ়াইছিল।

১৯৬০ চনত অসমৰ ৰাজ্যভাষা আন্দোলন হৈছিল। অসমৰ ৰাজ্যভাষা অসমীয়া হ'ব লাগে বুলি নলিনীবালা দেবীয়েও এই আন্দোলনত সমৰ্থন আগবঢ়াইছিল। কিন্তু গণ আন্দোলনে এটা সময়ত জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছিলগৈ। সেই সময়তে প্ৰধানমন্ত্ৰী নেহৰু অসমলৈ আহে। তেৰোঁ অসমীয়া ৰাজ্যভাষা হোৱাৰ সপক্ষেই মত দিয়ে। নলিনীবালাই এইসময়তে প্ৰধানমন্ত্ৰীক দেখা কৰে আৰু নিজৰ মতামত-সম্বলিত

এখন পত্ৰ হাতে-হাতে দিয়ে। কটন কলেজৰ ৰঞ্জিত বৰপূজাৰী নামৰ ছাত্ৰজনে এই আন্দোলনৰ ধামখুমীয়াৰ মাজতে পুলিচৰ গুলীত প্ৰাণ হেৰুৱায়। ছাত্ৰসকলে ৰাজ্যজোৰা হৰতালৰ আহ্বান দিয়ে কিন্তু নলিনীবালা দেৱীৰ বুজনিত ছাত্ৰসকলে অৱশেষত এই সিদ্ধান্ত বাতিল কৰিছিল।

ইয়াৰ পাছতে আৰু এটা ব্যাপক গণ-আন্দোলন হৈছিল অসমত তেল শোধানাগাৰ স্থাপনৰ দাবীত। নলিনীবালা দেৱীয়ে এই আন্দোলনত যথেষ্ট সুস্থিৰ নেতৃত্ব দিব পাৰিছিল। তেওঁ ইয়াৰ নেতৃত্বৰ লগত সম্পূৰ্ণ সহযোগিতাৰে আন্দোলনক দৃঢ় কৰাত সহায় কৰিছিল। শেষত অসমত সৰু এটা শোধানাগাৰ স্থাপন হ'ল যদিও কৰ্ম-সংস্থানত থলুৱা প্ৰাৰ্থীক যথোপযুক্ত নিযুক্তি দিয়া নাই বুলি অসন্তোষ চলি আছিল। এই বিষয়ে আলোচনা কৰিবলৈ অয়ল ইণ্ডিয়াৰ চেয়াৰমেন ফিৰোজ গান্ধীৰ ওচৰলৈ পঠিওৱা সঁজাতি দলটোত নলিনীবালা দেৱীকো অন্তৰ্ভুক্ত কৰা হৈছিল। ফিৰোজ গান্ধীৰ হস্তক্ষেপতে থলুৱা প্ৰাৰ্থীৰ নিয়োগত যথোপযুক্ত ব্যৱস্থা লোৱা হ'ল।

১৯৬৮ চনত অসমক পুণৰ্গঠন কৰাৰ পদক্ষেপ হিচাপে অসমৰ পৰা পাৰ্বত্য জিলা কেইখনক বিচ্ছিন্ন কৰি এখন স্বতন্ত্ৰীয়া পাৰ্বত্য জিলা গঠনৰ দাবী উত্থাপন হৈছিল। নলিনীবালাই এখন জনসভাত এই দাবীৰ বিৰোধিতা কৰে আৰু প্ৰধানমন্ত্ৰী, ইন্দিৰা গান্ধী আৰু প্ৰতিৰক্ষা মন্ত্ৰীলৈ বলিষ্ঠভাৱে প্ৰতিবাদ জনাই তাঁৰবাৰ্তা প্ৰেৰণ কৰে। প্ৰেচিডেন্ট ৰাধাকৃষ্ণণলৈ যুক্তিপূৰ্ণ আবেদন-পত্ৰ প্ৰেৰণ কৰিছিল। তেওঁ লিখিছিল, "অসমৰ জিলাসমূহক ফালি নিলে ৰাজ্যখনৰ সুদৃঢ় গাঁথনি ভিতৰৰ ফালৰপৰা সোলোক-ঢোলোক হৈ পৰিব।"

১৯৫৫ চনত অসম সাহিত্য সভাৰ সভাপতিৰূপে লগত আঠজনীয়া দল লৈ ৰাজ্য পুণৰ্গঠন কমিটিক এখন আবেদন পত্ৰ দিয়েগৈ। পশ্চিম বঙ্গই অসমৰ গোৱালপাৰা জিলাখনৰ অধিবাসীসকলৰ অধিকাংশই বঙ্গভাষী বুলি দাবী কৰি পশ্চিমবঙ্গৰ লগত চামিল কৰিবলৈ দাবী জনাইছিল। নলিনীবালা দেৱীৰ নেতৃত্বত যোৱা সজাঁতি দলটোৱে গোৱালপাৰা জিলাখন অসমৰ অঙ্গ আৰু ইয়াৰ অধিবাসীসকলৰ ভাষা অসমীয়া ভাষাৰ এটা ঠাল বুলি পতিয়ন নিয়াব পাৰিছিল। নলিনীবালাই মিঃ ফজল আলি, মি. কুঞ্জৰু আৰু চৰ্দাৰ পানিক্কৰক লৈ গঠিত এই আয়োগক এইদৰে কৈছিল যে ভাষাভিত্তিক প্ৰদেশ গঠনৰ প্ৰস্তাৱটোৱে ভাৰতৰ ঐক্য বিনষ্ট কৰাৰ বাহিৰে কাৰো একো ভাল নহব। এই সঁজাতিদলৰ প্ৰচেষ্টা ফলৱতী হৈছিল। গোৱালপাৰা জিলা অসমতে ৰৈ গ'ল।

এইদৰে অসমৰ বহু দুৰ্যোগৰ কালত নলিনীবালাই দৃঢ়ভাৱে জাতীয় স্বাৰ্থৰ হকে থিয় দিছিল। কেতিয়াবা জাতীয় স্বাৰ্থৰ পৰিপন্থী পৰিস্থিতি সমূহত স্বভাৱতেই আবেগ প্ৰৱণ নলিনীবালাই নিজৰ কৰ্মক্ষেত্ৰৰ সীমা পাৰ হৈ আবেগ-বিহ্বল হৈ উত্তেজিত

নহৈছিল তেনে নহয়। এই ধৰণৰ ত্ৰুটি আচলতে তেওঁৰ স্নেহময় চৰিত্ৰৰহে ফল বুলি ভাবিব পাৰি।

নলিনীবালাই তেওঁৰ আত্মজীৱনীত কৈছে যে মানুহৰ জীৱনত এনে এটা সময় আহে যেতিয়া তেওঁৰ সেৱাৰ মনোভাব তীব্ৰ হৈ উঠে। এনে সময়ত মাতৃভূমিৰ সেৱাত লাগিব পাৰিলেই মনে শান্তি পায়। নলিনীবালাৰ ভগবৎ-প্ৰেমেও তেওঁৰ মনক মাতৃভূমি আৰু মানৱতাৰ সেৱাত ব্ৰতী হ'বলৈ প্ৰেৰণা দিছিল। কুৰি শতিকাৰ সূচনা কালত অসমত স্ত্ৰী-শিক্ষাৰ কোনো উল্লেখযোগ্য ব্যৱস্থা নাছিল। প্ৰথমখন ছোৱালী হাইস্কুল প্ৰতিষ্ঠা হৈছিল ১৯২৬ চনত। যদিও তেওঁ নিজে কোনো আনুষ্ঠানিক শিক্ষা লাভ কৰা নাছিল তথাপি তেওঁ স্ত্ৰী-শিক্ষাৰ বাবে অনুষ্ঠান হ'ব লাগে বুলি ভাবিছিল। নলিনীবালা আৰু তেওঁৰ সহকৰ্মী বহু মহিলা সমাজকৰ্মীয়ে অসমত স্ত্ৰী-শিক্ষাৰ ব্যৱস্থাৰ সপক্ষে জনমত গঠন কৰাত ব্ৰতী হৈছিল। ১৯৩১ চনত নলিনীবালা কামৰূপ মহিলা সমিতিৰ সভানেত্ৰী হয়। এই সময়তে বাল্যবিবাহ ৰোধকৰণৰ বাবে সাৰদা বিল (১৯৩০) পাছ হৈছিল। বিলখন কেন্দ্ৰীয় আইন কমিছনত দিয়াৰ আগতেই গোটেই ভাৰততে তোলপাৰ লাগি পৰিছিল। অসমো বাদ পৰা নাছিল। শ শ নিমাষিত বালিকাক যধে-মধে যাৰে তাৰে লগত বিয়া দি 'ধৰ্মৰক্ষা'ত সমাজৰ ধৰ্মধ্বজসকল ব্যস্ত হৈ পৰিছিল। পৰৱৰ্তী কালত এই ঘটনা স্মৰণ কৰি নলিনীবালাই গৌৰীদান প্ৰথাক আৰু চৈধ্য বছৰৰ তলৰ ছোৱালীক বিয়া দিয়াটোক 'কন্যামেধ যজ্ঞ' বুলি কৈছিল। সাৰদা আইনৰ ভয়ত সৰালৰিকৈ বিয়া দিয়া এনে শ শ শিশু-কন্যা বিধবাৰে ভাৰত ভৰি পৰিছিল। শিশু-বিধবাৰ যন্ত্ৰণাময় জীৱন নলিনীবালাই তেওঁৰ পৰিয়ালৰ বাল বিধবাৰ জীৱনতে দেখিবলৈ পাইছিল। নলিনীবালা আৰু তেওঁৰ সতীৰ্থ কুসংস্কাৰ-বিৰোধী মহিলাৰ সহযোগত গুৱাহাটীৰ এখন জনসভাত ভোট যুদ্ধত সাৰদা আইনৰ সমৰ্থকসকল জয়ী হৈছিল। এই ঘটনা অসমৰ নাৰী মুক্তিৰ ক্ষেত্ৰত এটা মাইলৰ খুটি।

নলিনীবালা এগৰাকী প্ৰকৃত সমাজ-সংস্কাৰক আছিল। সকলো সময়তে তেওঁৰ চিন্তা আছিল সমাজমুখী। বিভিন্ন সভা-সমিতিত অতি উদাত্তকণ্ঠে আৰু দ্বিধাহীনভাবে অন্ধবিশ্বাস, কু-সংস্কাৰ, জাত-পাতৰ বিভেদ, নাৰীৰ হীনমন্যভাব, পুৰুষৰ অধিকাৰ আদিৰ বিৰুদ্ধে মত প্ৰকাশ কৰিছিল। নাৰী শক্তিত তেওঁৰ অবিচল আস্থা আছিল। তেওঁ বিশ্বাস কৰিছিল যে সমাজত নাৰীৰ কান্ধত জাতিগঠন তথা মানসিক গুণৰ বিকাশ সাধনৰ গুৰু দায়িত্ব ন্যস্ত হৈছে। চিৰন্তন মাতৃৰূপে নাৰীয়ে সমাজৰ দুৰ্নীতি, অন্ধবিশ্বাসকে ধৰি সকলো ধৰণৰ দুস্কৃতিৰ বিৰুদ্ধে যুঁজিব পাৰে। প্ৰকৃততে সেই দায়িত্ব নাৰীৰহে।

নানা প্ৰকাৰৰ কৰ্মক্ষেত্ৰৰ ভিতৰত শিশু কল্যাণৰ চিন্তা আৰু কৰ্ম নলিনীবালাৰ অতি প্ৰিয় আছিল। শিশুৰ মানসিকতা সুন্দৰ আৰু গঠনমূলক কৰিবলৈ তেওঁ শিশু-অনুষ্ঠানৰ পৃষ্ঠপোষকতাও কৰিছিল। 'পাৰিজাত- কানন' নামৰ শিশু অনুষ্ঠান এটা ৰৰদলৈ হাউলীতে প্ৰতিষ্ঠা কৰিছিল আৰু গুৱাহাটীৰ শিশু প্ৰেমী শিল্পী-সাহিত্যিক-খেলুৱৈ আদিৰ সহযোগত আটক ধুনীয়া অনুষ্ঠান হিচাপে ইয়াক গঢ় দিছিল। গঠনমূলক কামত নলিনীবালাৰ কাৰ্যক্ষমতা আৰু আগ্ৰহ দেখি বহুতে তেওঁক ৰাজনীতিত এই কৰ্মক্ষমতা কিয় নিয়োজিত নকৰে বুলি সোধা প্ৰশ্নৰ উত্তৰত নলিনীবালাই কৈছিল যে— ৰাজনীতিৰ অৰ্থ হৈছে সু-শাসন, দৃঢ় প্ৰতিৰক্ষা আৰু চমৎকাৰ সংগঠন। দেশৰ সকলো সমস্যাৰ লগতে তেখেতে সদায় জড়িত আৰু তেনে ক্ষেত্ৰত পৰাখিনি তেওঁ কৰিছেই। সেয়ে শিশুৰ বাবেও তেওঁ কৰিবলৈ ভাল পায়। সেয়ে নলিনীবালাই শিশুৰ বাবে ৰচনা কৰি থৈ গৈছে বহুতো নৃত্য-নাটিকা, গীতি- নাট্য —শেষ পূজা, পাৰিজাতৰ অভিষেক, প্ৰহ্লাদ, হোলি আদি নৃত্য-নাটিকা আৰু গীত। তেওঁৰ শিশু প্ৰেম কেৱল গুৱাহাটী নাইবা অসমতে সীমাবদ্ধ নহয়। পৰ্বতীয়া ৰাজ্য কেইখনৰ (সেই সময়ত আটাই কেইখন 'ৰাজ্য' নাছিল) শিশুবোৰো বাদ পৰা নাছিল।

অসমৰ সাংস্কৃতিক ক্ষেত্ৰলৈ নলিনীবালাৰ প্ৰচেষ্টাই এটা অতি প্ৰয়োজনীয় সংগঠনৰ জন্ম দিছিল। তেওঁৰ প্ৰস্তাৱ অনুযায়ী অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই অসমীয়া লেখকৰ সাহিত্য সৃষ্টিক প্ৰেৰণা দিবলৈ সাহিত্য- প্ৰকাশৰ প্ৰতিষ্ঠান এটাৰ প্ৰতিশ্ৰুতি দিছিল। শিক্ষা মন্ত্ৰী দেবেশ্বৰ শৰ্মাৰ তৎপৰতাই এই কাম ক্ষিপ্ৰতৰ কৰিছিল। 'অসম প্ৰকাশন পৰিষদ'ৰ এইদৰেই আৰম্ভণি হৈছিল। এই প্ৰতিষ্ঠানে বহু আপুৰুগীয়া গ্ৰন্থ উদ্ধাৰ কৰি প্ৰকাশ কৰাৰ উপৰি লেখকক সাহিত্য প্ৰকাশত আৰ্থিক সাহায্যও দিছে।

নানা বৰ্ণেৰে সমুজ্জ্বল নলিনীবালাৰ ব্যক্তিত্ব। কবি ৰূপে তেওঁ সৃষ্টিধৰ্মিতা আৰু সফলতাৰ চূড়া স্পৰ্শ কৰিছে। কবিতাকে তেওঁ আত্মপ্ৰকাশৰ শ্ৰেষ্ঠ মাধ্যম বুলি অনুভৱ কৰিছিল। কিন্তু অন্যবোৰ ক্ষেত্ৰতো যে তেওঁৰ যোগ্যতা আছে সেই সম্পৰ্কও সচেতন আছিল। ৰাজনীতিত, সামাজিক কৰ্মত আৰু আধ্যাত্মিক ক্ষেত্ৰতো তেওঁ গভীৰ সাঁচ বহুৱাই গৈছে। যি বিষয়তে তেওঁ বক্তব্য প্ৰকাশ কৰিছিল, শ্ৰোতাৰ মনৰ ওপৰত ঐন্দ্ৰজালিক প্ৰভাৱ বিস্তাৰ কৰিছিল। নলিনীবালাৰ দাৰ্শনিক মানসিকতাৰ প্ৰতিফলন ঘটিছিল অতি স্পষ্টভাৱে তেওঁৰ বক্তৃতাসমূহত।

যি সকলে নলিনীবালাৰ ভাষাৰ ওপৰত দখল, সংস্কৃত সাহিত্যৰ জ্ঞান আৰু যথাযোগ্য উদ্ধৃতি আৰু সুৰীয়া কণ্ঠৰ সহযোগত শ্ৰোতাৰ মনৰ ওপৰত মন্ত্ৰধ্বনিৰ দৰে ক্ৰিয়া কৰা ভাষণ শুনিছিল তেওঁলোকে তাক পাহৰিব নোৱাৰে। কোনো কোনোৰে

তেখেতৰ ভাষণত অতি-কথনৰ ত্ৰুটি আৰু যুক্তিতকৈ আবেগৰ প্ৰাধান্য বুলি ক'ব খোজে। কিন্তু এই কথা সম্পূৰ্ণ সত্য নহয়। তেওঁৰ ভাষণ শ্ৰুতিমধুৰ হৈও যথেষ্ট সাৰমৰ্ম থকা, ই শ্ৰোতাক এক আদৰ্শৰ প্ৰতি আগ্ৰহী কৰি তোলে। সেই আদৰ্শ অলীক নহয়, বাস্তৱভিত্তিক। আমাৰ ধাৰণ ক্ষমতাৰ ভিতৰতে। তেওঁ কৰ্ম-সংস্কৃতিৰ কথা কৈছিল— মানৱতাৰ উত্তৰণৰ বাবে কঠোৰ পৰিশ্ৰমৰ কথা কৈছিল— এখন আনন্দ, স্বপ্ন আৰু অঙ্গীকাৰপূৰ্ণ পৃথিৱীৰ প্ৰয়োজনত। এনে এখন পৃথিৱীৰ বাবেই তেওঁ ওৰেটো জীৱন কাম কৰি গ'ল।

দুখৰ বিষয় নলিনীবালাৰ সেই স্বতঃস্ফূৰ্ত ভাষণবোৰ সংকলিত নহ'ল। নলিনীবালাই প্ৰকৃততে তেওঁৰ প্ৰাপ্য স্বীকৃতি নাপালে, যদিও বহু ঠাইত সাহিত্যিক সন্মান পাইছে। কিন্তু তেওঁৰ কবিতা আৰু গদ্য সম্ভাৰ এতিয়াও উপযুক্তভাৱে হিন্দী নাইবা ইংৰাজী ভাষালৈ ভাষান্তৰিত হোৱা নাই। তেওঁ হিন্দী সাহিত্যৰ মহাদেৱী বৰ্মা, বঙ্গীয় সাহিত্যৰ কামিনী ৰায় নাইবা ইংৰাজী ভাষাৰ সৰোজিনী নাইডুতকৈ কম প্ৰতিভাশালী নহয়। কিন্তু এইসকলৰ সমপৰ্যায়ৰ নাইবা তাতোকৈ মহত্তৰ কবি নেকি, গদ্য লেখিকা নেকি, সেই কথাও ভাৰতীয় সমালোচকে নিৰ্ধাৰণ কৰিবলৈ ভাষান্তৰিত নোহোৱাৰ কাৰণেই সুযোগ পোৱা নাই। ভাষাৰ বাধা (যিটো অতিক্ৰম কৰিবলৈ আজি পৃথিৱীৰ সকলো ঠাইতে ব্যৱস্থা হৈছে) আৰু প্ৰচাৰৰ ব্যৱস্থাহীনতা বা আমাৰ অসচেতনাই তাৰ বাবে প্ৰধানকৈ দায়ী।

ব্যক্তিগত জীৱনত নলিনীবালাৰ সাংসাৰিক আনন্দ নাছিলেই। তেওঁৰ জীৱন পথত যেন ট্ৰেজেডিৰ বীজহে সিঁচি থোৱা হৈছিল, কিন্তু সৌভাগ্যই জীৱনত লাগ দিয়া নাই বুলি নলিনীবালা ম্ৰিয়মান হোৱা নাই কাহানিও। আনৰ জীৱনলৈ আনন্দ আৰু সুখ কঢ়িয়াই অনাৰ দায়িত্ব যেন তেওঁ হাঁহি মুখে গ্ৰহণ কৰিছে। বোধহয় এইদৰে ভাবিলেও ভুল নহ'ব, যে অকাল বৈধব্যৰ আকস্মিকতাত পুত্ৰ-কন্যাসহ যৌবনৰ আৰম্ভণিতে বিশাল ব্যক্তিত্বৰ পিতৃৰ কাষলৈ উভতি আহিব লগা নোহোৱা হ'লে হয়তো নলিনীবালাৰ প্ৰতিভাই কুৰিশতিকাৰ আৰম্ভণি কালছোৱাৰ মধ্যবিত্ত যৌথ-পৰিয়ালত এইদৰে বিকাশ লাভ কৰাটো সম্ভৱপৰ নহ'লহেঁতেন। এনে বহু প্ৰতিভাশালিনী নাৰী সমাজ আৰু গাৰ্হস্থ্য জীৱনৰ প্ৰতিকূলতাত আত্মবিকাশৰ সুযোগ নেপোৱাকৈ মৰহি গৈছে। ব্যাক্তিগত বহু দুৰ্ভাগ্য সত্বেও, নলিনীবালাৰ তেনে প্ৰতিবন্ধকতাত আত্মবিলোপ নঘটিল। দুখীয়া অসমমাতৃৰ এয়া পৰম সৌভাগ্য।

নলিনীবালাৰ জীৱন-যাত্ৰা সামৰণি পৰিল ১৯৭৭ চনৰ ২৪ ডিচেম্বৰ তাৰিখে, ঊনআশী বছৰ বয়সত। ঊৰ্ধমুখী বিকশিত শতদল ধীৰে ধীৰে জাপ গ'ল। নিফুট মাতেৰে যেন বিদায় বাণী উচ্চাৰিত হ'ল এটি আকুল প্ৰাৰ্থনাৰে—

"বিদায় মোৰ জন্মভূমি! মৰিলে পুনৰ আহি দুখীয়া দেশত মোৰ লওঁ যেন পুনৰ জনম।" □

আধ্যাত্মিক কবি নলিনী বালা দেৱীৰ 'সন্ধিয়াৰ সুৰ'

(কবিৰ জন্মশতবাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি)

✍ অধ্যাপিকা নীলিমা দত্ত

কবি নলিনীবালা দেৱীৰ 'সন্ধিয়াৰ সুৰ' জীৱনৰ বিশাল পটভূমিত পৰিব্যাপ্ত হৈ আছে। কবি গৰাকীৰ কবিতাত প্ৰথমৰপৰা শেষ পৰ্যায়লৈ সন্ধিয়াৰ সুৰেই যেন প্ৰতিধ্বনিত হৈছে। 'সন্ধিয়াৰ সুৰ' ১৯২৮ চনত প্ৰকাশিত হোৱাৰ পিচৰে পৰা ক্ৰমে 'সপোনৰ সুৰ' (১৯৪৩), পৰশমণি (১৯৫৪), যুগদেৱতা (১৯৫৭), জাগৃতি (১৯৬২), অলকানন্দা (১৯৬৭), অন্তিমৰ সুৰ (১৯৭৭) —এই কবিতা পুথি সমূহে সন্ধিয়াৰ সুৰকে স্পন্দিত কৰিছে। এই সুৰতেই কবিৰ সুখ-দুখ, প্ৰেম বিশ্বাস, আত্মসমৰ্পণ আৰু আধ্যাত্মিকতাৰ মনোভাৱ জৰিত হৈ থাকে। সন্ধিয়াৰ সুৰত মানব প্ৰেম আৰু দেশপ্ৰেমৰ মাজত কবিৰ কোনো সংঘাত দেখা নেযায়। এক সমন্বয়ী ভাবত কবিৰ পুৰাতন চৈতনা আৰু নতুন চেতনাৰ পৰিস্ফুট উদ্ভাসন ঘটিছে। কবিৰ 'পৰম তৃষ্ণা', 'অচিনপখী', 'জনমভূমি', 'পুতলী' আদি কবিতাই তেওঁৰ কাব্য জগতৰ একো-একোটা বিশিষ্ট দিশ প্ৰকাশ কৰিছে।

নলিনীবালা দেৱীৰ সন্ধিয়াৰ সুৰৰ মূল উৎস হ'ল— পুৰাতন ভাৰতীয় দৰ্শনৰ উপনিষদৰ বাণী —

"অসতো মা সদ গময়ঃ
তমসো মা জ্যোতিৰ্গময়ঃ
মৃত্যুৰ্মা অমৃত গময়ঃ।"
"অসত্যৰ পৰা সত্যলৈ
এন্ধাৰৰ পৰা পোহৰলৈ
মৃত্যুৰ পৰা অমৃতলৈ গমন হওক।"

এনে গভীৰ আত্মসমৰ্পনত নলিনী দেৱীয়ে স্বকীয় প্ৰযত্ন আৰু সাধনাক সমন্বিত কৰা মনোভাবে তেওঁৰ কাব্যিক প্ৰকাশক সমুজ্জ্বল কৰি তুলিছে।

কবি নলিনী দেৱীৰ জীৱন-বৃত্তান্ত এক পৰম দুখতেই আৰম্ভ হৈছে। বালিকা

অৱস্থাতে তেওঁৰ বিবাহ আৰু প্ৰায় কৈশোৰৰ শেষত তেওঁৰ কৰুণ বৈধব্য, তদুপৰি পুত্ৰৰ মৃত্যুত মনৰ চৰম সন্তাপে কবি গৰাকীক থকা সৰকা কৰা দেখা যায়। কবিয়ে তেওঁৰ 'শান্তিপথ' নামৰ পুথিত লিখিছে, "সেইদিনা সংঘাতময় জীৱনৰ মাজত যি দ্বন্দ্ব, যি সংঘৰ্ষৰ সৃষ্টি হৈছিল, জীৱন জোৰা বেদনাৰ নিপীড়নে হিয়াৰ মাজত যি কৰুণসুৰৰ কঁপনি তুলিছিল, সেই কপঁনিয়ে নীৰস হিয়াত সন্ধিয়াৰ সুৰৰ উদাস ৰাগিনী জগাই তুলিছিল (শান্তিপথ, ১৯৭১ পৃঃ ১৪২)। এনেদৰে পাৰ্থিব জীৱনৰ ব্যক্তিগত দুখানুভূতিয়ে সন্ধিয়াৰ সুৰক আন এক প্ৰকাৰে প্ৰভাৱান্বিত কৰিছে। কিন্তু, নলিনী-কাব্যৰ এই সুৰত নিহিত হৈ পৰিল এক দুৰ্নিবাৰ শক্তি— যি শক্তিয়ে আত্মবিশ্বাসৰ প্ৰত্যয় দি সকলো পাৰ্থিব দুখক সংহত কৰি পৰমাত্মাত মিলিত হোৱাৰ আকুতি মানুহক প্ৰদান কৰে। নলিনী দেৱীয়েও দুখক এক পৰম শক্তিলৈ ৰূপান্তৰ কৰিলে সন্ধিয়াৰ সুৰত।

বৈধব্যৰ দুখত জৰ্জৰিতা কন্যাৰ হাতত এদিন পিতৃ নবীন চন্দ্ৰ বৰদলৈ ডাঙৰীয়াই তুলি দিলে ভাৰতীয় দৰ্শনৰ মূলমন্ত্ৰ হিচাপে এখনি গীতা। স্বনামধন্য, মহামনিষী নবীনচন্দ্ৰ বৰদলৈ অসমৰ এগৰাকী প্ৰসিদ্ধ দেশ প্ৰেমিক। বিবাহৰ আগতেই উদাৰ পিতৃৰ সংস্পৰ্শত কবি নলিনী দেৱী মানৱ প্ৰেমত উদ্বুদ্ধ হৈছে, লগতে আপোন দেশক, নিজৰ জন্মভূমিক ভাল পাবলৈও তেওঁ প্ৰবৃত্ত হ'ল। কবিৰ আনুষ্ঠানিক শিক্ষা আৰম্ভণিতে থমকি ৰ'ল যদিও ঘৰতে তেওঁৰ শিক্ষা আৰম্ভ হ'ল এগৰাকী সংস্কৃত পণ্ডিতৰ তত্বাৱধানত। ফলত, বালিকা অৱস্থাতে নলিনী দেৱীৰ বিশাল সংস্কৃত সাহিত্যৰ লগত পৰিচয় ঘটিল। তদুপৰি তেওঁ কাব্যৰ ছন্দ, ধ্বনি আৰু শব্দৰ অন্তৰ্নিহিত শক্তি, ভাষাৰ ওপৰত ব্যাকৰণ আৰু অভিধানৰ নিয়ন্ত্ৰণ আদিৰ কষ্ট সাধ্য জ্ঞান আয়ত্ব কৰে। ঘৰুৱা শিক্ষকৰ যত্নত তেওঁ ইংৰাজী, ভূগোল আৰু গণিতৰ জ্ঞান লাভ কৰে। এনে শৈক্ষিক পৰিবেশত আধুনিক গতানুগতিক শিক্ষাৰ বাধ্য বাধকতা নথকাত, ভাৰতীয় দৰ্শন-জগতত বিচৰণ কৰিবলৈ নলিনী দেৱীৰ মন ঢাল খালে। বিশেষকৈ বেদান্ত দৰ্শনৰ (উপনিষদৰ) আধ্যাত্মিকতাত তেওঁ আত্মসমৰ্পণ কৰিলে। লগতে তেওঁৰ সৃজনীমূলক কল্পনাই ক্ৰমে বিস্তৃতি আৰু গভীৰতা লাভ কৰি কবি গৰাকীক অনুপম কাব্য সৃষ্টিত অনুপ্ৰাণিত কৰিলে।

কিন্তু, পৰমাত্মাৰ লগত জীৱাত্মাৰ বিলীনতাৰ পথ দীঘলীয়া, কষ্টসাধ্য আৰু সাধনা লব্ধ। এনে বিলীনতাৰ পথ বা মুক্তিপথৰ বিভিন্ন পৰ্যায়ত পৰমাত্মাৰ প্ৰতি কবিৰ ব্যাকুলতা তেওঁৰ কাব্যিক সৃষ্টিত নানা ভাবে প্ৰকাশ পাইছে। 'সন্ধিয়াৰ সুৰ'ৰ এটি প্ৰাঞ্জল কবিতা 'পৰম তৃষ্ণাত' তেওঁৰ সেই পিপাসা ধ্বনিত হৈছে।

'আজিৰ নোহোৱা তুমি সুন্দৰী পৃথিৱী

জনমৰ যুগমীয়া তুমি
অনন্ত কালৰ মোৰ শান্তিৰ জিৰণি
অতীতৰ স্বপ্ন লীলা ভূমি।"
কত বাৰ জনমিলো তোমাৰ কোলাতে
গৈছিলো আকৌ উভতি
অপূৰণ কৰমৰ ভাৰ বান্ধি লৈ
ঘূৰি ঘূৰি আহিছো উভতি।

ইয়াত উপনিষদৰ কৰ্মবন্ধনক কবি নলিনী দেৱীৰ 'পৰম তৃষ্ণাই প্ৰকাশ কৰিছে। সন্ধিয়াৰ সুৰ আকৌ বাজিছে কবিৰ 'পৰশমণি'ৰ তপস্যা শিখাত—

'শত জনমৰ শত কৰমৰ আঁৰে আঁৰে
কল্যাণ সংকল্পৰূপে
মহাজীৱনৰ পাৰে পাৰে জ্বলিব......
হে তপস্যা শিখা।

নলিনী দেৱীৰ দেশৰ প্ৰতি গভীৰ প্ৰেম সন্ধিয়াৰ সুৰৰ দাৰ্শনিক দৃষ্টিৰ সমন্বয়ত অপৰূপ হৈ উঠিছে—

'মৰাৰ পিছতো যেন
পাওঁহি আকৌ ঠাই
চেনেহৰ শীতলী কোলাত
ভাগৰুৱা আত্মাই
শেষৰ জিৰণি লৈ
জিৰাবহি তোমাৰ ছাঁয়াত।"

সৰ্ব কালৰ, সৰ্ব মানুহৰ দেশ প্ৰেমৰ চানেকি দেখা যায় নলিনী দেৱীৰ সন্ধিয়াৰ সুৰত—

'নদী হৈ পখালিম
দুখানি চৰণ নিতে
মাটি হৈ মিলিম বুকত
সোণোৱালী মেঘ হৈ
ৰঙা হাঁহি বিৰিঙাম
শেতাঁ পৰা দুখনি ওঁঠত।

কবিতাৰ এনে সৃষ্টিয়ে স্ৰষ্টা আৰু পাঠকক একাত্মীয় কৰিবলৈ সক্ষম হয়। কবিৰ

এনে সামৰ্থ্যই কাব্যিক সৌন্দৰ্য্যত ৰহণ চৰায়। সেই ফালৰপৰা চালে কবি নলিনী দেৱীৰ 'সন্ধিয়াৰ সুৰ' কাব্যিক সৌন্দৰ্যৰে ভৰপূৰ। লগতে কবি গৰাকীৰ সমস্ত কাব্য সৃষ্টিতে কলাত্মক সৌন্দৰ্য অটুট আছে বুলি ভাবিব পাৰি।

'সন্ধিয়াৰ সুৰ'ত নলিনী দেৱীৰ স্বকীয় আৰু স্বতঃস্ফূৰ্ত প্ৰকাশ একেডাল মালাত এপাহি এপাহি ফুল হৈ প্ৰস্ফুতিত হৈ আছে। এই সুৰত কবিৰ আৰম্ভ হ'ল যেন বৈচিত্ৰময় যাত্ৰা— কোনোবা এক অজ্ঞাত তীৰ্থ ধামলৈ। শেষ নাই যেন অনন্ত যাত্ৰাত অপাৰ কল্পনাৰ, পৰম তৃষ্ণাৰ, ভূমাৰ অনিৰ্বচনীয় আনন্দৰ।

জীৱনৰ অমৃত পথৰ যাত্ৰী নলিনীবালা দেৱী আধ্যাত্মিকতাৰ অধিকাৰিনী হিচাপে হৈ উঠিছে প্ৰজ্ঞাময়ী। প্ৰজ্ঞা বা চূড়ান্ত চৈতন্যৰ বলত কবিয়ে অসত্য, অজ্ঞতা, কুসংস্কাৰ আঁতৰাই বিশ্ব ব্ৰহ্মাণ্ডৰ কল্যাণ চেতনাত ব্ৰতী হ'ব পাৰিছে। কবি নলিনী দেৱীৰ 'সন্ধিয়াৰ সুৰত বিৰাজি থকা আধ্যাত্মিকতা আৰু পৰম পদৰ ৰূপ-তৃষ্ণাৰ দৰ্শন আধুনিক সমালোচকে সময়ৰ দাবীত বিৰূপ মন্তব্য কৰাৰ থল নাই বুলি ক'ব নোৱাৰি। তথাপি হেজাৰ জনৰ মনৰ মাজত গুঞ্জৰি উঠে কবি নলিনী দেৱীৰ 'ৰূপতৃষ্ণা চিৰসুন্দৰৰ'—

"মানুহৰ দুচকুৰ অসীম সৌন্দৰ্য্য-তৃষ্ণা
সুখ আশা হেপাহ বুকৰ
নহয় ই মৰতৰ খণ্ডেকীয়া জীৱনৰ
সুখ আশা পৰম পদৰ
ৰূপ-তৃষ্ণা চিৰসুন্দৰৰ!"

শেষত আহক, জন্ম শতবাৰ্ষিকী উপলক্ষে শ্ৰদ্ধাঞ্জলি হিচাপে আমি এইগৰাকী মহিমাময়ী কবিৰ নামৰ আগত উপযুক্ত বিশেষণ 'আধ্যাত্মিক কবি' যুক্ত কৰোঁ আমি যেন ক'ব পাৰোঁ, "আধ্যাত্মিক কবি নলিনীবালা দেৱী।" ■

নলিনীবালা দেৱীৰ জীৱনীমূলক ৰচনাঃ এটি আলোচনা

✍ ডঃ অঞ্জলি শৰ্মা।

নলিনীবালা দেৱী অসমীয়া সাহিত্য কাননৰ এপাহি সুগন্ধি কুসুম। নলিনীবালা দেৱী যদিও ঘাইকৈ কবি ৰূপেহে খ্যাত, তেওঁৰ কাপৰ পৰা ওলোৱা 'স্মৃতিতীৰ্থ'ৰ নিচিনা জীৱনী পুথি আৰু 'এৰি অহা দিনবোৰৰ' নিচিনা আত্মজীৱনী পুথিৰ মাজেদি আমি তেওঁক এগৰাকী সু গদ্য লেখিকা ৰূপেও পাওঁ।

তেওঁ ৰচনা কৰা জীৱনী পুথিকেইখন হ'ল 'স্মৃতিতীৰ্থ', বল্লভ ভাই পেটেল', 'বিশ্বদীপা' আৰু আত্মজীৱনীৰ পুথি খন হ'ল 'এৰি অহা দিনবোৰ'।

নলিনীবালা দেৱীৰ পিতৃ নবীনচন্দ্ৰ বৰদলৈ ভাৰতৰ স্বাধীনতা আন্দোলনৰ অন্যতম কাণ্ডাৰী আছিল। অসমৰ স্বাধীনতা আন্দোলন শক্তিশালী কৰি তোলাত নবীনচন্দ্ৰ বৰদলৈৰ অৰিহণা অনন্য। কন্যা হিচাপে নলিনীবালা দেৱীয়ে এই আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰা নাছিল যদিও এই আন্দোলনৰ ঢৌৱে তেওঁক স্পৰ্শ নকৰাকৈ থকা নাছিল। পৰোক্ষভাৱে নলিনীবালা আৰু তেওঁলোকৰ ঘৰখন এই আন্দোলনৰ অংগ হৈ পৰিছিল। পিতাকৰ জৰিয়তে নলিনীবালাই এই আন্দোলনৰ গতি আৰু গভীৰতা খুব সুন্দৰকৈ উপলব্ধি কৰিব পাৰিছিল। ফলত তেওঁৰ অন্তৰ দেশপ্ৰেমেৰে উদ্বুদ্ধ হৈ পৰিছিল। সেয়েহে আমি তেওঁৰ পৰা ভালেকেইটা অনুভূতিশীল দেশপ্ৰেমমূলক কবিতা লাভ কৰিছোঁ। এনে দেশপ্ৰেমৰ দ্বাৰা উদ্বুদ্ধ হৈয়ে হয়তো তেওঁ জীৱনীমূলক গ্ৰন্থৰ বিষয় হিচাপে বাছি লৈছিল স্বাধীনতা সংগ্ৰামী নেতা তেওঁৰ পিতৃ নবীনচন্দ্ৰ বৰদলৈ, বল্লভ ভাই পেটেল আদিক।

অসমীয়া জীৱনী সাহিত্যৰ ইতিহাসে কয় যে বৃটিছ চৰকাৰৰ আমোলত ৰাজনৈতিক ব্যক্তিৰ জীৱনী লেখতলবলগীয়াকৈ ৰচিত হোৱা নাছিল। যি কম সংখ্যক ৰাজনৈতিক ব্যক্তিৰ জীৱনী ৰচিত হৈছিল সেইবোৰো কলেৱৰত আছিল তেনেই সৰু। সেইবোৰত বিষয়ৰ পৰিচয়মূলক টোকা একোটিহে পোৱা যায়। সেই কাৰণৰ পৰা সেইবোৰক প্ৰকৃত জীৱনী বুলিব নোৱাৰি।

স্বাধীনতাৰ পাছত বৃটিছ চৰকাৰৰ দ্বাৰা পীড়নৰ আশংকা নথকা বাবেই হয়তো ৰাজনৈতিক ব্যক্তিৰ জীৱনী অধিক আগ্ৰহেৰে ৰচিত আৰু প্ৰকাশিত হ'বলৈ ধৰিলে। তদুপৰি যি সকল ব্যক্তিৰ আত্মোৎসৰ্গৰ জৰিয়তে দেশে স্বাধীনতা লাভ কৰিলে সেই সকল ব্যক্তিৰ স্মৃতিত শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যেও স্বাধীনতাৰ পাছত এনে লোকৰ জীৱনী ৰচনাত আগ্ৰহ পৰিলক্ষিত হয়।

নলিনীবালা দেৱী ৰচিত প্ৰথম জীৱনী পুথিখন হ'ল 'স্মৃতিতীৰ্থ' (১৯৪৮)। বিংশ শতাব্দীৰ প্ৰথমাৰ্দ্ধৰ আগশাৰীৰ কবি নলিনীবালা দেৱীয়ে ভাৰতৰ আগশাৰীৰ নেতা নবীনচন্দ্ৰ বৰদলৈক (১৮৭৫-১৯৩৬) বিষয় ৰূপে লৈ জীৱনী ৰচনা কৰিছে। নবীন চন্দ্ৰ বৰদলৈৰ মৃত্যুৰ প্ৰায় ১২ বছৰৰ পিছত তেওঁৰ জেষ্ঠা কন্যা নলিনীবালা দেৱীয়ে এই পুথি ৰচনা কৰে। লেখিকাই 'নিবেদন'ত উল্লেখ কৰিছে যে তেওঁ এই পুথিৰ সমল আহৰণ কৰিছে পিতৃৰ ডায়েৰী, চিঠি-পত্ৰ আৰু পিতৃৰ ঘনিষ্ঠ ব্যক্তিৰ পৰা।

লেখিকাই পুথিখন পাঁচোটা অধ্যায়ত বিভক্ত কৰি বিষয়ৰ জীৱনৰ বিভিন্ন দিশত আলোকপাত কৰিবলৈ যত্ন কৰিছে। লেখিকাই বিষয়ৰ জীৱন আৰু কাৰ্যাৱলীৰ আভাস দিবলৈ যাওঁতে ১৯২০-১৯৩৬ চনলৈকে অসমৰ ৰাজনৈতিক বুৰঞ্জীৰ বিস্তৃত ব্যাখ্যা দাঙি ধৰি সেই পটভূমিত বিষয়ৰ ৰাজনৈতিক ভূমিকা আৰু গুৰুত্ব স্পষ্টৰূপত তুলি ধৰিবলৈ সক্ষম হৈছে। তাকে কৰোঁতে কেনেকৈ নবীন বৰদলৈয়ে নাগপুৰ কংগ্ৰেছত অসমক প্ৰতিনিধিত্ব কৰিছিল, অসমত অসহযোগ আন্দোলন ফলৱতী কৰি তুলিবলৈ কেনেকৈ বৰদলৈয়ে প্ৰাণপণে খাটিছিল সেই কথাও লেখিকাই বৰ্ণনা কৰিছে।

দ্বিতীয় অধ্যায়ত লেখিকাই বিষয়ৰ ব্যক্তিগত জীৱনৰ আভাস দিবলৈ গৈ তেওঁৰ বংশ-পৰিয়াল, পিতৃ-পিতামহ, মাতৃ-মাতামহ, আদিৰ পৰিচয়, তেওঁলোকৰ ঘৰুৱা পৰিৱেশ, সংস্কৃতি আদিৰ বৰ্ণনা দাঙি ধৰিছে। তদুপৰি বিষয়ৰ ল'ৰাকাল, শিক্ষা, বিবাহিত জীৱন, কলিকতা আৰু গুৱাহাটীত ওকালতি জীৱন আদিৰ বিশদ বিবৰণে বিষয়ৰ জীৱন আৰু মানসিকতা কেনেদৰে গঢ় লৈ উঠিছিল সেই কথা ফুটাই তুলিবলৈ যত্ন কৰিছে।

তৃতীয় অধ্যায়ত লেখিকাই মাণিকচন্দ্ৰ বৰুৱা আৰু জগন্নাথ বৰুৱাৰ প্ৰচেষ্টাত অসম এচোচিয়েশনৰ প্ৰতিষ্ঠা আৰু বৰদলৈৰ তাত সহযোগ, ১৯১৫ চনৰ এচোচিয়েশনৰ অধিবেশনত বৰদলৈৰ সভাপতিত্ব, কলিকতা ছাউথবৰা (পৃঃ ৮৪) (House of Lords Selbourne Committee) ত বৰদলৈৰ সাক্ষ্যদান আৰু লণ্ডনত যুটীয়া পাৰ্লিয়েমেণ্ট কমিটিৰ ওচৰত স্মাৰকপত্ৰ প্ৰদান কাৰ্যৰ বৰ্ণনা আছে। এইবোৰৰ পৰা ভাৰতৰ তথা অসমৰ স্বাধীনতা আন্দোলনৰ আৰম্ভণিৰ পৰা বৰদলৈয়ে কেনে সক্ৰিয়ভাৱে সহযোগ কৰিছিল তাক দেখুওৱা হৈছে। লগতে আন্দোলনকাৰী সকলৰ

কাৰাবাসৰ জীৱনৰ ছবি আদি সকলো কথাকে পুঙ্খানুপুঙ্খ ভাবে লেখিকাৰ স্বভাৱসিদ্ধ আবেগিক ভাষাত ইয়াত মূৰ্ত হৈ উঠিছে। এইবোৰ বৰ্ণনাই উঠি অহা যুৱক-যুৱতীক স্বাধীনতা আন্দোলনৰ বুৰঞ্জীৰ সোৱাদ দিবলৈও সমৰ্থ হৈছে।

চতুৰ্থ অধ্যায়ত লেখিকাই নবীন চন্দ্ৰ বৰদলৈয়ে বিভিন্ন সময়ত ৰচনা কৰা গীত, কবিতা, ভাৱণাৱলী প্ৰবন্ধ আদিৰ সহায়ত বৰদলৈৰ সাহিত্য প্ৰতিভা সম্পৰ্কে আলোচনা কৰিছে। পঞ্চম অধ্যায়ত বৰদলৈৰ জনহিতকৰ কাম সমূহ আলোচনা কৰা হৈছে। ষষ্ঠ বা অন্তিম অধ্যায়ত বৰদলৈৰ মটৰ দুৰ্ঘটনা— যি দুৰ্ঘটনাই তেওঁৰ অন্তিম যাত্ৰাৰ কাৰণ হৈ পৰিল, তাৰ বৰ্ণনা করুণা বিগলিত ভাষাৰে বৰ্ণিত হৈছে।

এইদৰে লেখিকাই বৰদলৈৰ ৰচনাৱলী আৰু চিঠিপত্ৰৰ সহায়ত তেওঁৰ মানসিকতাৰ সম্পূৰ্ণ আভাস দাঙি ধৰাৰ লগতে তেওঁৰ ব্যক্তিগত জীৱনৰ ছবিৰে বৰদলৈৰ জীৱন আৰু দৰ্শন ফুটাই তুলিছে। অসমীয়া জীৱনীৰ এটি সাধাৰণ লক্ষণ হ'ল বিষয়ৰ দোষতকৈ গুণৰ ওপৰতহে গুৰুত্ব দিয়া হয়। এই পুথিখনতো বৰদলৈৰ গুণাৱলীৰ বৰ্ণনাহে আছে, কৰবাত যদিওবা তেওঁৰ দোষ উল্লেখ হৈছে, সিও গুণ হিচাপেহে ঠাই পাইছে। লেখিকা গ্ৰন্থখনৰ বিষয় নবীন বৰদলৈৰ কন্যা হোৱা বাবেই হয়তো পুথিখনৰ সৰ্বত্ৰ এক প্ৰশংসাৰ সুৰ প্ৰতিধ্বনিত হৈ আছে। এই পিনৰ পৰা ই সাধাৰণ ভাল অসমীয়া জীৱনীৰ ব্যতিক্ৰম নহ'ল।

এইখিনিতে আৰু এটা কথা উল্লেখ কৰিব পাৰি। সেই সময়ৰ অসমৰ দুই ৰাজনৈতিক শীৰ্ষ নেতা হ'ল নবীন চন্দ্ৰ বৰদলৈ আৰু তৰুণৰাম ফুকন। ইয়াৰ ফলত দুয়োৰে মাজত অৰিয়াঅৰি আৰু ঈৰ্ষাও আছিল খুব বেছি। (দ্ৰষ্টব্য— অমলেন্দু গুহৰ Planters' Raj of Assam পৃষ্ঠা ১১৪-১২২)। কিন্তু এই জীৱনীখনিত লেখিকাই বিষয়ৰ এই দিশটোৰ ওপৰত আলোকপাত কৰা নাই। আনহাতে বৰদলৈৰ মৃত্যুত ফুকনে লিখা 'নবীন স্মৃতি' নামৰ প্ৰবন্ধৰ সহায়ত দুয়োজন নেতাৰ সম্পৰ্ক সৌহাদ্যপূৰ্ণ আছিল বুলিহে উল্লেখ কৰা হৈছে। জীৱনী লেখিকা হিচাবে লেখিকাই নিৰপেক্ষ ভূমিকা লৈ এই দুই শীৰ্ষ নেতাৰ অৰিয়াঅৰি আৰু ইয়াৰ কাৰণ নিৰ্ণয় কৰা হলে, কৌতূহলী পাঠকৰ ই বেছি কামত আহিলেহেঁতেন।

এনে সৰু সুৰা ত্ৰুটি সত্বেও এই কথা ক'ব লাগিব যে এই পুথিখনত বৰদলৈ দেৱক এজন তেজ-মঙহৰ সঁচা মানুহ ৰূপে অংকন কৰাত লেখিকা কৃতকাৰ্য হৈছে। তদুপৰি ২৪০ পৃষ্ঠাৰ ওপৰৰ এই পুথি খনিয়ে ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ অগ্ৰণী নেতা নবীনচন্দ্ৰ বৰদলৈৰ একমাত্ৰ সাৰ্থক আৰু প্ৰামাণ্য জীৱনী ৰূপে অসমীয়া জীৱনী সাহিত্যত ই এখনি সুকীয়া আসন অধিকাৰ কৰিবলৈ সমৰ্থ হৈছে। লেখিকাৰ স্বতঃস্ফূৰ্ত

কাব্যিক ভাষাই পুথিখনি সুখপাঠ্য কৰি তুলিছে, বিশেষকৈ বৰদলৈৰ ৰোগ-শয্যাৰ বিৱৰণত লেখিকাৰ ভাষা বিশেষভাবে সংবেদনশীল হৈ পৰিছে।

নলিনীবালা দেবীৰ দ্বিতীয় জীৱনীমূলক পুথিখনি হ'ল 'বিশ্বদীপা' (১৯৬১)। এই পুথিখনিত একুৰি পাঁচ গৰাকী বাস্তৱ মহিলা তথা বেদ-উপনিষদ-পুৰাণ আদিৰ মহিলা চৰিত্ৰৰ জীৱন চিত্ৰ সন্নিৱিষ্ট কৰা হৈছে। পুথিখনিত ঋকবেদৰ যুগৰ পৰা আধুনিক যুগৰ মহিলা বিজ্ঞানী 'মেডাম কুৰী'ৰ জীৱনলৈকে বিস্তৃত একুৰি পাঁচ গৰাকী মহিলাৰ জীৱন পৰিচয়মূলক ৰচনাক পাঁচটা ভাগত ভাগ কৰি সন্নিৱিষ্ট কৰা হৈছে। সেই ভাগ কেইটা হ'ল— আৰ্য যুগত বিদুষী নাৰী, সুন্দৰৰ সাধনাত নাৰী, দেশ সেৱাত স্বদেশ প্ৰেমিকা নাৰী, বিশ্বকল্যাণত নাৰী, বিজ্ঞানত নাৰী। পুথিৰ সমলৰ প্ৰসঙ্গত লেখিকাই উল্লেখ কৰিছেঃ "ঋকবেদ, চণ্ডী, বৃহদাৰণ্যক উপনিষদ, বুৰঞ্জী, মহিয়সী মহিলা, ভাৰতবিদুষী আদি আন আন ঠাইৰ পৰা সংগ্ৰহ কৰি 'বিশ্বদীপা' সোণৰ শৰাই খনিত একুৰি পাঁচ গছি বন্তি জ্বলাই মোৰ মৰমী দেশৰ ভনীটিসকললৈ আগবঢ়ালো"। পুথিৰ উৎসৰ পৰা দেখা যায় যে ইয়াত সন্নিৱিষ্ট বহুতো মহিলাৰ অস্তিত্বও প্ৰমাণিত নহয়। এই একুৰি পাঁচখন ৰচনাৰ ঘাই উদ্দেশ্য হ'ল আদৰ্শ মহিলাৰ জীৱনৰ ৰেখাঙ্কণেৰে অসমীয়া মহিলা সমাজক উদ্বুদ্ধ কৰা। সেয়েহে জীৱনীত থাকিব লগীয়া প্ৰামাণিকতা বা বিষয়ৰ ব্যক্তিগত জীৱনৰ চিত্ৰ আদি গুণবিলাকে ইয়াত গুৰুত্ব পোৱা নাই। সেয়েহে বেদ-উপনিষদ-পুৰাণ আদি গ্ৰন্থৰ পৰা আহৰণ কৰা বিষয় সমূহত কিম্বদন্তি মূলক কথাই স্বাভাবিকতে স্থান পাইছে। অৱশ্যে লেখিকাই তেওঁৰ স্বাভাৱিক সুখপাঠ্য কথন ৰীতিৰে কাহিনী বৰ্ণনা কৰিছে। এই ৰচনাসমূহক জীৱনীমূলক ৰচনা বোলাতকৈ জীৱন পৰিচয়মূলক টোকা বোলাহে যুগুত।

স্বাধীন ভাৰতৰ প্ৰথম জনা গৃহ মন্ত্ৰী আৰু স্বাধীন ভাৰত নিৰ্মাতা সকলৰ ভিতৰত অন্যতম ব্যক্তি বল্লভ ভাই পেটেলৰ জীৱনক লৈ ৰচিত 'বল্লভ ভাই পেটেল' (১৯৬৬) নলিনীবালা দেবীৰ তৃতীয় জীৱনী গ্ৰন্থ। প্ৰথমখন জীৱনী পুথিৰ বৃহৎ কলেৱৰৰ বিপৰীতে এই পুথিখনি ৫৯ পৃষ্ঠাৰ এখনি ক্ষুদ্ৰ গ্ৰন্থ।

লেখিকাই এই পুথিত দেখুৱাইছে যে বল্লভ ভাই পেটেলে যদিও প্ৰথমতে স্বাধীনতা আন্দোলনৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰা নাছিল, গান্ধীক লগ পোৱাৰ পাছত তেওঁ স্বাধীনতা আন্দোলনত একাগ্ৰচিত্তে সহযোগ কৰে। তদুপৰি ভাৰতীয় জাতীয় কংগ্ৰেছৰ কৰাছী অধিবেশনত তেওঁ সভাপতিত্বও কৰে।

লেখিকাই দেখুৱাইছে যে স্বাধীনতা লাভৰ পাছত ভাৰতৰ গৃহ মন্ত্ৰীৰূপে ইয়াৰ ঐক্য সংহতি ৰক্ষা কৰা তথা হায়দৰাবাদ আৰু জুনাগড়ৰ নবাব সকলক ভাৰতৰ সাৰ্বভৌম ৰাষ্ট্ৰত চামিল কৰাৰ পৰিকল্পনাৰ গুৰি ধৰিছিল বল্লভ ভাই পেটেলে। সেয়েহে

তেওঁ 'লৌহমানৱ' আখ্যা পাইছিল।

লেখিকাই ইয়াত বিষয়ৰ জীৱনৰ ঘটনাৱলী সাধাৰণ ভাবে উল্লেখ কৰি গৈছে। বিষয়ৰ ব্যক্তিগত জীৱন ইয়াত আলোচিত হোৱা নাই। আনকি বিষয়ৰ ৰাজনৈতিক জীৱনৰ বহু ঘটনাও ইয়াৰ প্ৰকৃত প্ৰেক্ষাপটত ব্যাখ্যা কৰা হোৱা নাই। পৃষ্ঠা ৩৩ ত কোৱা হৈছে যে চৰ্দাৰ পেটেলে যিটো ভাল বুলি ভাবে সেইটো তেওঁ কৰিবই। সেয়েহে তেওঁক 'ফেচিষ্ট চৰ্দাৰ' বোলা হৈছিল। আনহাতে ২৭ পৃষ্ঠাত কোৱা হৈছে যে কৰাছী কংগ্ৰেছত তেওঁ কংগ্ৰেছক গণতান্ত্ৰিক কৰাত আগভাগ লৈছিল। একেজন মানুহ এফালে ফেচিষ্ট আনফালে কেনেকৈ বা কিয় গণতান্ত্ৰিক তাৰ সম্পূৰ্ণ ব্যাখ্যা কিতাপখনত ফুটি উঠা নাই। প্ৰথম পুথিখনৰ তুলনাত এই পুথিখন কলেবৰত যেনেকৈ সৰু, গুণগত দিশতো ই নিম্নমানৰ। কিন্তু লেখিকাৰ স্বাভাৱিক কাব্যিক ভাষাই পুথিখন সুখপাঠ্য কৰি তুলিছে।

জীৱনীৰ জৰিয়তে যেনেকৈ কোনো ব্যক্তিৰ জীৱন আৰু ব্যক্তিত্বৰ পৰিচয় পোৱা যায় সেইদৰে আত্মজীৱনীৰ মাজেদিও কোনো ব্যক্তিৰ জীৱন আৰু ব্যক্তিত্বৰ পৰিচয় পোৱা যায়। তথাপিও জীৱন আৰু আত্মজীৱনী একে নহয়। ইয়াৰ মাজত সামান্য পাৰ্থক্য আছে। জীৱনীত অন্য এক ব্যক্তিৰ বিচাৰ-বিশ্লেষণত এজন মানুহৰ জীৱন আৰু ব্যক্তিত্ব অংকিত হয়। আত্মজীৱনীত কিন্তু ব্যক্তি বিশেষৰ জীৱন আৰু ব্যক্তিত্ব নিজৰ লেখাতেই অংকিত হয়। আন মানুহক নিৰপেক্ষ আৰু বস্তুনিষ্ঠ ভাবে চোৱাটো বহুদূৰ সম্ভৱ বাবে জীৱনীত যি বস্তুনিষ্ঠতা বা নিৰপেক্ষতা আশা কৰিব পাৰি নিজকে নিৰপেক্ষ ভাবে চোৱাটো অতি কঠিন বাবে আত্মজীৱনীত বস্তুনিষ্ঠতা আশা কৰিব নোৱাৰি। সেয়েহে জীৱনী হ'ল বস্তুনিষ্ঠ আৰু আত্মজীৱনী হ'ল আত্মনিষ্ঠ।

জীৱনী আৰু আত্মজীৱনীৰ এই সামান্য আলোচনাৰে আমি নলিনীবালা দেৱীৰ জীৱনী সাহিত্যলৈ এটি উল্লেখযোগ্য অৱদান তেওঁৰ আত্মজীৱনী 'এৰি অহাদিনবোৰ' নামৰ গ্ৰন্থখনিৰ আলোচনালৈ আহোঁ। এই আত্মজীৱনী খনিত নলিনীবালা দেৱীয়ে তেওঁৰ বিগত তিনিকুৰি বছৰীয়া জীৱনটোক তেনেই সাধাৰণ ভাবে তিনিটা ভাগত ভাগ কৰিছে। — আগছোৱা, মাজছোৱা আৰু শেহছোৱা। তাৰ পিছত পৰিশিষ্ট নামৰ অধ্যায়টোত বিভিন্ন অনুষ্ঠানে তেওঁক জনোৱা সম্বৰ্দ্ধনাৰ পাঠ সমূহ অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ আগছোৱা নামৰ ভাগটোত তেওঁৰ পাৰিবাৰিক তথা ব্যক্তিগত জীৱন, মাজছোৱাত তেওঁৰ সামাজিক জীৱন আৰু শেহছোৱাত তেওঁৰ সাহিত্যিক জীৱনৰ কথা বৰ্ণনা কৰা হৈছে।

বংশ পৰিচয়ৰে আৰম্ভ কৰা এই পুথি খনিত লেখিকাই তেওঁৰ ব্যক্তিগত জীৱন

অংকন কৰোঁতে তেওঁলোকৰ ঘৰখন, পৰিয়াল আৰু ঘৰুৱা পৰিবেশৰ এটি সুন্দৰ চিত্ৰ অংকণ কৰিছে। তদুপৰি সেই সময়ৰ অসমৰ সমাজ ব্যৱস্থা, সমাজত ছোৱালীৰ জীৱন, ছোৱালীৰ শিক্ষাৰ দুখলগা অৱস্থা আদি বিষয়ৰ চিত্ৰও পুথিখনিত প্ৰকাশ পাইছে। তেনে এটি পৰিবেশত নলিনীবালাই কেনেকৈ ঘৰতে শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছিল, সেই কথাও উল্লেখ কৰিছে— "সেইদিনত ছোৱালীৰ উপযোগী ভাল স্কুল নাছিল। সেইবাবেই স্কুলত পঢ়াৰ সৌভাগ্য আমাৰ নহ'ল। আমি দুই ভনীয়ে ঘৰতেই পঢ়িছিলো" (পৃঃ ২৬)।

তেওঁলোকৰ ঘৰখনৰ সুসংস্কৃত পৰিবেশৰ বাবেই নলিনীবালা দেৱীয়ে কেনেকৈ ঘৰতে সুশিক্ষা লাভ কৰিবলৈ সক্ষম হৈছিল, আনকি সঙ্গীত চৰ্চাও কৰিবলৈ সুবিধা পাইছিল, সেই কথাও ইয়াত স্থান পাইছে— "সেইদিনত ছোৱালীয়ে গান গোৱা কথা কোনেও নাভাবিছিল। কিন্তু মোৰ দেউতাই নিজেও ভাল গান গাব জানিছিল, আমাক দুই বাই-ভনীক গান গাবলৈ শিকাইছিল।" (পৃঃ ৩২)।

কবি গৰাকীয়ে এই কথাও ইয়াত উল্লেখ কৰিছে যে তেওঁ ঘৰতে যি শিক্ষা লাভৰ সুযোগ পাইছিল সমাজৰ ৰক্ষণশীলতাই সমাজৰ সকলো কন্যা সন্তানক তেনে সুবিধা লাভ কৰাত বাধা প্ৰদান কৰিছিল। "সেই দিনত বিশেষকৈ অসমীয়া সমাজত স্ত্ৰী-শিক্ষাৰ কোনো সুবিধা নাছিল। এনে দিনতো দেউতাৰ যত্নত, গৃহ শিক্ষকৰ যত্নত মোৰ শিক্ষাৰ অগ্ৰগতি দেখি বিশেষকৈ এই কম বয়সতে মোক কাব্য শিক্ষাৰ মাধ্যমত পঢ়োৱাৰ ফলত উচ্চ শিক্ষাত শিক্ষিতা হৈ উঠিম বুলি ককাদেউতাই মনত এটা হাবিয়াস ৰাখিছিল" (পৃঃ ২১)।

নলিনীবালা দেৱীৰ কবিপ্ৰাণ কেনেকৈ কৈশোৰতে দেউতাক নবীন চন্দ্ৰ বৰদলৈৰ কবিতাৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল, মামাদেউতাক কীৰ্তিনাথ বৰদলৈৰ সুললিত কণ্ঠৰ কাব্য আবৃত্তিয়ে তেওঁৰ মন কেনেকৈ প্ৰভাৱিত কৰিছিল সেই কথা তেওঁ সুন্দৰকৈ চিত্ৰিত কৰিছে।

নলিনীবালাৰ বিবাহ, স্বামীগৃহলৈ গমন আৰু তাৰ পিছত বৈধব্যৰ বেদনা লৈ পিতৃগৃহলৈ পুনৰ আগমনৰ বৰ্ণনাই সেই সময়ৰ সমাজ ব্যৱস্থা, আচাৰ নীতি, সংস্কাৰ, সমাজত বিধবাৰ স্থান আদিৰ কথাও যথাযথভাবে প্ৰতিফলিত কৰিছে।

সেই সময়ৰ সমাজত ছোৱালী যদি ব্ৰাহ্মণ কন্যা হয়, তেন্তে তেওঁলোকৰ বাবে বৈধব্য এক অভিশাপ আছিল। লেখিকাই তেওঁৰ ব্যক্তিগত জীৱনৰ এই বিপৰ্যয় কেনেকৈ গ্ৰহণ কৰিছিল তাক দেখুওৱাৰ লগতে তেওঁৰ পৰিয়াল, বিশেষকৈ দেউতাকে এই বিপৰ্যয়ত তেওঁক কেনেভাবে সহায় কৰিছিল সেই কথাও দেখুৱাইছে। নবীন

ৰবদলৈয়ে কাৰাবাসৰ পৰা তেওঁলৈ লিখা চিঠিবোৰৰ জৰিয়তে তেওঁলৈ আগবঢ়োৱা দেউতাকৰ সহায়ৰ স্বৰূপ ফুটি উঠিছে। এই হতাশাগ্ৰস্ত কালছোৱাত কবি গৰাকীয়ে কাব্য চৰ্চা আৰু অধ্যয়নত আত্মনিয়োগ কৰিবলৈ কেনেকৈ যত্ন কৰিছিল, সেই কথা লেখিকাৰ ভাষাত বাস্তৱৰূপত প্ৰতিভাত হৈছে। এনেদৰে লেখিকাৰ বৰ্ণনাৰ মাজেদি কবিগৰাকীৰ জীৱন পৰিক্ৰমাৰ বিভিন্ন স্তৰৰ ঘটনাৱলী পাঠকৰ আগত ফট্‌ফটীয়া ৰূপত প্ৰকাশিত হৈছে। লগতে লেখিকাৰ সংস্কৃত আৰু সুৰুচিপূৰ্ণ মানসিকতাৰ এটি সুন্দৰ পৰিচয় ফুটি উঠিছে।

অসমত গান্ধীৰ নেতৃত্বৰ স্বাধীনতা আন্দোলনে কেনে ৰূপ লৈছিল, এই আন্দোলনত পিতৃ নবীন চন্দ্ৰ বৰদলৈৰ ভূমিকা, তেওঁ আৰু তেওঁলোকৰ ঘৰখন এই আন্দোলনত কেনেভাবে জড়িত আছিল সেই কথাও এই পুথিত অতি স্পষ্ট ৰূপত ফুটি উঠিছে।

সেই সময়ৰ সমাজ ব্যৱস্থা, কুসংস্কাৰ আদিৰ ফলত নাৰীসমাজ কেনেভাবে শোষিত আৰু পীড়িত হৈছিল সেই কথা সাৰদা বিলৰ প্ৰতিক্ৰিয়াৰ ছবিখনিত লেখিকাই মূৰ্ত কৰি তুলিছে।

“এই বিলৰ প্ৰতিক্ৰিয়া হ'ল অভাৱনীয়। ব্ৰাহ্মণ আৰু কায়স্থকুল, ক্ষত্ৰিয়, বৈশ্য সকলোৰে কুমাৰীকন্যা বিয়া দিয়াৰ ভাৰত জুৰি ধুম উঠিল। .... নহলে যে বিয়াৰ আগতে কন্যা পুষ্পিতা হলে পিতৃ-কুল মাতৃকুল বৌ বৌ নৰকত পৰিব। এনে অন্ধ কুসংস্কাৰৰ বশৱৰ্তী হৈ পুহমাহ, চ'তমাহ, কাতিমাহ, একো বাছ নেপেলোৱাকৈ সমগ্ৰ ভাৰতবৰ্ষৰ হেজাৰ হেজাৰ শিশু কন্যা বিয়াৰ বলিশালত উচৰ্গা কৰা হ'ল। এই বছৰটো ভাৰতবৰ্ষৰ স্মৰণীয় বছৰ — 'কন্যামেধ যজ্ঞ বুলিলেও অত্যুক্তি নহয়” (পৃঃ ২১২)।

এইদৰে নলিনীবালাদেৱীৰ ব্যক্তিগত জীৱনৰ সুখ আনন্দ আৰু হতাশা, তেওঁৰ সাহিত্য চৰ্চা, কাব্য জীৱনৰ প্ৰেৰণা, ভাৰতৰ তথা অসমৰ স্বাধীনতা আন্দোলন আদি বিস্তৃত ৰূপত ফুটাই তোলাত লেখিকা কৃতকাৰ্য হৈছে।

সামগ্ৰিক বিচাৰত নলিনীবালা দেৱীৰ জীৱনী গ্ৰন্থ 'স্মৃতিতীৰ্থ' আৰু আত্মজীৱনী 'এৰি অহা দিনবোৰ' অসমীয়া জীৱনী সাহিত্যৰ উল্লেখযোগ্য সম্পদ বলি পৰিগণিত হ'ব। এই দুখন পুথিৰ জৰিয়তে লেখিকাই অসমীয়া জীৱনী সাহিত্যত এখনি সুকীয়া আসন অধিকাৰ কৰি লৈছে। ■

নলিনীবালা দেৱীৰ অভিভাষণ

✍ দীপালি ভট্টাচাৰ্য বৰুৱা

অসমৰ সাহিত্য জগতৰ এক অদ্বিতীয় সত্বা পদ্মশ্ৰী নলিনীবালা দেৱীয়ে মৌলিক চিন্তা চৰ্চা, দেশাত্মবোধ আৰু কাব্যসৃষ্টিৰ যোগেদি এক নতুন দিগন্তৰ সূচনা কৰি থৈ গ'ল। সন্মুখত অনেক কুসংস্কাৰে আৱৰা এখন অন্ধকাৰাচ্ছন্ন আকাশ আৰু ৰীতি-নীতিৰ সীমাবদ্ধতাৰ মাজত ১৯০৯ চনতে এই গৰাকী নাৰীয়ে বাল্যবিবাহক নতশিৰে গ্ৰহণ কৰিছিল। ১৯১৭ চনৰ দুৰ্গাপূজাৰ মহাষ্টমীৰ দিনা সন্ধ্যা আৰতি, ডবা-শঙ্খ ধ্বনিৰ মাজত নলিনীবালা বিধবা হ'ল। পিতৃয়ে কলে, "আই তুমি সৰ্বশুক্লা মহাশ্বেতাৰ ৰূপ ধৰা।" স্বামী সুৰেশানন্দই কলে, "মহাজীৱনৰ অধিকাৰিণী হোৱা আই।" পিতৃৰ পৰিয়ালত শৈশৱতে দেখা বাল-বিধবা পেহীয়েক ধৰ্মদা দেৱী আৰু বাল-বিধবা ভতিজাকক দেখি, সমাজে নাৰীৰ ওপৰত আৰোপ কৰা নিষেধাজ্ঞাৰ কথাবোৰ দেখি নলিনীবালা দেৱীয়ে উপলব্ধি কৰিছিল যে জীৱন এক কন্টকাবৃত অৰণ্য, দুৰ্গম ইয়াৰ বাট-পথ। কিন্তু বিচাৰিব জানিলে জীৱন এক অন্তহীন পোহৰৰ উৎসৱ।

১৯৫৪ চনৰ ডিচেম্বৰ মাহত যোৰহাটত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ত্ৰয়োবিংশতিতম অধিবেশনত নলিনীবালা দেৱীয়ে সভানেত্ৰীৰ আসনখন অলঙ্কৃত কৰিছিল। দুকুৰি সোতৰ বছৰীয়া জীৱনত তেতিয়া যৌবনৰ বেলি অপৰাহ্নত, গঢ়ি উঠিছে এক স্থিতপ্ৰজ্ঞ মন। অসম সাহিত্য সভাৰ সভানেত্ৰীৰ আসনখন গ্ৰহণ কৰি নলিনীবালা দেৱীয়ে কৈছিল, "ভগৱানৰ প্ৰেমৰ ৰাজ্যত তেওঁৰ হাতৰ কৰ্ম সমাধাকাৰী আমি একোটা পুতলা মাথোন।" কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত হোৱা কবিজনাই কৈছিল—

তোমাৰ পতাকা যাৰে দাও তাৰে
বহিবাৰে দাও শকতি
তোমাৰ সেবাৰ মহান দুঃখ
সহিবাৰে দাও ভকতি।

অভিভাষণৰ আৰম্ভণিতে নলিনীবালা দেৱীয়ে অসম সাহিত্য সভাৰ প্ৰথম প্ৰতিষ্ঠাভূমি যোৰহাট নগৰখনৰ পুৰণি ঐতিহ্যৰ কথা উল্লেখ কৰি কৈছিল যে এই নগৰখনতেই দানবীৰ সন্দিকৈদেৱ আৰু অসমৰ স্বনামধন্য কেইবাগৰাকীও কৃতী

সাহিত্যিকে জন্ম গ্ৰহণ কৰিছিল। স্বাধীন যুগৰ বত্তিৰ পোহৰত নতুন ভাব, নতুন প্ৰেৰণাৰ সূচনা কৰা অসম সাহিত্য সভাই প্ৰতিবছৰে ঐতিহ্যমণ্ডিত স্থানত এনে মহাযজ্ঞ অনুষ্ঠিত কৰাতো এক উল্লেখযোগ্য কথা। ই অসমীয়া জাতিটোৰ ঐক্যবদ্ধ শক্তিৰ কথাও সূচায়।

প্ৰকৃতিৰ ৰম্যভূমি অসমত কৌটিপুৰুষৰ গৌৰৱময় ইতিহাস খোদিত হৈ আছে। এইখন দেশ লোক কল্পলোক আৰু কবিৰ জীৱনৰ মহাতীৰ্থ। জন্ম লোৱাৰ মুহূৰ্ত্তৰ পৰাই অসমৰ আকাশ, বতাহ, জোন, বেলি, তৰা, অসমৰ শুৱলা ভাষা আৰু বহু দূৰণিৰ পৰা ৰিণিকি ৰিণিকি ভাঁহি অহা সঙ্গীতৰ ধ্বনি শুনি ইয়াৰ দৃশ্য-অদৃশ্য সকলো সত্বাৰে সৈতে কবিৰ অন্তৰাত্মাৰ সম্পৰ্ক গঢ়ি উঠিল। দোকমোকালিৰ পৃথিৱীখনৰ কুঁৱলীৰ আৱৰণ আঁতৰাই ধীৰে ধীৰে প্ৰতিভাত হয় সূৰ্য, সূৰ্যৰ পোহৰত জিলিকনি তোলে লুইতৰ বুকুৰ উমানন্দ ভৈৰৱ, ভস্মাচল মহাতীৰ্থ, উৰ্বশী কৰ্মনাশা। কবিৰ চকুত আলোড়ন তোলে মণিকৰ্ণিকা, অশ্বক্ৰান্ত, উত্তৰে—ভূটান পৰ্বতৰ ওখ টিংবোৰে। কবিজনাৰ ভাষাত এনেদৰে বৰ্ণিত হৈছেঃ "তাৰো উত্তৰে থিয় দি থকা যুগ-যুগান্তৰৰ মহাকালৰ কীৰ্তি-স্তম্ভ অভ্ৰভেদী হিমালয়ৰ শৃঙ্গৰাশি; পৰ্বতমালাৰ টিঙে টিঙে অৰুণোদয়ৰ সোণালী সৌন্দৰ্যৰ অপৰূপ খেলা। এই পৰ্ব্বতৰ আশ্ৰমে আশ্ৰমে এদিন আৰ্য্য ঋষিৰ সাধনাত বৈ পৰিছিল অসমৰ মন্দাকিনী সাহিত্যৰ ৰসধাৰা। যি মহাসত্যৰ মণিকূট এদিন স্থাপিত হৈছিল পুণ্যময় প্ৰাগ্‌জ্যোতিষৰ আশ্ৰম কুটীৰত মাটিৰ স্তিমিত পোহৰৰ শিখাত, সেই সাহিত্য দৰ্শন, জ্যোতিষ কলা বিজ্ঞানৰ প্ৰজ্ঞা যুগ-যুগান্তৰ ধৰি পৃথিৱীৰ অনুশীলনৰ বিষয় হৈ সত্যৰ জেউতি বিলাই আহিছে।"

এই সত্যৰ সন্ধানতে নলিনীবালা দেৱীয়ে আত্মোৎসৰ্গ কৰিছিল বুলি ক'লেও অত্যুক্তি কৰা নহব। কাৰণ সাহিত্য সাধনা জীৱনৰ পবিত্ৰ জ্ঞান যজ্ঞ। প্ৰতিজন সাহিত্যিক দ্বিধাহীন, গ্লানিমুক্ত আৰু সত্যসন্ধানী হলেহে সমাজখনকো অজ্ঞানতাৰ অন্ধকাৰৰ পৰা আঁতৰাই আনি সঠিক পথৰ সন্ধান দিব পাৰে। সুপ্ৰাচীন ভাৰতবৰ্ষৰ ঐতিহ্যমণ্ডিত গৌৰৱোজ্জ্বল ইতিহাসত এনে কথাৰ অনেক প্ৰমাণ লক্ষ্য কৰা যায়। কাব্য সাহিত্যৰ উৎপত্তি সম্পৰ্কত নলিনীবালা দেৱীয়ে অভিভাষণখনিত আৰ্য ঋষি বাল্মিকীৰ সেই আশ্চৰ্যকৰ আনন্দ-বিষাদৰ অশ্ৰুসিক্ত উপলব্ধিৰ কথা স্মৰণ কৰি কৈছে যে কাব্য সৃষ্টিৰ উপাদান ৰস আৰু ভাব। সৃষ্টি হ'ল সুন্দৰতম সাধনাৰ অপৰূপ মহাকাব্য। কিন্তু কেৱল কথাৰ সমষ্টিয়েই কবিতা হব নোৱাৰে। কবিৰ সুগভীৰ অন্তৰ্দৃষ্টিৰ যোগেদি মানবাত্মাৰ মৰ্মবাণী এনেদৰে পৰিস্ফুট হ'ব লাগিব যে য'ত সমাজৰ কোনো বাধা-নিষেধৰ প্ৰাচীৰ নাথাকে, ই হয় সহজবোধ্য আৰু অন্তৰস্পৰ্শী। জড়জগতৰ বহু উৰ্দ্ধত কবিয়ে এখন কল্পলোকৰ সৃষ্টি কৰি তাতেই অধিক সময় আত্মনিবিষ্ট হৈ থাকে। সেই কল্পলোকতেই বিশ্বসত্যৰ পোহৰ পৰে। কবিয়ে অনুভূতি আৰু ভাব ছন্দেৰে সেই সত্য প্ৰকাশ কৰিবলৈ কাব্যৰ আশ্ৰয় লয়।

এই সম্পৰ্কত নলিনীবালা দেৱীয়ে কৈছে যে, কাব্য জগতৰো ওপৰত সুৰ জগত। কাৰণ বিশ্বসৃষ্টিৰ অনাদি শব্দ, অনন্ত ব্যোম ৰাজ্যৰ মহাধ্বনি, গভীৰ ঝঙ্কাৰ, মহাসুৰেই সঙ্গীতৰ জন্মদাতা। এই সুৰৰ মাজত লুকাই আছে সৃষ্টিৰ মহাৰূপ, ৰসৰ সুধাপাত্ৰ। অৱশ্যে সঙ্গীতৰ এই উপলব্ধি সদায় অপ্ৰকাশ্য ৰূপতেই থাকি যায়। আনহাতেদি সঙ্গীতৰ একান্ত সঙ্গী হৈছে নৃত্যকলা। ছন্দৰ গতি আৰু তালে নৃত্যৰ ভাৱ বিকাশত ৰূপ দিয়ে। ঠিক সেইদৰে চিত্ৰও মানৱৰ আত্মাৰ বিকাশৰ অন্যতম অভিব্যক্তি মাথোন।

মহাপুৰুষ শঙ্কৰদেৱে সাহিত্য, সঙ্গীত, নৃত্য, চিত্ৰ, সভ্যতা আৰু মানবীয়তাক সুসংস্কৃত কৰি পৰ্বত ভৈয়ামক একতাৰ ডোলেৰে বন্ধাৰ লগতে অমূল্য বৈষ্ণৱ সাহিত্যৰ শৰাইখন সজালে। মহাপুৰুষ জনাৰ জীৱনাদৰ্শ অসমীয়া মানুহে অনুকৰণ কৰিবলৈ যত্নকৰা উচিত। দেশৰ সাহিত্যিক শক্তি এটা অজেয় শক্তি। অন্তৰৰ পৰা সকলো ধৰণৰ জড়তা তথা প্ৰেৰণাৰ শিথিলতা আঁতৰাই জনকল্যাণকামী প্ৰত্যেকজন সাহিত্য-সেৱীৰ নিঃস্বাৰ্থ সেৱাই নতুন যুগৰ অসমক নতুন ৰূপত ৰূপায়িত কৰি তুলিব লাগিব। কাৰণ, সাহিত্য ভেদ নীতিৰ বহু উৰ্দ্ধত। অৱশ্যে এই উন্নতিৰ ক্ষেত্ৰত মাতৃভাষাকে মুখ্যতঃ মাধ্যমৰূপে গ্ৰহণ কৰিব লাগিব। মাতৃভাষাৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে সমূহীয়া প্ৰচেষ্টা চলিলেহে এখন দেশৰ উন্নতিৰ বিষয়ে সম্যক ধাৰণা কৰিব পাৰি। আনহাতে বিজ্ঞানে সত্যৰ নানা বাটৰ পোহৰ দেখুৱাইছে। এইক্ষেত্ৰত আজিৰ আধুনিকতম বিজ্ঞানৰ যুগত মাতৃভাষাৰ বহুত দায়িত্ব আহি পৰিছে। পৃথিৱীৰ বহল জ্ঞান-ক্ষেত্ৰত কৃতিত্ব লাভ কৰিবলৈ মাতৃভাষাৰ জাতীয় ধ্বজাই বাট দেখুৱাই অসমৰ বৈজ্ঞানিক সকলক যুগৰ প্ৰতিযোগিতাৰ ক্ষেত্ৰত ফেৰ মাৰিবলৈ শক্তি, একাগ্ৰতা আৰু প্ৰেৰণা যোগাব।

সাহিত্য চৰ্চ্চাৰ ক্ষেত্ৰত অসমৰ লেখিকাসকল আশানুৰূপভাৱে আগবাঢ়িব পৰা নাই বুলি নলিনীবালা দেৱীয়ে খেদ প্ৰকাশ কৰিছিল। তথাপি পদ্মাৱতী দেৱী ফুকননী, শৰৎকুমাৰী দেৱী, যমুনেশ্বৰী খাটনিয়াৰ, ত্ৰৈলোক্যেশ্বৰী দেৱী বৰুৱানী আদি মহীয়সী নাৰী সকলে নিজৰ সহজাত জ্ঞান স্পৃহাৰে দেশ সেৱাৰ ভাব লৈ মাতৃভাষাৰ সেৱা কৰি আহিছে। ই নিশ্চয় এক শুভ লক্ষণ। কিন্তু নাৰীৰ ব্যক্তিত্ব বিকাশৰ এক সম্পূৰ্ণ ৰূপ পাবলৈ এতিয়াও বহুদূৰ বাকী। আনহাতেদি শিশু উন্নয়নৰ ক্ষেত্ৰতো অসমীয়া সমাজে প্ৰয়োজনীয় আৰ্হি গঢ়ি তোলা নাই। শিশু সমাজেই হব নতুন ভাৰত তথা নতুন অসম নিৰ্মাণকাৰী। শিশু সমাজক সহজভাৱেৰে জ্ঞানৰ সোৱাদ দিব পৰা সাহিত্য সৃষ্টি কৰিবলৈ উদীয়মান শিশু- প্ৰেমী শিক্ষিতসকল যত্নপৰ হব লাগিব।

অসমৰ উদীয়মান লেখক-লেখিকা সকলৰ সাহিত্যৰ প্ৰকাশভঙ্গী আৰু ভাবধাৰাত এটি ৰূপান্তৰ আহিছে। কিন্তু আন দিশত অসমৰ শিক্ষিত সমাজ গঢ়িছে সঁচা, কিন্তু পঢ়ুৱৈ সমাজ এখন গঢ়ি উঠা নাই। পঢ়ুৱৈ সমাজৰ মনোগ্ৰাহীকৈ সৰহ পৰিমাণৰ পুথি প্ৰকাশ হোৱা নাই। গতিকে এই আটাইবোৰ দিশ সূক্ষ্মভাৱে পৰ্যালোচনা কৰি সমস্যাসমূহৰ আশু সমাধানৰ চেষ্টা কৰিলেহে এখন সৰ্বাঙ্গসুন্দৰ ৰাজ্যৰ কথা কল্পনা

কৰিব পাৰি। বিশ্ববিদ্যালয়ৰ পণ্ডিত মণ্ডলীকে প্ৰমুখ্য কৰি উচ্চশিক্ষা-কেন্দ্ৰবিলাকত থকা লোকসকলে এইক্ষেত্ৰত গুৰি বঠা ধৰিব লাগিব। কিন্তু দেশৰ উন্নতিৰ অন্যতম আহিলা হৈছে অৰ্থনৈতিক ব্যৱস্থা। অৰ্থনৈতিক ভাবে সবল নহলে কোনো সৃষ্টিশীল লোকে প্ৰতিবন্ধকতা নোহোৱাকৈ নিজৰ কাৰ্যত অগ্ৰসৰ হব নোৱাৰে। এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰৰ সহায় আৰু সহানুভূতিৰ একান্ত প্ৰয়োজন। জনজাতীয় লোক সকলকো বুকুৰ কুটুম্ব বুলি জ্ঞান কৰি পৰ্বত- ভৈয়ামৰ মাজত সম্প্ৰীতিৰ সাকোঁ গঢ়ি তোলাটো প্ৰতিজন সচেতন নাগৰিকৰে কৰ্তব্য। অসমীয়া জাতিৰ দুৰ্বলতাৰ সুযোগ লৈ চুবুৰীয়া বঙ্গৰাজ্যত এনে এক প্ৰচেষ্টা চলোৱা হৈছিল যাতে পৰ্বত-ভৈয়ামৰ সম্প্ৰীতিত কেৰোণ লাগে। বংগ কংগ্ৰেছ সভাৰ স্মাৰক পত্ৰখনিত অসমৰ বিৰুদ্ধে এনে অপপ্ৰচাৰ চলিছিল, যেনে (১) ভাৰতৰ ভৌগোলিক সীমা অটুট ৰখাৰ ক্ষেত্ৰত অসমীয়া জাতিৰ কোনো কথা বিশ্বাস কৰিব নোৱাৰি। (২) অসমত দেশপ্ৰেমিক নাই। (৩) অসম দেশত ভেদ ভাবেই ঘাই নীতি— একতা নাই। (৪) পৰ্বতীয়া জাতিৰ ওপৰত অসমে কৰা শোষণৰ কাৰণে পৰ্বতীয়া জাতিয়ে নিজ স্বাধীনতা বিচাৰে।" ইত্যাদি।

গতিকে এনেধৰণৰ ষড়যন্ত্ৰৰ বিহপুলি অচিৰেই ধ্বংস কৰিব লাগিব। ভাৰতৰ ৰাজধানীৰ কেন্দ্ৰীয় পৰিষদৰ নিষ্ক্ৰিয় অসম প্ৰতিনিধিসকলৰ টোপনি ভাঙিব লাগিব। বিভিন্ন দলৰ ভেদাভেদৰ আহুকলীয়া হেঙাৰবোৰ আঁতৰাব লাগিব। জোৰ পুৰি হাত পালেহি। আগেযে দেশ ৰক্ষা কৰিব লাগিব, দেশৰ সন্মান ৰক্ষা কৰিব লাগিব।

অভিভাষণৰ শেষ পৃষ্ঠাত নলিনীবালা দেৱীয়ে অসমী আইৰ মহিমাময়ী ভুবনমোহিনী ৰূপমুগ্ধ এক মাঙ্গলিক পৰিবেশত মৃত্যুৰ হাতবাউলিও শুনিছে, কিন্তু তেওঁ স্থিতপ্ৰজ্ঞ মনেৰে সকলো সমভাবে গ্ৰহণ কৰিছে। পৰমপিতাৰ চৰণত তেওঁ আহ্বান জনাইছে যাতে এই তীৰ্থস্থানস্বৰূপ জনমভূমিখনলৈ মৃত্যুৰ পাছতো উভতি আহিব পাৰে। হিন্দু দৰ্শনত বিশ্বাসী কবিয়ে আত্মাৰ পুনৰ্জন্মৰ কথা স্মৰণ কৰি কৈছে— 'এই দেশৰ জল-বায়ু, আকাশ-বতাহ, গৌৰৱ-মণ্ডিত প্ৰতিটো ধূলিকণা মোৰ স্বৰ্গতো অধিক জনমভূমিৰ পবিত্ৰ তীৰ্থ-ৰেণু।' এই জনমভূমিৰ চৰণতে কবিৰ প্ৰাণৰ আবেগৰ শেষ অৰ্ঘ্য উৎসৰ্গিত হ'ল,

"মেলিলো প্ৰথম চকু তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত,
মুদিম আকৌ চকু তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।"

অসম সাহিত্য সভাৰ জয়ধ্বজাৰ তলত পুনৰ প্ৰতিধ্বনিত হৈ উঠিল "চিৰ চেনেহী মোৰ ভাষা জননী।" ☐

পদ্মশ্ৰী নলিনীবালা দেৱীৰ কবিতাত দেশপ্ৰেম আৰু জাতীয়তাবাদ।

✍ শুচিব্ৰতা ৰায়চৌধুৰী

কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধৰ অসমীয়া কবি সকলৰ ভিতৰত আধ্যাত্মিকতাবাদী কবি বুলি নলিনী বালা দেৱীয়ে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে. আধিভৌতিক চিন্তা আৰু উপলব্ধিয়ে নলিনী বালাৰ প্ৰায়বোৰ কবিতাতে এক অনন্য ৰূপ লাভ কৰিছে। অতীন্দ্ৰিয়বাদী কবি হিচাবে এই গৰাকী মহিলা কবি অসমৰ কাব্য জগতত চিৰস্মৰণীয়া হৈ থাকিব। দেশ আৰু জাতিৰ বাবে এক গভীৰ প্ৰেমৰ অভিব্যক্তিও তেওঁৰ কবিতাত অননুকৰণীয় ৰূপত দৃশ্যমান হোৱা আমি দেখিবলৈ পাওঁ।

কবিসকলৰ জীৱনত প্ৰেম এক প্ৰধান উপজীৱ্য। এই প্ৰেম হব পাৰে ব্যক্তি প্ৰেম, প্ৰকৃতি প্ৰেম, দেশ প্ৰেম, মানৱ প্ৰেম, বাৎসল্য প্ৰেম বা ভগৱৎ প্ৰেম— যি কোনো প্ৰকাৰৰ। নলিনী বালাৰ কবিতাত প্ৰেমৰ প্ৰকাশ ঘটিছিল মুখ্যতঃ ভগবৎ প্ৰেম আৰু তেওঁৰ নশ্বৰ দেহে জন্ম লাভ কৰা এই ভূমি অথবা দেশৰ প্ৰতি গভীৰ প্ৰেমৰ ৰূপ। মাতৃয়ে গৰ্ভত ধাৰণ কৰি মানৱক জন্মদান দিয়ে দেশৰ কোলাত — সেয়ে দেশ হ'ল জন্ম ভূমি। মাতৃৰ দৰে সেয়ে জন্মভূমি- যাক আমি মাতৃভূমি কওঁ সিও সমানে বন্দনীয়া। বিনন্দীয়া পৃথিৱীখনৰ ৰূপৰসৰ স্বাদ যি জন্মভূমিৰ কোলাত উমলি-জামলি মানৱে উপভোগ কৰে, কবি নলিনীবালাৰ বাবে সি হ'ল অসম মাতৃকা। এই মাতৃৰ প্ৰতি প্ৰেম কবিৰ কলমত এনেদৰে প্ৰকাশ পাইছে।

"মেলিলো প্ৰথম চকু
তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত
মুদিম আকৌ চকু
তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।" *('জনম ভূমি')*

জন্ম-মৃত্যুৰ সীমাৰেখাৰে ঘেৰা সম্পূৰ্ণ জীৱনটোতে কবিয়ে জন্মভূমিৰ লগত অবিচ্ছেদ্য হৈ থাকিব খোজে। সেয়ে পৰজন্মত বিশ্বাসী কবিৰ এই জনমৰ জন্মভূমিৰ

প্ৰতি অনুৰাগৰ বন্ধন পিছৰ জনমতো তেওঁ অব্যাহত ৰাখিব খোজে—

মৰাৰ পিছতো যেন
পাওঁহি আকৌ ঠাই
চেনেহৰ শীতলী কোলাত।

('জনমভূমি' কবিতা পুথি 'সন্ধিয়াৰ সুৰ'।)

অসমৰ প্ৰতি প্ৰেমেই নহয়, অসমৰ অধিবাসী অসমীয়া হিচাবেও যে নলিনীবালাৰ অকৃত্ৰিম একাত্মতা আৰু গৌৰব বোধ আছিল তাক তেওঁৰ "স্মৃতিতীৰ্থ" নামে পুথিত তেওঁৰ প্ৰাতঃস্মৰণীয় পিতৃদেৱ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ জীৱন বৃত্তান্ত বৰ্ণনা কৰোঁতে উল্লেখ কৰা কথাকেষাৰিয়ে স্পষ্টভাৱে প্ৰকাশ কৰে—

" অসমীয়াৰ মহা সৌভাগ্য যে চিৰদিন অৱহেলিত দুখুনী অসম আইৰ এজন সন্তানে সৰ্বভাৰতীয় কংগ্ৰেছ মহাসভাৰ এটি গধুৰ ভাৰ পালে। ইয়াৰ আগলৈকে ভাৰত মহাসভাত অসমীয়াৰ ঠাই নাছিল। জগৎ সভাত অসমীয়াৰ মাত নাছিল। সুসভ্য ভাৰতবৰ্ষৰ পূব-প্ৰান্তত যে এটা বুৰঞ্জী বিখ্যাত জাতিয়ে বাস কৰে, অসমীয়া যে শিক্ষা সভ্যতাত সভ্য জগতত ঠাই পোৱাৰ উপযুক্ত এই ধাৰণা ভাৰতবাসীৰ অজ্ঞাত আছিল।"

ইয়াত উল্লেখ কৰা গধুৰ ভাৰ হৈছে কংগ্ৰেছৰ প্ৰাথমিক সংবিধানৰ সংশোধনৰ বাবে ৰঙ্গস্বামী আয়েঙ্গাৰৰ লগত যুটীয়াভাৱে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ ওপৰত কংগ্ৰেছ অধিবেশনে অৰ্পণ কৰা দায়িত্ব।

ভাৰতবৰ্ষৰ অপৰিহাৰ্য অংশ হৈও, ভাৰতৰ আন অংশৰ দ্বাৰা অৱহেলিতা আৰু উপেক্ষিতা অসমক লৈ কবিৰ গৌৰৱ অপৰিসীম। কবিৰ মনত এই পৃথিৱীত তেওঁৰ মাতৃভূমি অসম তুলনা বিহীন। 'জনমভূমি' কৱিতাৰ পংক্তিয়ে পংক্তিয়ে এই ভাৱ বিদ্যমান।

"তোমাৰ ই ধূলি-বালি
তোমাৰ আকাশ বায়ু
আই মোৰ সৰগৰ বাস
তুমি মোৰ মৰতৰ
পুণ্য মুকুতিৰ ভূমি
তুমি মোৰ তীৰ্থৰ প্ৰভাস।'

অকল ভূমিয়েই নহয়, ইয়াৰ মানুহৰ চৰিত্ৰও কবিৰ মনত অনবদ্য—

'ক'ত পাম এনে প্ৰীতি

সৰল প্ৰাণৰ ভাষা
সেৱাৰ মহিমাময় ত্যাগ'।

চৰিত্ৰত ঐশ্বৰ্য্যশালী যদিও পাৰ্থিব সম্পদত কবিৰ মাতৃভূমি বত্নাভৰণা নহয়। তথাপি সৰল, সহজ, নিৰাভৰণা অসম ভূমিতেই মৃত্যুৰ পিছতো কবিয়ে পুনঃ জন্ম লাভ কৰিব খোজে—

"মৰিলে পুনৰ আহি
দুখীয়া দেশতে মোৰ
লওঁ যেন পুনৰ জনম।"

('জনম ভূমি')

আধুনিক কালৰ বস্তুবাদী আড়ম্বৰ পূৰ্ণ জীৱনৰ সম্ভোগী মনৰ লগত কবিৰ মনৰ কিমান পাৰ্থক্য! ভূমি আৰু ভূমা উভয়ৰে প্ৰতি যাৰ সন্তোলিত প্ৰেম থাকে তাৰ মনতহে এনে কামনা থকা সম্ভব। বৰ্ত্তমান অসমৰ এনে বহু অসমীয়া আমেৰিকা, ইউৰোপ, অষ্ট্ৰেলিয়া আদি বৈষয়িক সম্পদত সমৃদ্ধিশালী দেশত সচ্ছলতা আৰু বৈষয়িক উন্নতিৰ সন্ধানত আছেগৈ, যি সকলৰ একাংশই নিজৰ মাতৃভূমিৰ প্ৰতি কোনো শ্ৰদ্ধা আৰু প্ৰেম অনুভৱ নকৰে; ইয়াৰ দাৰিদ্ৰ্য আৰু অনগ্ৰসৰতা দেখিলে ঘৃণা অনুভৱ কৰে— দুনাই আৰু উভতি আহিবলৈ নাইবা এই ভূমিৰ বিকাশৰ বাবে একো এটা কৰিবলৈ নিবিচাৰে। নলিনীবালা দেৱীৰ পিতৃ আছিল এক প্ৰকৃত জাতীয়তাবাদী। 'স্মৃতিতীৰ্থ'ত দিয়া বৰ্ণনাৰ পৰা গম পোৱা যায়, সাজে পাৰে চলনে-ফুৰণে দেশভক্ত বৰদলৈয়ে নিজক সম্পূৰ্ণ ৰূপে অসমীয়া বুলি উপস্থাপিত কৰিবলৈ ভাল পাইছিল। তেখেত সকলৰ শিশু কালত অসমৰ অসমীয়া ডা-ডাঙৰীয়া সকলৰ বহুতে অসমত বৃটিছ-দপ্তৰত কাম কৰা বঙ্গালী বিষয়া-কৰ্মচাৰীৰ অনুকৰণত নিজক বিশিষ্ট বোলাবলৈ নামৰ আগত বাবু শব্দ ব্যৱহাৰ কৰিছিল। নবীন বৰদলৈয়ে ইয়াৰ দুৰ্ঘোৰ বিৰোধিতা কৰিছিল আৰু অসমীয়া সকলে নামৰ আগত 'শ্ৰীযুত' ব্যৱহাৰ কৰিবলৈ সকীয়াইছিল। নলিনীবালা দেৱীৰ মতে তেতিয়াৰ পৰাই অসমীয়া সকলে নামৰ আগত শ্ৰীযুত ব্যৱহাৰ কৰিবলৈ ল'লে। বিয়াৰ দিনাও তেখেতে পাগুৰী, আ-অলঙ্কাৰ, চেলেং কাপোৰেৰে সম্পূৰ্ণ অসমীয়া দৰাৰ সাজত গৈছিল বুলি 'স্মৃতি তীৰ্থ'ত উল্লেখ আছে। কংগ্ৰেছত যদিও তেখেত সক্ৰিয়ভাৱে আছিল অসমৰ প্ৰতি সৰ্বভাৰতীয় ক্ষেত্ৰত যি কোনো বিষম আচৰণ দেখিলেই তাৰ প্ৰতিকাৰ কৰিবলৈ উঠি পৰি লাগিছিল। মণ্টেগু-চেমচ্‌ফোৰ্ড শাসন-সংস্কাৰ মতে ভাৰতৰ অন্যান্য ৰাজ্যত প্ৰভিন্সিয়েল অটোনমী (Provincial Autonomy) প্ৰয়োগ কৰি অসমক সেই পদ্ধতিৰ আওতাৰ পৰা বাদ দি ৰখাৰ প্ৰতিবাদত ১৯১৮ চনত চাউলবাৰা কমিটিৰ আগত

কলিকতাত আৰু ১৯১৯ চনত বিলাতত সাক্ষ্য দিবলৈ যাঁওতে কোনো কোনোৱে পূৰ্ণস্বাধীনতাৰ ঠাইত স্বায়ত্বশাসন বিচৰা বুলি উপলুঙা কৰাত বৰদলৈ এনেকি লোকমান্য তিলককো স্পষ্ট ভাষাৰে উত্তৰ দিছিল এইদৰে— "আমি জাতীয় যুঁজত ভাৰতৰ অন্য প্ৰদেশত কৈ পিচ পৰি নাথাকোঁ। কিন্তু বৃটিছে আমাৰ অসমক অন্য প্ৰদেশৰ পৰা পৃথককৈ ৰাখিব খুজিছে। সেয়ে আমি অন্য প্ৰদেশক দিয়া একে অধিকাৰ সমানভাৱে অসমৰ বাবেও বিচাৰিছোঁ।"

কবি নলিনীবালাই পিতৃৰ পৰাই তেওঁৰ জাতীয় সন্মানবোধ আৰু অসমৰ প্ৰতি গভীৰ প্ৰেম উত্তৰাধিকাৰ হিচাবে পাইছিল বুলি ক'ব পাৰি। অসমৰ বৰ্ণনাত কবিৰ উচ্ছাসিত আবেগৰ সীমা নাই— মহাবাহু ব্ৰহ্মপুত্ৰও কবিৰ কল্পনাত একে আবেগত উদ্বেলিত—

"দুয়ো পাশে গিৰিমালা
ঢৌৱে ঢৌৱে কঁৰো খেলা
পখালোঁ চৰণ-শিলা
স্তব্ধ পাষাণৰ
দুকুল ওপচা মোৰ
প্ৰশান্ত সজীৱ পৰশত
সুজলা সুফলা হ'ল
নিৰুপমা ৰূপ অসমৰ।

....

সাধনা প্ৰদীপ্ত মোৰ
পঞ্চতীৰ্থ কামৰূপ

....

অসম গৌৰৱ চিৰ
শৰাই ঘাটৰ ৰণ
লাচিতৰ বীৰত্বৰ
অমৰ কাহিনী।"

(মহানন্দৰ আত্মকথা, কবিতা পুথি পৰশমণি)

অসমৰ সভ্যতা-সংস্কৃতি, অসমৰ ঐতিহ্যৰ প্ৰতি একান্ত অনুৰাগ নলিনীবালাৰ

চৰিত্ৰৰ এক অনন্য দিশ। দেশক ভাল পাব লাগিলে, দেশৰ মনিষী সকলকো ভাল পাব লগিব। তেওঁলোকে দেশ আৰু জাতিৰ গঠনত কি অনবদ্য অৰিহণা আগবঢ়াই গ'ল তাক জানিবলৈ যত্ন কৰিব লাগিব। এই মনিষী সকলৰ মহত্বৰ প্ৰতি নিৰ্ভেজাল শ্ৰদ্ধা অন্তৰেৰে অনুভৱ কৰিব লাগিব। এই শ্ৰদ্ধাৰ পৰাই জাতীয়-সন্মানবোধৰ জন্ম হয়। এই শ্ৰদ্ধা আৰু জাতীয় সন্মানবোধ নলিনীবালাৰ কবিতাত বাঙ্ময় হৈ উঠিছে তেওঁৰ 'শঙ্কৰ-মাধৱ' নামৰ কবিতাত।

"এয়ে মোৰ মাতৃতীৰ্থ
সাধনা সৰগ
জন্মভূমি মহাপুৰুষৰ
শঙ্কৰ-মাধৱৰ সাধনাৰে ৰচা
এইখনি নতুন অসম

.. ..
একেখনি ৰভাৰ তলত
একে গছি বন্তি পোহৰত
চাৰি জাতি শৰণীয়া ভাই—

.. ..
পৰ্বতৰ কছাৰী চুতীয়া
গাৰো মিৰি পৰ্বতীয়া
শঙ্কৰে- মাধৱে বান্ধি দিলে
একে গছি নামৰ ডোলেৰে
এক ধৰ্ম্ম এক প্ৰাণ
এক নীতি জাতি অসমীয়া।"

সহস্ৰ জাতি উপজাতিৰে অধ্যুষিত বাৰে বৰণীয়া ভাষা সংস্কৃতিৰে সমৃদ্ধ বিশাল এই ভাৰত ভূমিক এক প্ৰাণতাৰে সাঙুৰি এক মহান জাতি হিচাপে গঢ়ি তুলিবলৈ যে অসমত শঙ্কৰ-মাধৱে থাপি যোৱা সাংস্কৃতিক ভেঁটিটোৱেই একমাত্ৰ দৃঢ় উপায় তাক নলিনীবালাই অন্তৰেৰে বুজি পাইছিল আৰু তাকে লৈ তেওঁ গৌৰৱ অনুভৱ কৰিছিল। নলিনীবালা আছিল মনে-প্ৰাণে ভাৰতীয় সংস্কৃতি আৰু আধ্যাত্মিক ভাৱ-ধাৰাৰে অনুপ্ৰাণিত। পশ্চিমীয়া বস্তুবাদী সভ্যতাই সমগ্ৰ বিশ্বতে বিয়পাই দিয়া আত্মকেন্দ্ৰিক ভাৱধাৰাই জন্ম দিয়া স্বাৰ্থজড়িত ব্যক্তিবাদী সংস্কৃতি যে মানৱৰ বাবে ভুল বাট, অসমৰ পৰ্বত ভৈয়ামৰ একতাৰ ডোলেৰে বন্ধা শঙ্কৰী-সংস্কৃতিৰ হিয়া ওপচোৱা চেনেহৰ আলিঙ্গণৰ বাটেহে যে পৃথিৱীত শান্তিৰ সৰগ ৰচিব পাৰে তাক তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিছে। নলিনী বালাৰ মতে সমগ্ৰ মানৱ জাতিকে মানৱতাৰ আদৰ্শৰে দীক্ষিত কৰিব পাৰিব পূব-প্ৰান্তৰ এই অসমী আয়েহে। 'পৰশমণি' কবিতা

পুথিখনৰ কবিতাবোৰত 'সন্ধিয়াৰ সুৰ' নামৰ কবিতা পুথি নাইবা 'অলকানন্দা'ত থকাৰ দৰে গভীৰ আধ্যাত্মবোধতকৈ দেশপ্ৰেম আৰু জাতীয়তাবাদী ভাৱধাৰাৰ প্ৰাধান্যহে দেখিবলৈ পোৱা যায়। 'পৰশমণি'ৰ 'পাহাৰীদেশ' নামৰ কবিতাত মাতৃভূমি অসমৰ যি বন্দনা তেনে বন্দনা সৰল জাতীয়তাবাদী কবিয়েহে কৰিব পাৰে—

'অ' মোৰ অসমী, অ' মোৰ মৰমী
ওপজা মাটিৰ পৰশমণি,
জান-জুৰি নৈয়ে ওমলে সদায়
তোৰেই বুকুৰ মৰম সানি।

গোটেই পৃথিৱী সভ্যতাৰ ঢলে
বাট হেৰুৱাই অবাটে যায়,
অ' মোৰ অসমী, তোৰ পৰ্বততে
আছে আচুতীয়া এখনি ঠাই।

তোৰ সুৰে দিব সত্যৰ সন্ধান
যুগৰ বাটত পোহৰ ঢালি
নৱ-জীৱনৰ নতুন দীক্ষা
পূব তোৰণৰ দুৱাৰ মেলি।"

অসমৰ জাতীয় আত্মাৰ সংস্কাৰ আৰু চৰিত্ৰৰ ওপৰত কিমান আস্থা। গভীৰ দেশপ্ৰেম আৰু জাতীয়ভাৱৰ অবিহনে এনে দৃঢ় বিশ্বাস সম্ভৱ নহয়।

নলিনী বালাৰ অসম আজিৰ কৰ্মবিমুখ অলস অসম নহয়, সেই অসম কৰ্মচঞ্চল শিল্পীৰ দেশ।

"ঘৰে ঘৰে তাঁতশাল
বোৱনীৰ ততাতেয়া
কাপোৰ নোলালে শাল
'বিহু চেৰা' হয়,
গামোছা চেলেং বই
দিবলৈ জনে জনে
শিপিনীৰ খোৱা - বোৱা
নাটনি সময়।"

(বঙ্গালী বিহু— পৰশমণি)

অকল কৰ্মযোগী কাৰিকৰেই নহয়, ইয়াৰ নাৰীৰ হৃদয় নিষ্কলুষ স্নেহৰ সৰ্ফুৰাও।

"মছি সাৰি ঘৰ বাৰী
পুৰাতেই লখিমীয়ে
জনে জনে চেনেহৰ
বিহুবান পিন্ধাই,
গোঁসাই আগত থাপি
চিৰা-পিঠা পৰসাদ
পৰিয়াল আলহীক
সাদৰে খুৱায়।"

নলিনী বালাই অসম মাতৃৰ প্ৰতি প্ৰেমতেইহে যে তেওঁৰ মন সঙ্কুচিত কৰি ৰাখিছে তেনে নহয়, বিশাল বিপুল ভাৰতবৰ্ষৰ প্ৰতি শ্ৰদ্ধা আৰু প্ৰেমেৰেও তেওঁৰ হৃদয় সিক্ত। আধ্যাত্মিক সাধনাৰে উদ্ভাসিত ঋষি মুনিৰ দেশ ভাৰতবৰ্ষই বিদেশী শাসনৰ নিৰ্দয়তাত নিস্পেষিত অসহায় জনতাৰ বেদনাত ম্ৰিয়মান— এইসকল অনাদৃত দেশবাসীৰ প্ৰতিও তেওঁৰ সমানে একাত্মবোধ। অসমৰে মাত্ৰ নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ অবহেলিত প্ৰতিজন দেশবাসীৰো জীৱনলৈ পোহৰ আনিবলৈ তেওঁ দৃঢ়। অসমক তেওঁ ভালপায়, অসমী আইক পূজা কৰে; কিন্তু ভাৰতবৰ্ষৰ পৰা ভিন্ন কৰি অসমক যে কেতিয়াও চোৱা নাই সি সহজেই অনুমেয়।

"ভাৰতৰ স্বাধীনতা!
অভিনৱ বাতৰি বিস্ময়—
অস্ত্ৰহীন, ৰক্তহীন
সত্যৰ মহিমাময়;
সাম্ৰাজ্যৰ চিৰ পৰাজয়।

....

শিকলি মুকলি হ'ল

....

নকৰিবা খেদ,
সাধনা নহয় ব্যৰ্থ
ৰচিব লাগিব তীৰ্থ
সাজিম মিলন দ'ল
পাহৰি বিভেদ

....

অনাদৰ অৱহেলা

জীৱনৰ সাৰ কৰি
যিবোৰ আঁতৰি আছে
দুখ নিৰাশাত
বুকুত সাবটি লৈ
দিম আশা, দিম ভাষা
বন্তি জ্বলাই দিম
এন্ধাৰ গুহাত।"

(স্বাধীনতা-পৰশমণি)

ভাৰতবৰ্ষৰ প্ৰদেশ সমূহৰ মাজত ধৰ্ম ভাষা, গোষ্ঠী আৰু সম্প্ৰদায়গত বিভেদে যে মহান ভাৰতীয় জাতীয় ঐক্য গঢ়ি তোলাত বাধা দি আছে, সেই বিষয়ে কবি সচেতন। এই কথাও তেওঁ ভালদৰে জানে যে অসম আৰু অসমীয়াৰ দৰে যি সকল ভাৰতবৰ্ষত অবহেলিত আৰু উপেক্ষিত লোক আছে সকলোৱে আত্ম বিশ্বাসী, আত্মনিৰ্ভৰশীল সাহসী আৰু শিক্ষা তথা জ্ঞানৰ পোহৰেৰে নিজৰ ভাগ্য গঢ়াৰ দায়িত্ব স্বাধীন ভাবে লব পাৰিলেহে দেশৰ স্বাধীনতা সাৰ্থক হব। এই আকাংক্ষাই কবিক অকল জাতীয়তাবাদী আৰু ভাৰতীয়ই নহয় মানৱতাবাদী বুলিও প্ৰতীয়মান কৰিছে। ইয়েই ইয়াকো প্ৰমাণ কৰিছে যে দেশপ্ৰেম বা জাতীয়তাবাদ কেতিয়াও সাৰ্বজনীনতা বা মানৱতাবাদৰ অন্তৰায় নহয়।

নলিনীবালাৰ কবিতাত এক লক্ষ্যণীয় দিশ হৈছে আশাবাদীতা। ব্যক্তিগত জীৱনত তেওঁ বহু দুখ যন্ত্ৰণা দেশ আৰু জাতিৰ জীৱনবো বহু অপমান, লাঞ্ছনা আৰু বেদনাৰ মুখামুখি তেওঁ হৈছে, কিন্তু সি তেওঁৰ মনৰ আশাবাদ, ভৱিষ্যতৰ ওপৰত বিশ্বাস ম্লান কৰিব পৰা নাই। বহু সংঘাত আৰু উত্থান পতনৰ মাজতো তেওঁ বিশ্বাস কৰে যে ভৱিষ্যতৰ যুৱ-শক্তিয়ে দেশ আৰু জাতিৰ সকলো কলঙ্ক মুচি দেশ মাতৃকাৰ কপালত পুনৰ ভাৰতীয় আদৰ্শৰ জয়তিলক পিন্ধাব— অতীতৰ যি ঐতিহ্যই ভাৰতবৰ্ষক গৌৰৱমণ্ডিত কৰি ৰাখিছিল সেই হৃত গৌৰৱ পুনৰ উদ্ধাৰ কৰিবলৈ আগবাঢি আহিব— এই দায়িত্ব তেওঁ পূৱ ভাৰত অৰ্থাৎ অসমৰ ওপৰতে ন্যস্ত কৰিছে; অসমৰ যুৱ-শক্তিৰ পৰাই আশা কৰিছে।

"পূৰ্ব ভাৰতৰ নৱ অৰুণাচলত
জ্বলে দিগন্ত সবিতা
নব যুগ নব যুগযাত্ৰী দল
কপালত লোৱা জয় টিকা।

....

নৱ সঞ্জীৱনী মন্ত্ৰে নবীন পথিক দল
মাতৃ তীৰ্থ তুমিয়ে ৰচিবা।”

(নবোদয়—— পঞ্চশমণি।)

এই গৰাকী মহান কবি অসমৰ সকলো ব্যক্তি আৰু গোষ্ঠীৰ সদায়ে এক প্ৰেৰণা হৈ ৰব। ■

নলিনীবালা দেৱীৰ তত্ত্ব জিজ্ঞাসা

✍ ডঃ মালিনী গোস্বামী

মাত্র উনৈশ বছৰ বয়সতে জীৱনৰ সবাতোকৈ বেদনাদায়ক বিচ্ছেদ মৃত্যুৰ মুখামুখি হ'বলগীয়া হোৱা নলিনীবালা দেৱীৰ কবি মানসত জন্ম আৰু মৃত্যু এক ৰহস্য হৈ ধৰা দিছিল। স্বামী আৰু দুটি পুত্ৰ সন্তানক হেৰুৱাই 'বিচ্ছেদৰ দহনত হাহাকাৰ' কৰি উঠিছিল। কাব্য চৰ্চাৰ আদি স্তৰত কবিয়ে বাট বুলিছিল 'বিচ্ছেদৰ গৈৰিক পথেৰে'। সেয়েহে কবি আছিল নিঃসঙ্গ আৰু বেদনাক্লিষ্ট। প্ৰথম অৱস্থাৰ কবিতাত কবিয়ে স্বীকাৰ কৰিছে— 'নোৱাৰো সহিব দেখো দুখৰ দহন/বুকুৰ পাজৰি খহি যায়/মৰণ এন্ধাৰে ভৰা পৃথিৱীৰ পৰা/নিয়া প্ৰভু নিয়া আঁতৰাই। কিন্তু পৰিস্থিতিয়ে কবিক জীৱনৰ পৰা আঁতৰি যাবলৈ নিদিলে বৰং কবিক জীৱনৰ প্ৰতি, সংসাৰৰ প্ৰতি আৰু মৃত্যুৰ প্ৰতি অনুসন্ধিৎসু কৰি তুলিলে। কবি হৈ পৰিল জন্ম-জন্মান্তৰৰ ৰহস্যৰ সন্ধানব্ৰতী। সেয়েহে নলিনীবালা দেৱীৰ সাতখন কবিতা পুথিৰ বেছিভাগ কবিতাত সৃষ্টিতত্ত্ব, মৃত্যুতত্ত্ব আৰু আত্মাতত্ত্বৰ বিষয়ে বিবিধ চিন্তা আৰু ভাৱৰ অৱতাৰণা হোৱা দেখা যায়।

নলিনীবালা দেৱীৰ ভাৱ আৰু চিন্তাৰ ওপৰত ভাৰতীয় দৰ্শনৰ প্ৰভাৱ পৰিছিল বুলি কবিৰ কাব্যসমূহৰ পাতনি লেখোঁতা আৰু অসমীয়া সাহিত্যৰ ইতিহাস ৰচোঁতা সকলে বাৰে বাৰে কৈ গৈছে। পৰশমণি, সন্ধিয়াৰ সুৰ আদিৰ আগকথাত কবিয়ে নিজেও বেদান্ত দৰ্শনৰ প্ৰত্যয় সমূহৰ আধাৰত আত্মাৰ স্বৰূপ উদ্‌ঘাটন কৰিছে, যেনে ঃ- 'অনোৰ্ণীয়ান মহতো মহীয়ান' মানৱ আত্মাই জগতৰ তপস্যা শক্তিক বিনাশৰ বাট দেখুৱাইছে।'

ভাৰতীয় দৰ্শনৰ অন্যতম লক্ষ্য হৈছে সৃষ্টিতত্ত্ব উদ্‌ঘাটন। ঋগ্বেদত সৃষ্টি ৰহস্যৰ লগত সৃষ্টি উন্মুখ হিৰণ্যগৰ্ভৰ কল্পনা জড়িত আছে। উপনিষদত ঋষিসকলে সৃষ্টি ৰহস্যৰ পম খেদি ব্ৰহ্মজ্ঞানৰ ওচৰ চাপিছে। পুৰাণ সাহিত্যৰ পাঁচবিধ প্ৰতিপাদ্য বিষয়ৰ প্ৰথমবিধেই হৈছে সৃষ্টিতত্ত্ব। প্ৰায় প্ৰতিখন পুৰাণে একাধিক অধ্যায়ত বিশ্বব্ৰহ্মাণ্ডৰ প্ৰাৰম্ভণৰ বিভিন্ন সূত্ৰ দাঙি ধৰিছে। প্ৰাচীন চিন্তাবিদসকলৰ চিন্তাৰ আঁত ধৰি কবি নলিনীবালা দেৱীয়েও কৈছে যে সৃষ্টিৰ অৰ্থ হৈছে নিৰ্মাণ। কবিৰ আত্মাই শত শত

যুগৰ বিশ্ব পৰিক্ৰমাৰ অন্তত আৱিষ্কাৰ কৰিলে যে 'নিমগ্ন নিবিড় দৃষ্টি ভেদি' কোনো মহান শক্তিয়ে 'সৃষ্টিৰ ৰহস্যালোকে সৃজে মায়াপুৰী।' 'দূৰ বিমানৰ গ্ৰহ নক্ষত্ৰৰ' পৰা আদি কৰি পৃথিৱীৰ সকলোতে সৌন্দৰ্য্যৰ উপচাৰ ওপচাই দিয়া জনেই হ'ল সত্য-শিৱ-সুন্দৰৰ মূৰ্ত্তিমান সত্ত্বা আৰু তেৱেঁই বিশ্বস্ৰষ্টা।

প্ৰাচীন পৃথিৱীত ৰহস্যৰূপে থকা অনেক বিষয়ৰ সত্য স্বৰূপ দৰ্শনে আৰু বিজ্ঞানে পোহৰলৈ আনিছে। একাধিক মহাশক্তি বিজ্ঞানৰ আয়ত্বাধীন হৈছে। কিন্তু পৃথিৱীত ঘটা প্ৰথমটো মৃত্যুৰ ঘটনাৰ পৰা আজিলৈকে মৃত্যু হৈ আছে মানুহৰ বাবে আটাইতকৈ ৰহস্যঘন বিষয়। সাহিত্যত কবিয়ে মৃত্যুৰ স্বৰূপ উদঘাটন কৰিবলৈ কল্পনাৰ সহায় লৈছে। নলিনীবালা দেৱীয়েও কল্প দৃষ্টিৰে মৃত্যুৰ স্বৰূপ বুজাবলৈ চেষ্টা কৰি বহুবোৰ উপমাৰ আশ্ৰয় লৈছে। সকলো মানুহে সচেতনে পাহৰি থাকিব খোজা মৃত্যু যে নিশ্চিত সেই কথা কবিয়ে ভালদৰে উপলব্ধি কৰে। মৃত্যু হৈছে সাজ সলোৱাৰ দৰে এটা প্ৰত্যাহ্নিক ঘটনা। মৃত্যুৰ সময়ত আত্মাই 'দেহাৰ মৰমী সাজ/মাটিৰ বুকুত সোলোকায়।' মৃত্যুতত্ত্ব উদঘাটন কৰি কবিয়ে আকৌ কৈছে —

'বাকলি সৰিব খহি মানুহ সঁজাৰ
উজলিব দিব্যৰূপ সঁচা মানুহৰ।'

ঠিক একেদৰে গীতাতো ভগবান কৃষ্ণই বিষাদগ্ৰস্ত অৰ্জুনক মৃত্যুৰ স্বৰূপ বুজাবলৈ গৈ কৈছে—

বাসাংসি জীৰ্ণানি যথা বিহায়
নৱানি গৃহ্নাতি নৰোহপৰানি,

তথা শৰীৰানি বিহায় জীৰ্ণানি

অন্যানি সংযাতি নৱানি দেহী।

মানুহে পুৰণি সাজ পেলাই দি যেনেকৈ নতুন কাপোৰ লয় সেইদৰে দেহীয়ে জৰাজীৰ্ণ শৰীৰ এৰি দি আন শৰীৰত প্ৰৱেশ কৰে। উক্ত শ্লোকৰ প্ৰথমাৰ্দ্ধ যেনেকৈ পূৰ্বৰ স্তৱকটিত অনুৰণিত হৈছে, তেনেকৈ অপৰাৰ্দ্ধৰ প্ৰতিধ্বনি শুনা যায় এই পংক্তিত— 'নতুন দেহীয়ে হাঁহে জীৰ্ণ দেহা চাই/স্থবিৰতা দেখি এই জীৰ্ণ জীৱনৰ।'

নলিনীবালাৰ মতে মৃত্যুৰ আন নাম জীৱনৰ ৰূপান্তৰ। ক্ষয়িষ্ণু দেহাৰ অৱলুপ্তিৰ বাবে জীৱনে আন ৰূপ পায়; সেয়ে মৃত্যু হৈছে ৰূপান্তৰ মাথোন। কবিয়ে প্ৰতিপাদন কৰিব খোজা মৃত্যুতত্ত্বৰ আন এটি সিদ্ধান্ত এয়ে যে মৃত্যু হৈছে এক সমাপ্তি— 'জাগ্ৰত আত্মাই সমাপ্তি বিচাৰি ফুৰে। মানস নদীৰ তীৰে তীৰে/বিশ্বপথে হাত বাউল দিয়ে।

কিন্তু কবিৰ একাধিক কবিতাত এইটোও সাব্যস্ত হৈছে যে এই সমাপ্তি মাথো এটা অধ্যায়ৰ সমাপ্তিহে। মৃত্যু জীৱন সমাধি নহয়। ‘মৰণ নহয় শেষ/জীৱন সমাধি/আৰু আছে জীৱনৰ/অসীম পৰিধি’। ইয়াৰ দ্বাৰা কবিয়ে এজন মানুহৰ জন্মৰ পৰা মৃত্যুলৈকে সময়খিনিকে কেৱল জীৱন বুলি ক’ব খোজা নাই। জীৱন অনন্ত। তাৰ আদি ক’ত তাকো কবিয়ে নাজানে। কবিৰ মতে ‘জীৱন মাথোন এটি আৱহ সঙ্গীত’। কবি তাৰ গীতিকাৰ। এনে জীৱন তত্ত্ববিদ কবিৰ বাবে বোধকৰো মৃত্যু এটি লয়ৰ সমাপ্তি। পুনৰ্জন্ম আন এটি লয়ৰ আৰম্ভণি। ‘অসীম জীৱন’ নামৰ কবিতাটিত জীৱন সম্বন্ধে কবিৰ ধাৰণা সমূহ স্পষ্টভাৱে প্ৰকাশ পাইছে। এনে জীৱন-তত্ত্বৰ অন্বেষণতো সেয়েহে কবিয়ে মৃত্যুক ‘পাৰ্থিৱৰ যৱনিকা’ বুলি কৈছে আৰু তাৰ দ্বাৰা এই কথাও ব্যঞ্জিত হৈছে যে মৃত্যুৰ পিছতো এক অপাৰ্থিৱ জীৱন আছে। ইয়াতেই কবিয়ে জীৱনতত্ত্বৰ এক চিৰন্তন প্ৰত্যয় উপলব্ধি কৰিছে আৰু বিশ্বাসৰ আধাৰত কবিয়ে মৃত্যুৰ পিছৰ পৃথিৱীখন কল্পনা কৰি লৈছে। সেইখন অজান দেশৰ ছবি কবিৰ একাধিক কবিতাত পোৱা যায় যদিও ‘পুতলী’ কবিতাটিত তাৰ পূৰ্ণ ছবি কবিয়ে দিছে। পুত্ৰ শোকাতুৰা জননীয়ে আশা কৰে যেন তেওঁৰ সোণৰ পুতলী সন্তানটি সেইখন সুন্দৰ দেশতে আছেগৈ— ‘নাই য’ত জৰা মৃত্যু ৰোগৰ যাতনা’, ‘পাৰিজাত ফুলে য’ত নন্দন শুৱাই উপচি তলত থাকে সৰি’, দেববালা হঁতে য’ত নৃত্য গীত কৰে, ‘লাৱণী’ মাতেৰে কোমল হাতেৰে অতিথিক অভ্যৰ্থনা কৰে’। তেনে এক ‘দেৱতাৰ অমৰা পুৰত’ অপাৰ্থিৱ জীৱনৰ এছোৱা কাল অতিবাহিত হয় বুলি কবিয়ে ভাবে।

বোধকৰো কবিৰ হৃদয়ে মানি ল’ব পৰা নাছিল যে তেওঁৰ অতিকৈ প্ৰিয় পতি-পুত্ৰ সঁচাকৈ চিৰকালৰ বাবে নোহোৱা হৈ গ’ল। এই ভাৱৰ প্ৰভাৱত কবি প্ৰথমতে নিৰাশাত ভুগিছিল। কিন্তু কবিক নিজৰ আৰু প্ৰিয়জনৰ জীৱনে মহাজীৱনৰ জ্ঞান দিলে। ক্ষণিকতাৰ উপলব্ধি দূৰ হ’ল আৰু অনাদি জীৱনৰ জ্ঞান হ’ল। তেতিয়াই কবিৰ বিচ্ছেদ বেদনাৰ উপশম হ’ল। তেনে উপলব্ধিৰ ফলতেই কবিগৰাকীয়ে কবিতাত মৃত্যুৰ পিছৰ জগতখনৰ এক পূৰ্ণাঙ্গ ছবি আঁকিবলৈ সক্ষম হৈছে। এইখন জগতৰ অস্তিত্ব কবিৰ বাবে ইমান সত্য যে কবিয়ে কেতিয়াবা মৃত্যুৰ পিছৰ অনুভূতিখিনিকো নিজে অনুভৱ কৰিবলৈ সমৰ্থ হৈছে। মৃত্যুৰ কথা সাধাৰণতে মানুহে নাভাবে। তেনেস্থলত নিজৰ মৃত্যুৰ পিছৰ অনুভৱখিনি সাধাৰণ লোকৰ কল্পনাৰো অগোচৰ। কিন্তু নলিনীবালাই ‘এটি দীঘলীয়া ৰাতি’ আৰু ‘মহালয়া’ কবিতাত সেই অনুভৱ খিনিও স্বচ্ছ ভাষাত প্ৰকাশ কৰিছে—

আজি মই দেহাহীন অতনু অদেহী
মৰতীয়া জীৱনৰ পাতনি সামৰি

মানৱীয় জীৱনৰ সত্ত্বাখিনি বুকুত সাৱটি
তীব্ৰ সচেতনা লৈ ভ্ৰমো মহাকাশ।
............দেহাহীন আত্মমানসত জ্বলিছে দুগুণে স্মৃতি
বিদেহী আত্মাত।

কিন্তু কৱিয়ে ভাবে পাৰলৌকিক জগত খনেই জীৱনৰ অন্তিম লক্ষ্য নহয়। জীৱন আৰু মৰণৰ মাজত এখন বিপুল বাৰিধি কৱিয়ে কল্পনা কৰিছে— 'জীৱন মৰণৰ সীমাৰ মাজত বৈ আছে সুনীল সাগৰ।' সীমাৰ ইপাৰে থকা পৃথিৱীখনৰ পৰা একোটা জীৱন সীমা পাৰ হৈ সিপাৰলৈ যায়গৈ। অমৰাৱতী হেন সুন্দৰ সিপাৰৰ জগতখনত কিন্তু ইপাৰৰ জীৱনে নিগাজী ঘৰ সাজিব নোৱাৰে। কৱিয়ে জানে যে ইপাৰতকৈ সিপাৰত সুখৰ সম্ভাৰ সৰহ — 'ইপাৰত শুন হাঁহি কান্দোনৰ সুৰ/সিপাৰৰ ধ্বনি সোণোৱালী সুমধুৰ।' কিন্তু তথাপি আকুল আত্মাই বাৰে বাৰে ইপাৰলৈকে ঘূৰি আহে। কাৰণ— 'মাটিৰ মৰমে টানে/আঁহো ঘনে ঘনে ঘূৰি/পৃথিৱীৰ মৰম বিচাৰি।' তদুপৰি— 'ভূমিৰ পৰশ মাগে অশান্ত আত্মাই/তোমাৰ শুৱনি এই কোলাত/দিয়া নৱজনমক অনুপম দান।' ধুনীয়া ধৰণীৰ ৰূপত মগ্ন মানৱ আত্মাৰ এয়ে যেন নৱজন্মৰ আকুতি।

জীৱই স্বৰ্গভোগ শেষ কৰি আকৌ পৃথিৱীলৈ আহি কেনেকৈ নতুন জন্ম গ্ৰহণ কৰে সেই বিষয়ে শ্ৰুতি আৰু স্মৃতিয়ে বহলাই আলোচনা কৰি বিভিন্ন তত্ত্ব আগবঢ়াইছে। শ্ৰুতিয়ে তাক পঞ্চাগ্নি বিদ্যাৰ অধীনত আলোচনা কৰিছে। ব্ৰহ্মসূত্ৰৰ তৃতীয় অধ্যায়ৰ প্ৰথম পাদতো ইয়াৰ সংক্ষেপ আলোচনা পোৱা যায়। নলিনীবালাৰ তত্ত্বজিজ্ঞাসাই একেটি তত্ত্বকে কাব্য জগতত বিচাৰি ফুৰিছে।

কেৱল ধৰণীৰ আহ্বানেই জীৱনৰ আৱৰ্তন প্ৰত্যাবৰ্তনৰ একমাত্ৰ কাৰণ নহয়। ইয়াৰ অন্তৰালত কৱিয়ে আকৌ আন এটা সূত্ৰ আৱিষ্কাৰ কৰিছে। সি হৈছে কৰ্মবন্ধন। গীতাৰ তৃতীয় অধ্যায়তো কোৱা হৈছে যে কৰ্মৰ দায়ত আবদ্ধ জীৱাত্মাই অপূৰ্ণ কৰ্ম শেষ কৰিবৰ বাবে পুনঃ পুনঃ জন্ম লয়। একে সুৰতে নলিনীবালায়ো কৈছে— 'মানুহ জীৱন এটি/অখণ্ড কৰম সোঁত।' শেষ নোহোৱা কৰ্মৰ ভাৰ শেষ কৰিবলৈকে জীৱনৰ পুনৰ সৃষ্টি হয়। জীৱনৰ সিপাৰৰ পৰা পৃথিৱীলৈ অহা জীৱাত্মাই প্ৰতি মুহূৰ্ততে কৰ্মৰ জালত বান্ধ খাই পৰে— 'গুথিছো কৰম জাল/প্ৰতি প্ৰতি পলকত/ঘূৰি ঘূৰি লৈছো মেৰাই।' এনেদৰে কৰ্মবন্ধনত অবিৰত ভাৱে আবদ্ধ হৈ সকলোৱে অতীতৰ জীৱন আৰু জীৱন নদীৰ সিপাৰৰ জগতখনৰ কথা পাহৰি যায়। 'কৰ্মময় মানৱী জীৱনে কৰ্মচেতনাত/অতীতক পাহৰি পেলায়।' আৰু বৰ্তমানৰ ব্যস্ততাত নিজকে এনেদৰে হেৰুৱাই পেলায় যে সমাগত নিশ্চিত মৃত্যুৰ কথাও ভাবিবলৈ আহৰি নাপায়। এনে বন্ধন আকৌ মোহবন্ধন। দৰ্শন শাস্ত্ৰই ইয়াকে মায়া বা ভ্ৰান্তিবীজ বুলিছে। মায়াবশতঃ

মানুহৰ স্বত্বজ্ঞান লুপ্ত হয়। এই তত্বটি নলিনীবালাৰ এই পংক্তিটিত প্ৰতিধ্বনিত হৈছে— 'তুমি কোন, কিয়, কিহৰ মায়াত/জীৱন ৰহস্য বিচাৰি গ'লা/মৰতত আহি মায়াৰ জালত/ধূলি-বালি সানি মলিন হ'লা।' এনেদৰে কবিৰ ধ্যান দৃষ্টিত দৃশ্য আৰু অদৃশ্য জগত দুখন এক পৰম ঐক্যসূত্ৰত গ্ৰথিত হৈছে।

নলিনীবালাৰ ব্ৰহ্মজিজ্ঞাসাও প্ৰবল। যদিও দাৰ্শনিক দৃষ্টিৰে নলিনীবালাই ব্ৰহ্মানুসন্ধান কৰা নাই, তথাপি তেওঁৰ ৰচনাত প্ৰতিফলিত ব্ৰহ্মৰ স্বৰূপ বেদান্তৰ সিদ্ধান্তৰে সৈতে একে। 'জীৱো ব্ৰহ্মৈৱ নাপৰঃ'— শংকৰাচাৰ্যৰ এই প্ৰখ্যাত প্ৰত্যয়ৰ সমান্তৰাল উক্তি নলিনীবালাৰ কবিতাত একাধিকবাৰ পোৱা যায়। তেওঁ মানুহক 'শাশ্বত শক্তিৰ কণা' বুলি কৈ কৈছে— 'সেই জ্যোতিষ্কৰে ৰেণু এটি তুমি/বিশ্ব তোমাৰ লীলাৰ গতি।' তেনেদৰে 'সৰ্বং খলু ইদং ব্ৰহ্ম' এই প্ৰত্যয়ৰ সমান্তৰাল উক্তিও নলিনীবালাৰ কবিতাত বিচাৰি উলিয়াব পাৰি। সকলোতে পৰমাত্মাৰ উপস্থিতি স্বীকাৰ কৰি তেওঁ কৈছে— 'জানো তুমি বিশ্বব্যাপী/অণু-পৰমাণুৰূপী/মানৱৰ সৌন্দৰ্য্য প্ৰাণৰ'। আকৌ কৈছে— 'জগতৰ প্ৰতি ৰেণু মাজে/আছা তুমি/তথাপি তথাপি মোৰ/হিয়া ভৰা আকুল বাসনা/বিয়পিছে তোমাৰ কাৰণে।' এনেদৰে নলিনীবালাৰ ব্ৰহ্মজিজ্ঞাসাও প্ৰাচীন সিদ্ধান্ততে লীন হৈছেগৈ।

নলিনীবালা দেৱীৰ তত্বজিজ্ঞাসা আছিল প্ৰবল। মৃত্যু কি, জীৱন কি ইত্যাদি প্ৰশ্নৰ উদয় তেওঁৰ মনত সততে হৈছিল বাবে কবিতাত সেইবোৰ বিষয়ৰ বিভিন্ন সিদ্ধান্ত তেওঁ দি গৈছে। কবিসুলভ কৌশলেৰে তেওঁ ব্যঞ্জনাৰ সহায় লৈ বিষয়বস্তু দূৰৰ পৰা আঙুলিয়াই যোৱা নাই। বৰং দাৰ্শনিক দৃষ্টিভংগীৰে কবিয়ে বিষয়বস্তু ঘূৰাই পকাই পৰীক্ষা কৰিছে আৰু বাচ্য উক্তিৰে সিদ্ধান্ত দি গৈছে। কবিৰ তেনে মতামতৰ ওপৰত কেতিয়াবা দৰ্শনৰ বিভিন্ন প্ৰত্যয়ৰ ছাঁ পৰা বুলি আৰু কেতিয়াবা সেইবোৰ কবিৰ নিজা সিদ্ধান্ত বুলি স্বীকৃতি দিব পাৰি। ■

নলিনীবালা দেৱীৰ কাব্যত আধ্যাত্মিকতাবাদ

✍ ডঃ নলিনী দেৱী মিশ্ৰ

কুৰি শতিকাৰ অসমীয়া কবি সকলৰ অন্যতমা বৰেণ্যা কবি নলিনীবালা দেবীৰ কাব্য সাহিত্য নানা বৈশিষ্ট্যৰে অলঙ্কৃত। এইটো অনস্বীকাৰ্য্য যে এই গৰাকী স্বনাম ধন্যা কবিয়ে গদ্যসাহিত্যতো স্বকীয় প্ৰতিভাৰ স্বাক্ষৰ ৰাখি গৈছে। তেওঁৰ বিৰচিত পুথিসমূহৰ ভিতৰত উল্লেখযোগ্য কাব্যগ্ৰন্থ আৰু গদ্যগ্ৰন্থ কেইখন হৈছে "সন্ধিয়াৰ সুৰ (১৯২৮ চন), 'সপোনৰ সুৰ' (১৯৪৩ চন) পৰশমণি (১৯৫৪ চন), 'যুগদেৱতা' (১৯৫৭ চন), 'অলকানন্দা' (১৯৬৭ চন), 'জাগৃতি' (১৯৬২ চন), 'অন্তিম সুৰ' (১৯৭৭ চন), 'স্মৃতি-তীৰ্থ' (১৯৪৮ চন, জীৱনী গ্ৰন্থ) আৰু 'চৰ্দাৰ পেটেল'। 'এৰি অহা দিনবোৰ' নামৰ তেখেতৰ আত্মজীৱনীখন অসমীয়া আত্মজীৱনীৰ ভিতৰত এখনি উল্লেখযোগ্য গ্ৰন্থ। তেখেতে ৰচনা কৰিছিল 'শেষ পূজা', 'পাৰিজাতৰ অভিষেক', 'প্ৰহ্লাদ' আৰু 'মীৰা বাই' নামৰ চাৰিখন নাটিকা। ইয়াৰ উপৰি কবি নলিনীবালা দেৱীৰ বহুতো অপ্ৰকাশিত গদ্যগ্ৰন্থ আৰু নাটক থকাৰ কথা জনা যায়। অসম সাহিত্যসভাৰ প্ৰাক্তন সভাপতি পদ্মশ্ৰী নলিনীবালা দেৱীৰ কাব্যত প্ৰাচীন ভাৰতীয় আধ্যাত্মিকতাবাদৰ কেনে প্ৰতিফলন ঘটিছে সেয়াহে এই প্ৰবন্ধটিৰ বিচাৰ্য বিষয়।

কবি নলিনীবালা দেবীৰ কাব্য সম্বন্ধে অলোচনা কৰাৰ প্ৰাক্‌মুহূৰ্ত্তত আৱশ্যক হয় কবি গৰাকীৰ জীৱনবীক্ষা কৰাৰ। উনৈশ শতিকাৰ শেষাৰ্দ্ধত এই গৰাকী বিচক্ষণ কবি সাহিত্যিকৰ জন্ম হৈছিল অসমৰ মথুৰাপুৰী বৰপেটাত। তেওঁৰ পিতৃ আছিল স্বনামধন্য কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ ডাঙৰীয়া আৰু মাতৃ হেমন্ত কুমাৰী বৰুৱা। আঢ্যৱন্ত পৰিয়ালত জন্ম গ্ৰহণ কৰা নলিনী বালা দেৱীয়ে অতি সুখেৰেই তেওঁৰ শৈশৱৰ কালছোৱা অতিবাহিত কৰিছিল। তেওঁ প্ৰাথমিক শিক্ষা সাং কৰে তেজপুৰত। তাৰ পিছত উচ্চ শিক্ষা আৰম্ভ হয়। এই সময়তেই কবি গৰাকীয়ে সংস্কৃত ভাষা শিকিবলৈ আৰম্ভ কৰে। এই ভাষা শিকাৰ অলপ দিনৰ ভিতৰতে এই ভাষাৰ ওপৰত তেওঁ ব্যুৎপত্তি লাভ কৰে আৰু উক্ত ভাষাত বিৰচিত সাহিত্যৰাজিও অধ্যয়ন কৰাত নলিনীবালা দেৱীয়ে মনোনিবেশ কৰে। ইয়াৰ পিছতেই তেওঁ বিবাহ পাশত আবদ্ধ হয়। তেতিয়া তেওঁৰ বয়স মাত্ৰ এঘাৰ বছৰ। সময় যোৱাৰ লগে লগে কবিৰ সুখৰ সংসাৰত এটি দুটি কৈ চাৰিটি সন্তান আহে আৰু সময় অতি তীব্ৰ গতিত পাৰ হয়। তাৰ পিছত তেওঁৰ জীৱনলৈ এন্ধাৰ নামি আহে স্বামীৰ অকাল বিয়োগত। মাথোন

এদিনৰ বেমাৰত তেওঁৰ স্বামীয়ে ইহলীলা সম্বৰণ কৰে। কণ কণ শিশুকেইটিক লৈ নলিনীবালা দেৱী শোকত ভাগি পৰে। ঊনৈশ বছৰ বয়সত অকাল বৈধব্যক সাৱটি লবলগীয়া হোৱাত নলিনীবালা দেৱীৰ শোকত মনৰ বান্ধ সুলকি পৰে। তেনেতে তেওঁক পিতৃ বৰদলৈ ডাঙৰীয়াই ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ লৈ আনে। জীয়েকৰ দুখত দুখী নহৈ পিতৃয়ে নলিনীবালা দেৱীৰ হাতত তুলি দিয়ে পৰমাধ্যাত্মিক শাস্ত্ৰ শ্ৰীমদ্ভাগবদ্ গীতা। পিতৃ প্ৰদত্ত এই শাস্ত্ৰখনিকেই সাৰোগত কৰি নলিনীবালা দেৱীয়ে জীৱনত কৰ্মযোগী হৈ জীয়াই থকাৰ ন-প্ৰেৰণা পায়। প্ৰকৃততে এইখিনিতেই আৰম্ভ হয় নলিনীবালা দেৱীৰ কবি-জীৱন। স্বামীৰ মৃত্যুৰ পিচত তেওঁৰ পঞ্চম সন্তানটিৰ জন্ম হয়। কিন্তু দুখৰ বিষয় এয়ে যে স্বামীক হেৰুবাৰ শোক মাৰ নৌ যাওঁতেই তেওঁ হেৰুৱাবলগীয়া হৈছিল প্ৰাণসম পুত্ৰ পবিত্ৰ আৰু পুতলীক। পুনৰবাৰ তেওঁৰ মাতৃপ্ৰাণে দুখ বেজাৰত চিৎকাৰ কৰিছিল। কিন্তু দুখৰ দিনত তেওঁক সান্ত্বনা দিছিল একমাত্ৰ তেওঁৰ পিতৃয়ে। পিতৃৰ পৰা পোৱা সান্ত্বনা আৰু প্ৰেৰণাই তেওঁক শোক সাগৰৰ পৰা তুলি আনে আৰু জীয়াই থকাৰ বাবে তেওঁ গভীৰভাবে গীতা শাস্ত্ৰ অধ্যয়ন কৰিবলৈ লয়। গীতাখনেই আছিল তেওঁৰ সৰ্বক্ষণৰ সংগী। তেওঁৰ কবিতাত সেয়েহে গীতাৰ সামগ্ৰিক প্ৰভাৱ অনুভৱ কৰা যায়।

কবি নলিনীবালা দেৱীৰ কবিতা সমূহ বিশেষভাবে কাৰুণৰসেৰে সিক্ত হোৱা লক্ষ্য কৰা যায়। 'সন্ধিয়াৰ সুৰ' নামৰ কবিতাপুথিত এনে কৰুণাসিক্ত বহু কবিতাৰ সুন্দৰ সমাবেশ ঘটিছে। কবিয়ে লিখিছে—

"সামৰণি, আজি মহোৎসব
জীৱনৰ সন্ধিয়া পৰত,
থামি গ'ল উৎসৱৰ গীতি
বিজয়াৰ সুদা মণ্ডপত।
উৎসৱ দীপালি আজি নাই জ্বালি থোৱা—
উলাহৰ বীণধ্বনি নাই আজি কোনেও বজোৱা।
নিমেষতে আঁতৰিল
পুৰৱতিৰ অলীক সপোন,
ডাৱৰে ধৰিলে ছাটি—
প্ৰভাতৰ সোণালী কিৰণ।"

(অনাহুত, সন্ধিয়াৰ সুৰ)

আন এঠাইত কবিয়ে নিজৰ দুৰ্বল হৃদয়ৰ কথা সদৰি কৰিছে এইদৰে

"দুৰ্ব্বল হৃদয় দেখোঁ

পৰিছে ভাগৰি,
অসহনি জীৱনৰ ভাৰ!
এন্ধাৰ আকাশ ধৰা
এন্ধাৰ জীৱন
ঘোপ মৰা আঁউসী নিশাৰ।”

(ভাগৰুৱা, সন্ধিয়াৰ সুৰ)

মহাভাৰতৰ যুদ্ধৰ পূৰ্বমুহূৰ্ত্তত নিজৰ আত্মীয়স্বজনক হেৰুৱাব লাগিব বুলি ভাবি মধ্যম পাণ্ডৱ অৰ্জ্জুনক শোকে জৰ্জৰিত কৰিছিল আৰু অন্তিম ক্ষণত তেওঁ যুদ্ধ নকৰো বুলি থিৰ কৰি হাতৰ পৰা গাণ্ডীৱ ধনুখনি মাটিত থৈছিল। সেই দৃশ্য দেখি ৰথৰ সাৰথি আৰু অৰ্জুনৰ সখা শ্ৰীকৃষ্ণই কৰ্তব্যভ্ৰষ্ট আৰু বিষাদ গ্ৰস্ত অৰ্জুনক কৈছিল, ‘হে পাৰ্থ তুমি কাপুৰুষতাৰ বশ নহ'বা, ই তোমাত শোভা নাপায়। হে পৰন্তপ, হৃদয়ৰ এই ক্ষুদ্ৰ দুৰ্বলতা ত্যাগ কৰি (যুদ্ধৰ বাবে) থিয় হোৱা (সাজু হোৱা) (গীতা, ২/৩)। প্ৰকৃততে সুখ-দুখ, শোক সন্তাপ এইবোৰ মানুহৰ চিৰলগৰী। তথাপি মানুহৰ অন্তৰক দুৰ্বল হ'বলৈ দিব নাপায়। এই হৃদয় দুৰ্বলতা পৰিহাৰ কৰি নিজ কৰ্তব্যত স্থিৰ হৈ থাকিব লাগে।” কবি নলিনীবালা দেবীৰ অন্তৰতো শোকৰ ফলত দুৰ্বলতাই খোপনি পুতিছিল। সেয়া তেওঁৰ কবিতাত সুস্পষ্ট ভাষাত প্ৰকাশ হৈছে। কবি হৃদয়ত জ্বলি উঠা শোকৰ দাৱানলে তেওঁক ভগৱানৰ ওচৰত শৰণ ল'বলৈ বাধ্য কৰিছে। ঈশ্বৰৰ ওচৰত আত্মসমৰ্পণৰ এনে এক চৰম মুহূৰ্ত্তত কবিয়ে কৈছে।—

“ভুৱা এই হাঁহি খেলা
ধূলিৰ ধেমালি
খন্তেকীয়া মৰতৰ প্ৰীতি।
যুগমীয়া বুলি এই
অথিৰ জীৱন
যতনেৰে ধৰিছো সাৱটি।
আজুৰি পিজুৰি লৈ
জগতৰ বোজা
ভাৰ মোৰ কৰিলো গধুৰ।
নোৱাৰোঁ সহিব দেখো
দুখৰ দহন
বুকুৰ পাজৰি খহি যায়,
মৰণ এন্ধাৰে ভৰা

পৃথিৱীৰ পৰা
নিয়া প্ৰভু! নিয়া আঁতৰাই।
সহিব নোৱাৰি এই
জীৱনৰ ভাৰ
সঁপি দিলো তোমাৰ পাৱত।
বৰ শ্ৰান্ত প্ৰভু! মই
লোৱা তুমি মোক
দিয়া ঠাই চৰণ তলত।"

(ভাগৰুৱা, সন্ধিয়াৰ সুৰ)

এই সংসাৰ মায়াময়। অশেষ বান্ধোনে মানুহৰ হৃদয় আগুৰি থাকে। কিন্তু শোক সন্তপ্ত হৃদয় সদায় উদাসীনতাত ভোগে। জীৱনৰ সোণালী দিনবোৰৰ মধুৰ স্মৃতিয়ে সকলোকে ক্ষন্তেকৰ বাবে হ'লেও অভিভূত কৰে। কবি নলিনী বালা দেৱীয়েও জীৱনৰ সন্ধিয়াপৰত অৰ্থাৎ দুখৰ দিনত পুৰণি দিনৰ সোণালী স্মৃতি ৰোমন্থন কৰি অতি আক্ষেপ কৰিছে—

"সেই দিনা সেই উছৱত
ভৰি মোৰ সৰু ঘৰখনি,
সুখময় মিলনানন্দত
বাজিছিল মঙ্গল ৰাগিনী।
সেই উছৱত প্ৰভু! পতা নাই তোমাৰ আসন,
মতা নাই তোমাক এবাৰ, কৰা নাই তোমাক স্মৰণ।"

(অনাহুত, সন্ধিয়াৰ সুৰ)

ভগবান যে এই বিশ্বৰ সৰ্বময়কৰ্তা, আৰু নিয়ন্তাও যে তেৱেঁই, সেই উপলব্ধি কবিহৃদয়ত বহু পলমকৈ হৈছে। ভগবান সৰ্বদা অনাহুতৰূপে সকলো জীৱক আবৰি থাকে। সুখৰ দিনত ভগবানলৈ তেওঁৰ অলপো মনত পৰা নাছিল। এয়ে কবিৰ আক্ষেপ।

"জীৱনত কোনো দিনে নপৰিল তোমাক মনত;
আজি এই আবেলিৰ বিদায় পৰত,
গহীন, এন্ধাৰে ঢকা সীমাহীন সাগৰ পাৰত,
তোমালৈ পৰিছে মনত।"

(অনাহুত, সন্ধিয়াৰ সুৰ)

তেওঁ জানে যে ভগৱান সৰ্বব্যাপী। বিপদৰ বন্ধুও ভগৱানেই. জগতৰ প্ৰতিটো বস্তুত তেওঁ বৰ্তমান। গীতাশাস্ত্ৰত ভগৱানে তেওঁৰ স্বৰূপ অতি সুন্দৰভাৱে প্ৰকাশ কৰিছে। উক্ত শাস্ত্ৰত সাৱলীল ভাৱে ভগৱৎ তত্ত্বও সমুদেঘ্যাষিত হৈছে। ভগৱানে কৈছে,

অহমাত্মা গুড়াকেশ সৰ্বভূতাশয়স্থিত ঃ।
অহমাদিশ্চ মধ্যশ্চ ভূতানামন্ত এব চ।।

(গীতা, ১০/২)

"হে গুডাকেশ (জিতেন্দ্ৰিয়), সমস্ত প্ৰাণীৰ হৃদয়ত থকা (যি) আত্মা (সি) ময়ে; সমস্ত ভূতৰে (অৰ্থাৎ সমস্ত প্ৰাণী আৰু সৃষ্ট বস্তুৰে) আদি, মধ্য আৰু অন্ত (অৰ্থাৎ উৎপত্তি, স্থিতি আৰু বিনাশৰ কাৰণ) ময়ে।" সৰ্বব্যাপী ভগৱানে অৰ্জুনক পুনৰ উপদেশ দিছিল যে মানুহৰ বিয়োগত মানুহে শোক কৰিব নেপায়। কিয়নো মানুহৰ দেহাৰ অৱসান হ'লেও আত্মাৰ মৰণ নাই, আত্মা অবিনাশী। তেওঁৰ ভাষাত,

অবিনাশি তু তদ্ বিদ্ধি যেন সৰ্বমিদং ভূতম্।
বিনাশমব্যয়স্যাস্য ন কশ্চিৎ কৰ্ত্তুমৰ্হতি।।

(গীতা, ২/১৭)

অৰ্থাৎ যাৰদ্বাৰা এই সমস্ত (স্থাৱৰ-জঙ্গমাত্মক সৃষ্টি) ব্যাপ্ত হৈ আছে, তেওঁক কিন্তু অবিনাশী বুলি জানিবা; এই অব্যয় ব্ৰহ্মাতত্ত্বক কোনোৱে নাশ কৰিব নোৱাৰে। মানুহে নশ্বৰ দেহাৰ বাবে দুখ কৰিব নেপায়। জীয়াই থকা কালছোৱাত সেয়েহে স্বকৰ্তব্যত মানুহ নিৰত থাকিব লাগে। এনে এক পৰম আত্মতত্ত্ব কবি নলিনীবালা দেৱীয়েও উপলব্ধি কৰিছিল আৰু কাবিকৰূপত ই এইদৰে প্ৰকাশ পাইছে,

"তেনে তুমি আছাঁ বাৰু ক'ত?
জগতৰ প্ৰতি ৰেণু মাজে—
আছা তুমি জানো ভালকৈয়ে
তথাপি তথাপি মোৰ
হিয়া ভৰা আকুল বাসনা
বিয়াপিছে তোমাৰ কাষলে।'

(সঁচানে? সন্ধিয়াৰ সুৰ)

বিশ্বব্যাপী ভগৱান আৰু তেওঁৰ সৃষ্ট জগতৰ মাজত কোনো ভিন্নতা নাই এই অভিন্নতাই কবি হৃদয়ত এইদৰে ভুমুকি মাৰিছে—

"বিয়পিব আতমাটি
আকাশে ৰতাহে নীলিমাই,
জোনাকীৰ লগে লগে
ফুৰিব এন্ধাৰ পোহৰাই।
তুমি জ্যোতি মই ৰেণু
হে অৰূপ। ৰূপৰ আলয়,
অনুৰূপে অনাদিত
তোমাতেই লীন হ'মগৈ।"

(সমাধি, সন্ধিয়াৰ সুৰ)

'শেষ অৰ্ঘ্য' নামৰ কবিতাটিত কবি নলিনীবালা দেৱীৰ ভগৱৎ ভক্তিৰ পৰাকাষ্ঠা দেখা যায়। ভগৱানৰ চৰণ পূজিবলৈ কবি বৈ আছে শেষ অৰ্ঘ্য লৈ। জীৱনৰ গধূলি পৰত জীৱনৰ সাধনা পূৰ্ণ কৰিবলৈ ঈশ্বৰৰ ওচৰত তেওঁ মিনতি জনাইছে। তেওঁ অৰ্ঘ্য দিবলৈ মালা এধাৰি গাঁথিছে তেওঁৰ জীৱনৰ কুসুম বনত ফুলা ফুলেৰে। পৰমপিতা ভগৱানক শুনাবলৈ বীণখনিও কবিয়ে হাতত তুলি লৈছে। কিন্তু বীণখনিত বজোৱা কবিৰ গীতে ঈশ্বৰৰ চৰণ স্পৰ্শ কৰিব নোৱাৰিলে। বহু আশা আকাংখা মনত থকা সত্বেও ঈশ্বৰৰ সান্নিধ্য পোৱাত বিফল মনোৰথ হৈ কবিয়ে অতি আক্ষেপেৰে প্ৰকাশ কৰিছে—

"দুচকুৰে বৈ পৰা
হিয়া ভৰা তপত শোণিত;
ভৰি থলোঁ অৰ্ঘ্য এই
অৰপিম পূজাৰ বেদীত।
এয়ে আজি প্ৰভু! মোৰ
উপচাৰ তোমাৰ পূজাৰ;
দীন আয়োজন মোৰ
হিয়া ভৰা চিৰ বেদনাৰ।"

(শেষ অৰ্ঘ্য, সন্ধিয়াৰ সুৰ)

নিৰাশাৰ মাজতো কবি হৃদয়ে বহু আশাৰ ৰঙীন সপোন কল্পনা নকৰাকৈ থকা নাছিল। কবি নলিনীবালা দেৱীৰ কবিতা সমূহত আশা নিৰাশাৰ সুন্দৰ ভাবাবেগ চিত্ৰিত হৈছে।

"অৰূপ অনন্ত ৰূপে
দিবা দেখা হে চিৰবাঞ্ছিত।"

'প্ৰতীক্ষা' নামৰ কবিতাত নলিনীবালা দেৱীৰ আশাব্যঞ্জক সঁহাৰি অনুভূত হয়,

"আশা নিৰাশাৰ বান্ধি বিষাদৰ বোজা
বৈ আহে পছোৱা নিশাৰ,
নিয়ৰৰ সতে মিলি মৰত চকুত
গাঁথেহি মুকুতা মালা ধাৰ।"

কবি নলিনীবালা দেৱীয়ে ৰচনা কৰা 'পৰশমণি' নামৰ কাব্যপুথিত তেওঁৰ দুখৰ দিন শেষ হৈ সুখৰ জীৱন আৰম্ভ হোৱাৰ বহু সংকেত পোৱা যায়। উক্ত গ্ৰন্থৰ পাতনিতে তেওঁ স্বতঃস্ফূৰ্ত্ত ভাৱে এইদৰে লিখিছে— "মানুহ জীৱন এটি বিশ্বৰ ৰহস্যময় প্ৰহেলিকা। এই জীৱন প্ৰবাহ ভেদি অশান্ত মানুহ আত্মা আগবাঢে শান্তি পথৰ সন্ধানত অনন্ত যাত্ৰা পথ বিচাৰি। কত শত ঘাত-প্ৰতিঘাত, কত সঞ্চয়, কত অপচয়, অভিজ্ঞতা লাভ কৰি অনুসন্ধানী মানুহ আগুৱাই যায় চিৰন্তন জীৱনৰ গন্তব্য পথত—সৃষ্টিৰ বিচিত্ৰ ৰহস্যৰ প্ৰতিচ্ছবি পৰি, আত্মাৰ দাপোনত ৰং চৰাই।" কবি নলিনীবালা দেৱীৰ অনুসন্ধানী মনে শোক তাপভৰা জীৱনৰ অন্তিম ক্ষণত এক নতুন বস্তুৰ সম্ভেদ পায়। সেয়া হৈছে 'নৱ চেতনা'।

"মনে উপবনে
প্ৰাণে ধ্যানে গানে
নৱ জীৱনৰ সংগীত সুৰে সুৰে
বিজুলীৰ দৰে ৰূপহী তোমাৰ
সোণালী আঁচল উৰে।"

(নৱচেতনা, পৰশমণি)

কবিয়ে স্বীকাৰ কৰিছে যে পোহৰৰ আকুল মাতত তেওঁ নৱজনমৰ নৱ প্ৰভাতত এন্ধাৰ কুঁৱলী ফালি সাৰ পায়। তেওঁৰ কবি প্ৰাণে উপলব্ধি কৰিছে—

পোহৰৰ ঢৌৱে ঢৌৱে
কঁপনি উঠিল,
জীৱনৰ পাৰে পাৰে—
জেউতিৰ কমল ফুলিল
হিয়া সাগৰত মোৰ
পোহৰৰ ঢল বাগৰিল।

(তপস্যা-শিখা, পৰশমণি।)

—মানৱ জীৱনৰ ক্ষণভঙ্গুৰতাই কবিক বাৰুকৈয়ে আঘাত দিছিল। তেওঁৰ তুলিকাত এই ভাবাবেগ প্ৰাঞ্জল ৰূপত প্ৰকাশ হৈছে,

"নেথাকো মাথোন মই,
পৃথিৱীত চিৰদিন,
মৰণে নিবহি আঁতৰাই।"

(বীণ, 'সন্ধিয়াৰ সুৰ)

তেওঁৰ এই ভাৱাদৰ্শৰ সৈতে গীতাত উক্ত হোৱা 'জাতস্য হি ধ্ৰুৱো মৃত্যু ধ্ৰুৱং জন্ম মৃতস্য চ" কথাষাৰিৰ সুসামঞ্জস্য দেখা যায়। (গীতা ২/২৭) জন্ম-মৃত্যুৰ ওপৰত কাৰো হাত নাই। মানুহ জন্ম-মৃত্যুৰ অধীন। প্ৰাণসম পুত্ৰ পৱিত্ৰ আৰু পুতলীৰ অকাল বিয়োগত মৰ্মাহত হোৱা কবি নলিনীবালা দেৱীয়ে অকপটে স্বীকাৰ কৰিছে,—

"দুদিনৰ এৰাএৰি মানৱ দেহাৰ
আতমাৰ অনন্ত সংযোগ
মিলন সূতাৰে গঁথা যুগ যুগান্তৰ
খন্তেকীয়া মিলন বিয়োগ।"

(পুতলী, সন্ধিয়াৰ সুৰ)

× × ×

নলিনীবালা দেৱীৰ কবিতাত মানৱতাবাদৰ প্ৰকাশ

অৰূপা বৰুৱা

পটভূমিঃ মানৱতাবাদ এক দৰ্শন। কবিতা সাহিত্য হিচাবে জীৱনৰ কলাত্মক প্ৰকাশ। জীৱন অৰ্থাৎ মানুহৰ ব্যক্তিগত জীৱনেই হওক বা গণজীৱনেই হওঁক সি সমাজৰ ৰীতি নীতি, আইন কানুন, অনুশাসন, বান্ধোনৰ দ্বাৰা নিয়ন্ত্ৰিত। এই সামাজিক ৰীতি নীতি আৰু কানুন যেতিয়া মুষ্টিমেয় মানুহৰ স্বাৰ্থ ৰক্ষাৰ উদ্দেশ্যে গৰিষ্ঠ সংখ্যক মানুহক শোষণ কৰা এটা প্ৰক্ৰিয়া চালু ৰখাৰ বাবে ৰচনা কৰা হয় তেতিয়া সি হৈ পৰে অমানবীয়। অৰ্থাৎ দানবীয়। সমাজৰ কাঠামোক বৃহত্তৰ মানৱ সমাজত সমতা, ভ্ৰাতৃত্ববোধ, ন্যায় প্ৰতিষ্ঠা আৰু কল্যাণৰ অনুকুলে গঢ়ি ল'বলৈ দানবীয় প্ৰক্ৰিয়াটোৰ বিপৰীতে এক মানবীয় বা মানৱতাবাদী কাঠামো তৈয়াৰ কৰা প্ৰয়োজন হৈ পৰে। ই এক ঐতিহাসিক প্ৰয়োজন। এই প্ৰয়োজন পূৰাব পাৰে এক সৰ্বমানৱৰ উপযোগী আৰ্থ-সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক দৰ্শনেহে। সাহিত্য যিহেতু গণস্বাৰ্থৰহিত হ'ব নোৱাৰে, গতিকে সাহিত্যৰ দৰ্শনো গণস্বাৰ্থৰ অনুকুল হ'ব লাগিব। সাহিত্য সমাজৰ দাপোণ স্বৰূপ। সমাজৰ সকলো প্ৰকাৰৰ উঠা নমা, কোনটো ঐতিহাসিক বিৱৰ্তনৰ পৰ্যায় বা স্তৰত সমাজ উপনীত হৈছে সেই সকলোবোৰৰে প্ৰতিফলন সাহিত্যত ঘটিবই। কাৰণ সাহিত্যিক সকল সমাজ বহিৰ্ভূত এক বিশেষাধিকাৰ উপভোগকাৰী প্ৰাণী নহয়। বৰঞ্চ সমাজৰ গতি প্ৰকৃতিৰ দ্বাৰা সাহিত্যিক, শিল্পী সকলেই আটাইতকৈ বেছি গভীৰভাবে আলোড়িত হয়। শিল্পী সাহিত্যিকৰ স্বভাৱসুলভ অনুভূতি প্ৰৱণতা, স্পৰ্শকাতৰ দৰদী মন চৌপাশৰ ঘটনা প্ৰৱাহৰ প্ৰতি উদাসীন হৈ থাকিব নোৱাৰে। সেয়েহে ইতিহাসৰ পিনে চকু দিলে দেখিবলৈ পাওঁ সমাজৰ বৈপ্লৱিক ৰূপান্তৰৰ ধাৰণা আৰু আকাংক্ষাই প্ৰথমে পোখা মেলে কোনো দাৰ্শনিক, শিল্পী বা সাহিত্যিকৰ মনৰ মাজত। এই ধ্যান ধাৰণা তেওঁ নিজৰ শিল্প সাহিত্যৰ মাজেৰে বৃহত্তৰ জনতাৰ মাজলৈ লৈ যায়, বিয়পি পৰে আৰু ক্ৰমাৎ ই এক নিৰ্দিষ্ট বৈশিষ্ট্যসম্পন্ন মতাদৰ্শৰ ৰূপ লয়। মূলতঃ এটা সপোনৰ পৰাই সামাজিক সাংস্কৃতিক জাগৰণৰ সূত্ৰপাত। মানবীয় কল্যাণৰ আধাৰত বিকশিত হোৱা মতাদৰ্শৰ এটা মানবীয় আৰু সাৰ্বজনীন চৰিত্ৰ থাকিবই। দেশ-কাল, ভাষা, ৰীতি-নীতি আৰু পৰম্পৰাৰ সীমা চেৰাই সাৰ্বজনীন মানৱতাই সমগ্ৰ বিশ্বমানৱৰ আশা আকাংখা জয়-পৰাজয়, ইচ্ছা-অনিচ্ছাক প্ৰতিনিধিত্ব কৰে। সকলো জাতিৰে নিজস্ব ভাষা সংস্কৃতি মহৎ। পৃথিবীৰ বুকুত উজ্বল হৈ থকা

এই সুশোভন সাংস্কৃতিক, জাতিগত মহত্বৰ আধাৰতেইহে বিশ্বজনীনতাৰ বা বিশ্বমানৱতাৰ ধাৰণা অধিক স্পষ্ট হৈ পৰে। জাতীয় অস্তিত্ব ৰক্ষাৰ আকাংক্ষা আৰু বিশ্বমানৱতাৰ সতে একাত্মীয়তা এই দুটা পৰস্পৰ বিৰোধী ধাৰণা নহয়।

সাহিত্যিক দৰ্শনৰ এই বিশ্বজনীনতাৰ পৰিণতিতেই পাশ্চাত্যৰ ৰোমাণ্টিক নৱজাগৰণৰ বতাহচাটি সুদূৰতম প্ৰাচ্যৰ অসম দেশলৈকো বৈ আহি মুমূৰ্ষ অসমীয়া জাতীয় জীৱনত প্ৰাণ সঞ্চাৰ কৰিলে। পশ্চিমৰ আৰ্থ-সামাজিক তথা ৰাজনৈতিক পটভূমিত যি আন্দোলনৰ জন্ম সেই পটভূমি অৱশ্যে একে সময়তে প্ৰাচ্যত তৈয়াৰ হোৱা নাছিল। বেষ্টিল কাৰাগাৰৰ ঐতিহাসিক পতন আৰু ফৰাচী বিপ্লৱৰ সফলতা; আমেৰিকা যুক্তৰাষ্ট্ৰৰ ঔপনিবেশিক অৱস্থাৰ পৰা স্বাধীনতাৰ ঘোষণা পত্ৰ (১৭৭৬); ১৮৩২ চনৰ ইংলিস ৰিফৰ্ম বিল্ ; সাহিত্যত বাৰ্ণচৰ Poems আৰু থমাচ্ পেইনৰ Rights of Man ৰ দ্বাৰা ক্ষুদ্ৰ মানৱ বা আপামৰ জনগণৰ মহত্ব ঘোষণা— ইখন দেশৰ পৰা সিখন দেশৰ জনমানসলৈ বিয়পি পৰা গণতন্ত্ৰ আৰু দাসত্ব মুক্তিৰ আকাংক্ষা; স্বদেশ স্বজাতিৰ গৌৰৱময় অতীতৰ প্ৰতি ওপজা শ্ৰদ্ধা আৰু আনুগত্যৰ ভাব; বিশ্বভ্ৰাতৃত্বৰ ধাৰণা এইবোৰেই আছিল পশ্চিমৰ সাহিত্যৰ ৰোমাণ্টিক আন্দোলনৰ পৃষ্ঠভূমি। চাৰিওপিনে এক মুক্তিৰ আকাংক্ষা, মানবীয় প্ৰমূল্যবোধৰ জয়গান। এনে এক উৎসাহজনক পৰিবেশ অসমৰ জাতীয় জীৱনত গঢ় লৈ উঠা নাছিল। অসমীয়া ভাষা সাহিত্য আছিল ধৰ্মপুথিতে আবদ্ধ, জাতি আছিল ঔপনিবেশিক শাসন শোষণৰ কবলত। এক হৃদয়বিদাৰক আত্মলাঞ্ছনা, নীচাত্মিকাবোধ, অৱদমিত ক্ষোভৰ পৰিবেশ। কলিকতাত থিতাপি লোৱা আৰু বঙ্গীয় ভাষা-সাহিত্যত প্ৰৱেশ কৰা ৰোমাণ্টিক ভাবাদৰ্শৰ প্ৰভাৱত যিসকল প্ৰবাসী অসমীয়া ছাত্ৰৰ মনত স্বদেশ অসমৰ প্ৰতি দৰদ, আনুগত্য, কৰ্ত্তব্যবোধ জাগি উঠিল তেওঁলোকৰ উদ্যমতে ৰোমাণ্টিক আন্দোলনৰ বতাহচাটি অসমলৈ আহিল। সেয়েহে অসমীয়া আধুনিক ভাষা সাহিত্যৰ প্ৰথম সময়ছোৱাক ড° মহেশ্বৰ নেওগদেৱে ভাষা উদ্ধাৰৰ কাল বুলিছে। ১৮৮৯ চনত কলিকতাত প্ৰবাসী অসমীয়া ছাত্ৰৰ উদ্যোগত 'জোনাকী' কাকত প্ৰকাশ হোৱা ক্ষণটোক তেখেতে 'আধুনিক অসমীয়া সাহিত্যৰো জন্মোৎসৱ' আখ্যা দিছে। ড°নেওগদেৱে অসমীয়া ৰমন্যাসৰ যুগ সম্পৰ্কত কৈছে— "এই বিষয়ত আন্দোলনটো ভাৰতীয় পুনৰ জাগৰণতকৈ য়ুৰোপীয় নৱজাগৰণৰ লগতহে মিলে। .... পুৰণি অসমীয়া সাহিত্যৰ ধৰ্মভাৱৰ আধ্যাত্মিকতা আৰু প্ৰকাশৰ সংযমশীলতাৰ ঠাইত লিৰিক কাব্যৰ ঐহিক স্পৰ্শ আৰু প্ৰকাশভঙ্গীৰ স্বাধীনতা আমাৰ কাব্যত নতুন বস্তু।" অসমীয়া সাহিত্যৰ ভাষা শৈলীয়েও সেইদৰে পাণ্ডিত্যপূৰ্ণ ধ্ৰুপদী পোচাক খুলি আপামৰ জনগণৰ বোধগম্য চিনাকি আৰু প্ৰিয় সাজ পিন্ধিলে।

সাহিত্যত ৰোমাণ্টিক যুগ বা ৰমন্যাসিক যুগটোক কবিতাৰ যুগ বুলিব পাৰি।

১৯ শতিকাৰ প্ৰথমভাগত পাশ্চাত্যৰ সাহিত্যত ৰোমাণ্টিক যুগৰ সূচনা হয় আৰু ৰাজনীতিত সূচনা হয় গণতন্ত্ৰৰ। "অৱশ্যে ৱৰ্ডচৱৰ্থ, শ্বেলী, কীটচ, বাইৰণৰ কবিতাত ফৰাচী বিপ্লৱৰ আৰু ৰাজনৈতিক চেতনাৰ যি উগ্ৰ অনুগ্ৰ প্ৰভাৱ দেখা যায় তেনে ৰাজনৈতিক মনোভাৱ আমাৰ ৰোমাণ্টিক যুগৰ সাহিত্যিকসকলৰ মাজত স্পষ্টভাবে নাই। কমলাকান্ত ভট্টাচাৰ্যৰ 'চিন্তানল' আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বীণবৰাগী'ত মাত্ৰ ইয়াৰ দূৰণিবটীয়া সুৰ এটা শুনি।" — ড° নেওগ।

'জোনাকী' কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক চন্দ্ৰকুমাৰ আগৰৱালাৰ 'বনকুৱঁৰী' নামৰ গীতি কবিতাটি জোনাকীৰ প্ৰথম সংখ্যাতে প্ৰকাশ হয় আৰু এই কবিতাটিৰ মাজেদিয়েই অসমীয়া ৰোমাণ্টিক কবিতাৰ 'বিস্ময়কৰ আৰু প্ৰকাশাৰ্থক উন্মেষ' ঘটে। চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যৰ বিশ্বপ্ৰকৃতিৰ সকলো সৰু বৰ বস্তুতে প্ৰেমৰ প্ৰকাশ অনুভৱ আৰু মানুহৰ অসহায়তাৰ সন্মুখত বিশ্ব প্ৰকৃতিৰ চিৰন্তন অবধাৰিত নিস্পৃহ গতিপ্ৰৱাহ (নিৰ্মম)ৰ বিষাদময় উপলব্ধি আমি নলিনীবালা দেৱীৰ কবিতাতো পাওঁ।

নলিনীবালাৰ কবিতা ঃ নলিনীবালা দেৱী অসমীয়া ৰমন্যাসিক ধাৰাৰ মাজতে এক সুকীয়া বৈশিষ্ট্য সম্পন্ন ধাৰা সৃষ্টিকাৰী অগ্ৰণী ৰোমাণ্টিক কবি। ৱৰ্ডচৱৰ্থ, শ্বেলী বা কীট্‌চৰ অবাৰিত ৰোমাণ্টিক ভাবোচ্ছাস আৰু ৰাজনৈতিক দৰ্শন নলিনীবালাৰ কবিতাত পাবলৈ নাই। নিজৰ কবিতাক তেওঁ 'সংঘাতময় জীৱনৰ হৃদয় মথি ওলোৱা বেদনাৰ অৰ্ঘ্য' বুলিছে। অৰ্থাৎ কবি নলিনীবালাৰ জন্মৰ আঁৰত আছে পত্নী আৰু বোৱাৰী নলিনীবালাৰ হৃদয়ত প্ৰিয়জনৰ অকাল বিয়োগত উথলি উঠা বিষাদকাতৰ হাহাকাৰ আৰু অপূৰ্ণতাৰ গভীৰ উপলব্ধি। স্বামীৰ অকাল বিয়োগে আনি দিয়া আকস্মিক বৈধব্যৰ যন্ত্ৰণা, সন্তানৰ মৃত্যু আদিযে নলিনীবালাৰ জীৱনৰ গতি সলনি কৰিলে। সৰুকালতে 'পিতা', কবিতাৰ যোগেদি মুকুলিত হোৱা আৰু সাংসাৰিক বন্ধনৰ মাজত হেঁচা খাই সুপ্ত হৈ থকা কবিসত্বাই অনুভৱ কৰিলে—

'কোন কাৰ জগতৰ কোন কাৰ মৰমৰ,
চকুৰ চিনাকি দুদিনৰ
সসীমৰ ৰূপতৃষ্ণা অসীমত বুৰ যাব
খহি গ'লে জৰী মৰমৰ।'

মৃত্যু নলিনীবালাৰ বাবে 'নিখুত ভাস্কৰ্য্য' ৰূপে ধৰা দিয়া নাই, ধৰা দিছে এক নিৰ্মম চিৰন্তনতা ৰূপত। এই নিৰ্মম চিৰন্তনতাৰ সন্মুখত নিঃসঙ্গ কবি নলিনীবালাৰ কবিপ্ৰাণে অসহায় উদ্বাউল অনুভৱ কৰিছে। কবিয়ে উদভ্ৰান্ত হৈ ভাবিছে—

"কিয় গাথোঁ মালা সৰা শেৱালিৰ

বন্তি জ্বলাওঁ হিয়া দিপালীৰ
কিয় জ্বালো নিতে গন্ধ অগৰু
সুৰভি সমীৰে ভৰা
জানা জানো?'

এই প্ৰশ্নই তেওঁক লৈ গৈছে আত্মিক অনুসন্ধান, অৱগাহন, আৱিষ্কাৰৰ, এক উদ্বুদ্ধ অৱস্থালৈ য'ত তেওঁ নিজৰ প্ৰশ্নৰ উত্তৰ বিচাৰি পাইছে এনেদৰে—

"স্তিমিত আত্মাত
তোমাৰ প্ৰেমৰ স্পৰ্শে
প্ৰতিভাত পৰম জ্ঞানৰ
বিশ্ব বিয়াকুল তথু
এটি পৰমাণু মাগি
স্পৰ্শমণি মহাজীৱনৰ।"

ইন্দ্ৰিয়গ্ৰাহ্য পৃথিৱীৰ ক্ষণভঙ্গুৰতাৰ ফলশ্ৰুতিত কবি নলিনীবালাৰ যি আত্মিক অন্বেষণ আৰম্ভ হ'ল সি বিষাদ আৰু নিৰাশাৰ ভাবেৰে সিক্ত হ'লেও এই অন্বেষণৰ পৰিণতিত কবিৰ হিয়া সাগৰত অলকানন্দা সুৰৰ কলৰোল আৰু মুৰ্মুৰ প্ৰাণত প্ৰেমৰ মহান মন্ত্ৰধ্বনিত ফুলি উঠিছে অভিনৱ শতদল। কবিয়ে যি পৰমসত্বাক বিচাৰি পাইছে সেই সত্বাক পাবৰ বাবে 'তীৰ্থই তীৰ্থই ঘূৰি ফুৰাৰ কোনো প্ৰয়োজন নাই,' কবিৰ মতে নিজৰ জীৱন প্ৰদীপৰ শিখা জ্বলাই হোমানলৰ দৰে উৰ্ধমুখী হ'ব পাৰিলেহে পৰমজনক হৃদয়ত পাব পাৰি। 'ধৰাৰ ধূলিত জাগে প্ৰেমৰ সপোন'— এয়া 'পৰশমণি'ত কবিৰ ঘোষণা।

অতীন্দ্ৰিয়বাদী ৰহস্যবাদী কবি নলিনীবালাই মানুহক বাৰু বিধাতাৰ কি ধৰণৰ সৃষ্টি বুলি ভাবিছে? 'সন্ধানী মানব' কবিতাত মানুহ 'সুন্দৰ পিপাসী, অপৰূপ অসীম সন্ধানী। 'সন্ধিয়াৰ সুৰ'ৰ ৰহস্যবাদী দাৰ্শনিক নিঃসঙ্গ কবি নলিনীবালা 'সপোনৰ সুৰ' আৰু 'পৰশমণি'ত যেন কিছু শান্ত আৰু পূৰ্ণ। 'ভিক্ষাৰী' কবিতাৰ—

'হিয়া জুৰি নিজৰি পৰিছে শান্তিৰ নিজৰা
সকাৰ মন্দাকিনী ধাৰ,

—এই শান্ত সমাহিত পূৰ্ণতাৰ চিন । এটা যেন সুষম, সংহত গতিত কবি নলিনীবালাৰ কবি সত্বাই সমাধি বা বোধিত্বৰ ফালে আগবাঢ়িছে— 'পৰশমণি'ৰ পাতনিত কৈছে— "সত্য উপলব্ধি বা অনুভূতিৰ বস্তু। জীৱনৰ এনে মধু মুহূৰ্তত লাভ কৰা এটি পৰম সত্যৰ সন্ধান মোৰ পৰশমণি— যি পৰশমণিৰ পৰশত জীৱনে

উপলব্ধি কৰিলে মানুহে তপস্যা নিবিচাৰে তপস্যাই মানুহক বিচাৰি ফুৰে। মানৱ আত্মাই জগতৰ তপস্যা শক্তিক বিকাশৰ বাট দেখুৱাইছে। দৰ্শন, বিজ্ঞান, অনু-পৰমাণু, অলৌকিক মহাশক্তিৰ সন্ধান অজ্ঞানৰ অন্তৰালৰ যৱনিকা ভেদি, বিশ্বৰ গোহৰত উদঘাটন কৰিছে সত্যৰ পৰম প্ৰকাশ।" পৰশমণিৰ প্ৰতিটো কবিতাতে অতিন্দ্ৰীয় ভাবৰ প্ৰবল প্ৰকাশ ঘটিছে। কিন্তু বিশ্বমানৱক তেওঁ সত্যৰ সন্ধানী, প্ৰজ্ঞাৰ তপস্বী ৰূপত প্ৰত্যক্ষ কৰিছে। আত্ম নিয়ন্ত্ৰণ, আত্ম উপলব্ধি, ত্যাগ, তিতিক্ষাৰ কথা কৈছে। "পৰশমণি'ত পথিক ৰূপত মানুহৰ তৃষাতুৰ প্ৰাণে মৰুভূত ফুলা মৰুফুল বিচাৰি ফুৰিছে।

চতুৰ্থখন কাব্য সংকলন 'যুগদেৱতা'ত নলিনীবালাৰ অতিন্দ্ৰীয় অনুভৱৰ জগতখন ভাৰতীয় মহাজীৱনৰ, জীৱন-দৰ্শনৰ পবিত্ৰ আলোকেৰে উদ্ভাসিত। বুদ্ধ গান্ধী, শ্ৰীকৃষ্ণ, ব্যাসদেৱ আদি মহাত্মাৰ স্মৰণত লিখা কবিতাৰ লগতে 'মহামানৱ' স্বদেশপ্ৰীতি, জয়যাত্ৰা আদিত ভাৰতীয় মহাজীৱনৰ প্ৰতি অকুণ্ঠ শ্ৰদ্ধা, স্বদেশৰ প্ৰতি সুগভীৰ নিৰ্ভেজাল প্ৰেম আনুগত্য স্পষ্ট। 'যুগদেৱতা' কবি নলিনীবালাৰ কবিসত্বাৰ উৰ্ধমুখী গতিৰ আৰু উত্তৰণৰ চিন।

১৯৬৪ চনত প্ৰকাশ পোৱা অলকানন্দাত নলিনী কাব্য সিক্ত কৰি ৰখা বিষাদৰ সুৰ আৰু পৰমসত্বা ভগৱানৰ চৰণত আশ্ৰয় লাভৰ আকুল বাসনাৰ প্ৰৱাহ অবিৰত যদিও 'যুগদেৱতা'ৰ স্বদেশ প্ৰীতি, ভাৰতীয় দৰ্শনৰ প্ৰতি গভীৰ শ্ৰদ্ধা, প্ৰকৃতিৰ ৰূপ সৌন্দৰ্যৰ মাজত এক মহাজীৱনৰ অৱস্থিতি অনুভৱ আদিৰ স্ফুৰণ ইয়াতো ঘটিছে। কবিৰ প্ৰজ্ঞাই এক পৰিপক্কতা লাভ কৰাৰ স্বাক্ষৰ 'অলকানন্দা'ত স্পষ্ট। ১৯৬৮ চনত 'অলকানন্দা' ই কবিৰ বাবে কঢ়িয়াই আনিছিল 'সাহিত্য অকাডেমী' পুৰস্কাৰ।

১৯৬২ চনত প্ৰকাশিত 'জাগৃতি' আৰু ১৯৭৭ ত প্ৰকাশিত 'অন্তিম সুৰ'ৰ কবিতাবোৰৰো অতিন্দ্ৰীয়বাদেই মুল সুৰ।

'সন্ধিয়াৰ সুৰ' কবি নলিনীবালাৰ প্ৰথম আৰু শ্ৰেষ্ঠতম সাহিত্যকৃতি। "অসমীয়া কাব্য সাহিত্যৰ বিংশ শতাব্দীৰ দহখন শ্ৰেষ্ঠ কাব্যগ্ৰন্থৰ এখন ৰূপে পৰিগণিত হ'ব পৰা এই গ্ৰন্থক অকাডেমী পুৰস্কাৰ ধন্য 'অলকানন্দা'তকৈও উচ্চাসন দিয়া হয়। ড° মহেশ্বৰ নেওগে এই বিষয়ত কৈছে যে সন্ধিয়াৰ সুৰতে এই সকলোৰে শ্ৰেষ্ঠ প্ৰকাশ ঘটিছে। সপোনৰ সুৰ (১৯৪৩), পৰশমণি (১৯৫৪) আৰু যুগদেৱতা (১৯৫৮)ত সিবোৰৰ পুনৰাবৃত্তি বা প্ৰসাৰণ ঘটিছে মাত্ৰ কিন্তু ক্ৰমবিকাশৰ ফালে কবি আগবঢ়া নাই। বৰং পুনঃকথন, ৰবীন্দ্ৰ কাব্যৰ প্ৰভাৱ আদি উপকৰণ লক্ষণবোৰহে সিবোৰত সোমাই পৰিছে।"— (ড° হেম বৰা— অসমীয়া সাহিত্যলৈ মহিলা লেখকৰ দান)

'সন্ধিয়াৰ সুৰ'ৰ পৰা 'অন্তিম সুৰ' লৈ নলিনী কাব্যৰ ধাৰা অনুসৰণ কৰিলে দেখা

যায় কবিৰ ব্যক্তিত্ব, জীৱনবোধ, দৰ্শনে এক সমাহিত প্ৰজ্ঞাৰ ফালে অবিচল, স্থিৰতাৰে আগবাঢ়িছে। ব্যক্তিগত বেদনাই সৃষ্টি কৰা জীৱনবোধৰ গভীৰতা ক্ৰমশঃ গভীৰতাৰ আৰু পূৰ্ণত্বৰ পৰ্যায় পাইছে। কবিৰ সকলো কবিতাতে আত্মিক কৃচ্ছ্ৰ সাধনাৰ আকাংক্ষা তীব্ৰ। সেয়েহে 'স্বপ্ন বিভোৰ ছন্দ সাৰটি পুলক মুগুধ হৈ নিজে কথা পতা নিজে গীত গোৱা' কবিৰ 'নতুন সত্বাত' উজ্জ্বলিত জীৱনৰ দিব্য স্পৰ্শত কবিহৃদয়ত উপজিছে চেনেহী জন্মভূমিৰ পবিত্ৰ কোলাত বাৰে বাৰে জন্ম লোৱাৰ পবিত্ৰ বাসনা—

'মৰিলে পুনৰ আহি
দুখীয়া দেশতে মোৰ
লওঁ যেন পুনৰ জনম'।

ওপজা ঠাই কবিৰ মানসত প্ৰতিভাত হৈছে সোণৰ দেশ মৰ্ত্য স্বৰ্গভূমি ৰূপত কবি নলিনীবালা অবিকশিত পুৰুষতান্ত্ৰিক সমাজব্যৱস্থাত লালিতপালিত, অৱদমিত অথচ ভাগ্যচক্ৰৰ পৰিপ্ৰেক্ষিতত স্ব-বিকশিত নাৰীসত্বাৰ প্ৰতিভূ। কবিয়ে নিজে বৌদ্ধিকভাবে এক সচেতন, উচ্চখাপৰ পৰিবেশ লাভ কৰিলেও তেওঁৰ দৰে গভীৰ অনুভূতি সম্পন্না, সংবেদনশীল চিত্তৰ, সুশিক্ষিতা নাৰীসত্বা চৌপাশৰ পৰিস্থিতি, পৰিবেশ, নাৰীৰ সামাজিক ভূমিকা সম্পৰ্কত নিৰুদ্বেগ, উদাসীন নাছিল। অথচ তেওঁৰ কবিতাত নাৰীৰ অৱদমনৰ বিৰুদ্ধে আক্ষেপ বা বিযোদগাৰৰ পৰিবৰ্তে আছে ভাৰতীয় নাৰীৰ মহিমামণ্ডিত কীৰ্তিময় ইতিহাসৰ প্ৰতি শ্ৰদ্ধাৰ ভাব। নাৰীক তেওঁ ভাৰতৰ প্ৰজ্ঞা কাননৰ মালাধাৰীৰ তেজাল ফুল ৰূপত, ৰূপ প্ৰসৱিনী, কল্যাণময়ী, সৃষ্টি-স্থিতি-প্ৰলয়কাৰিণী ৰূপে বৰ্ণনা কৰিছে। নাৰীৰ মহিমামণ্ডিত ৰূপ, বিভীষিকা সৃষ্টিকাৰিণী ৰূপৰ বৰ্ণনা নলিনীকাব্যত পোৱা গ'লেও পুৰুষতান্ত্ৰিক, সামন্তবাদী সমাজত নাৰীৰ প্ৰতি হোৱা ব্যাপক অবিচাৰৰ বিৰুদ্ধে কোনো প্ৰতিক্ৰিয়া নলিনীকাব্যত নাই। অৱশ্যে মানুহৰ প্ৰতি অবিচাৰৰ বিৰুদ্ধেও কোনো বিদ্ৰোহৰ সুৰ নলিনীকাব্যত অনুপস্থিত। কিন্তু স্বজাতিৰ কল্যাণৰ চিন্তা তেওঁ কৰা নাছিল বুলিলে ভুল হ'ব। ভগৱান বুদ্ধ আৰু মহাত্মা গান্ধীৰ মানৱতাবাদী ভাবাদৰ্শই কবি নলিনীবালাক প্ৰভাৱিত কৰিছে। কিন্তু তেওঁৰ হৃদয়ত অনুভূত মানৱ দৰদী দৰ্শনৰ মানৱতাবাদ তেওঁৰ কবিতাৰ মূল সুৰ ছায়াবাদ বা অতীন্দ্ৰিয়বাদৰ প্ৰাবল্যৰ সন্মুখত নিস্প্ৰভ। কবিতা যিহেতু শিল্প আৰু শিল্প জীৱনৰ বাবেই গতিকে কবিৰূপে নলিনীবালা দেৱী সেইসকল পথপ্ৰষ্টাৰ শাৰীত পৰে যি জীৱনৰ মহাসত্যক প্ৰত্যক্ষ কৰিছিল আৰু আত্মাক নিৰ্মল পবিত্ৰ কৰি প্ৰকৃত প্ৰজ্ঞাৰ সন্ধানত তপস্যাৰত হ'বলৈ মানুহক নিৰ্দেশ দি গৈছিল। অসৎ, অনিত্য, অপবিত্ৰ, নিঠুৰ সকলোৰে প্ৰতিপক্ষত থিয় দি সৎ, পবিত্ৰ আৰু নিষ্পাপ কোমলতাৰ পক্ষ লোৱাটো যদি মানৱতাবাদৰ স্বৰূপ হয় তেন্তে নিঃসন্দেহে নলিনীবালা দেৱী মানৱতাবাদী কবি। কাৰণ নলিনীবালাই 'আত্মিক মুক্তি'ৰ সাধনা কৰিছে যদিও মনত ৰাখিবলগীয়া যে এই সাধনাই মানৱ সমাজত সুসংস্কৃতিৰ ভেটি নিৰ্মাণ কৰি সাম্যবাদী সমাজৰ পটভূমি নিৰ্মাণ কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে চিৰকালেই।□

নলিনীবালা দেৱীৰ স্বদেশ প্ৰেমমূলক কবিতাৰ উৎস

✍ ৰতি প্ৰভা গগৈ
সোণাৰি

মেলিলো প্ৰথম চকু তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত;
মুদিম আকৌ চকু তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত। *(জনমভূমি)*

কবিজনাৰ গভীৰ দেশপ্ৰেমৰ অন্তঃসলিলা ফল্গুধাৰাৰ এইয়া বহিঃপ্ৰকাশ। এই ফল্গুধাৰাৰ গতি এটি জীৱনৰ সীমাবদ্ধতাৰে নিৰ্ণিত কৰিব নোৱাৰি। প্ৰতিভাৰ ধাৰাবাহিকতা থাকে। এটি পুৰুষৰ পৰা আন এটি পুৰুষলৈ বাগৰি আহে। তদুপৰি এজন পুৰুষ নহয় এটি পৰিবেশৰ সামগ্ৰিক প্ৰভাৱেহে মহান ব্যক্তিত্বৰ জন্ম দিয়ে।

ব্যক্তিগত বিষাদ আৰু স্বদেশপ্ৰেম— এই দুটি ভাবেই নলিনীবালা দেৱীৰ কবিতাৰ মূল। এই মূল ভাবেই পিছলৈ ৰহস্যবাদলৈ ৰূপান্তৰ লাভ কৰিছে। অকালতে স্বামী আৰু সন্তানক হেৰুৱাই যি বিষাদ সাগৰত কবি ডুব দিব লগা হ'ল, তাৰেই পৰিণতিত কবিয়ে নিছিগা ধাৰাৰে অসমীয়া সাহিত্যলৈ অনুপম দান আগবঢ়াই গ'ল। কিন্তু স্বদেশপ্ৰেমৰ বীজ কবিৰ অন্তৰত ককাক, আইতাক, পিতৃদেৱতা আদিয়ে সৃষ্টি কৰা পৰিবেশেই ৰোপন কৰিছিল। সাধাৰণতে জীৱনৰ প্ৰথম প্ৰভাৱটোৱেই জীৱনৰ শেষ প্ৰভাৱ হিচাবে দেখা দিয়ে। কবিগুৰু ৰবীন্দ্ৰনাথ, সাহিত্যৰথী বেজবৰুৱা আদিৰ জীৱন আলেখ্যই এই কথা প্ৰমাণ কৰে। লৰালি কালৰ আধ্যাত্মিক প্ৰভাৱে জাতীয় নেতা হিচাবে বেজবৰুৱা দেৱৰ ব্যক্তিত্ব গঠনত সহায় কৰিছিল। এনে অলেখ উদাহৰণ আছে।

কবি নলিনীবালা দেৱী যিখন ঘৰত জন্ম হৈছিল, সেইখন ঘৰৰ পৰিবেশেই কবি গৰাকীৰ প্ৰতিভাৰ উৎস আৰু প্ৰেৰণাৰ থলী। ককাক ৰায়বাহাদুৰ মাধৱ চন্দ্ৰ বৰদলৈ এজন সাহিত্যানুৰাগী আৰু সাহিত্যসেৱী। জোনাকীযুগৰ সাহিত্যিক সকলৰ ভিতৰত মাধৱচন্দ্ৰ বৰদলৈ এটি অন্যতম নাম। পৰোপকাৰী, ন্যায়নিষ্ঠ, আধুনিক শিক্ষাৰে শিক্ষিত মাধৱচন্দ্ৰ বৰদলৈ দেৱৰ চেতনাত জাতীয় ভাৱধাৰাই দকৈ শিপাই আছিল। 'অসমীয়া

ৰামায়ণ', 'দীপিকা ছন্দ' আদি পুথি উদ্ধাৰ কৰি ছপা কৰি উলিওৱা বৰদলৈদেৱে অসমীয়া ৰামায়ণৰ পাতনিত অতীতৰ গৌৰৱময় নিদৰ্শনৰ চিন সুন্দৰভাৱে বৰ্ণনা কৰিছিল। শিশু নলিনীবালাই ককাকৰ এনে ব্যক্তিত্বৰ লগত প্ৰত্যক্ষভাবে পৰিচিত হৈছিল। আনহাতে আইতাক সোমেশ্বৰী দেৱীৰ মেধা, তীক্ষ্ণ বুদ্ধি, সৎসাহস, একাগ্ৰতা আদি চাৰিত্ৰিক বৈশিষ্ট্যৰ লগত নলিনীবালা দেৱীয়ে শিশুকালতে পৰিচিত হৈছিল। নলিনীবালা দেৱীয়ে পিতৃ নবীনচন্দ্ৰ বৰদলৈৰ জীৱনীত উল্লেখ কৰিছে— আইতাকৰ "চিৰকলীয়া আদেশ আছিল নিজৰ ল'ৰা-ছোৱালী, পিচত নাতিনীৰ ওপৰতো গধূলি পঢ়া-শুনা কৰাৰ আগতে তিনি আধ্যা কীৰ্ত্তন-ঘোষা ৰামায়ণ বা মহাভাৰত সুৰলাকৈ জাত লগাই গাই তেখেতক শুনাব লাগিব। ..... সেই শিক্ষাই গোটেই জীৱন কাম কৰে।"

শিশু চৰিত্ৰত ৰেখাপাত কৰিব পৰা এনে এটি ধ্ৰুপদী পৰিবেশ আইতাক সোমেশ্বৰী দেৱীয়ে ঘৰখনত দি থৈ গৈছিল। এই পৰিবেশেই নলিনীবালা দেৱীৰ আধ্যাত্মিকতাবাদী কবিতাৰ উৎস বুলি ক'লে বঢ়াই কোৱা নহয়। পিতৃ-মাতৃৰ পৰা কঢ়িয়াই অনা ভাবৰ বীজ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ দেৱৰ জীয়াৰী নলিনীবালা দেৱীৰ ভাৱলৈ উত্তৰণ ঘটিছিল। সেই সময়ত সমগ্ৰ ভাৰতবৰ্ষতে গান্ধীজীৰ নেতৃত্বত স্বাধীনতা সংগ্ৰাম গঢ় লৈ উঠিছিল। মুক্তি যুঁজৰ সেনাপতি স্বৰূপ নবীনচন্দ্ৰ বৰদলৈদেৱে স্বাধীনতা আন্দোলনত জপিয়াই পৰিছিল। ভাৰতৰ তথা অসমৰ ডেকা-গাভৰুক "নতুন তেজেৰে ৰাঙলী ৰূপহী কৰহি ধৰণী তল" বুলি উদাত্ত কণ্ঠেৰে আহ্বান জনাই অসহযোগ আন্দোলনত সৰ্বান্তঃকৰণেৰে যোগ দিছিল। ইয়াৰ উপৰি অসম এছছিয়েচন, অসম প্ৰদেশ কংগ্ৰেছৰ লগত ওতঃপ্ৰোতভাবে জড়িত হৈ অসমৰ ৰাজনীতিত এক নৱ-জাগৰণৰ সৃষ্টি কৰিছিল। তেখেতৰ সহযোগী অনুজপ্ৰতীম স্বৰ্গীয় কামাখ্যাৰাম বৰুৱা দেৱৰ মতে "এই নতুন জীৱনৰ (ৰাজনৈতিক) প্ৰেৰণাদাতা প্ৰধানতঃ বৰদলৈ দেৱ আছিল।" বৰদলৈ দেৱে নিজৰ ঘৰতে প্ৰদেশ কংগ্ৰেছৰ অফিচ পাতিছিল। ফলত ঘৰতে থাকিয়ে ভাৰতৰ বিভিন্ন প্ৰান্তৰ বিশিষ্ট ব্যক্তি সকলৰ লগত পৰিচয় আৰু আলাপ আলোচনাৰ সুযোগ নলিনীবালা দেৱীয়ে পাইছিল। নিজৰ দেশক গভীৰভাৱে ভাল পোৱা বৰদলৈ দেৱৰ মতে— "স্বৰ্গ হেনো বৰ সুন্দৰ। স্বৰ্গত স্বৰ্গবাসীয়ে কি কৰে ক'ব নোৱাৰো। মৰ্ত্যত যে মোৰ হিয়াৰ' গোটেইখিনি প্ৰেম মোৰ মনৰ সকলো মধুস্মৃতি, মোৰ বাল্যকালৰ আনন্দ, যৌৱনৰ প্ৰেম, বাৰ্ধক্যৰ বন্ধুত্ব— সকলোখিনি মোৰ জনম ভূমি আই, তোমাৰ লগতে সানি থোৱা।"

ভাৰতৰ "নুমলী জী" বুলি অভিহিত কৰা বৰদলৈ দেৱৰ হিয়া অসম-মাতৃৰ দুৰৱস্থাত কান্দি উঠিছিল। বৰদলৈ দেৱৰ 'সোণালী' কাপৰ পৰা নিগৰি ওলাইছিল—

“শ্যাম বৰণীয়া অসম আই ধুনীয়া
ভাৰতৰ নুমলী জী,
বীৰ সন্তানক কোলাত তুলিছিল
আজি তোৰ বিলাই কি? *(গীত)*

‘স্বদেশৰ সেৱা ক্ষেত্ৰৰ পৰা আমোলাতন্ত্ৰী বিৰোধী’, ‘শক্তিমান নেতা’ কৰ্মত নিপুণ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ দেৱৰ দেহত দেশপ্ৰেমৰ যি প্ৰবল সুঁতি প্ৰবাহিত হৈছিল সি নলিনীবালা দেৱীৰ মন প্ৰাণ আলোড়িত কৰিছিল। পিতৃ পুৰুষৰ’ ভাৱৰ অনুৰণন নলিনীবালা দেৱীৰ কাপত ধৰা দিছিল।

“অ মোৰ চেনেহী দেশ তোমাৰ দুখীয়া পঁজা
ৰচা তাত শান্তিৰ স্বৰগ,
ক’ত পাম এনে প্ৰীতি সৰল প্ৰাণৰ ভাষা
সেৱাৰ মহিমাময় ত্যাগ;”

‘দুখীয়াৰ ভগা পঁজাকে’ একোখনি ‘তীৰ্থক্ষেত্ৰ’, একোখনি ‘পুণ্যৰ আশ্ৰম’ বুলি উল্লেখ কৰি মৃত্যুৰ পিছত জনমে জনমে স্বদেশতে জনম লোৱাৰ আকাঙ্খা কৰা কবিৰ বাবে মাতৃভূমি ‘স্বৰ্গাদপি গৰীয়সী’।

“তোমাৰ ই ধূলি বালি তোমাৰ আকাশ বায়ু
আই মোৰ সৰগৰ বাস;
তুমি মোৰ মৰতৰ পুণ্য মুকুতিৰ ভূমি
তুমি মোৰ তীৰ্থৰ প্ৰভাস।” *(জনমভূমি)*

পিতৃ বৰদলৈ দেৱৰ ভাৱকে যেন নলিনীবালা দেৱীয়ে কবিতাৰে দোহাৰিছে।

কেৱল কবিতাৰে নহয় পিতৃ নবানচন্দ্ৰ বৰদলৈৰ আদৰ্শক কথাই কামে পালন কৰিবলৈ উৎসাহ আৰু প্ৰেৰণাও লাভ কৰিছিল নলিনীবালাই। অৱশ্যে জীৱন পথত বহুতো পথিকে কবিৰ মনৰ পথাৰ খন চহ কৰিছিল। মহামানৱ মহাত্মা গান্ধী, ৰাজেন্দ্ৰ প্ৰসাদ, সুভাষ চন্দ্ৰ বসু আদি বিখ্যাত ব্যক্তি সকলৰ উপৰি ঘৰুৱা শিক্ষক গোপাল কৃষ্ণ দে, স্বামী যোগানন্দ পৰমহংস আদিৰ পৰাও দেশসেৱা, মানৱ সেৱাৰ মন্ত্ৰ শিকিছিল। কিন্তু এনে ব্যক্তিক লগ পোৱাৰ পৰিবেশ ৰচনা কৰা মূল ব্যক্তিজন নবীনচন্দ্ৰ বৰদলৈ। এনে পৰিবেশতেই ‘স্বেচ্ছাসেৱিকা’ হৈ পিতৃৰ লগত সমানে মুক্তি যুঁজত নামি পৰিছিল। ‘বাপুজীলৈ আবেদন’, ‘মহামানৱ’, ‘স্বাধীনতা’ আদি অনেক কবিতা মুক্তি যুঁজত দৈহিক আৰু আত্মিকভাৱে জড়িত নলিনীবালা দেৱীৰ কাপৰ পৰা ওলাইছিল।

কবিৰ মানত 'পিতা' হয়তো ভগৱানৰে নামান্তৰ। সেয়ে দহ বছৰ বয়সতে 'পিতা' নামৰ কবিতা এটি লিখিছিল।

"পিতা—

....

যিজনে বিলালে এই উজ্জ্বলতা
সিজনে আমাৰ পিতা।

স্বামী বিয়োগৰ পিছত নিজৰ কন্যাক "সৰ্ব্ব' শুক্লা মহাশ্বেতাৰূপ'ত চাব বিচৰা পিতৃয়ে নলিনীবালা দেৱীক কৈছিল— "নিস্বাৰ্থভাৱে যিমান পাৰা দেশৰ কল্যাণ সাধা। তোমাৰ অন্তৰত সত্য স্বৰূপ সাহিত্য আছে। সাহিত্য সাধনা দেশৰ প্ৰধান সেৱা।"

কুমলীয়া মনত সৰুতে সাঁচ বহুওৱা ককাক আইতাকে গঢ়ি দিয়া ধ্ৰুপদী প্ৰভাৱ কৈশোৰ আৰু যৌৱনত পিতৃ পুৰুষৰ স্বাধীনতা সংগ্ৰামত প্ৰত্যক্ষ কৰা স্বদেশ প্ৰেমৰ পোনপটীয়া প্ৰভাৱ, সাহিত্য সাধনাক দেশ সেৱা হিচাবে লবলৈ পিতৃপুৰুষে দিয়া আশীৰ্বাদেই প্ৰকৃত পক্ষে নলিনীবালা দেৱীৰ কবিতাৰ উৎস বুলিব পাৰি। ❑

পদ্মশ্ৰী নলিনীবালা দেৱীৰ কবিতাত অতীন্দ্ৰিয়বাদ

✍ মীনাক্ষি বেজবৰুৱা

অসমৰ কাব্য কাননৰ এপাহি শুভ্ৰ পুষ্প স্বৰূপা পদ্মশ্ৰী নলিনীবালা দেৱী অতীন্দ্ৰিয়বাদৰো বীজ সিচোঁতা হিচাবে পূৰ্ণ প্ৰতিষ্ঠিত। তেওঁৰ পূৰ্ব কবি অম্বিকাগিৰি ৰায়চৌধুৰী, ৰঘুনাথ চৌধাৰী, নীলমণি ফুকন আদিৰ কাব্যত ৰহস্যবাদৰ গোন্ধ পোৱা যায় যদিও অতীন্দ্ৰিয়বাদৰ বিকাশ আৰু প্ৰাধান্যতাৰ ক্ষেত্ৰত নলিনীবালাৰ নাম চিৰস্মৰণীয়। কবি হিচাবে তেওঁ সম্পূৰ্ণ ৰহস্যবাদী, পতি-পুত্ৰৰ অকাল বিয়োগে তেওঁৰ জীৱনলৈ যি দুৰ্যোগ নমাই আনিলে, তাৰে পৰিণতিত তেওঁৰ কলমেৰে নিগৰি ওলাই আহিল আধ্যাত্মিক ভাৱেৰে পৰিপূৰ্ণ অধ্যয়নপুষ্ট মৌলিক সৃজনীসম্ভূত ৰচনাৰাজি। তেওঁৰ কবিতা সমূহৰ মাজত এক ৰসময় অনুভূতিয়ে লুকা-ভাকু খেলা পৰিলক্ষিত হয়। সাংসাৰিক মায়াজালৰ ধূসৰ আৱৰণ ভেদ কৰি কবিয়ে এক পৰমসত্যক নিজৰ হৃদয়ত অনিৰ্বচনীয় ৰূপত আবিষ্কাৰ কৰিবলৈ সক্ষম হৈছে।

পিতৃৰ আশীৰ্বাদ শিৰত লৈ মহাশ্বেতা ৰূপে কবি নলিনীবালাই কাব্য ৰচনাত হাত দিয়ে। তাৰ বাবে তেওঁ বেদ, উপনিষদ, গীতা, ভাগৱত আদি মহান গ্ৰন্থৰাজি গভীৰ ভাৱে অধ্যয়ন কৰাৰ উপৰি দেশ বিদেশৰ বিভিন্ন গ্ৰন্থ, ৰবীন্দ্ৰ কাব্য আদিও প্ৰভূত অধ্যয়ন কৰিছিল, নলিনীবালাৰ ঘৰখনত দৈনিক সন্ধিয়া হোৱা সঙ্গীত চৰ্চা আৰু কাব্যচৰ্চাই তেওঁৰ ভৱিষ্য জীৱনৰ কাব্য ৰচনাৰ বুনিয়াদ আছিল বুলিব পাৰি। প্ৰায় দহবছৰ বয়সতে "পিতা" নামৰ এটি কবিতাৰে তেওঁ কাব্য জীৱনৰ পাতনি মেলে—।

"হেৰা প্ৰভাতৰ অৰুণ কিৰণ—
ক'ত পালা এনে উজ্জ্বল বৰণ,
ইমান কোমল মাধুৰী সনা
যিজনে বিলালে এই উজ্জ্বলতা
সিজন আমাৰ পিতা।"

শিশু মনৰ এই কবিতাফাঁকিৰ মাজতে কবি গৰাকীৰ ভগৱৎ প্ৰীতি অতি সুন্দৰভাৱে ফুটি উঠিছে। বৈধব্যৰ অকাল পোছাক পৰিহিত কৰাৰ পাছত "পুতলী" নামৰ এটি শোক কবিতা ৰচনাৰে কবি গৰাকীয়ে জীৱনত ঘটি যোৱা প্ৰবল ধুমুহাৰ

পাছত শান্ত প্ৰকৃতিৰ ৰূপত পুনৰ কাব্য ৰচনাত মনোনিবেশ কৰে। বৈধব্য জীৱনৰ বেদনা আৰু পুত্ৰশোকৰ যান্ত্ৰণাক সংহত কৰি সমাহিত চিত্তক ধ্যানমগ্ন কবিয়ে কোনো এক সময়ত আধ্যাত্মিক স্তৰলৈ নৈ গ'ল। পৰম বাঞ্চিতজনক হাততে পাব খোজাৰ আকুল তৃষ্ণাৰ ৰূপায়ণেই তেওঁৰ কবিতাৰ মূল বিষয়বস্তু হৈ পৰিল।

এগৰাকী সাৰ্থক দাৰ্শনিক কবি হিচাবে "সন্ধিয়াৰ সুৰ" নামৰ কাব্য গ্ৰন্থই কবি নলিনীবালাক প্ৰতিষ্ঠিত কৰিলে। কবিৰ মৌলিক সৃজনী প্ৰতিভাৰ এক জীৱন্ত দলিল স্বৰূপ এই কাব্যতে কবিগৰাকীৰ আধ্যাত্মিক জগতৰ বিকশিত ৰূপৰ উপলব্ধি আৰু পৰিপূৰ্ণতা দেখা যায়। ১৯২৮ চনতে প্ৰকাশিত 'সন্ধিয়াৰ সুৰ'ৰ কবিতা সমূহত কবিয়ে এক অখণ্ড বোধি দৃষ্টিৰ সহায়ত বিশ্ব সৃষ্টিৰ পৰম সত্যক প্ৰাণৰ নিভৃত কোণত উপলব্ধি কৰিছে আৰু সেই সত্যৰ লগত একীভূত হৈ হৃদয়ৰ গোপন কোণত পৰমসত্যক আৱিষ্কাৰ কৰিছে। অতি কমসময়ৰ ভিতৰতে এই কাব্য গ্ৰন্থই অসমীয়া কাব্য সাহিত্যত অতীন্দ্ৰিয়বাদী ধাৰা প্ৰতিষ্ঠা কৰিলে। ইয়াৰ আগতেও অন্য কবিৰ হাতত ৰহস্যবাদী চিন্তাধাৰা প্ৰচাৰিত নোহোৱা নহয়, কিন্তু নলিনীবালাৰ কবিতাক ভাৰতীয় বেদান্ত দৰ্শনৰ জন্মান্তৰবাদ, কৰ্মফলবাদ আদিয়ে ভাৰাক্ৰান্ত কৰি তুলিছে। ড° কালিচৰণ দাসৰ মতে— "সন্ধিয়াৰ সুৰ"'ত কল্পনা ৰাজ্যৰ যি অৰ্ন্তদ্বন্দ্বৰ সৃষ্টি হৈছে তাৰ সংশ্লেষণ আৰু সমাধান স্বৰূপে ভাৰতীয় দৰ্শন আৰু উপনিষদৰ বাণীৰ সৈতে থকা পৰিচয় মন কৰিব লগীয়া। 'জনমভূমি' গভীৰ দেশপ্ৰেমমূলক কবিতা। কবিৰ মতে স্বৰ্গতকৈও মহীয়ান জন্মভূমি প্ৰভাস তীৰ্থ স্বৰূপা। পৃথিবীৰ সকলো স্থানতকৈ মানুহৰ বাবে জন্মভূমিয়েই শ্ৰেষ্ঠ স্থান। সেইবাবে জন্মান্তৰবাদত বিশ্বাসী কবিয়ে মৃত্যুৰ পাছতো পুনৰ এই জন্মভূমিতে জন্ম গ্ৰহণ কৰিবলৈ হাবিয়াস কৰিছে।

"সন্ধিয়াৰ সুৰৰ" 'পুতলী' নামৰ শোক কবিতাটিৰ মাজেৰে আত্মা আৰু পৰমাত্মাৰ সম্পৰ্ক, দেহৰ ক্ষণস্থায়িত্ব, জীৱন মৃত্যুৰ সমস্যা, নিয়তিৰ বিধান আদি দাৰ্শনিক ভাৱধাৰা সুন্দৰ ভাবে ফুটি উঠিছে। ড° কাকতিয়ে ক'বৰ দৰে "জগতৰ অমৰ কাব্যবোৰ অনেক সময়ত জীৱন শ্মশানৰ হাঁহি-ধ্বনি, অনেক সময়ত গভীৰ নৈৰাশ্যৰ মৰ্মভেদী শ্বাস।" সেইদৰে নলিনী কাব্যতো পুত্ৰহাৰা মাতৃৰ মৰ্মন্তুদ গভীৰ ব্যাথা অনুৰণিত হৈ উঠিছে। জীৱন নাটৰ ধেমালি সামৰি সন্ধিয়া পৰত তেওঁৰ প্ৰাণৰ পুতলীনো কাৰ ওচৰলৈ উভতি গৈছে সেই কথা আকুলভাবে তেওঁ প্ৰশ্ন কৰিছে।

"ধেমালি সামৰি থৈ সন্ধিয়া পৰত
যোৱা তুমি কাৰ কাষলৈ?

ইয়াত কবিয়ে অশ্ৰুসিক্ত নয়নেৰে প্ৰাণৰ পুতলীৰ অপত্য স্নেহৰ মাজত সপোনৰ কল্পলোকত পৰম পদৰ ওচৰত সন্ধান বিচাৰি পাইছে।

মিষ্টিক কবিয়ে সীমাৰ মাজত অসীমক, ৰূপৰ মাজত অৰূপক, এটা মুহূৰ্তৰ মাজত অনন্ত মুহূৰ্তক. ধূলি কণাৰ মাজত নিখিল বিশ্বক, গো-খোজত নভোমণ্ডলক বিন্দুৰ মাজত মহাসিন্ধুৰ উদ্ভাসিত হোৱা দেখে। মুঠতে কবিয়ে দিব্যানুভূতিৰে এক পৰমসত্তাৰ সন্ধান বিচাৰি পাইছে। স্বৰূপাৰ্থত পাৰ্থিব সুখ-সম্পদে মানুহৰ মানসিক জগতৰ পৰিতৃপ্তি সাধন কৰিব নোৱাৰে।

কবিতা নলিনীবালাৰ জীৱন-দৰ্শনৰ মূৰ্ত আলেখ্য। তেওঁৰ কবিতাৰ ছত্ৰে-ছত্ৰে বিকশিত হৈ আছে সত্য-শিৱ-সুন্দৰৰ প্ৰতি থকা গভীৰ বিশ্বাস। সুন্দৰৰ প্ৰতি তেওঁৰ যি নিৰ্মোহ প্ৰেম আৰু ব্যাকুলতা ইয়ে তেওঁৰ প্ৰাণৰ তৃষ্ণা স্পষ্ট ৰূপত জিলিকাই তুলিছে।

এক পৰমসত্বাৰ ওপৰত গভীৰ আস্থা আৰু বিশ্বাসেই হৈছে ৰহস্যবাদৰ মূল উৎস। এহাতে ইয়াক ধৰ্মৰ লগতো তুলনা কৰিব পাৰি। তেওঁৰ অতীন্দ্ৰিয়বাদী কবিতা সমূহৰ ভিতৰত তিনিটা সুৰ স্পষ্ট ৰূপত নিহিত হৈ আছে। উদাহৰণ স্বৰূপে— জীৱনৰ প্ৰথমছোৱাত পৰমজনক পাহৰি থকাৰ বাবে আক্ষেপ; নোপোৱাৰ বাবে বিৰহজনিত কাৰুণ্যৰ শেষত পৰম ঈশ্বৰে তেওঁক সাৱটি লোৱাৰ গভীৰ আস্থা আৰু বিশ্বাস।

বিষয় বস্তুৰ ফালৰ পৰা নলিনী-কাব্যক প্ৰধানকৈ চাৰিটা ভাগত ভাগ কৰিব পাৰি।

(ক) আধ্যাত্মিক কবিতা, (খ) জাতীয় প্ৰেমৰ কবিতা, (গ) জীৱনীমূলক কবিতা আৰু (ঘ) প্ৰকৃতি প্ৰেমৰ কবিতা।

মিত্ৰাক্ষৰ আৰু অমিত্ৰাক্ষৰ এই দুয়োটা ছন্দৰে বিন্যাস তেওঁৰ কবিতা সমূহত দেখা যায়। ব্যক্তিগত জীৱনৰ আশাভঙ্গ আৰু বিচ্ছেদ পোৰণিয়ে তেওঁৰ কবিতাৰ মূল উপজীব্য হৈ পৰিল। পিতৃৰ মুখৰ মহাশ্বেতা মন্ত্ৰধ্বনি, শ্ৰীমদ্ভাগৱত গীতা, উপনিষদ, হিমালয়ৰ স্বৰ্গাশ্ৰম স্বামী পূৰ্ণানন্দ গিৰীৰ বেদবাণী অধ্যয়নে অতি কম সময়ৰ ভিতৰতে কবি গৰাকীক জাগতিক সুখ-ভোগত অনাসক্ত কৰি তুলিলে। ইয়াতে তেওঁ আধ্যাত্মিক জগতৰ বিকশিত ৰূপৰ প্ৰতিচ্ছবি আৰু অতীন্দ্ৰিয়বাদৰ পূৰ্ণতা বিচাৰি পালে। সেইবাবেই তেওঁ পৃথিৱীৰ অপৰূপ ৰূপৰ মাজত জন্ম-জন্মান্তৰৰ চিনাকি বিচাৰি পাইছে।

"আজিৰ নোহোৱা তুমি সুন্দৰী পৃথিৱী
জনমৰ যুগমীয়া তুমি
তুমি মোৰ অন্তৰৰ শান্তিৰ নিজৰা
অতীতৰ স্বপ্ন লীলাভূমি।"

জগতৰ প্ৰতি অণু পৰমাণুৰ মাজত এক অনন্য শক্তিৰ মোহময় চিক্‌মিক্‌নি দেখা পালেও সেই পৰমজনক পোনপটিয়াকৈ লগ পাবলৈ কবিৰ বাসনাৰ অন্ত নাই। কবিৰ সৌন্দৰ্য পিয়াসী সত্বাই পৃথিবীৰ খন্তেকীয়া মোহ বন্ধনৰ পৰা মুক্ত হৈ শান্তিৰ পাৰ বিচাৰি যাত্ৰা কৰিলে অসীম অনন্তলৈ। পৰম তৃষ্ণাৰ পাৰে পাৰে অমৃতৰ অন্বেষণত কবিৰ প্ৰাণে গতি কৰিবলৈ হাবিয়াস কৰিলে, কিয়নো চিৰ-সুন্দৰৰ ৰূপসুধা পান কৰাই কবিৰ একমাত্ৰ লক্ষ্য ঃ

“মানুহৰ দুচকুৰ অসীম সৌন্দৰ্য্য তৃষ্ণা
সুখ আশা হেঁপাহ বুকুৰ
নহয় ই মৰতৰ খন্তেকীয়া জীৱনৰ
সুখ-আশা পৰমপদৰ
ৰূপ-তৃষ্ণা চিৰ সুন্দৰৰ।” *(পৰমতৃষ্ণা)*

ৰহস্যবাদী কবি সকলে মানবীয় প্ৰেমক ঐশ্বৰিক প্ৰেমৰ প্ৰতীক হিচাবে জ্ঞান কৰে। বিদ্যাপতি, চণ্ডী দাস, মীৰাবাঈ, ৰবীন্দ্ৰনাথ আদি ৰহস্যবাদী কবিসকলৰ দৰে নলিনীবালাৰ প্ৰায়বোৰ কবিতাৰ মাজতে আধ্যাত্মিক অনুভূতিৰ দিব্যপ্ৰভাৱ প্ৰকাশিত হৈ উঠিছে। জীৱনৰ প্ৰথম ভাগত যেতিয়া কবিৰ জীৱন পাৰ্থিৱ সুখেৰে পৰিপূৰ্ণ হৈ আছিল তেতিয়া তেওঁ চিৰসুন্দৰক এটিবাৰো স্মৰণ কৰিব পৰা নাছিল। সেয়েহে কবিয়ে জীৱনৰ বিয়লি বেলাত নিজৰ মূঢ়তাৰ পৰিচয় পাই নেদেখাজনক আকুলচিত্তে স্মৰণ কৰিছে।

“জীৱনত কোনো দিন
নপৰিল তোমাক মনত
আজি এই আবেলিৰ বিদায় পৰত
তোমালৈ পৰিছে মনত।”

বাস্তৱ জীৱনৰ সকলো দুখ-বেদনা কোলাত লৈ কবিয়ে পৰম পুৰুষৰ মধুৰ পৰশ লাভ কৰিবলৈ প্ৰয়াস কৰিছে। নিয়ৰত তিতা শেৱালী ফুলৰ দৰেই কবি নলিনী বালাৰ প্ৰায়বোৰ কবিতাই স্নিগ্ধ প্ৰাণৰ অমল নিৰ্যাস বুলিব পাৰি। কবিৰ দুখৰ চকুপানী ধাৰি তেওঁৰ কাব্যৰ মাজতে মুকুতাহে জিলিকিছে।

এক অতীন্দ্ৰিয় প্ৰেমৰ বান্ধোনে কবি আৰু পৰমজনক বান্ধি ৰাখিছে বাবেই জীৱনৰ শোক-দুখ সকলো খন্তেকীয়া বুলি কবিয়ে অনুভৱ কৰিব পাৰিছে। সকলো দাৰ্শনিক আৰু চিন্তাশীল ব্যক্তিয়ে ভগৱানৰ ঐশ্বৰিক নিয়মৰ নিৰ্দেশ মানি লৈছে। এই পৃথিৱীত জীৱৰ জন্মৰ দৰে মৃত্যুও চিৰন্তন সত্য। জীৱন চক্ৰ কোনকালে ঘূৰিছে

এই কথা কোনেও নেজানে। অসীমৰ ৰীতি-নীতি কোনেও সলনি কৰিব পৰা নাই। এটি জীৱন্ত সপোনৰ দৰে জীৱনৰ নিগূঢ় ৰহস্য আজিও কোনেও ভেদ কৰিব পৰা নাই। নলিনী বালাৰ কাব্যতো পৃথিৱীৰ ধূলি-মাটিৰ পৰা বিশ্বব্ৰহ্মাণ্ডৰ সিপাৰৰ পোহৰৰ ধ্বনি সুন্দৰভাৱে আলোকিত হৈ উঠিছে। কবিৰ কবিতাসমূহৰ ভিতৰত জন্মান্তৰবাদ আৰু কৰ্মফলবাদৰ সাৰ্থক ৰূপায়ণ ঘটিছে বুলিব পাৰি।

"কতবাৰ জনমিলো তোমাৰ কোলাতে
গৈছিলো আকৌ উভতি
অপূৰণ কৰমৰ ভাৰ বান্ধি লৈ
বাৰে বাৰে আহিছো উভতি।"

কবিৰ মতে জন্মান্তৰবাদৰ এই পথেদিয়েই কৰ্মফলবাদৰ পূৰ্ণতা লাভ কৰিব পৰা যায়। মানুহৰ জীৱনটো অপূৰ্ণ আৰু অতৃপ্তিৰ বাসনাৰে ভৰপূৰ, অন্যান্য ৰহস্যবাদী কবি সকলৰ দৰেই নলিনী কাব্যতো জীৱাত্মাৰ দেহান্তৰ ঘটিছে, জীৱাত্মা আৰু পৰমাত্মা অভিন্ন যদিও যি জীৱই বাসনাৰ পথ অতিক্ৰম কৰিব নোৱাৰে তেওঁ পুনৰ জন্ম ধাৰণ কৰাটো নিশ্চিত। মানৱ জীৱনৰ ওপৰত গভীৰ আস্থা প্ৰকাশ কৰা কবি নলিনী বালাই মৃত্যুক জয় কৰাৰ সংকল্পৰে পৰম জনৰ সন্ধানত ব্ৰতী হৈছে।

অসীমৰ অন্বেষণত মতলীয়া হোৱা কবিয়ে পৰমজনক লাভ কৰাৰ একমাত্ৰ যোগসূত্ৰ হিচাবে মৃত্যুকহে বিচাৰি পাইছে। সেয়েহে কবিৰ মানসত মৃত্যুও ভগৱানৰ সমানেই আদৰণীয়।

"চিতাগ্নি হোমাগ্নি হ'ব
সমীৰণ মলয় চন্দন।"

কবিগুৰু ৰবীন্দ্ৰনাথৰ কবিতাৰ দৰেই কবি নলিনী বালাৰ কবিতাও ৰহস্যঘন ভাৱধাৰাৰে পৰিপূৰ্ণ। প্ৰকৃতিৰ বিভিন্ন ৰূপৰ মাজত সুন্দৰৰ মোহন মূৰুতি দেখা পোৱা কবিগৰাকীয়ে ৰোমাণ্টিক যুগৰ অন্যান্য কবিসকলৰ দৰে কেৱল প্ৰকৃতিৰ অপৰূপ ৰূপ ৰাশিৰ মাজতে বিভোৰ নহৈ ভক্তি আৰু চিৰসুন্দৰৰ ওচৰত আত্মসমৰ্পণৰ মাজেৰে ভগৱত প্ৰেমৰ এক আকুল আনন্দ অনুভৱ কৰিছে।

'সন্ধিয়াৰ সুৰ'ৰ কবিতা সমূহ কবিৰ হৃদয় মথি ওলোৱা বেদনাৰ অৰ্ঘ্য। জীৱনৰ শোকে দুখে আৱৰা নিঃসঙ্গ যাত্ৰা পথত নীৰৱে গোপনে আগবঢ়োৱা পৰম আশ্ৰয়লৈ অপেক্ষা।"

'শেষ-অৰ্ঘ্য' নামৰ কবিতাটিৰ মাজেৰে জীৱনৰ গধূলি পৰত শোক দুখ আৰু

দাৰুণ যন্ত্ৰণা উপশমৰ বাবে কবিয়ে পৰমসত্বাৰ বাবে আকুলতাৰে অপেক্ষা কৰিছে। মৃত্যুৰ দুৱাৰ দলিত উপনীত হৈ কবিয়ে দুহাতত শূন্যতা অনুভৱ কৰিছে। হৃদয়ৰ শোক-তাপ উদ্বেলিত তপত শোণিতৰ বাবে কবিৰ পৰমপুৰুষক দিবলৈ আন একোৱেই নাই। সেইবাবে তেওঁ কিন্তু মনৰ অনুতাপেৰে জৰ্জৰিত হৈ আত্মা আৰু পৰমাত্মাৰ মিলনৰ সেতু চিতাগ্নিৰ মাজতে ৰচনা কৰিছে। জন্মান্তৰবাদ আৰু কৰ্মফলবাদৰ ইয়াতেই সাৰ্থক ৰূপায়ণ ঘটিছে বুলিব পাৰি। 'সন্ধিয়াৰ সুৰৰ' মাজতে কবিৰ কাব্যদৰ্শনৰ স্পষ্টতা সুন্দৰ ৰূপত প্ৰকাশিত হৈ উঠিছে। দুখানুভূতিৰ মাজতে ইয়াত কবিয়ে পৰমজনৰ সন্ধানত তৎপৰ হৈ উঠিছে বুলিব পাৰি। "জৰা-মৃত্যু-বাৰ্দ্ধক্যৰ দুখত অভিভূত গৌতমে বোধি জ্ঞান আৰু প্ৰজ্ঞাৰ অধিকাৰী হোৱাৰ দৰে, কবি নলিনী দেৱীয়েও জীৱনৰ দুখক ৰূপান্তৰ কৰিলে— আধ্যাত্মিক অতীন্দ্ৰিয় ভাৱেৰে কাব্যিক সৃষ্টিলৈ অন্তৰৰ 'পৰম তৃষ্ণা'লৈ, ভূমাৰ অনিৰ্বচনীয় আনন্দ লাভলৈ।" (নীলিমা দত্ত, কবি নলিনী বালা দেৱীৰ কবিতাত দাৰ্শনিকতা আৰু সৌন্দৰ্য, "প্ৰবন্ধ প্ৰল্লৱ", মুনীন্দ্ৰনাথ শৰ্মা সম্পাদিত)। 'সপোনৰ সুৰ'ৰ কবিতাৰাজিৰ মাজতো অতীন্দ্ৰিয়বাদী ভাৱধাৰা স্পষ্ট ৰূপত নিহিত হৈ আছে। কোনো কোনো সমালোচকৰ মতে কবিৰ কাব্যিক চিন্তাৰ দ্বিতীয়স্তৰ 'সপোনৰ সুৰ'ৰ লগে লগে আৰম্ভ হয়। তদুপৰি পৰশমণি, যুগদেৱতা, জাগৃতি, অলকানন্দা আদি কবিতাপুথি সমূহো এই পৰ্যায়ৰে বুলিব পাৰি। 'সপোনৰ সুৰ'ৰ কিছুমান কবিতাত স্বদেশ প্ৰেমৰো উমান পোৱা যায়। বাস্তৱৰ কঠোৰতাক আশ্ৰয় কৰিয়েই মানুহৰ কল্পনাই সপোন ৰাজ্যলৈ উৰা মাৰে। দিবালোকৰ ভাৱানুভূতিবোৰেই স্বপ্ন ৰাজ্যত এক অতীন্দ্ৰিয়ভাৱানুভূতিৰ গঢ় লৈ উঠে।

গীত আৰু কবিতাৰ মাজত কবিয়ে ৰহস্যবাদী ভাৱধাৰাৰ কোনো পাৰ্থক্য ৰখা নাই। তেওঁ সঙ্গীতৰ সুমধুৰ ধ্বনিৰ মাজতো পৰমসত্বাৰ নিবিড় আহ্বান শুনিবলৈ পাইছে। তেওঁৰ গীতৰ মাজত দুখৰ যন্ত্ৰণাত জুৰুলাহোৱা হৃদয়ৰ গভীৰ প্ৰতিচ্ছবি সুন্দৰভাৱে ফুটি উঠিছে। 'সৌ দূৰণিৰ নেদেখা পাৰলৈ' বুলি কবিয়ে ৰহস্যময়তাৰ সাগৰত ডুব মাৰিছে। তলসৰা শেৱালীৰ সতেজ মালা গাথি আশাৰ চাকিৰে হৃদয়ৰ দুৱাৰ পোহৰিত কৰি, সুগন্ধি চন্দনেৰে পৰাণৰ মলয় সিঁচি কবিয়ে আকুলতাৰে তেওঁৰ পৰম প্ৰিয়লৈ অপেক্ষা কৰিছে। কোনো কোনো গীতৰ মাজত কবিৰ নিভাজ স্বদেশ প্ৰীতিও বিকশিত হৈ উঠিছে।

"অলকানন্দা' কাব্য গ্ৰন্থত অতীন্দ্ৰিয়বাদী ভাৱ, স্বদেশপ্ৰেম আৰু প্ৰকৃতি বন্দনাই বিশেষ স্থান অধিকাৰ কৰিছে। এই পুথিৰ আন এটা প্ৰধান বিশেষত্ব হৈছে মৃত্যুৰ পাছত অন্যলোকৰ সন্ধান কৰা। এই কাব্য গ্ৰন্থখনিত কবিৰ তত্বজিজ্ঞাসাই শীৰ্ষ স্থান লাভ কৰা দেখা গৈছে। 'অলকানন্দা'ত কবিৰ প্ৰজ্ঞাই এক অন্যলোকৰ সন্ধানত ব্ৰতী

হৈ পৰিছে। 'জাগৃতি' আৰু 'যুগদেৱতা'ৰ মাজতো অতীন্দ্ৰিয়বাদী সুৰ নিহিত হৈ আছে। তেওঁৰ কেউখন কাব্য গ্ৰন্থতে কম-বেছি পৰিমাণে অতীন্দ্ৰিয়বাদৰ লগতে স্বদেশপ্ৰেমৰ অনুৰাগো সুন্দৰ ভাৱে ফুটি উঠিছে।

আকাশ, বতাহ, জোনাক, চৰাই, ফুল, তৰা, গান আদি প্ৰকৃতিৰ বিভিন্ন বৈভৱে তেওঁৰ ৰহস্যবাদী ৰচনাত ইন্ধন যোগাইছে। প্ৰাচীন কাব্য ৰীতিৰ অৰ্বাচীন প্ৰৱাহ বেদান্ত দৰ্শন আৰু উপনিষদৰ প্ৰভাৱ তেওঁৰ কবিতাৰ প্ৰতি ছত্ৰে-ছত্ৰে ফুটি উঠিছে। ৰহস্যবাদী কবি মহাদেৱী বৰ্মা, হিন্দী ছাঁয়াবাদী কবি সূৰ্যকান্ত ত্ৰিপাঠী, ভজন লেখিকা মীৰাবাঈৰ লগতো এই গৰাকী কবিক কোনো কোনোৱে তুলনা কৰে। কবি গুৰু ৰবীন্দ্ৰনাথৰ প্ৰভাৱো কোনো কোনো ক্ষেত্ৰত প্ৰত্যক্ষ ভাৱে পৰা দেখা গৈছে। ভাৰতীয় বেদান্ত দৰ্শনৰ প্ৰভাৱত ৰহস্যবাদৰ মূল একে হোৱাত ৰহস্যবাদী কবি সকলৰ মাজত সাদৃশ্য পৰিলক্ষিত নোহোৱা নহয়। মূলতঃ অতীন্দ্ৰিয়বাদী কবিসকলে একে পথৰ সন্ধানতে ব্ৰতী হোৱা বাবে জীৱাত্মা পৰমাত্মাৰ মিলনতে আকাঙ্খিত সম্পদ লাভ কৰিব পাৰে। কবি নলিনীবালাৰ বাসনাও ইয়াৰ ব্যতিক্ৰম নহয়। চিৰসুন্দৰৰ লগত মৃত্যুৰ পাছত মিলনেই তেওঁৰ পৰম প্ৰাপ্তি। এই কথা তেওঁ "শেষ-অৰ্ঘ্য" কবিতাত সুন্দৰভাৱে লিপিবদ্ধ কৰিছে। মূঠতে ৰোমাণ্টিক গোষ্ঠীভুক্ত হৈও কবি নলিনীবালা দেৱীয়ে অতীন্দ্ৰিয়বাদী কবি হিচাবে ভাৰতৰ সাহিত্য আকাশত এক বিশিষ্ট আসন দখল কৰিবলৈ সক্ষম হৈছে। □

কবি নলিনীবালা দেৱীৰ গীত

✍ ডঃ নির্মল প্রভা বৰদলৈ

এখন আকাশ আছিল। অযুত তৰা আছিল পুৰতিৰ মদিৰ গন্ধ ভৰা বতাহ আছিল। অৰুণৰ পোহৰত প্ৰাণ পদুমে পাহি মেলিছিল। নিশাৰ বতাহে কাণে কাণে কথা কৈছিল। কেতেকীৰ মাতত বসন্ত জাগিছিল। সকলোতে কেৱল সৌন্দৰ্য। কেৱল অদৃশ্য গোপন বাৰতা।

ৰোমাণ্টিক যুগৰ ৰোমাণ্টিক দৃষ্টিভংগীৰে পৰিপূৰ্ণ, ৰোমাণ্টিক কবিৰ অফুৰন্ত কল্পনাৰ সেইখন জগত— য'ত মনৰ ৰহণেৰেই প্ৰকৃতি পল্লবিত, সুৰভিত হয় অথবা প্ৰকৃতিৰ ৰূপ, ৰস, গন্ধই শূন্য, ৰিক্ত মন ৰূপে ৰসে বঞ্চিত কৰে। 'মনেৰ মাধুৰী নিশায়ে' প্ৰকৃতিৰ সামান্য বস্তুকে অসামান্য কৰি তোলা, অৰ্থহীনক অৰ্থময় কৰাৰ ধাৰা ৰোমাণ্টিক ভাব প্ৰৱণতাৰে ধাৰা। দিঠকৰ মাটি এৰি কল্পনাই স্বপ্নৰ আকাশত পাখি মেলি উৰিছিল। মনোজগতলৈ বহিৰ্জগতে, বহিৰ্জগতলৈ মনোজগতে অনায়াসে অহা-যোৱা কল্পনাৰেই কৰিছিল। ৰহস্যবাদী কবি, উপনিষদীয় দৰ্শনেৰে পৰিপুষ্ট কবি নলিনীবালা দেৱীৰ মানসিকতা যিবোৰ উপাদানে গঢ়িছিল তেনে উপাদানে কবিগৰাকীক গীতিকাৰ কৰিও তুলিছিল।

জীৱনলৈ নিষ্ঠুৰ দিঠকে অনা ৰক্তাক্ত আঘাতৰ পৰা পৰিত্ৰাণ পাবলৈ নলিনীবালা দেৱীয়ে অতীন্দ্ৰিয়তাৰ সহায়েৰে যিখন উচ্চস্তৰৰ আধ্যাত্মিক জগতত বিচৰণ কৰি কবিতা লিখিছিল সেই একে গৰাকী কবিয়ে একে ভাব অনুভূতিৰেই গীতো লিখিছিল। এইটো কথা সঁচা যে প্ৰতিটো কবিতাই এটা গীত নহ'লেও প্ৰতিটি গীতেই এটি কবিতা। কবি নলিনীবালাৰ ক্ষেত্ৰতো একে কথাই খাটে।

কবি গৰাকীৰ "অলকানন্দা" এখনি গীত আৰু কবিতাৰ সুন্দৰ সংকলন। এইখনি গ্ৰন্থই সাহিত্য অকাডেমীৰ সন্মানিত পুৰস্কাৰ লাভ কৰিছিল।

"অলকানন্দা"ৰ প্ৰথম গীতটোত চকু ফুৰালেই কবিৰ ভাব, ভাষা আৰু ছন্দৰ স্বাক্ষৰ সুন্দৰকৈ পোৱা যায়।

নমো সুন্দৰ নিৰুপম
সুৰভিবিহীন বন কুসুমৰ
হীন পূজা আয়োজন
সুন্দৰ নিৰুপম।।

অস্থায়ীটোতে গীতৰ নির্য্যাসটো থাকে। অন্তৰা দুটাত সেয়ে বিকশিত হয়। শেষৰ অন্তৰাটোত কবিয়ে লিখিছে—

পৰম তৃষাত তনুত নৃত্যছন্দ
মুগ্ধ প্ৰাণত সুৰৰ অগৰু গন্ধ
পুষ্পপৰাগে চৰ্চিত মোৰ
সুৰভিত চন্দন
নমো সুন্দৰ নিৰূপম।।

কি অপূৰ্ব শব্দ সংযোজন! উচ্চ সংস্কৃতি সম্পন্ন, নিমজ আভা! ছন্দ অত্যন্ত সাৱলীল। গীতটোত যেন সুৰ হৈয়ে আছে। গীতে অৰ্থাৎ সুৰে ছন্দভংগ অকণো সহ্য নকৰে। টানি-আজুৰি ছন্দ মিলালেও নহ'ব। সুৰে প্ৰাণ পাবলৈ নিমজ ছন্দৰ প্ৰয়োজন। নলিনীবালা দেৱীৰ প্ৰতিটো গীততেই অনুপম ছন্দৰ পয়োভৰ। ভাষাও অতি সুন্দৰ।

ভাবৰ ফালৰ পৰা ওপৰত উদ্ধৃত কৰা গীতটোত অদৃশ্য সুন্দৰৰ চৰণত নিজকে উচৰ্গা কৰা দেৱদাসীৰ যেন সবিনয় নিবেদন। পৰম তৃষ্ণাই দেহ-মন ব্যাকুল কৰি দেহক এগছি শিখাৰ দৰে ছন্দে ছন্দে কঁপাই তুলিছে। এই পৰম তৃষ্ণা কবিৰ আত্মাৰ চিৰন্তন তৃষ্ণা। কবিৰ “পৰমতৃষ্ণা” নামৰ বিখ্যাত কবিতাটিত সেই পৰমতৃষ্ণাৰ বৈখিক ৰূপ ফুটি উঠিছে ঃ

দূৰণিৰ পখীজাক উৰি যায় ৰিঙিয়াই
বিয়াকুল উদাসী সুৰত
প্ৰতিধ্বনি বাজে সুদূৰত
মোৰো ই অতমাৰ
অশান্ত পখীটি দেখো
মিলি যাব খোজে দিগন্তত
অসীমৰ অচিন পথত।

দেহৰ পিঞ্জৰা ভাঙি অসীমৰ লগত মিলি যোৱাৰ ব্যাকুল কামনাৰে ভৰা কবিৰ ৰহস্যবাদী সত্বা। ক'ত আছে সেই চিৰসুন্দৰ— যাৰ কাৰণে অন্তৰাত্মা পৰম তৃষাৰে তৃষিত??

জীৱনৰ প্ৰতি পদে পদে
আঁকা তয়ু চৰণৰ ৰেখা
তথাপি এবাৰো প্ৰভু

পোৱা নাই, পোৱা নাই দেখা।

এই ৰূপৰ সাগৰ

সেই অৰূপৰে সৃষ্টি

ৰূপৰ সাগৰত অৰূপকে অন্বেষণ কৰে আধ্যাত্মবাদী কবিসকলে। ষষ্ঠ ইন্দ্ৰিয়ই নহয়— অতীন্দ্ৰিয়ই দিয়ে এই অন্বেষণৰ ইচ্ছা, এই অন্বেষণৰ পথ। সেই সুন্দৰ নিৰুপমৰ কাৰণেই মনৰ বীণত বাজি থাকে বিৰহৰ কৰুণ ৰাগিনীঃ

জানা জানো

জানা জানো

কিয় গাওঁ গীত

চকুলো নিজৰি পৰা

কিয় গাথোঁ মালা

সৰা শেৱালীৰ

জানা জানো?

হে পাষাণ দেৱতা! তুমিতো নাজানা, কাৰ কাৰণে মোৰ এই গীত, কাৰ কাৰণে মোৰ এই পুষ্পচয়ন? মৌন নীলিমাত ধ্ৰুৱতৰাৰ দৰে বিনিদ্ৰ ৰজনী যাপন কৰে মোৰ অন্তৰাত্মাই কাক বিচাৰি? তুমি জানো জানা? তেনেই কাষৰ পৰা নিবিড় আত্মীয়তাৰে সোধা এই প্ৰশ্ন বৰ হৃদয়স্পৰ্শী, গীতটোত সংলাপৰ দৰে নাটকীয়ত্ব আছে — সেয়ে ই বৰ (Catchy), পাষাণ দেৱতাই হয়তো উত্তৰ নিদিয়ে, কিন্তু শ্ৰোতাৰ চকুলো সহৃদযতাত বা সমব্যথাত বাগৰি যায়। যাৰ অন্তৰত গান আছে, যাৰ কণ্ঠত গান আছে তেৱেঁইহে গান লিখিব জানে। কথা মিলালেও গান নহয়, ছন্দ মিলালেও গান নহয়। পাহাৰী ঝৰ্ণাৰ দৰে "হেসে খল্‌খল্ গেয়ে কল্‌কল্" কৰি ই নিজেই নিজস্ব তীব্ৰ গতিৰে আকাশী গংগা হৈ বাগৰি আহিব লাগিব। নিজেই নিজক মুক্তি দিব লাগিব। নলিনীবালা দেৱীৰ ৰুদ্ধ বাসনাই প্ৰকৃতিৰ মাজত, প্ৰকৃতিৰ ৰহস্যময়তাৰ মাজত, অতীন্দ্ৰিয় প্ৰেমৰ মাজত নিজৰ মুক্তি নিজেই দিছিল স্বতঃস্ফূৰ্ততাৰে— "অজান সুৰৰ অলকানন্দা বোৱাই।"

নলিনীবালা দেৱীৰ গীতৰ দ্বিতীয় ভাগটো হ'ল স্বদেশ প্ৰেমৰ গীত। নলিনীবালা দেৱীৰ পিতৃ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ কৰ্ম্মই, স্বাধীনতা সংগ্ৰামৰ তেজাল আদৰ্শই নলিনীবালা দেৱীৰ ৰক্তত দৃপ্ত চেতনাৰ সঞ্চাৰ কৰিছিল। তেওঁ নিজেই যেন নিজক উদ্বুদ্ধ কৰিছিল ঃ

জাগা বীৰ পিতা বীৰৰ জননী

জাগা বীৰ সন্তান

জাগা বীৰ নাৰী ভাৰত কুমাৰী
জগোৱা ভাৰত প্ৰাণ।।

সুস্থ সমাজ এখন গঢ়াৰ কাৰণে আটাইৰে দায়িত্ব থাকে। দায়বদ্ধতা সোঁৱৰাই দিয়াটো যুগ সচেতক কবি শিল্পীৰেই কাম। সংকট প্ৰহৰত সেয়ে তেওঁৰ গীতত বাজি উঠিছিল ঃ

দুৰ্গম গিৰি সংকট পথ
আমি মুক্তি অভিযাত্ৰী
অস্ত্ৰ আমাৰ ঐক্য শক্তি
লক্ষ্য মহা গায়ত্ৰী।।

স্বাভাৱিকভাবে সেই সময়ৰ বলিষ্ঠ কবি নজৰুল আৰু বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ সৰ্বাত্মক প্ৰভাব নলিনীবালাইও এৰাই যাব পৰা নাছিল।

গীতত এটা অস্থায়ী আৰু দুটা অন্তৰা থকাই সচৰাচৰ নিয়ম। কোনোবা গীতিকাৰে এটা অন্তৰাৰ পাছত 'সঞ্চাৰী'ও কেতিয়াবা দিয়ে। আধুনিক গীত এটা তিনি মিনিটতে গাব পৰাকৈ প্ৰায়ে লিখা হয়। এই ধৰা-বন্ধা সময় ৰেডিঅ'ৰ পৰাই হয়তো আৰম্ভ হ'ল। এটা তীব্ৰভাব প্ৰকাশৰ কাৰণে গীতত সদায় নিৰ্বাচিত শব্দ লাগে। কাৰণ গীত পঢ়াতকৈ শুনিবৰ কাৰণেহে ৰচনা কৰা হয়। এই নিৰ্বাচিত শব্দৰ প্ৰয়োগেৰেই নলিনীবালা দেৱীৰ গীত। উদাহৰণ স্বৰূপে ঃ

সাম্প্ৰদায়িক কলুষতা ভৰা
এদিনে পাপৰ দৃষ্টি
সৰ্ব্ব ধৰ্ম, জাতি, এক কৰা
মহান ভাৰত সৃষ্টি
জাগা বীৰ জাগা ভাৰত কুমাৰী
জগোৱা দেশৰ প্ৰাণ।।

"অলকানন্দা"ত এশ পোন্ধৰটা গীতহে সন্নিবিষ্ট কৰা হৈছে। তাৰ বেছিভাগ গীতেই নলিনী কাব্যৰ মূল সুৰৰ লগত অভিন্ন। বাকীখিনি দেশপ্ৰেমৰ, প্ৰকৃতিৰ প্ৰতি মুগ্ধ দৃষ্টিভংগীৰ। ইয়াৰ বাহিৰেও কবিয়ে গঢ় দিয়া "পাৰিজাত কানন" নামৰ শিশু অনুষ্ঠানৰ শিশুসকলে গাব পৰাকৈ লিখা গীত।

নলিনীবালা দেৱীৰ সংগীতালেখ্যও কেবাখনো। সেই বিলাকতো কিছু গীত বৈছে।

কবিতাৰ দৰেই গীত লিখাৰ ক্ষেত্ৰতো কবি গৰাকীৰ সমান দক্ষতা লক্ষ্য

কৰিবলগীয়া। বহুতো কবিয়ে গীত আৰু কবিতা ৰচনাৰ মাজত যে পাৰ্থক্য আছে সেইটো বুজি নেপায়। কিন্তু ভাৰতীয় ক্লাচিকেল সংগীত, ৰবীন্দ্ৰ সংগীত বৰগীত, অসমীয়া লোকসংগীতৰ পৰম্পৰাগত চৰ্চা থকা নলিনীবালা দেবীৰ ঘৰখনতো পৰম্পৰা গভীৰত ৰোপিত। কবি গৰাকীয়ে নিজেও সুললিত কণ্ঠেৰে ভক্তিমূলক গীত ঘৰতে ভগবানৰ স্তুতি হিচাপে গাইছিল। সেয়ে ক'ব পাৰি গীত নলিনীবালাৰ ৰক্তত আৰু হৃদয়ৰ গভীৰত অন্তঃসলিলা ফল্গুৰ দৰে বৈ আছিল চিৰদিন। উচ্চস্তৰৰ এই গীতসমূহে অসমীয়া সাহিত্যক বহুত ওপৰলৈ তুলিলে। ■

নলিনীবালা দেৱীৰ কবিতা আৰু গীতৰ শব্দচয়ন

✍ ডঃ দীপ্তি ফুকন পাটগিৰি

আধুনিক অসমীয়া সাহিত্যৰ নিৰলস সাধনাৰ সাধক সকলৰ ভিতৰত পদ্মশ্ৰী নলিনী বালা দেৱীৰ নাম বিশেষ ভাবে উল্লেখযোগ্য। অসমীয়া কাব্য-কানন জাতিস্কাৰ কৰি তোলা এই গৰাকী বিশিষ্ট কবিৰ কবিতাত ৰোমাণ্টিক সাহিত্যৰ বৈশিষ্ট্য ৰাজি বিশেষ ভাবে প্ৰতিফলিত হৈছে। উল্লেখযোগ্য যে অসমীয়া ৰোমাণ্টিক কাব্য পৰম্পৰাৰ আটাইতকৈ সফল কবিসকলৰ ভিতৰতেই নলিনী বালা দেৱী অন্যতম। পাৰ্থিৱ জীৱনৰ মায়া মোহৰ অনুৰাগ আঁতৰাই অপাৰ্থিৱ জীৱনৰ প্ৰতি ধাৱমান হোৱা এই গৰাকী কবিৰ কবিতাত আছে সৃষ্টিৰ ৰহস্যময় প্ৰহেলিকা, 'সন্ধিয়াৰ সুৰ', 'সপোনৰ সুৰ', 'যুগদেৱতা', পৰশমণি', অলকানন্দা' আদি কবি নলিনী বালা দেৱীৰ উৎকৃষ্টতম কাব্যপুথি যি অতিন্দ্ৰীয়বাদৰ স্বৰূপ প্ৰকাশ কৰাৰ লগে লগে ভাৰতীয় আধ্যাত্মবাদ আৰু গীতাৰ মৰ্মবাণীৰ বিশেষ স্বৰূপ প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, ভাৰতীয় আধ্যাত্মবাদৰ পৰশৰ দ্বাৰা প্ৰভাবান্বিত তেওঁৰ কাব্য ৰাশিৰ এক ভিন্ন স্বৰূপ ফুটি উঠাৰ লগে লগে অসমীয়া কাব্য জগতলৈও এক নতুন চেতনা আৰু আলোড়ণৰ সৃষ্টি কৰিলে কবি নলিনী বালা দেৱীয়ে। তেওঁৰ কবিতাত অসীমৰ সন্ধানৰ বতৰা আছে, অপাৰ্থিৱ জীৱনৰ আলোকৰ সন্ধান আছে, ৰহস্যবাদৰ আভাস আছে, আৰু আছে মানৱজীৱনৰ প্ৰজ্ঞা আৰু সাধনাৰ এক প্ৰশস্ত পথ। তেওঁৰ কাব্য বন্দনাত প্ৰকৃতিৰ অপূৰ্ব চেতনাও অনুভূত হয়। আধ্যাত্মিকতাৰ সুৰ কঢ়িয়াই অনা অতিন্দ্ৰীয়বাদী কবি নলিনীবালা দেৱীৰ কবিতাৰ কাব্যিক সৌন্দৰ্য্য অতুলনীয়। তেওঁৰ কবিতাৰ এক বিশেষত্ব হৈছে শব্দৰ সুন্দৰ প্ৰয়োগ। তাৰ লগে লগে তেওঁ ৰচনা কৰা গীতত প্ৰয়োগ হোৱা শব্দসমূহেও তেওঁৰ গীতিময়তা আৰু ভাৱক এক অপূৰ্ব স্বৰূপ প্ৰকাশ কৰাত সহায় কৰিছে। অসমীয়া ৰোমাণ্টিক কবিসকলৰ ভিতৰত নলিনী বালা দেৱীৰ কবিতাৰ শব্দ চয়নে তেওঁক এক বিশেষ আসন প্ৰদান কৰাত সহায় কৰিছে। এই গৰাকী প্ৰতিভাময়ী, সফল আৰু মহিয়সী কবিৰ কবিতা আৰু গীতৰ শব্দ চয়ন সম্পৰ্কে এক আলোচনা দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল।

তেওঁৰ কবিতাপুথি সমূহৰ নামকৰণত এক কাব্যিক অভিব্যঞ্জনা ফুটি উঠিছে। বাক্য-গাঁথনিত বিভিন্ন শব্দৰ যথাযথ প্ৰয়োগে তেওঁৰ গীত আৰু কবিতাক মধুৰ কৰি তুলিছে। তৎসম শব্দৰ প্ৰয়োগ থাকিলেও তেওঁৰ কবিতা আৰু গীতত অৰ্দ্ধতৎসম

শব্দৰ বিশেষ ধৰণৰ প্ৰয়োগে কবিতাৰ মাধুৰ্য বঢ়াইছে। উদাহৰণ স্বৰূপে—

"আজিৰ নোহোৱা তুমি সুন্দৰী পৃথিৱী
জনমৰ যুগমীয়া তুমি,
অনন্ত কালৰ মোৰ শান্তিৰ জিৰণি
অতীতৰ স্বপ্ন লীলাভূমি।
অতীত জন্ম কত অশেখ স্মৃতিৰ
গছে পাতে পৰি আছে ৰেখা,
অফুট ভাষাৰ কত কৰুণ কাহিনী
প্ৰকৃত ৰূপত আছে লেখা।
কতবাৰ জনমিলো তোমাৰ কোলাত
গইছিলো আকউ উভতি,
অপূৰূপ কৰমৰ ভাৰ বান্ধি লই
ঘূৰি ঘূৰি আহিছো উভতি।"

এই কবিতাটিত জনম, অপূৰূপ, কৰম আদি শব্দ প্ৰয়োগে অৰ্দ্ধতৎসম শব্দৰ বৈচিত্ৰ্যময় প্ৰয়োগৰ কথাকে সূচায়। আনহাতে আকৌ, স্বপ্ন, জন্ম, স্মৃতি, আদি শব্দৰ প্ৰযোগত তৎসম ৰূপৰ প্ৰয়োগ মন কৰিবলগীয়া। ভিন্ন ধৰণৰ শব্দৰ প্ৰয়োগ হলেও কবিতাৰ লয আৰু মাধুৰ্য ইয়াত কিন্তু বিঘ্নিত হোৱা নাই। আন এঠাইত আছে —

"জীৱনৰ কুঁৱলীৰ আঁৰে আঁৰে ঢাকি থোৱা
সুৰভি সমীৰ ভৰা কুসুম বনৰ
সজাই গোপন বেদী
পুষ্প আঁৰতি লৈ
বিচাৰি ফুৰিছো কিনো যুগ যুগান্তৰ।
ষড ঋতু সচকিত, সুৰভি-নিশ্বাস লাগি
সুশোভিতা বনভূমি মুকুল মঞ্জৰি
পুৰতিৰ অৰুণত ৰাঙলী জীয়ন-ৰেখা
ধৰণী বুকুত পৰে মুকুতা নিজৰি।"

উক্ত কবিতা ফাঁকিতো যি পৰশমণিৰ কথা কোৱা হৈছে, ইয়াত প্ৰয়োগ কৰা শব্দৰাজিয়ে কবিতাটিৰ মাধুৰিমা প্ৰকাশ কৰিছে। কুসুম বন, ষড ঋতু সচকিত, সুৰভি নিশ্বাস, মুকুল মঞ্জৰি, ৰাঙলী জীয়ন-ৰেখা আদি শব্দবোৰৰ প্ৰয়োগত যি কাব্যিক ব্যঞ্জনা অনুৰণিত হৈছে তাত কবিৰ শব্দ চয়নৰ সুন্দৰ প্ৰযোগৰ ওজস্বিতা প্ৰকাশ পাইছে।

কবিতাৰ দৰে তেওঁৰ গীত সমূহতো শব্দচয়নৰ বিশেষ পাৰদৰ্শিতা পৰিলক্ষিত হয়। তেওঁৰ প্ৰতিটো কবিতা বা প্ৰতিটো গীতেই যেন একো ধাৰি সুগন্ধি মালা, য'ত প্ৰয়োগ কৰা প্ৰতিটি শব্দই মালাধাৰিৰ একোপাহি বিতোপন ফুল যেন, যাৰ এটি পাহিৰ হানি বিঘিনি ঘটিলেও সমগ্ৰ মালাধাৰিৰ অপৰূপ সৌন্দৰ্য নাশ হোৱাৰ উপক্ৰম হব। তেওঁৰ গীতত আছে এনে এক অপূৰ্ব শোভা য'ত কোনো বিভূতি বা প্ৰতিদানৰ আকাংক্ষা নাই।

"নীৰব নিমাত কণ্ঠেৰে মোৰ গাই যাম যত গান
নেমাগো তৃপ্তি বিভৱ বিভূতি গৌৰৱ প্ৰতিদান,
গাই যাম যত গান।"

তেওঁৰ গীতসমূহত প্ৰয়োগ হোৱা শব্দ ৰাজিৰ ভিতৰত নিৰূপম, শতদল, অনুপম, অনুৰঞ্জিত, জোনোৱালী, ৰূপোৱালী, লগণ, তৃষাতুৰা, চমকনি, আলাপন, মুখৰিতা, বকুল গন্ধ, মৃগনাভি, উৰ্মিলেখা, আদি উল্লেখযোগ্য। তেওঁৰ গীতত আছে এক স্নিগ্ধ আবেশ, জীৱন আৰু প্ৰকৃতিৰ মধুময় ৰূপ আৰু শব্দসম্ভাৰৰ এক সু-শৃংখল কোমলতা ভৰা সুন্দৰ প্ৰয়োগ।

তেওঁৰ গীত আৰু কবিতাত এক প্ৰাচীন ঐতিহ্য পৰিস্ফুট। পূজাৰ উপচাৰ, নৈবেদ্য আদিৰ বৰ্ণনা তেওঁৰ গীত আৰু কবিতাত বিশেষ ভাৱে পোৱা যায়। এটি গীতত আছে—

"পূজা দেউলতে মোৰ
জ্বলে পৰাণ প্ৰদীপ শিখা
মন্ত্ৰ তোমাৰ কতনা মোৰ
হিয়াৰ শোণিতে লিখা।
পুৰি পুৰি ধূপ সুগন্ধি গোন্ধে
জ্বলাও দীপালি মালা
মই শ্বেত ছন্দত কোমল মালতী
দেৱ মন্দাৰ মালা।"

আকৌ—

"নিশা জোনাকৰ জেউতি হৰিল
ধূপ শিখাৰ সুৰভি পুৰিল
প্ৰদীপ শলিতা নুমাই আহিল
নিশা অৱসান হ'ল
লগন উকলি গ'ল।

শূন্য থাপনা শূন্য আসন
কণ্ঠ নীৰৱ শেষ বন্দন
মৰহি শুকাল ফুল চন্দন
শংখ নীৰৱ হ'ল
লগন উকলি গ'ল।।"

ওপৰত উল্লেখ কৰা গীত কেইটিত প্ৰয়োগ কৰা বিভিন্ন শব্দত কবিগৰাকীৰ মনস্তত্ত্বৰ এক বেঙনি প্ৰতিভাত হৈছে। তেওঁৰ কবিতা আৰু গীতত অনুপ্ৰাস, অন্ত্যানুপ্ৰাস আদি বিভিন্ন অলংকাৰৰ প্ৰয়োগে কাব্যিক মাধুৰ্য অধিক চৰাইছে।

তেওঁৰ কোনো কোনো কবিতা অতি চুটি আৰু কোনো কোনো কবিতা বেছি দীঘলীয়া। 'পৰশমণি' কাব্য গ্ৰন্থ খনিৰ অন্তৰ্গত 'ছন্দ জন্ম' নামৰ কবিতাটি এটি দীঘলীয়া ভিন্নসুৰীৰ কবিতা য'ত শব্দ শৃংখলে এক বিশেষ প্ৰাধান্য লাভ কৰিছে। ইয়াত আছে ভাৰতীয় সভ্যতা-সংস্কৃতিৰ কথা, আদি কবি বাল্মিকীৰ কথা, প্ৰকৃতিৰ বুকুত ধ্যানমগ্ন ঋষি-মুনি আৰু প্ৰকৃতিৰ মোহময় বৰ্ণনা। কবিতাটিৰ কাব্যিক মাধুৰ্য বঢ়াইছে ইয়াত প্ৰয়োগ কৰা শব্দ বাজিয়ে—

"বিৰিখৰ ডালে ডালে
বিহগে কাকলি তোলে
সেউজীয়া পাতে ফুলে কননি শুবায়।
মৃদু সমীৰত ফুলে
মাধবী লতাৰ হাঁহি,
মধু দোলনিত দোলে
শেৱালী বকুল,
ৰৈ ৰৈ বাজি উঠে
ললিত বীণাৰ ধ্বনি
নীৰৱতা ভেদ কৰি আবেগ আকুল।"

আকৌ—

"আবেগত ঋষি কণ্ঠ ভেদি
জন্ম হ'ল ছন্দ অনুপম
মা নিষাদ প্ৰতিষ্ঠাং ত্বমগম শাশ্বতী সমাঃ।
যৎ ক্ৰৌঞ্চ মিথুনাদেকমবধী কাম মোহিতম্।
....
ছন্দে জাগা বীণা মূৰ্চ্ছনা—
শত যুগ যুগ আৰাধনা।"

উক্ত কবিতাটিত আদি কাব্য 'ৰামায়ণ'ৰ জন্ম ব্যথা প্ৰতিফলিত হৈছে য'ত কাব্য-ছন্দ প্ৰয়োগত সংস্কৃত শ্লোক ঠায়ে ঠায়ে প্ৰয়োগ হৈছে। সংস্কৃত শব্দৰ প্ৰয়োগে কাব্যৰ সৌন্দৰ্যত ব্যাঘাত জন্মোৱা নাই। তেওঁৰ কেতবোৰ কবিতা মাতৃভূমি, তথা জননীৰ উদ্দেশ্যে লিখা আৰু কেতবোৰ কবিতা মহাপুৰুষ তথা মহান মানৱক লৈ ৰচনা কৰা। তেনে ধৰণৰ কবিতা সমূহৰ ভিতৰত 'বাণীকান্ত', 'কবি নাই', 'জ্যোতি নাই', 'লক্ষ্মী নাথ', 'শংকৰ-মাধৱ' আদি কবিতা অন্যতম। 'ভাৰত স্যামন্ত', 'এইখনি শংকৰৰ দেশ', 'চেনেহী মাতৃৰ সংস্কৃতিৰ হ'ব অভ্যুদয়', 'আমাৰ ওপজা ঠাই এইখনি', 'অতি মৰমৰ মোৰ এইখনি দেশ', আদি কবিতাই দেশ প্ৰেমৰ মানসিকতাৰ কথাকে সূচায়। তেওঁৰ কিছুমান কবিতা নাৰী সম্বন্ধীয়। 'নাৰী', 'চিত্ৰলেখা', 'মই ভাৰতৰ নাৰী', 'নাৰী তুমি সৃষ্টি স্থিতি প্ৰলয়কাৰিণী' আদি কবিতাত কবিৰ এক বিশেষ অভিব্যক্তি ফুটি উঠিছে।

তেওঁৰ প্ৰায়বোৰ কবিতাত গীতিধৰ্মিতা ফুটি উঠা দেখা যায়, যাৰ ফল স্বৰূপে কবিতাত প্ৰয়োগ হোৱা শব্দৰাজিয়ে পাঠকৰ মনত এক গীতিময়ী ৰূপৰ সঞ্চাৰ কৰে। তেওঁৰ গীত আৰু কবিতাত প্ৰয়োগ কৰা কেতবোৰ শব্দ অতি সহজ-সৰল আৰু মনোমোহা।

উদাহৰণ স্বৰূপে —

"মোৰ গীত মই কাৰো বাবে ৰচা নাই
মোৰ সুৰ মই কাৰোবাবে গোৱা নাই;
মোৰ জীৱনৰ স্বপ্ন বিভোৰ ছন্দ সাৱটি লই
পাতো নিজে কথা গাওঁ নিজে গীত পুলক মুগুধ হৈ

প্ৰকৃতিৰ বৰ্ণনাত তেওঁৰ কিছুমান কবিতা অনন্য সুন্দৰ হৈ উঠিছে। য'ত শব্দচয়নৰ অপূৰ্ব সমাহাৰ ঘটিছে—

"পুবালী সুৰুযে সোণালী ৰহণ সানি
সেউজ ৰূপহ চৰায়
কুঁৱলীৰ আঁৰে আঁৰে মুকুতাৰ মালা আঁৰি
পৰ্বতত বৰ্ণালীৰ সোণ চটিয়ায়।"

আৰু আছে —

"মোৰ পুষ্প বনত শত বসন্ত পৰশে
ফুলিলে যি ফুল গোন্ধ মালতী শতদল
নৱ-মালঞ্চ সেই সুৰভিয়ে সজাব
নৱ বসন্তে কুসুম কলিকা ফুলাব।"

ওপৰত উল্লেখ কৰা কবিতাবোৰত প্ৰকৃতিৰ বৰ্ণনাত কবি আত্মবিভোৰ হৈছে, য'ত শব্দ-ব্ৰহ্মাই কবিতাৰ জেউতি চৰাইছে।

বিহুক উপলক্ষ্য কৰি লিখা এটি কবিতাত তেওঁ কিছুমান বৰ সুমধুৰ শব্দ প্ৰয়োগ কৰিছে য'ত অসমৰ জাতীয় জীৱন আৰু প্ৰকৃতি জগত মুখৰিত হৈ উঠিছে।

"আমে মলিয়ালে, কঠালে পেলালে মুচি
আকাশত দেৱতাই মৃদঙ্গ বজায়
বিৰিখৰ ডালে সাৰ পালে পখী কূলে
কুলি কেতেকীৰ মাতে বননি কঁপায়।"

একে কবিতাতে আৰু আছে—

"ৰং ৰূপ নাচ নীতি চেনেহ পৰম প্ৰীতি
মিলনৰ মৌ সৰে সাদৰী মাতৰ
চিৰা-পিঠা সান্দহৰ খোৱা বোৱা মৰমৰ
জনে জনে বিহুবান যচা সাদৰৰ।"

এই কবিতাটিত কুলি, কেতেকী, পেঁপা, চেলেং, গামোছা, শিপিনী, ফুলৰ কাঠী, চিৰাপিঠা, পঘা, নামঘৰ, মৌ-কাহ, মৌসনা আই আদি শব্দ প্ৰয়োগত কবিতাটিৰ মূল বক্তব্য প্ৰকাশ হোৱাৰ লগতে কবিৰ আপোন দেশ আৰু মানুহৰ প্ৰতি থকা অগাধ ভক্তি আৰু দেশ-প্ৰেম জাগৰিত হৈছে। 'জন্মভূমি' নামৰ কবিতাটিত কবিয়ে আপোন দেশ প্ৰেমৰ কথা বৰ্ণনা কৰাৰ লগতে আত্মা, পৰমাত্মাৰ অস্তিত্ব সম্পৰ্কে ৰহস্য বাদৰ সুৰটি ফুটাই তুলিছে—

"মেলিলো প্ৰথম চকু তোমাৰ কোলাতে আই
জনমৰ আদিম পুৱাত,
মুদিম আকউ চকু তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত।।"

'পৰম তৃষ্ণা কবিতাটিয়ে কবিৰ কাব্য প্ৰতিভাৰ বিশেষ স্বাক্ষৰ দাঙি ধৰাৰ লগতে তেওঁৰ কবিতাৰ বাণীও কঢ়িয়াই আনিছে। প্ৰকৃতিৰ অনুপম বস্তুৰ সৈতে মানৱ জীৱনৰ ক্ষণ ভঙ্গুৰতা বিভিন্ন উপমাৰ জৰিয়তে প্ৰকাশ পাইছে। কবিতাটিৰ অন্তৰ্নিহিত অৰ্থত কবি প্ৰতিভা জাগ্ৰত হৈ উঠিছে। এঠাইত আছে—

"দূৰণিৰ পখীজাকি উৰি যায় বিঙিয়াই
বিয়াকুল উদাসী সুৰত

প্ৰতিধ্বনি বাজে সুদূৰত,
মোৰো এই পিঞ্জঁৰাৰ অশান্ত পখীটি দেখো
মিলি যাব খোজে অনন্তত,
অসীমৰ অচিন বাটত।"

আৰু আছে—

" কোন কাৰ জগতৰ কোন কাৰ মৰমৰ
চকুৰ চিনাকি দুদিনৰ,
সসীমৰ ৰূপ তৃষ্ণা অসীমত বুৰ যাব
খহি গলে জৰী মৰমৰ।"

ওপৰৰ কবিতা ফাঁকিত ক্ষণভঙ্গুৰ জীৱন আৰু জগতৰ কথা কোৱা হৈছে যদিও এই ৰহস্যবাদী কবি গৰাকীৰ কবিতাৰ বাণী কিন্তু নিৰাশা ভৰা সুৰ নহয়। ইয়াত ৰিণি ৰিণি বাজি উঠিছে এক আশাৰ সুৰ, য'ত গীতাৰ, ভাৰতীয় দৰ্শনৰ মূল বাণী প্ৰতিধ্বনিত হৈছে। এই যশস্বী, ৰোমান্টিক, ৰহস্যবাদী কবি গৰাকীৰ কবিতাত শব্দই বিশেষ ভাবে প্ৰাণ পাই উঠিছে। তেওঁৰ গীত সমূহতো শব্দৰ অনুপম প্ৰয়োগে এক সূক্ষ্মতম, কোমলতা ভৰা, স্নিগ্ধ আবেগৰ সৃষ্টি কৰিছে। নলিনী বালা দেৱী যথাৰ্থ কবি যাৰ কবিতাত বিষয় বস্তু অনুসৰি প্ৰয়োগ হোৱা শব্দ চয়নে তেওঁৰ কবি প্ৰতিভাৰ স্বাক্ষৰ দাঙি ধৰিছে।। ■

নলিনীবালা দেৱীৰ কবিতাত সংস্কৃত প্ৰভাৱ

✍ কেশদা মহন্ত

'সংস্কৃত প্ৰভাৱ" বুলিলে আমাৰ মনলৈ দুটা কথা আহে— সংস্কৃত ভাষাৰ প্ৰভাৱ আৰু সংস্কৃত ভাষাত ৰচিত সাহিত্য ৰাজিৰ প্ৰভাৱ। এই দুয়োপ্ৰকাৰৰ প্ৰভাৱেই প্ৰত্যক্ষ আৰু পৰোক্ষ ৰূপত হ'ব পাৰে। প্ৰথম প্ৰকাৰৰ প্ৰভাৱ সংস্কৃত ভাষাৰ তৎসম শব্দ, বাক্যাংশ বা বাক্যৰ ব্যৱহাৰৰ যোগেদি প্ৰত্যক্ষ ৰূপত পৰিলক্ষিত হয় আৰু পৰোক্ষ ৰূপত এই প্ৰভাৱ দৃষ্টিগোচৰ হয় সংস্কৃত তদ্ভৱ শব্দ আদিৰ প্ৰয়োগত। দ্বিতীয় প্ৰকাৰৰ প্ৰত্যক্ষ ৰূপ দেখা পোৱা হয় সংস্কৃত সাহিত্যৰ অনুবাদ অথবা অনুসৃষ্টিত। পৰোক্ষ প্ৰভাৱ আহে সংস্কৃত সাহিত্যভিত্তিক অন্য ভাষাৰ সাহিত্যৰ যোগেদি। পদ্মশ্ৰী নলিনীবালা দেৱী কাব্যভাৰতীৰ ক্ষেত্ৰত সংস্কৃত ভাষা আৰু সাহিত্যৰ প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়ো প্ৰকাৰৰে গভীৰ প্ৰভাৱ সুস্পষ্ট ৰূপত পৰিলক্ষিত হয়। কবিগৰাকীৰ পৰিয়ালত সংস্কৃত ভাষা-সাহিত্য চৰ্চাৰ পৰম্পৰা চলি আহিছিল। অতি কুমলীয়া বয়সতে তেখেতৰ স্বনামধন্য পিতৃ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে অন্য সাধাৰণ শিক্ষাৰ লগতে সংস্কৃত ভাষা আৰু কাব্যৰ শিক্ষা দিওৱাৰো ব্যৱস্থা কৰিছিল। কবি নলিনী দেৱীয়ে তেখেতৰ প্ৰথম কবিতাটিৰ ৰচনাৰ সন্দৰ্ভত নিজে এইবুলি লিখি থৈ গৈছে— "ওজাদেউৰে পঢ়োৱা বিবিধ সংস্কৃত, বঙলা কাব্যইও মোৰ মনত তেনে পৰশ জগাই তুলিব নোৱাৰিছিল। বয়স এঘাৰমান হ'ব। সেই ওজাদেউৰ অকৃত্ৰিম যত্নত বিবিধ কাব্যগ্ৰন্থ অধ্যয়নৰ ফলত মোৰ মনত প্ৰচুৰ শব্দৰ সম্ভাৰ গোট খাইছিল। সেই শব্দবোৰৰ ঝংকাৰ মোৰ মনৰ মাজত সদায় ছন্দায়িত হৈ থাকে। .... এনে পৰিৱেশৰ মাজতে এদিন এটা কবিতা লিখি পেলালোঁ ১।" 'পিতা' নামৰ সেই কবিতাটিত এঘাৰ বছৰীয়া নলিনীদেৱীৰ সংস্কৃত তৎসম আৰু তদ্ভৱ শব্দচয়নৰ নিপুণতা আৰু ভাষাৰ লালিত্য মন কৰিবলগীয়া।

১। 'নলিনীবালা দেৱী', 'অসম সাহিত্য সভা, ১৯৭৯, যোৰহাট- পৃঃ ২৭৮-৭৯

২। সম্পূৰ্ণ কবিতাটো উক্ত গ্ৰন্থৰ ২৭৩ পৃষ্ঠাত উদ্ধৃত হৈছে।

৩। উক্ত গ্ৰন্থ, পৃঃ ২৮।

৪। উক্ত গ্ৰন্থ, পৃঃ ৬০।

হেৰা প্ৰভাতৰ অৰুণ কিৰণ
ক'ত পালা এনে উজ্জ্বল বৰণ
ইমান কোমল মাধুৰী সনা
যিজনে বিলালে এই উজ্জ্বলতা
সিজনে আমাৰ পিতা ২।

উল্লেখযোগ্য যে নলিনীবালা দেৱীক ৮ বছৰ বয়সৰ পৰা অন্যান্য বিষয় শিকোৱা গৃহ শিক্ষকসকলৰ উপৰি 'কাৰ্জন হল'ৰ গ্ৰন্থাগাৰিক সংস্কৃত পণ্ডিত গোপালকৃষ্ণ দেই সংস্কৃত ভাষা আৰু কাব্যৰ শিক্ষা প্ৰদান কৰিছিল। প্ৰাইমেৰী পৰ্যায়ৰ শিক্ষা শেষ কৰাৰ পিছতে গোপালকৃষ্ণ দেই নলিনীবালাক ক্ৰমে কাব্যৰ গুণ, ছন্দ, ধ্বনি আৰু ব্যাকৰণ সম্পৰ্কীয় জ্ঞান দিবলৈ ধৰিলে ৩। নলিনীবালাই ৮/৯ বছৰ বয়সতে হেনো 'চাণক্য-শ্লোক' খন উধৰপৰা মূধলৈ মুখস্থ কৰি পেলাইছিল। তেখেতে গোপালকৃষ্ণ দেৰ ওচৰত কালিদাসৰ শকুন্তলা নাটক পঢ়িছিল।

কবি নলিনীবালা দেৱীৰ ওপৰত এই বয়সতে ৰবীন্দ্ৰনাথ ঠাকুৰৰ কাব্যসম্পৰ্কীয় প্ৰভাৱ পৰাৰ কথা সকলোৰে জ্ঞাত। তদুপৰি অন্য বঙলা ভাষাৰ কাব্যয়ো কিশোৰী কালতে কবিগৰাকীৰ মনত কাব্যিক প্ৰভাৱ গভীৰভাবে পেলাইছিল। নলিনীবালাৰ মোমায়েক প্ৰসিদ্ধ সংগীতাচাৰ্য কীৰ্তিনাথ বৰদলৈদেৱৰ মুখত কবিগৰাকীয়ে সৰু কালত নবীন সেনৰ 'কুৰুক্ষেত্ৰ', 'ৰৈবতক' আৰু 'প্ৰভাস' নামৰ সুমধুৰ বঙলা কাব্যৰ আবৃত্তি নিয়মীয়াকৈ শুনিবলৈ পাইছিল। নলিনীদেৱীয়ে নিজেই কৈছে— "সদায় গধূলি কাব্যপাঠ শুনি অজানিতে মোৰ কোমল মনত কবিতাদেৱী প্ৰৱেশ কৰিলে, মন কাব্যময় হৈ উঠিল।" এনে এক কাব্যময় উচ্ছ্বসিত পৰিৱেশত কবিয়ে নিজকে কালিদাসৰ শকুন্তলা আৰু 'ৰৈবতক' কাব্যৰ সুভদ্ৰা বুলি ভাবি তৃপ্তি লাভ কৰিছিল ৪। এইদৰে ৰবীন্দ্ৰ- সাহিত্যকে ধৰি বঙলা সাহিত্যৰ মাজেদি সৰকি অহা 'সংস্কৃত ভাষা সাহিত্যৰ ৰ'দ চেৰেঙাৱে নলিনীদেৱীৰ কাব্যকানন উদ্ভাসিত কৰি তুলিছে। তেখেতৰ মনত বাল্যকালতে কবিগুৰুৰ ৰচিত গীত এফাঁকিয়ে "সোণৰ কাঠিৰ পৰশ বুলালে" বুলি 'এৰি অহা দিনবোৰ'ত নিজেই উল্লেখ কৰি গৈছে। এনে পৰশ তেখেতৰ মনত বিবিধ বঙলা, সংস্কৃত কাব্যয়ো জগাই তুলিব পৰা নাছিল বুলিও তেখেতে কৈছে ৫। সাহিত্যিক বঙলাভাষাত সংস্কৃত তৎসম শব্দৰ প্ৰাচুৰ্যৰ কথা সৰ্বজনবিদিত। গতিকে এইখন দুৱাৰেদি অহা সংস্কৃতে কবিগৰাকীক প্ৰভাৱিত কৰাটো নিতান্ত স্বাভাৱিক।

নলিনীবালাই তেওঁৰ কবিতা তথা অন্য ৰচনাত বহুলভাবে সংস্কৃত শব্দৰ ব্যৱহাৰ কৰিছিল যদিও তাৰ দ্বাৰা তেখেতৰ ৰচনাৱলী দুৰ্বোধ্যতা অথবা কঠোৰতাৰে ভাৰাক্ৰান্ত হোৱা নাই; বৰঞ্চ সংস্কৃত শব্দৰ সুষম প্ৰয়োগে তাত 'কোমল মাধুৰী সনা' উজ্জ্বলতাহে

সঞ্চাৰিত কৰিছে। কবিগৰাকীয়ে নীৰস দাৰ্শনিক বিষয় একোটাও কাব্যিক সৌন্দৰ্যমণ্ডিত কৰি তুলিছে। অধিক উদাহৰণলৈ নগৈ ইযাত কবিগৰাকীৰ সুসঙ্গত সংস্কৃত শব্দৰ প্ৰযোগে আনি দিয়া কাব্যিক সুষমাৰ দুটি উদাহৰণ দাঙি ধৰা হ'ল—

অসীম বিয়পি আছে
তৰঙ্গে তৰঙ্গে ভাহি
মুক্তিৰ হিল্লোল
মন্দিৰে মন্দিৰে বাজে
মহা-সুৰ মুক্ত ৰাগিণীৰ
উল্লাস বিপুল।
প্ৰতি প্ৰাণে প্ৰতি মনে
নাই মৃত্যু, নাই ভয়
শিৰাই শিৰাই বয়
বাৰুণীৰ সোঁত—
বাধাহীন উন্মত্ত কল্লোল
দুৰ্বাৰ নিৰোধ গতি
লাগে মুক্তি, মুক্তি।
উত্তিষ্ঠত, জাগ্ৰত ৰবে
প্ৰতিধ্বনি উঠে বাৰে বাৰে
অন্তঃস্থল ভেদি . . . .।[৬]

কবিতাটি সংস্কৃত শব্দৰ তথা 'উত্তিষ্ঠত, জাগ্ৰত'ৰ নিচিনা বাক্যাংশৰ প্ৰয়োগে ওজঃ গুণবিশিষ্ট কৰি তুলিছে। সেইদৰে সংস্কৃত শব্দৰ প্ৰয়োগে শব্দমাধুৰ্যৰ লগতে অৰ্থমাধুৰ্যৰেও সম্পৃক্ত হৈ আছে নলিনীদেৱীৰ কবিতা—

সুনীলিম জলধিৰ পৰা
উঠিলা যিদিনা তুমি
সাগৰ-জীয়াৰী জননী ভাৰতী মোৰ।
নব প্ৰভাতৰ অৰুণালোকত
পিন্ধি ৰত্ন হিমগিৰি চূড়া
কণক কিৰীটি

৫। "এৰি অহা দিনবোৰ', পৃঃ ৩৭।
৬। মুক্তি, 'সপোনৰ সুৰ', পৃঃ ১০৮ ।
৭। ভাৰতী, উক্ত গ্ৰন্থ, পৃঃ ১১১ ।

জ্বলিছিল শত প্ৰভা
জ্যোতিৰ দীপিতি
কঁপিছিল নীলাম্বৰী
নীলাম্বুৰ শুভ্ৰ ফেনৰাশি
লহৰে লহৰে নাচি
ধৌত কৰি কমল চৰণ
ফুলিল সিংহল পদ্ম চৰণ তলত। [৭]

নলিনীদেৱীয়ে ভাৱ অনুসৰিহে তাৰ ব্যঞ্জনাৰ কাৰণে এইদৰে সংস্কৃতীয়া শব্দ ব্যৱহাৰ কৰিছে। কেতিয়াবা সংস্কৃত শব্দপ্ৰয়োগ অতিশয়িত হোৱা যেনো ধাৰণা হয়। যেনে— ৰাজকন্যা লোপমুদ্ৰা আৰু অগস্ত্যৰ ৰামায়ণভিত্তিক কাহিনীৰে ৰচিত নাটিকাখনিৰ ঘোষকৰ উক্তি এনেধৰণৰ—

"নৃত্যছন্দে লীলায়িত, চম্পা সোণবৰণীয়া তৰুলতা, কাজল কলীয়া দুটি হৰিণচকুৰ কটাক্ষত মুনি-মনোহৰা। মণি-মঞ্জীৰ সুশোভিত ৰত্নৰশ্মিত জ্বলে বিদ্যুৎশিখা, বেণী মণিপ্ৰভা যোড়শ বসন্তৰ পৰশত ফুলি উঠা, পিতৃ-মাতৃ স্নেহ-অভিষিক্তা ৰূপৰাণী লোপমুদ্ৰা।" নাটিকাখনিৰ 'স্বপ্নৰূপ' নামটিয়েই তাৰ 'নৃত্যছন্দে লীলায়িত' প্ৰকৃতিৰ সূচনা কৰে। তেনেস্থলত ঘোষকৰ এই সংস্কৃত তৎসম- তত্ত্বৱ শব্দমালাৰে কৰা ঘোষণা বিষয়বস্তুৰ অনুকূল হৈ 'কান্তি' গুণমণ্ডিতহে হৈছে। 'ৰূপৰেখা' নাম দি কবিগৰাকীয়ে যি নখন নৃত্যনাটিকা প্ৰকাশ কৰাৰ ইচ্ছা পোষণ কৰিছিল, এই 'স্বপ্নৰূপ'কে ধৰি তাৰ ছখন নাটিকাৰে কাহিনীভাগ ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ পৰা গ্ৰহণ কৰা হৈছে। এয়া কবিগৰাকীৰ ওপৰত সংস্কৃত ভাষা-সাহিত্যৰ পৰোক্ষ প্ৰভাৱৰ নিদৰ্শন।

নলিনীবালা দেৱীৰ ওপৰত কালিদাসী সাহিত্যৰ প্ৰভূত প্ৰভাৱ পৰিলক্ষিত হয়। কবিৰ 'যুগদেৱতা' নামৰ পুথিত 'দেৱভাষা' আৰু কবি কালিদাস' নামেৰে দুটি কবিতা অন্তৰ্ভুক্ত কৰিছে। কবিৰ অপ্ৰকাশিত 'মেঘদূত' কাব্যৰ ভাঙনিখনৰ 'আগকথা'ত লিখিছে [৯] — "মোৰ জীৱনৰ আগছোৱাতে মহাকবি কালিদাসৰ ৰসপূৰ্ণ 'মেঘদূত' কাব্য পঢ়ি মুগ্ধ হৈ ১৯২৮ চনতে মই মেঘদূত কাব্যৰ ভাঙনি কৰিবলৈ হাতত লওঁ। .. .. .. মূল সংস্কৃতৰ বহুত ভাবাৰ্থ মই কেইবাখনো অসমীয়া-বঙলা মেঘদূতৰ টীকা আৰু ভাষ্যৰ পৰা সংগ্ৰহ কৰোঁ। নলিনীদেৱীয়ে, কালিদাসৰ অমৰ কাব্যৰাজি সুবলা

৮। 'নলিনীবালা দেৱী', ২১৩ পৃষ্ঠাত দিয়া উদ্ধৃতি।
৯। উক্ত গ্ৰন্থ, ২১০ পৃষ্ঠাত নন্দ তালুকদাৰে দিয়া উদ্ধৃতি।
১০। উক্ত গ্ৰন্থ ২০৯ পৃষ্ঠাত উদ্ধৃত।
১১। উক্ত গ্ৰন্থ, ১৯ পৃষ্ঠা।

কণ্ঠেৰে আবৃত্তি কৰিছিল। চিত্ৰকলাবিশাৰদা কবিগৰাকীয়ে বিৰহী যক্ষৰ ছবিও আঁকিছিল ১০। 'সপোনৰ সুৰ' পুথিৰ অন্তৰ্ভুক্ত 'মেঘদূত' কবিতাটিত নলিনীবালাই কাব্য আৰু কবি, উভয়ৰে প্ৰশংসন কৰিছে—

কোন দূৰ অতীতৰ সকাৰ অলকাপুৰত
বিচ্ছেদ-কাতৰ এটি তৰুণৰ হৃদয় উচ্ছ্বাস
ৰচিছিল মহাকবি কালিদাসে কাব্য মেঘদূত
বাজে তাৰ প্ৰতি ছন্দ জগতৰ বিৰহী বুকুত।

...... তোমাৰ ছন্দত কবিবৰ! ফুলি উঠে মানস পাৰত
অতীতৰ দেৱপুৰী মনোমোহা সোণৰ ভাৰত।
সেই বন পুষ্পিত কানন পৰ্বত ভৈৰাম সৰোবৰ
আঁকিছা শতেক ছবি বাৰিষাৰ বসন্ত কালৰ। ইত্যাদি।

কবিগৰাকীয়ে প্ৰণয়ন কৰা 'মেঘদূত'ৰ ভাঙনিটোৱে কবিৰ মানস সৰসীত প্ৰতিবিম্বিত হোৱা ধৰণেৰে ৰূপ পৰিগ্ৰহ কৰিছে। কাব্যখনৰ অন্তিম শ্লোকটিৰ অনুবাদ নলিনীদেৱীৰ লেখনীত এনে ধৰণৰ ১১—

বন্ধুক দূতৰ কাম যদিওবা অনুচিত
তথাপি পাঁচিছো সখা কৰিছোঁ কাতৰ;
অসহনী দুখভৰা দহিছে হৃদয় মোৰ
বাতৰিটি নিয়া মোৰ বিৰহী প্ৰাণৰ।
বাৰিষা গৌৰৱ লৈ দেশে দেশে বিহৰিবা
প্ৰকাশিবা ৰূপশোভা মোহন ৰূপৰ
খন্তেকো বিচ্ছেদ যেন নঘটক তোমাসতে
বিজুলী প্ৰিয়াক লৈ ভোগা সুখ চিৰমিলনৰ।

সংশ্লিষ্ট শ্লোকটিৰ (মেঘদূত ২/৫৪) শাব্দিক অনুবাদ এনে হয়— "হে মেঘ, মিত্ৰতাৰ কাৰণে অথবা মই বিৰহবিধুৰ কাৰণে মোৰ প্ৰতি কৰুণাভাৱেৰে তুমি (ন হি প্ৰকৃষ্টাঃ প্ৰেষ্যন্তে, প্ৰেষ্যন্তে ইতৰে জনাঃ, অৰ্থাৎ শ্ৰেষ্ঠজনক প্ৰেৰণ কৰা নহয়, হীনজনকহে পঠোৱা হয়, এই ধৰণৰ নীতি অনুযায়ী) অনুচিত প্ৰাৰ্থনা কৰা মোৰ এই কাৰ্য সম্পন্ন কৰি বৰ্ষাকালে শ্ৰী-সৌন্দৰ্য বৃদ্ধি কৰা তুমি তোমাৰ বাঞ্ছিত দেশত বিচৰণ কৰা। তোমাৰ যেন কোনোকালে (প্ৰিয়তমা) বিজুলীৰ লগত খন্তেকৰ কাৰণেও বিচ্ছেদ নঘটে।"

ভাৰতৰ গৌৰৱগ্ৰন্থ সংস্কৃত ভাষাত ৰচিত শ্ৰীমদ্‌ভগৱদ গীতা, চমুকৈ গীতা

শাস্ত্রখনিৰ প্ৰভূত প্ৰভাৱ নলিনীবালা দেৱীৰ কবিতাত পৰিলক্ষিত হয়। অকাল বৈধব্যৰ দুখৰ বোজা মূৰ পাতি লৈ পিতৃগৃহলৈ ঘূৰি অহা উনৈছ বছৰীয়া নলিনীবালাৰ হাতত পিতৃ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে তুলি দিছিল এখনি 'গীতা', তেখেতে কৈছিল— "লোৱাঁ আই, এই ভগবদ্‌গীতাই তোমাক জীৱনৰ সঙ্গীৰূপে বাট দেখুৱাব।" "দেউতাকৰ এই বাণীয়ে নলিনীবালাৰ জীৱনত এনে এক স্বৰ্গীয় জ্যোতি পেলাই দিলে, যি জ্যোতিত তেওঁ বিচাৰি পালে, 'সত্য- শিৱ- সুন্দৰ'ক লাভ কৰাৰ পথ। এয়ে নলিনীবালাক আধ্যাত্মিক জীৱন যাপন আৰু আধ্যাত্মিক ভাৱৰ কবিতা ৰচনা কৰিবলৈ প্ৰেৰণা আনি দিলে ১২।" নলিনীদেৱীয়ে তেখেতৰ 'সন্ধিয়াৰ সুৰ'ৰ প্ৰথমখিলা পাতত গীতৰ নিম্নোক্ত শ্লোকটি থাপি দিছে—

অজোহপি সন্নব্যয়াত্মা ভূতানামীশ্বৰোদপি সন্।
প্ৰকৃতিং স্বাসধিষ্ঠায় সম্ভৱম্যাত্মমায়য়া।।

"উৎপীড়িত পঞ্চ-পাণ্ডৱৰ ৰথৰ সাৰথি নাৰায়ণ" যুগধৰ্ম সংস্থাপনৰ অৰ্থে অৱতীৰ্ণ হোৱাৰ কথা নলিনী কবিয়ে বহু স্থলত অৱতাৰণা কৰিছে। ধৰণীৰ ভাৰ সংহাৰ কৰা বিশ্বজয়ীপাৰ্থ মহাবীৰৰ কথাৰে 'যুগবেণু' কবিতাত কোৱা হৈছে—

গীতাবাণী হ'ল প্ৰচাৰিত
ফাল্গুনীয়ে পালে দিব্যজ্ঞান
.. কৰ্মত তোমাৰ অধিকাৰ
ফলাফল বিভুৰ হাতত,
বীৰ তুমি সমৰ বিজয়ী
কৰ্ম তযু সমৰ ক্ষেত্ৰত।

বাল্যকালতে কবিক তেখেতৰ গুৰু গোপালকৃষ্ণ দেই দিয়া উপনিষদ গ্ৰন্থ সমূহো তেখেতে গভীৰভাবে অধ্যয়ন কৰিছিল। কবিজনাৰ মতে—

সুবিশাল ভাৰতৰ জ্ঞানকোষ উপনিষদে
কৈ আছে সদায়ে চিএঞৰি
ভাৰতৰ মনীষাই দি আছে সদায়ে সঁহাৰি।
('ভাৰত বাণী')

'শান্তিপথ' নামৰ পুথিত নলিনী দেৱীয়ে লিখিছে— "সংসাৰৰ আঘাতত জুৰুলা দেহ-মন লৈ জীৱনৰ দীঘলীয়া বাট বুলনিত শান্তিপথ বিচাৰি হাবাথুৰি খাই ফুৰা অশান্ত প্ৰাণত ভাৰতীয় মহান দৰ্শন গীতা উপনিষদৰ পাতে পাতে জিলিকি থকা অপাৰ্থিব পোহৰৰ ৰেঙনিয়ে কাইটীয়া বাটত এছাটি শান্তিৰ শীতল পোহৰ পেলাই

গতিপথত প্ৰেৰণা যোগাইছিল।" ইয়াৰ ফলতে কবিগৰাকীৰ কবিতাত গীতা-উপনিষদৰ অনেক প্ৰতিধ্বনি আমি শুনিবলৈ পাওঁ। গীতাৰ 'বাসাংসি জীৰ্ণানি যথা বিহায় নবানি গৃহ্নাতি নৰোহপৰাণি/ তথা শৰীৰাণি বিহায় জীৰ্ণান্যন্যানি সংযাতি নবানি দেহী" (গীতা ২/২২) শ্লোকৰ অনুৰূপে নলিনীদেবীৰ কবিতাত পাওঁ—

ক্ষয়িষ্ণু দেহাৰ আঁৰত নব সম্ভাই হাঁহে
জীৱনৰ দেখি ৰূপান্তৰ
নতুন দেহীয়ে হাঁহে জীৰ্ণ দেহা চাই
স্থবিৰতা দেখি এই জীৰ্ণ জীৱনৰ।

গীতাৰ কৰ্মবাদৰ গভীৰ প্ৰভাৱ নলিনীবালাৰ কবিতাত বহুস্থলতে প্ৰকট হৈ আছে। 'কঠোপনিষদ'ৰ 'জাগ্ৰত উত্তিষ্ঠত প্ৰাপ্য ৱৰান নিবোধ্য'ত বাণী নলিনীবালাই তেখেতৰ কবিতাত শব্দতঃ ব্যৱহাৰ কৰাৰ দৰে 'শ্বেতাশ্বতৰোপনিষদ'ৰ 'শৃন্বন্তু বিশ্বে অমৃতস্য পুত্ৰাঃ' 'তুমি অমৃতৰ পুত্ৰ, তোমাৰ বিনাশ নাই' (ভাৰত বাণী) বাণীৰ ধ্বনি প্ৰতিধ্বনিও সততে শুনা গৈছে। সেইদৰে এই উপনিষদৰে পৰা 'সত্যমেৱ জয়তে নানৃতম্/সত্যৰ চিৰজয় অন্যথা নহয়' বুলি কবি গৰাকীয়ে 'বিজয়িনী ভাৰতৰ নাই পৰাজয়' কবিতাটিত দৃঢ়তাৰে সৈতে দোহাৰিছে। জীৱাত্মা আৰু পৰমাত্মাৰ তাত্ত্বিক অভিন্নতাও নলিনীদেৱীয়ে বাৰম্বাৰ নিষ্ঠা সহকাৰে উপনিষদ-মাৰ্গৰ পৰাই ঘোষণা কৰিছে —

"কোনো কালে তুমি মই
কোনো ৰূপে হোৱা নাই ভিন্।
. . . ৰ'ম মাথো তুমি মই
আদিহীন অসীম বিশ্বত।" (সমাধি)

সেইদৰে জীৱাত্মা পৰমাত্মাৰ অংশ বুলিও কৈছে—

"তুমি জ্যোতি মই ৰেণু
হে অৰূপ, ৰূপৰ আলয়,
অনুৰূপে অনাদিত
তোমাতেই লীন হ'মগৈ।" *('সমাধি' কবিতা)*

'শ্বেতাশ্বতৰোপনিষদ'ৰ এই উক্তিলৈ আমাৰ মনত পৰে "একো দেৱঃ সৰ্বভূতেষু গূঢ় সৰ্বব্যাপী সৰ্বভূতান্তৰাত্মা" (৬/১১), যেতিয়া আমি নলিনীদেৱীৰ এনেকুৱা কবিতাসমূহলৈ মন কৰোঁ—

"জগতৰ প্ৰতি ৰেণু মাজে

আছা তুমি জানো ভালকৈয়ে।" (*সঁচা নে'*)

কৱিগৰাকীৰ এনেকুৱা কৱিতা সমূহে আমাক পদে পদে সংস্কৃতভাষাৰ অনেক সূক্তিলৈ মনত পেলাই দিয়ে—

"কোন কাৰ জগতৰ কোন কাৰ মৰমৰ
চকুৰ চিনাকি দুদিনৰ,
সসীমৰ ৰূপ তৃষ্ণা অসীমত বুৰ যাব
খহি গ'লে জৰী মৰমৰ।' ('নাটঘৰ')

সংস্কৃতত বহু প্ৰচলিত এইষাৰ বাণীৰ লগত নলিনীদেৱীৰ ভাৱৰ সামঞ্জস্য সুস্পষ্ট—

কা তব কান্তা কান্তে পুত্ৰঃ সংসাৰোদয়মতীৱ বিচিত্ৰঃ।
কস্য ত্বং বা কুতো আয়াতঃ তত্ত্ব চিন্তয় তদিদং ভ্ৰাতঃ।

ৰামায়ণ মহাকাব্যৰ দ্বাৰাও প্ৰভাৱিত কৱিগৰাকীয়ে 'স্বৰ্গাদপি গৰীয়সী' বাক্যাংশ প্ৰয়োগ কৰাৰ উপৰিও 'ছন্দজন্ম' নামৰ দীঘলীয়া কবিতাটিত ('পৰশমণি'ৰ অন্তৰ্ভূক্ত) বাল্মীকি-বনৰ মনোৰম বৰ্ণনা প্ৰস্তুত কৰিছে আৰু ক্ৰৌঞ্চমিথুনৰ দুখত মহাকৱিজনাৰ মুখৰপৰা নিঃসৃত হোৱা 'মা নিষাদ-ত্বমগমঃ' ইত্যাদি শ্লোকটি কৱিতাটিত সংযোজিত কৰি দিছে।

নলিনীবালা দেৱীক কৰ্মবীৰ পিতৃয়ে গীতাখনিৰ লগতে স্বামী পূৰ্ণানন্দগিৰিয়ে ৰচনা কৰা 'বেদৱাণী' বোলা গ্ৰন্থৰ খণ্ড তিনিটিও উপহাৰ দি 'বিস্তীৰ্ণ কৰ্মপথ আৰু কৰ্তব্যপথ'ৰ মহামন্ত্ৰ দান কৰিছিল ('এৰি অহা দিনবোৰ', পৃঃ ৬১)। বৈদিক আদৰ্শৰ নানান অনুপ্ৰেৰণাৰ ভিতৰত নলিনী দেৱীৰ ওপৰত বৈদিক মহীয়সীসকলৰ উদাত্ত চৰিত্ৰৰ প্ৰভাৱ অতি গভীৰ। বেদৰ মন্ত্ৰদ্ৰষ্টা নাৰী ঋষি ব্ৰহ্মবাদিনী বাকৰ দৰে 'মই ভাৰতৰ নাৰী' ('অলকানন্দা') নামৰ কৱিতাত নলিনীবালাই নিজকে 'মহান শক্তিৰ হেতু' ৰূপে উপলব্ধি কৰিছে— 'আবিৰ্ভূতা উষা মই প্ৰাক্‌স্বৰ্ণালীৰ', 'সাবিত্ৰীমণ্ডলৰ জ্যোতিশিখা মই/মহা গায়ত্ৰী ৰূপে হ'লোঁ জ্যোতিষ্মতী' আৰু

শ্ৰুতি স্মৃতি কণ্ঠত পিন্ধিলোঁ গালোঁ বেদ গান
ঋষিকন্যা 'বাক' মই নাদধাৰিণী,
........আত্ৰেয়ী মই
.... গাৰ্গী সূৰ্যা ঘোষা বিশ্ববাৰা লোপামুদ্ৰা মই"

'মাৰ্কণ্ডেয়পুৰাণ'ত 'চণ্ডী'ৰ অন্তৰ্ভূক্ত বেদৰ বাক্ ঋষি প্ৰণীত 'বাক্‌সূক্ত', য'ত

অম্ভৃণ ঋষিৰ কন্যাই নিজকে সৰ্বদেৱময় ব্ৰহ্ম বুলি ব্যক্ত কৰিছে। নলিনীবালায়ো নিজৰ মাজত দেৱীৰ শক্তি উপলব্ধি কৰিছে—

নাৰী মই, প্ৰাণত বাজিছে মোৰ
তড়িৎ শক্তিৰ শিখা, চিৰ অনিৰ্বাণ।
নৃমুণ্ডমালিনী ৰূপা মই
অৰাতি অসুৰৰ ত্ৰাসকাৰিণী
মহাচণ্ডী ৰূপা মই মহিষাসুৰমৰ্দিনী।

'যুগবেণু' কবিতাত নাৰায়ণক এইদৰে আহ্বান কৰিছিল—

আহাঁ আজি যুগবেণুধাৰী
সুদৰ্শন ৰথচক্ৰ ধৰি
পাঞ্চজন্য বজোৱা আকৌ
বসুধাৰ হৃদয় বিদাৰি
.... সত্যালোক পেলোৱা ধৰাত
মানৱক দিয়া সত্য জ্ঞান

('সপোনৰ সুৰ' পুথিত)

'অলকানন্দা' পুথিৰ মাতৃবন্দনা' কবিতাত বিশ্বৰ কল্যাণকাৰিণী ৰূপে দশভূজা দেৱীক এই একেদৰেই আহ্বান জনাইছে—

জাগা জ্যোতিস্বৰূপা মূৰতি
দশভূজে ধৰি আয়ুধ জ্যোতি
ত্ৰিদিব তেজে দশভূজা হোৱা জননী
দশ আয়ুধে সংহাৰ কৰা
অজেয় আসুৰী শকতি। ইত্যাদি।

এইদৰে কাব্যভাৰতী নলিনীদেৱীৰ কবিতাত সংস্কৃত ভাষা-সাহিত্যৰ প্ৰভূত প্ৰভাৱ পৰিছে আৰু তাৰ দ্বাৰা কবিগৰাকীৰ কবিতাৰ ভাষা, ছন্দ আৰু ৰস-ভাৱৰ ব্যঞ্জনাই গম্ভীৰ ৰূপলাভ কৰিছে। সংস্কৃতৰ ভাষা-সাহিত্যৰপৰা আহৰণ কৰা সুষমাই নলিনীবালাৰ কবিতাক গৰিমামণ্ডিত কৰি তুলিছে। ■

নলিনী-কাব্যত ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰভাৱ

✍ ড° লিলি ৰাজবংশী

অসমৰ সাহিত্য জগতত এক অনন্য স্বাক্ষৰ ৰাখি যোৱা মহিলা কবি স্বনাম ধন্যা নলিনীবালা দেৱীৰ পৰিচয় নতুনকৈ দিয়াৰ প্ৰয়োজন নাই। আন ৰচনাৰাজিৰ কথা বাদ দি যদি তেওঁৰ কবিতা সমূহলৈ মনোনিৱেশ কৰা যায় তাতো আমি নলিনীদেৱীৰ ক্ৰমাগত ভাবে উৰ্ধমুখী মনটোৰ পৰিচয় দেখিবলৈ পাওঁ। সৰু সৰু নিজৰা লগ লাগি নদীৰ সৃষ্টি হৈ বহু নদীৰ বাৰিধাৰাৰ মিলনত সাগৰ উৎপত্তি হোৱাৰ দৰে নলিনীদেৱীৰ কবি মনটোও পোনতে 'পিতাৰ' জৰিয়তে জন্ম লৈ জীৱনৰ 'পুৱা'ৰ ভাগতে 'নিৰাশা'ৰ 'বীণ' বাই 'অচিন পখী'ৰ দৰে 'এন্ধাৰ' নেওচি 'পৰম তৃষ্ণাত আকুলিত হৈ 'ভাগৰুৱা' মনেৰে বিভূক 'সাৰথি' কৰি জীৱন যাত্ৰাত আগবাঢ়ি শান্তিসুধাময় পৰমাত্মাত বিলীন হৈ গৈছিল।

নলিনীবালা দেৱী এগৰাকী অতীন্দ্ৰিয়বাদী কবি। তেওঁৰ লক্ষ্য হ'ল— ইন্দ্ৰিয়ৰ অতীত শক্তিৰ ৰহস্য উদঘাটন কৰি পৰম শান্তি লাভ কৰা। তেওঁৰ যাত্ৰা পথ বহুধা বিভক্ত; চিন্তা-বৈচিত্ৰ্য ব্যাপক, দৃষ্টি গভীৰ, আৰু উপলব্ধি ৰহস্যঘন। মৰ্ত্যৰ পৰা স্তৰে স্তৰে উধাই গৈ সত্য-শিৱ সুন্দৰৰ অমৃতস্থানত উপনীত হোৱাই নলিনীবালা দেৱীৰ আকাশী আকাংক্ষা। এনে পূতময় আবেগৰ স্বাক্ষৰ বহন কৰিছে তেওঁৰ কবিতাৰাজিৰ সামগ্ৰিক পৰিণতিয়ে।

মাত্ৰ এঁকৈশ বছৰ বয়সতে বৈধব্য বৰণ কৰি শিৱ সাগৰৰ পৰা গুৱাহাটীৰ পিতৃগৃহত উপস্থিত হওঁতে স্থিতপ্ৰজ্ঞ পিতৃয়ে আদৰৰ জীয়াৰী নলিনী বালা দেৱীক মহাশ্বেতা হ'বলৈ দৃঢ় কণ্ঠে আশীৰ্বাদ দিছিল। অসহনীয় বেদনাৰ ভাৰাক্ৰান্ত মন এটা লৈ প্ৰকৃত পথৰ সন্ধান বিচাৰি নিশ্চুপ হৈ পৰাৰ সময়তে এক অনন্য জীৱনী শক্তি লাভ কৰিলে দেউতাকৰ মুখত শুনা এফাঁকি কবিতা বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ

"নিবিয়া বাচিল নিশাৰ প্ৰদীপ
উষাৰ বাতাস লাগি।"

এই ফাঁকি কবিতাৰ ভাৱৰ গধুৰতাই নলিনীবালা দেৱীৰ অশান্ত মনত সোণৰ কাঠিৰ পৰশ বুলাই গ'ল। এনেকৈয়ে কবি গুৰুৰ প্ৰভাৱে লাহে লাহে দখল কৰি

আনিলে কবিৰ মনোজগত। করুণ কোমল সুৰেৰে তেওঁ প্ৰাৰ্থনা কৰিলে ৰবি ঠাকুৰৰ সেই এফাঁকি কবিতাৰে—

দুঃখ দিছ যদি তাহে নহে ক্ষতি
সহিবাৰে দেহ শকতি।

এনেকৈয়ে অতি নিয়াৰিকৈ পৰবৰ্তী জীৱন পাৰি দিয়াৰ স্বচ্ছল পথ বিচাৰি ললে নলিনীবালা দেৱীয়ে। পিছলৈ তেওঁৰ দুখময় জীৱনৰ নিবিড় মুহূৰ্তবোৰৰ লগত সামঞ্জস্য থকা ৰবী ঠাকুৰৰ 'গীতাঞ্জলি'ৰ আবেগ ৰঞ্জিত ভাৱৰাশি আৰু প্ৰাণ পৰশা সুৰৰ ব্যঞ্জনাই নলিনীবালা দেৱীক পৰম শান্তি প্ৰদান কৰিছিল। অতি শৃঙ্খলিত ভাবে মনৰ কোঠা দখল কৰি লোৱা ৰবীন্দ্ৰ নাথ ঠাকুৰৰ গীতবোৰ আঁওৰাই যেন পৰম শান্তি লাভ কৰিছিল তেওঁ।

আমাৰ মাথা নত কৰে দাওহে তোমাৰ
চৰণ ধুলাৰ তলে।
সকল অহঙ্কাৰ হে আমাৰ
ডুবাও চোখেৰ জলে।

এইয়া অকল ৰবি ঠাকুৰৰ দাৰ্শনিক মনৰ প্ৰাণৰ আকুতি নহয়, নলিনীবালা দেৱীৰো বেদনা বিগলিত মনৰ সান্ত্বনাৰ বিভূতি। এই গীতৰেই ধ্বনি-প্ৰতিধ্বনি অনুৰণিত হৈছে তেওঁৰ 'ভিখাৰী' কবিতাত।

আজি পতা নাই হাত প্ৰিয়
তোমাৰ কাষত
হৃদয়ৰ নাই ব্যাকুলতা,
বিসৰ্জিলো ভিক্ষা মোৰ
জীৱনৰ সমাধি ক্ষেত্ৰত
আজি মোৰ নাই কাতৰতা।

নলিনী বালা দেৱীৰ "সপোনৰ সুৰ" আৰু "পৰশ মণি" পুথি দুখনৰ বেছিভাগ কবিতাতে ৰবি ঠাকুৰৰ দাৰ্শনিক মনৰ ছাঁ বিৰিঙি উঠিছে। অকল 'গীতাঞ্জলি'য়েই নহয়, বিশ্ব কবি জনাৰ 'সঞ্চয়িতা'ৰ অন্তৰ্গত আটাইবোৰ কাব্য গ্ৰন্থকে নলিনী বালা দেৱীয়ে অধ্যয়ন কৰিছিল আৰু তাৰেই প্ৰভাৱত তেওঁৰ মনত অতীন্দ্ৰিয় ভাৱধাৰা, চিত্ৰকল্প, ছন্দ-কলা আদি দিশবোৰ উজ্জ্বল হৈ পৰিছিল।

'ৰবীন্দ্ৰ তৰ্পণ'ত নলিনীবালা দেৱীয়ে লিখিছে—

হে উদিত ভাৰত ভাস্কৰ।
আনিছিলা জনমৰ লগে লগে
মৃত্যুহীন প্ৰাণ
অসংখ্য বন্ধন মাজে
লভিলা মুক্তিৰ স্বাদ মহানন্দময়
তুমি বিশ্ব মানৱৰ
প্ৰতি প্ৰাণে প্ৰাণে সুৰৰ পৰশে
কৰি গলা মহাপ্ৰাণ
মৰণতো দান!

এই গৰাকী মনিষী কবিৰ কাব্যৰ প্ৰভাৱ নলিনী কাব্যত নানা ভাবে পৰিছে। কেৱল ৰবি ঠাকুৰৰ ভাবাদৰ্শ আৰু চিত্ৰকল্পৰেই যে প্ৰভাৱ পৰিছে তেনে নহয়, ছন্দ সজ্জাৰ আদৰ্শও নলিনী-কাব্যত বিদ্যমান। ৰবীন্দ্ৰ নাথ ঠাকুৰে ভাৰতীয় পৌৰাণিক ছন্দ যেনে— পয়াৰ, দুলড়ী, ছবি, লেচাৰী, ঝুনা আদি প্ৰয়োগ কৰাৰ উপৰি তেওঁ নিজস্ব ৰুচিৰে আন কিছুমান নতুন ৰীতিৰ ছন্দ প্ৰয়োগ কৰিছে। এনে ছন্দ-সজ্জাক ৰাবীন্দ্ৰিক ৰীতি বুলিব পাৰি। এনে আদৰ্শ অনুসৰিয়েই নলিনীবালা দেৱীয়েও ছন্দ সজ্জা উপস্থাপন কৰা পৰিলক্ষিত হৈছে। ৰবীন্দ্ৰ নাথে 'সোণাৰতৰী' কাব্যৰ অন্তৰ্গত 'পুৰস্কাৰ' কবিতাটোৰ ছন্দসজ্জা উপস্থাপন কৰিছে এনে ধৰণে—

গাথিছ ছন্দ দীৰ্ঘ হ্ৰস্ব
মাথা ও মুণ্ড, ছাই ও ভস্ম,
মিলিবে কি তাহে হস্তী অশ্ব,
না মিলে শস্য কণা।
অন্ন জোটে না, কথা জোটে মেলা
নিশি দিন ধৰে একী ছেলেখেলা
ভাৰতীৰে ছাড়ি ধৰো এই বেলা
লক্ষীৰ উপাসনা।

একে ছন্দ ৰীতিৰে নলিনীবালা দেৱীয়ে লিখিছে—

পৰ্বতৰ ভৈয়ামৰ তুলি বনৰীয়া ফুল
সাজিম তোমাৰ দ'ল
সোণৰ মুকুতাৰে
চৰণত দিম ঢালি
মোৰ শেষ পুষ্পাঞ্জলি

বন্দনাৰ দীপাৱলী
আৰতি শিখাবে।

ৰবি ঠাকুৰে সকলো কবিতাতে ছন্দৰ ধৰা বন্ধা নিয়ম ৰক্ষা কৰা নাই। তেওঁৰ আৱেগ-অনুভূতি প্ৰকাশৰ গতি একেটা নিয়মত চলা নাই। ক্ষেত্ৰ আৰু প্ৰসঙ্গ অনুযায়ী ছন্দৰ ৰীতি সলনি হলেও প্ৰয়োগত বিশৃঙ্খল ঘটা নাই। এটা পৰম্পৰা ৰীতিৰ পৰা ফালৰি কাটি আহি ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ছন্দই ক্ষেত্ৰ বিশেষে সুকীয়া ৰূপ লোৱাত কবিৰ মনৰ বিশেষ শৈল্পিক গুণ ফুটি উঠিছে। এনে ধৰণৰ লক্ষণ নলিনীবালা দেৱীৰ কবিতাতো দেখা যায়। কবিৰ 'দেৱতাৰ বাণী' কবিতাটো পঢ়িলেই বুজা যায়—

যুগ যুগ আকাঙ্খাৰ সাধনা শেষত
শঙ্খ ঘন্টা-মৃদঙ্গৰ আৰতিৰ মহা উৎসৱত
বাঙলী চন্দন সানি মাতৃ চৰণত
পূজাৰীয়ে মাগিলে মেলানি।
সৰগ পথত ৰৈ দিব্য বিমানত
জ্যোর্তিময় দেৱতাই কলে—
নাই, ভয় নাই,
ভাৰতৰ আকাশে বতাহে
প্ৰতিধ্বনি বাজিছে দুনাই
বুকুৰ তেজেৰে মচি আহিলো আঁতৰি
গ্লানি অকল্যাণ অভিশাপ
অভিশপ্ত ভাৰতৰ শান্তি শুদ্ধি হ'ক
দূৰ হওক হিংসা দ্বেষ পাপ।

এইয়া নলিনীবালা দেৱীৰ আৱেগ প্ৰবাহৰ বৈচিত্ৰ মাথোন। এনে ছন্দ বৈচিত্ৰৰ প্ৰসঙ্গত পূৰ্বসূৰী হিচাবে ৰবীন্দ্ৰ নাথৰ প্ৰভাৱ স্মৰণ কৰিব পাৰি। □

নলিনীবালা দেৱী আৰু মহাদেৱী বৰ্মাঃ
এটি তুলনামূলক বিচাৰ

✍ ডঃ নীৰাজনা মহন্ত বেজবৰা

কোনো এটা বিষয় উপস্থাপন কৰোঁতে তাৰ লগত সঙ্গতি থকা আন কোনো বিষয়ৰ বা প্ৰসঙ্গৰ অৱতাৰণা কাৰ্য আমাৰ দৈনন্দিন জীৱনৰ বিভিন্ন কাৰ্যকলাপত তেনেই সাধাৰণ ঘটনা। সাহিত্যৰ আলোচনাৰ ক্ষেত্ৰতো কোনো এক সাহিত্যিক প্ৰসঙ্গ ৰ লগত সঙ্গতি থকা গ্ৰন্থ, সাহিত্যিকৰ উল্লেখ কৰা কথাটো সাহিত্য আলোচনাৰ সমানেই পুৰণি। কিন্তু লাহে লাহে কোনো এক সাহিত্য বা সাহিত্যিকৰ বিষয়ে আলোচনা কৰোঁতে প্ৰসঙ্গক্ৰমে নহৈ উদ্দেশ্য প্ৰণোদিতভাবে অন্য সাহিত্য বা সাহিত্যিকৰ বিবিধ প্ৰসঙ্গৰ অৱতাৰণা কৰিবলৈ লোৱা হ'ল। অন্য প্ৰকাৰে ক'বলৈ গ'লে একাধিক সাহিত্য বা সাহিত্যিকৰ পৰস্পৰ সম্পৰ্ক জড়িতভাৱে আলোচনা কৰিবলৈ লোৱা হ'ল। সাহিত্যৰ এনে অধ্যয়নে 'তুলনামূলক অধ্যয়ন' নাম পালে।

মানুহে নিজে লাভ কৰা জ্ঞান বা অন্য যিকোনো জনা বিষয় একেধৰণৰ অন্য বিষয়ৰ লগত মিলাই চাবলৈ বিচাৰে। এনে কৰিলে মূল বিষয়টোৰ স্পষ্ট আৰু পুংখানুপুংখ জ্ঞান লাভ কৰাত সহায় হয়। পৃথিবীৰ মানৱ মাত্ৰৰে সুখ-দুখ, হাঁহি-কান্দোন, আশা-আকাংক্ষা একেধৰণৰ। সাহিত্যত মানুহৰ বুদ্ধি আৰু অনুভূতিৰ প্ৰকাশ ঘটে। ৰাষ্ট্ৰ, ভাষা, সমাজ-সংস্কৃতি আৰু ৰচনাকালৰ ভিন্নতাৰ সীমা অতিক্ৰম কৰি বিভিন্ন দেশৰ, বিভিন্ন সময়ৰ সাহিত্যই মানৱজাতিৰ চিন্তন একতাৰ সাক্ষ্য দাঙি ধৰে। সেয়েহে ৰাষ্ট্ৰ, ভাষা আদিক লৈ সাহিত্যত সৃষ্টি হোৱা সমস্ত উপৰুৱা বৈষম্য অস্বীকাৰ কৰি 'বিশ্বসাহিত্য', 'তুলনামূসক সাহিত্য' আদিৰ নিচিনা ধাৰণাই "সাহিত্য মানেই এক" বুলি বিশ্বৰ সাহিত্যিক একতাৰ কথা যোৱা দুই-তিনিটা শতিকা ধৰি প্ৰতিষ্ঠা কৰাৰ যত্ন কৰি আহিছে। এনে ধাৰণাৰ পৰা প্ৰেৰণা লৈ পৰস্পৰ সম্পৰ্কজড়িতভাৱে অথবা তুলনামূলক দৃষ্টিৰে কৰা সাহিত্যৰ অধ্যয়নৰ সহায়ত আমি বাস্তৱক্ষেত্ৰত বিভিন্ন সাহিত্যৰ মাজত ভাৱবস্তু আৰু শিল্পবস্তু উভয়ক্ষেত্ৰতে চমকপ্ৰদ সাদৃশ্যও দেখিবলৈ পাইছোঁ। এই সাদৃশ্যসমূহে সাহিত্যৰ সাৰ্বজনীনতা আৰু লগতে উদঘাটিত বৈসাদৃশ্যসমূহে বিভিন্ন জাতীয় সাহিত্য আৰু বিভিন্ন সাহিত্যিকৰ স্বকীয় গুণবিশিষ্টতাসমূহ স্পষ্ট কৰে। যোড়শ শতিকাত ইউৰোপত বীজ ৰোপিত হৈ ক্ৰমাগতভাৱে বিকশিত হৈ আহি চলিত শতিকাত স্বতন্ত্ৰ বিদ্যায়তনিক অনুশাসন (academic discipline) হিচাপে

প্ৰতিষ্ঠা লাভ কৰা 'তুলনামূলক সাহিত্য'ই পৃথিৱীৰ বিভিন্ন সাহিত্যত এইধৰণৰ সাৰ্বজনীনতা আৰু স্বকীয় বিশিষ্টতা উদঘাটনৰ যোগেদি সাহিত্যৰ সনাতন মূল্য নিৰূপণৰ লগতে সাহিত্য বা সাহিত্যিক বিশেষৰ নিজা গুণধৰ্ম নিৰূপণৰ দিশত কাৰ্যশীল হৈ আছে।

একাধিক সাহিত্য বা সাহিত্যিকৰ মাজৰ সাদৃশ্যৰ কাৰণ কেইবাধৰণৰো হ'ব পাৰে— (১) কোনো এবিধ সাহিত্য বা এজন সাহিত্যিকৰ দ্বাৰা আনবিধ বা আনজন প্ৰভাবিত হোৱা, (২) তৃতীয় এক বা একাধিক কিছুমান বিষয়বদ্বাৰা আলোচ্য সাহিত্য বা সাহিত্যিকসকল প্ৰভাবিত হোৱা অথবা এই গোটেইবিলাক কোনো এক বৃহৎ পৰম্পৰাৰ অন্তৰ্ভুক্ত হোৱা, আৰু (৩) ওপৰত উনুকিওৱা দুইধৰণৰ সম্পৰ্কৰ লগত কোনো ধৰণৰ সংযোগ নোহোৱাকৈয়ে মানৱজাতিৰ অভিজ্ঞতা আৰু চিন্তন একতাৰ ভিত্তিতে হোৱা সাদৃশ্য। তুলনামূলক সাহিত্যই ক্ৰমে (১) প্ৰভাৱমূলক অধ্যয়ন (২) পৰম্পৰা অধ্যয়ন আৰু (৩) সাদৃশ্য সম্বন্ধমূলক অধ্যয়ন পদ্ধতিৰে বিভিন্ন সাহিত্য বা সাহিত্যিকৰ মাজৰ এনেধৰণৰ সম্বন্ধবিলাকৰ বিষয়ে অধ্যয়ন চলায়। কোনো পুৰস্কাৰ প্ৰাপ্তি অথবা অন্য প্ৰকাৰে সৌভাগ্য লাভ কৰিলেও সাহিত্যকৃতি অথবা সাহিত্যিক সম্পৰ্কীয় অধ্যয়নে বিশেষ কিছুমান দিশ লাভ কৰিব পাৰে। এনেবিলাক কথা তুলনামূলক সাহিত্যৰ স্বীকৃতি অধ্যয়ন পদ্ধতিয়ে সামৰি লয়। তুলনামূলক আলোচনা পদ্ধতি নামৰ অন্য এক পদ্ধতিয়ে একাধিক কৃতি বা সাহিত্যিকৰ মাজত সাধাৰণভাৱে তুলনা কৰি সাদৃশ্য আৰু বৈসাদৃশ্যসমূহৰ উদঘাটন কৰে।

বিংশ শতিকাত ভাৰতীয় সাহিত্যই নতুন নতুন ধৰণৰ সাজ পৰিধান কৰিছে। ইয়াৰে কিছুমান সাজ বাহিৰৰ পৰা আমদানি কৰা। কিছুমান নতুন পৰিবেশৰ পৰিপ্ৰেক্ষিতত পুৰণি ভাববস্তু-শিল্পবস্তুৰেই নতুনকৈ নিৰ্মাণ কৰা। অসমীয়া ভাষাৰ নলিনীবালা দেৱী আৰু হিন্দী ভাষাৰ মহাদেৱী বৰ্মা—— এই দুগৰাকী মহিলা কবিয়ে এই শতিকাৰ দ্বিতীয় দশকৰ পৰা সত্তৰৰ দশকলৈকে ভাৰতীয় কবিতাক বিশিষ্ট পৰিধান পিন্ধাইছিল। পৰস্পৰ সম্পৰ্কলৈ নহাকৈয়ে দুয়ো গৰাকীয়ে তৈয়াৰ কৰি উলিওৱা 'কবিতাৰ সাজ'ৰ কিন্তু অদ্ভুত অনুপম সাদৃশ্য আছে। এই দুগৰাকী কবিৰ কাব্যকৰ্মৰ পৰস্পৰ সম্পৰ্কজড়িত ভাবে কৰা আলোচনাই ব্যক্তিগতভাৱে কবি দুগৰাকীৰ কাব্য প্ৰতিভা আৰু কাব্যকৰ্মৰ মূল্যায়নৰ লগতে সামগ্ৰিকভাৱে ভাৰতীয় কবিতাৰ মূল্যায়নতো বিশেষ অৰিহণা যোগাব পাৰে।

তুলনামূলক সাহিত্যৰ বিভিন্ন অধ্যয়ন পদ্ধতিবিলাকৰ ভিতৰত নলিনীবালা আৰু মহাদেৱীৰ আলোচনাৰ ক্ষেত্ৰত প্ৰভাৱ অধ্যয়ন পদ্ধতিক বাদ দি বাকী কেইটা পদ্ধতি

প্ৰযোজ্য। এই দুগৰাকী কবিৰ ক্ষেত্ৰত প্ৰভাৱক আৰু প্ৰভাৱিতৰ সম্পৰ্ক স্থাপন অবাস্তৱ বাবেই এই পদ্ধতি প্ৰযোজ্য নহয় বুলি কোৱা হৈছে। এই আলোচনাত (১) ব্যক্তিগত জীৱন, (২) পৰম্পৰা তথা কাব্যধাৰা, (৩) কাব্যবস্তু, (৪) শিল্পবস্তু আৰু (৫) নলিনীবালা দেৱী আৰু মহাদেৱী বৰ্মাৰ ক্ৰমে অসমীয়া আৰু হিন্দী সাহিত্যত স্থান নিৰূপণ — এই পাঁচোটি শীৰ্ষকেৰে দুয়োগৰাকী কবিৰ তুলনামূলক মূল্যায়ণ আৰু তাৰ যোগেদি ভাৰতীয় কাব্য-সাহিত্যৰ ৰোমান্টিক ৰহস্যবাদী ধাৰাত সাধাৰণভাবে দৃষ্টিপাত কৰিবলৈ বিচৰা হৈছে। এই ক্ষেত্ৰত উল্লিখিত শীৰ্ষকসমূহৰ প্ৰথম শীৰ্ষকত সাদৃশ্য সম্বন্ধমূলক, দ্বিতীয় শীৰ্ষকত পৰম্পৰা অধ্যয়ন, তৃতীয় আৰু চতুৰ্থ শীৰ্ষকত তুলনামূলক আলোচনা আৰু অন্তিম শীৰ্ষকত তুলনামূলক সাহিত্যৰ স্বীকৃতি অধ্যয়ন পদ্ধতিৰ সহায় লোৱা হ'ব।

(১) ব্যক্তিগত জীৱন ঃ

প্ৰাচীন ভাৰতৰ সাহিত্য আলোচনাত সাহিত্যৰ সাৰ্বজনীনতাক অধিক গুৰুত্ব সহকাৰে গ্ৰহণ কৰি কবি ব্যক্তিত্বত গুৰুত্ব দিয়া নহৈছিল। কিন্তু কবি ব্যক্তিত্ব অনুসৰি একে বস্তু বা একে শিল্পই বেলেগ ৰূপ ধাৰণ কৰাৰ কথাটো আজি সৰ্বজনবিদিত। এই দৃষ্টিৰে কবিৰ ব্যক্তিগত জীৱনে সাহিত্যৰ আলোচনাত বিশেষ স্থান পায়। নলিনীবালা দেৱী আৰু মহাদেৱী বৰ্মা সমসাময়িক হ'লেও ব্যক্তিগতভাবে এগৰাকীৰ দ্বাৰা আন গৰাকী অথবা কোনো গৰাকীৰ সৃষ্টিকৰ্মৰ দ্বাৰা অন্য গৰাকীৰ ব্যক্তিত্ব অথবা সৃষ্টিকৰ্ম প্ৰভাৱিত হোৱাৰ কোনো সম্ভাৱনা নাই। পৰম্পৰে পৰস্পৰক নজনাকৈয়ে নিজৰ নিজৰ ভূমিত দুয়ো বিকশিত, পত্ৰিত, পুষ্পিত হৈছে। ইমানতো যদি তেওঁলোকৰ ব্যক্তিত্বৰ সমতা দৃষ্টিগোচৰ হয়, তেনে প্ৰধানকৈ তাৰ দুটা কাৰণ হ'ব পাৰে— (১) পাৰিবাৰিক পৰিস্থিতিৰ আকস্মিক সাদৃশ্য আৰু (২) বিংশ শতিকাত সমগ্ৰ ভাৰতবৰ্ষতে একেধৰণৰ ৰাজনৈতিক-সামাজিক-সাংস্কৃতিক পৰিবেশ।

জন্মসূত্ৰে লাভ কৰা পাৰিবাৰিক পৰিবেশৰ ক্ষেত্ৰত নলিনীবালা আৰু মহাদেৱী দুয়ো ঐশ্বৰ্যশালী সুসংস্কৃত পৰিয়ালত জন্ম লাভ কৰি উন্নত ভাৰতীয় সংস্কাৰত লালিতা-পালিতা হৈছে। নলিনীবালাৰ পিতৃ "অসমৰ মুকুটবিহীন সম্ৰাট" কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ আৰু তেখেতৰ পৰিয়ালৰ চিনাকি অসমীয়া পাঠকৰ আগত বেলেগে দাঙি ধৰাৰ প্ৰয়োজন নাই। ওকালতি নলিনীবালাৰ পিতৃ নবীন চন্দ্ৰ বৰদলৈৰ বৃত্তি আছিল যদিও তেখেত ইয়াৰ উপৰিও ৰাজনীতিবিদ, শিক্ষাবিদ, গীতিকাৰ, গায়ক, সাহিত্যিক হোৱাৰ লগতে আজৰি পৰত জনসেৱাৰ মাধ্যম হিচাপে হোমিওপেথি চিকিৎসাৰো অনুশীলন কৰিছিল। এইজন পিতৃৰ পৰা নলিনীবালাই সমাজসেৱা, শিক্ষা আৰু সাহিত্য চৰ্চাৰ বাবে উৎসাহ-উদ্দীপনা লাভ কৰিছিল। সেইদৰে তেওঁৰ আধ্যাত্মিক

জীৱনবো গুৰিতে পিতৃ নবীন চন্দ্ৰ বৰদলৈ। এইকথা আত্মজীৱনী "এৰি অহা দিনবোৰ"ত কৰিয়ে নিজেই উল্লেখ কৰিছে। পৰিয়ালৰ তথা অন্য বিভিন্ন সম্বন্ধীয় লোকসকলৰ ভিতৰত আইতাকৰ পৰা ভাৰতীয় কলা-সংস্কৃতি আৰু অসমৰ ভাষা-সংস্কৃতিৰ বৈশিষ্ট্যৰে তাৰ পৰাই স্বকীয় ৰূপ বিশিষ্টতা গ্ৰহণ কৰা অসমীয়া কলা-সংস্কৃতিৰ জ্ঞান আহৰণ কৰিছিল। তেওঁক পঢ়াশলীয়া শিক্ষা দিয়া হোৱা নাছিল যদিও গুৱাহাটীৰ বচা বচা শিক্ষকৰদ্বাৰা ঘৰতে সংস্কৃতৰ উপৰি ইংৰাজী, ভূগোল, গণিত আদিৰ শিক্ষা দিয়া হৈছিল।

নলিনীবালাৰ জন্মৰ (১৮৯৮ ৰ) পৰা ৯ বছৰৰ পিছত ১৯০৭ চনত উত্তৰ প্ৰদেশৰ ফাৰুখাবাদ নামৰ ঠাইত ডাঃ গোবিন্দ প্ৰসাদ বৰ্মাৰ ঘৰত মহাদেৱীয়ে জন্ম গ্ৰহণ কৰিলে। মধ্যপ্ৰদেশৰ ইন্দোৰত শিক্ষা জীৱনৰ পাতনি মেলা মহাদেৱীয়ে পিচলৈ প্ৰয়াগ বিশ্ববিদ্যালয়ৰ পৰা বি. এ আৰু সংস্কৃতত এম, এ ডিগ্ৰী লাভ কৰিছিল। মহাদেৱীয়ে তেওঁৰ পিতৃৰ পৰা ভাৰতীয় দৰ্শনৰ জ্ঞান আৰু মাতৃ হেমৰাণীৰ পৰা ভাৰতীয় কলা-সংস্কৃতিৰ জ্ঞান লাভ কৰিছিল।

নলিনীবালা দেৱী আৰু মহাদেৱী বৰ্মাৰ জীৱনৰ আৰম্ভণিৰ কালছোৱা ভাৰতবৰ্ষ জুৰি পুনৰ জাগৰণ আৰু স্বাধীনতা আন্দোলনৰ যুগ। পৰিয়ালৰ বাহিৰৰ-ভিতৰৰ সকলোখিনি মিলাই আমি নলিনীবালা আৰু মহাদেৱীৰ ব্যক্তিত্ব, জীৱন দৰ্শন আৰু কৃতিত্বৰ অদ্ভুত সাদৃশ্য দেখিবলৈ পাওঁ। মন কৰিবলগীয়া যে এই সাদৃশ্য কেৱল দুয়োৰে কবিব্যক্তিত্ব আৰু কবিকৰ্মৰ মাজতেই সীমাবদ্ধ নহয়, বৰঞ্চ তেওঁলোকৰ সমস্ত জীৱন আৰু কৰ্ম জুৰি এই অনুৰূপতা বিদ্যমান। কবি দুগৰাকীৰ সামগ্ৰিক ব্যক্তিত্ব ফুটাই তুলিব পৰা প্ৰধান কেইটিমান দিশ থূলমূলকৈ এনেধৰণৰঃ—

(ক) দুয়োগৰাকী পৰিপাটি আৰু কলাসুলভ ৰুচিসম্পন্না। যিকোনো ব্যক্তিৰে মনত প্ৰথম দৰ্শনতে শ্ৰদ্ধা আৰু আত্মীয়তাৰ ভাব জগাই তুলিব পৰা মাতৃমূৰ্তি স্বৰূপা।

(খ) কাব্যৰ ক্ষেত্ৰত অধিক প্ৰসিদ্ধি লাভ কৰিছে যদিও দুয়ো কুশল গদ্য লেখিকাও। নলিনীবালাই আত্মজীৱনী 'এৰি অহা দিনবোৰ'ৰ উপৰি নবীন চন্দ্ৰ বৰদলৈৰ (স্মৃতিতীৰ্থ, ১৯৪০) তথা আৰু দুখন জীৱনী গ্ৰন্থ ৰচনা কৰিছিল। 'শান্তিপথ' তেওঁৰ প্ৰবন্ধ সংকলন। ইফালে মহাদেৱীয়ে তেওঁৰ অতীত জীৱনৰ বিভিন্ন ঘটনাৰ কলাসুলভ বৰ্ণনাৰে (হিন্দী সাহিত্যত এনে প্ৰকাৰৰ সাহিত্যক 'সংস্মৰণ' বোলা হৈছে।) 'স্মৃতি কী ৰেখায়ে" (১৯৪৩) আৰু 'অতীতকে চলচিত্ৰ' (১৯৪১) দুখন এনেধৰণৰ গ্ৰন্থ ৰচনা কৰিছিল। তেওঁৰ বিভিন্ন কবিতা পুথিত সন্নিৱিষ্ট সুদীৰ্ঘ ভূমিকাসমূহ তথা 'মহাদেৱীকে বিবেচনাত্মক গদ্য' নামৰ পুথি তেওঁৰ উৎকৃষ্ট আলোচনা সাহিত্যৰ নমুনা।

(গ) দুয়োগৰাকীয়ে শিশুসকলক ভাল পায়। মহাদেৱীয়ে শিশুৰ লগত ৰং-ধেমালি কৰি কটাই ভাল পায়। নলিনীবালাৰ শিশু প্ৰিয়তাই কিন্তু ইয়াৰ অতিৰিক্তভাবে বিভিন্ন শিশু অনুষ্ঠান (সদৌ অসম মইনা পাৰিজাতকে ধৰি) ৰ লগত জড়িত হোৱাৰে পৰা বিভিন্ন শিশুপুথিৰ ৰচনালৈকে সুবিস্তৃত ক্ৰিয়াত্মক ৰূপ গ্ৰহণ কৰিছে।

(ঘ) সমসাময়িক ভাৰতীয় সংস্কাৰ আন্দোলনবিলাকৰ লগত সঙ্গতি ৰাখি দুয়ো নাৰীজাগৰণ আৰু নাৰী মুক্তিৰ লগত নিজকে জড়িত কৰিছে। নলিনীবালা মহিলা সমিতি আদি নাৰী অনুষ্ঠানৰ লগত জড়িত হৈ নাৰীসকলক বিভিন্ন প্ৰকাৰে উদ্বুদ্ধ কৰিছে। নাৰীজাগৰণৰ বাবে অনেক উদাত্ত ভাষণ প্ৰদান কৰিছে। মহাদেৱী বৰ্মাৰ 'শৃংখলা বা কড়িয়াঁ' শীৰ্ষক বিচাৰমূলক প্ৰবন্ধৰ গ্ৰন্থখনি অভিশপ্ত নাৰী জীৱনৰ বিভিন্ন জ্বলন্ত সমস্যা সম্বলিত।

(ঙ) দুয়োগৰাকী কবিয়ে তেওঁলোকৰ কবিতাত শব্দৰ মাধ্যমেৰেতো অনুপম কল্পচিত্ৰৰ নিৰ্মাণ কৰিছেই, ইয়াৰ উপৰি দুয়ো ৰং আৰু তুলিকাৰে ছবি আঁকি চিত্ৰকাৰৰ ৰূপতো আত্মপ্ৰকাশ কৰিছে। নলিনীবালাই দেউতাকে বন্দবস্ত কৰি দিয়া 'ড্ৰয়িং মাষ্টাৰ'ৰ ওচৰত 'ছাঁয়াজ্ঞান, ৰেখাজ্ঞান' লাভ কৰি উষা অনিৰুদ্ধ, শ্ৰীকৃষ্ণ-ৰাধাৰ ঝুলন, সৰস্বতী, আদিৰ নিচিনা পৌৰাণিক ছবিৰ লগতে পিছত তেওঁৰ নিজৰ জীৱনী গ্ৰন্থ 'বিশ্বদীপা'ৰ বাবে কেইবাখনো ছবি তিনিকুৰি বছৰ বয়সত আঁকি উলিয়াইছে। মহাদেৱীয়ে তেওঁৰ কাব্যপুথি 'দীপশিখা' আৰু অন্য চাৰিখন কাব্যপুথি নীহাৰ, ৰশ্মি, নীৰজা তথা সান্ধ্যগীতৰ একত্ৰ সংকলন 'য়ামা' (জ্ঞানপীঠ প্ৰাপ্ত) ৰ প্ৰতিটো কবিতাৰ পৃষ্ঠ ভূমি হিচাপে নিজহাতে আঁকি একোটি চিত্ৰ সংযোজিত কৰিছে। মহাদেৱীৰ চিত্ৰসমূহে চিত্ৰকাৰ হিচাপে তেওঁৰ গতানুগতিক দক্ষতাতকৈও মৌলিক প্ৰতিভাৰ অধিক সাক্ষ্য বহন কৰে। আলোচকসকলৰ মতে অজন্তাৰ চিত্ৰকলাৰ দ্বাৰা তেওঁ কিছু পৰিমাণে প্ৰভাৱিত হোৱা যেন লাগিলেও সমগ্ৰতঃ ক'বলৈ গ'লে বিভিন্ন চিত্ৰশৈলীৰ কোনোটোকেই সম্পূৰ্ণৰূপে গ্ৰহণ নকৰি সেইবোৰ আংশিকভাবে লৈ তেওঁ নতুন শৈলী নিৰ্মাণেৰে নিজা কিছুমান বৈশিষ্ট্যৰে আত্মপ্ৰকাশ কৰিছে।

(চ) নলিনীবালা আৰু মহাদেৱী দুয়োকে তেওঁলোকৰ নিজৰ নিজৰ সমাজ দুখনে স্পষ্টবাদী দেশপ্ৰেমিকা, কুশল বক্তা আৰু কুশল গৃহিণীৰ ৰূপত পাইছে। মহাদেৱী বৰ্মা প্ৰয়াগ মহিলা বিদ্যপীঠৰ প্ৰধান অধ্যাপিকাৰ ৰূপত দীৰ্ঘদিন কাৰ্যনিৰ্বাহ কৰাৰ পৰিপ্ৰেক্ষিতত তেওঁক সমাজে এগৰাকী কুশল শিক্ষয়িত্ৰী তথা প্ৰশাসিকাৰ ৰূপতো পাইছে।

(ছ) বিবাহ আৰু সেই সম্পৰ্কীয় বৈষম্য— ওপৰত আলোচনা কৰাৰ দৰে ইমান বিলাক দিশত অদ্ভুত সমতা থকা সত্বেও দুয়োৰে ব্যক্তিগত জীৱনৰ মাজত এক বিৰাট

বৈষম্যও আছে। ব্যক্তিগত জীৱনৰ কিছুমান বৈশিষ্ট্যৰ কাৰণেই দুয়োৰে কবিতাৰ মূল আধাৰ হৈ পৰিছে 'দুঃখ'। কিন্তু দুয়োৰে বাবে এই দুঃখৰ আধাৰ একে নহয়। নলিনীৰ ক্ষেত্ৰত এই দুঃখৰ আধাৰ স্পষ্ট, সহজবোধগম্য। ১১ বছৰ বয়সত সুসম্পন্ন পৰিয়ালৰ সুশীল সমৰ্থ স্বামীৰ লগত বিবাহ পাশত আবদ্ধ হৈ সুখৰ সংসাৰ নিৰ্বাহ কৰাৰ পাছত ১৯ বছৰ বয়সতে ভগৱানে তেওঁৰ পৰা এই সাংসাৰিক সুখ-ঐশ্বৰ্যৰ প্ৰধান নায়ক তেওঁৰ স্বামীক কাঢ়ি নি কবিক দুঃখৰ অথাই সাগৰত নি মেলি দিছে। তাৰ পাছতো দুটিকৈ সন্তান হেৰুৱাবলগীয়া হোৱাত কবিৰ হৃদয় থকাসৰকা হৈ পৰিছে।

৯ বছৰ বয়সত মহাদেৱীও সুযোগ্য পাত্ৰ ডাঃ স্বৰূপ নাৰায়ণ বৰ্মাৰ লগত বিবাহ পাশত আবদ্ধ হৈছে। কিন্তু ইয়াৰ পিছৰ পৰাই এই গৰাকী কবিৰ এক ভিন্নধৰ্মী বিৰল স্বাভিমানী ব্যক্তিত্বই আত্মপ্ৰকাশ কৰিছে। মহাদেৱীৰ মনে তেওঁৰ জীৱনৰ সুখ-ঐশ্বৰ্যৰ লগত তেওঁৰ স্বামীক ক্ষন্তেকৰ বাবেও জড়িত নকৰিলে। কবিয়ে হয়তো তেওঁৰ হৃদয়বেদীত কোনো অজ্ঞাত, কাল্পনিক মূৰ্তি প্ৰতিষ্ঠা কৰি লৈছিল। অভিভাৱকসকলৰ কোনো ধৰণৰ যত্ন, বুজনি-বাঢ়নিয়ে তেওঁক বাস্তৱৰ লগত এই বিশেষ বিষয়ৰ ক্ষেত্ৰত বুজাপৰালৈ আনিব নোৱাৰিলে। কবিয়ে স্বামী গৃহলৈ নোযোৱাৰ জেদ ধৰিলে। জোৰ কৰি থৈ অহা হ'ল। স্বামী গৃহতো জেদ ধৰি কান্দি-কাটি অৱস্থা কাহিল হৈ পৰা কিশোৰীটিক আকৌ পিতৃ গৃহলৈকে ঘূৰাই আনিবলগীয়া হ'ল। বিধিসন্মত বিবাহ বিচ্ছেদে অতি সোনকালেই কবিৰ এই জেদ, এই আকোঁৰগোজ মনোভাৱক সাফল্য প্ৰদান কৰিলে। এইদৰে মহাদেৱীয়ে কিশোৰী অৱস্থাতে ইচ্ছাকৃতভাৱেই বিৰহ আৰু বেদনাক জীৱনৰ একমাত্ৰ সঙ্গী কৰি ল'লে। এক প্ৰকাৰে চাবলৈ গ'লে মহাদেৱীৰ দুখৰ কোনো বাস্তৱসন্মত আধাৰেই নাই। কিন্তু নলিনীবালাৰ দুঃখৰ আধাৰ জল-জল্ পট্‌পট —

নিমেষতে আঁতৰিল
পুঁৱতিৰ অলীক সপোন,
ডাৱৰে ধৰিলে ছাটি—
প্ৰভাতৰ সোণালী কিৰণ। ('অনাহূত')

অৱশ্যে মহাদেৱীৰ নিজৰ দৃষ্টিত তেওঁৰ দুঃখৰ যুক্তিসঙ্গত আধাৰ আছে। আচাৰ্য ৰামচন্দ্ৰ শুক্ল আদি সমালোচকসকলে তেওঁৰ দুঃখৰ অবাস্তৱতা সম্পৰ্কে দিয়া মন্তব্যৰ উত্তৰ তেওঁ কবিতাৰেই দিছিল —

কিয় জানো কয় কোনোবাই
ছয়ামুয়া এন্ধাৰতে ফুৰোঁ মই ঘূৰমুটিয়াই
× × × × ×

মই নয়নৰ দুপাহিত পুহি আছোঁ, আতোলতোল
সুকুমাৰ কাৰোবাৰ সপোন নিটোল।
(মহাদেৱী, মৈঁই পলকোঁ মে' পাল ৰহী হুঁ)

এইদৰে নলিনীবালা আৰু মহাদেৱী বৰ্মাৰ ব্যক্তিগত জীৱনত সামগ্ৰিকভাবে দৃষ্টিপাত কৰিলে দুয়োৰে পৰিবেশ, প্ৰতিভা, ৰুচি আৰু ইয়াৰ পৰা জন্মলাভ কৰা ব্যক্তিত্বৰ অধিকক্ষেত্ৰতে সাদৃশ্য দেখিবলৈ পোৱা যায়। দুখৰ ক্ষেত্ৰত কবি দুগৰাকীৰ মাজত থকা বৈসাদৃশ্যক উপকৰা বুলি কোৱাৰ থল নথকা নহয়। বৌদ্ধ 'দুঃখবাদ'ৰ মতে প্ৰিয় বিচ্ছেদ আৰু অপ্ৰিয় সংযোগেই দুঃখৰ মূল। এই দৃষ্টিৰে চাবলৈ গ'লে প্ৰিয় বিচ্ছেদ যদি নলিনীবালাৰ দুঃখৰ কাৰণ, তেনে মহাদেৱীৰ দুঃখৰ কাৰণ হ'ল কল্পনাৰ সুকুমাৰতা বিকৃত কৰিব খোজা কদৰ্য বাস্তৱৰ সংযোগ।

(২) পৰম্পৰা আৰু কাব্যধাৰা ঃ

বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধ ভাৰতৰ সাহিত্য জগতত ৰোমাণ্টিক বিস্তাৰৰ যুগ। নলিনীবালা আৰু মহাদেৱী দুয়োগৰাকীয়ে এই সময়তে আত্মপ্ৰকাশ আৰু প্ৰতিষ্ঠা লাভ কৰিছে। অসমীয়াত ৰোমাণ্টিক সাহিত্যৰ সৃষ্টিৰ ক্ষেত্ৰত পাশ্চাত্য ৰোমাণ্টিক ধাৰা বঙ্গীয় নৱজাগৰণ তথা ৰবীন্দ্ৰ সাহিত্য আদি বাংলা সাহিত্যৰ লগত পৰিচয়ৰ কথা কোৱা হয়। হিন্দী সাহিত্যত ৰোমাণ্টিক লক্ষণৰ সাহিত্য ধাৰাটোক 'ছায়াবাদী' ধাৰা নাম দিয়া হৈছে। প্ৰস্তুত ভাবৰ ঠাইত সেই ভাবৰ ব্যঞ্জনা কৰিব পৰা ছায়াৰ ৰূপত অপ্ৰস্তুতৰ বিষয়ে কোৱাৰ কাৰণে এই বিশেষ ধাৰাটোৱে ছায়াবাদ নাম পালে। ৰবীন্দ্ৰ নাথ আদিৰ বাংলা সাহিত্য আৰু ইংৰাজী ৰোমাণ্টিক ধাৰাৰ সাহিত্যই অসমীয়াৰ দৰে হিন্দীৰ ছায়াবাদী ধাৰাৰ সৃষ্টিৰো মূলতে কাম কৰিছে। দুয়ো ঠাইতে তৎকালীন সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক পৰিস্থিতিসমূহে সাহিত্যৰ এই ধাৰাৰ পৰিপুষ্টিত সহায় কৰিছে।

নলিনীবালা আৰু মহাদেৱী দুয়ো ভাৰতীয় ৰোমাণ্টিক ধাৰাৰ কবি। নিজ নিজ ভাষা আৰু ক্ষেত্ৰৰ ৰোমাণ্টিক কাব্যধাৰালৈ দুয়োৰে অৱদান প্ৰায় একে পৰ্যায়ৰ। ৰহস্যবাদী কবিতা ভাৰতীয় ৰোমাণ্টিক কাব্যসৃষ্টিৰ এক বিশেষ উপসৃষ্টি। নলিনীবালা আৰু মহাদেৱী ক্ৰমে অসমীয়া আৰু হিন্দীৰ এই অতীন্দ্ৰিয় প্ৰেমৰ উপসৃষ্টিৰ প্ৰধান কবি। একপ্ৰকাৰে ক'বলৈ গ'লে ভাৰতীয় ৰোমাণ্টিক কাব্য পৰম্পৰাৰ অন্তৰ্গতভাৱে দুয়োৰে কবিতাত এই ধাৰাৰ সমস্ত লক্ষণ বিদ্যমান থকাৰ লগতে এওঁলোকৰ মূল চিনাকি কিন্তু ৰহস্যবাদী কবিৰ ৰূপত।

কবিতাত ৰহস্যানুভূতিৰ প্ৰকাশনৰ পৰম্পৰা ভাৰতত সুপ্ৰাচীন। কোনো কোনো

আলোচকে ইয়াক আনকি বৈদিক কালৰ লগত সম্পৰ্কজড়িত কৰিছে গৈ। সি যি কি নহওঁক, মধ্য যুগৰ সন্ত সাহিত্য আৰু চুফীসাহিত্যত ৰহস্যানুভূতিৰ স্পষ্ট প্ৰকাশ অনুভূত হয়। কিন্তু সাহিত্যৰ এক ধাৰা হিচাপে 'ৰহস্যবাদ'ৰ স্বীকৃতি আধুনিক যুগৰ ৰোমাণ্টিক সাহিত্যৰ লগত সম্পৰ্কজড়িতভাবেহে। আধুনিক ৰহস্যবাদৰ পৰম্পৰাও হিন্দী আৰু অসমীয়া উভয় সাহিত্যই পাশ্চাত্য আৰু বাংলাৰ ৰবীন্দ্ৰনাথ আদিৰ সাহিত্যৰ পৰা লাভ কৰিছে। ৰহস্যবাদৰ ক্ষেত্ৰত নলিনীবালা আৰু মহাদেৱী দুয়ো একে সমান পৰম্পৰাৰ অধিকাৰী যেন লাগিলেও মহাদেৱীয়ে এইক্ষেত্ৰত পৰম্পৰাৰ পৰা চহ কৰি খেতিৰ উপযোগী কৰি থোৱা অধিক উৰ্বৰ ভূমি লাভ কৰিছে বুলিব লাগিব। উপনিষদৰ আধ্যাত্মিক তত্ত্ব আৰু ৰবীন্দ্ৰ সাহিত্য নলিনীবালাই পৰম্পৰাৰ পৰা লাভ কৰা মূল সমল। ইয়াৰ পৰাই কবিগৰাকীৰ ব্যক্তিত্বই যি উৰ্দ্ধমুখী গতি লাভ কৰিছে, সি তেওঁক ব্যক্তিগত দুখ-যাতনা, বিচ্ছেদৰ বেদনাক আধ্যাত্মিক বিচ্ছেদলৈ ৰূপান্তৰিত কৰাইছে। কবিৰ কল্পনাপ্ৰৱণ ভাবুক মনে ইয়াৰ ফলত অতীন্দ্ৰিয় ভাবানুভূতিৰে ৰোমাঞ্চিত হৈ অসীম চিৰসুন্দৰক লাভ কৰাৰ পৰমতৃষ্ণা প্ৰকাশ কৰিছে। নলিনীবালাৰ আগতে অসমীয়াত দুৰ্গেশ্বৰ শৰ্মা, আৰু অম্বিকাগিৰীৰ কবিতাত জান-নেজান ৰহস্যবাদৰ সুৰ ধ্বনিত হৈছে। এইফালৰ পৰা চাবলৈ গ'লে নলিনীবালাই প্ৰায় অকলেই অসমীয়া কাব্যজগতত ৰহস্যবাদী ধাৰাৰ ভব্য ভৱন নিৰ্মাণ কৰিছে।

হিন্দীৰ ৰোমাণ্টিক সাহিত্যত মহাদেৱীৰ আগতে মুকুটধৰ পাণ্ডেয়, জয়শংকৰ প্ৰসাদ, সুমিত্ৰানন্দন পন্ত আদি ৰহস্যবাদী কাব্যৰচক হিচাপে আলোচনালৈ আহিছে। কিন্তু ঠিক পাশ্চাত্য 'মিষ্টিচিজম'ৰ ৰূপত নহ'লেও হিন্দী সাহিত্যত মহাদেৱীয়ে মধ্যযুগৰ সন্ত কবি ৰৈদাস, কবীৰ, দাদূদয়াল, আদি আৰু চুফীকবি জায়চী আদিৰ কবিতাত ৰহস্যানুভূতি প্ৰকাশনৰ একপ্ৰকাৰৰ সুদৃঢ় পৰম্পৰা লাভ কৰিছে। মহাদেৱীৰ নিজৰ ভাষাত ক'বলৈ গ'লে "পৰাবিদ্যাৰ পৰা অপাৰ্থিৱতা লৈ, বেদান্তৰ অদ্বৈতবাদৰ ছায়ামাত্ৰ গ্ৰহণ কৰি, লৌকিক প্ৰেমৰ পৰা তীব্ৰতা লৈ— এই সকলোবোৰ কবীৰৰ সাংকেতিক দাম্পত্য ভাবসূত্ৰৰে বান্ধি এক প্ৰকাৰৰ বিৰল অনুপম স্নেহ-সম্বন্ধৰ সৃষ্টি কৰা হ'ল, সি মনুষ্যৰ হৃদয়ক পূৰ্ণ অৱলম্বন যোগাবলৈ সমৰ্থ হ'ল। মনুষ্যক পাৰ্থিৱ প্ৰেমৰ গণ্ডীৰ পৰা উন্নীত কৰি মস্তিষ্কক হৃদয়ময় আৰু হৃদয়ক মস্তিষ্কময় কৰি তুলিলে।"

ৰহস্যানুভূতিৰ অতিৰিক্তভাৱে প্ৰণয়ানুভূতি প্ৰকাশৰ দিশতো মহাদেৱীয়ে পূৰ্বসূৰী মীৰাৰ পৰম্পৰা লাভ কৰিছে। মীৰা ৰূপৰ আৰাধিকা, কিন্তু মহাদেৱী অৰূপৰ সাধিকা হ'লেও প্ৰণয়ৰ আবেগ, উৎকণ্ঠা, প্ৰতীক্ষা আদিৰ চিত্ৰণ মীৰা আৰু মহাদেৱী দুয়োৰে একেসুৰীয়া।

সামগ্রিকভাবে ক'বলৈ গ'লে ভাৰতবৰ্ষত আধুনিক ৰহস্যবাদী কাব্যধাৰা পশ্চিমৰদ্বাৰা অনুপ্ৰাণিতহে, তাৰ পৰা উদ্ভূত নহয়। কিয়নো ভাৰতীয় কবিতাত ৰহস্যানুভূতি প্ৰকাশনৰ সুদৃঢ় পৰম্পৰা আছে। মহাদেৱীৰ নিজা কথনৰ পৰা অনুমান হয় যে তেওঁৰ ৰহস্যানুভূতি ভাৰতীয় পৰম্পৰালব্ধ। সেই দৰে নলিনীবালাইও "এৰি অহা দিনবোৰ"ত লিখামতে "ভাৰতীয় দৰ্শনৰ মাজত মই বিচাৰি পাইছোঁ সংঘাতে আবৰা মোৰ জীৱনৰ শান্তিপথ। .. .. মই মহান ভাৰতীয় সংস্কৃতিৰ উত্তৰাধিকাৰিণী"। সত্যেন্দ্ৰ নাথ শৰ্মাৰ নিম্নোদ্ধৃত কথনে নলিনীবালাৰ পৰম্পৰা অধিক স্পষ্ট কৰে— "আধ্যাত্মিক বেদনাৰ কাৰুণ্যই নলিনী দেৱীৰ কবিতাক নিয়ৰত সিক্ত ফুলৰ দৰে স্নিগ্ধ আৰু ৰমণীয় কৰিছে। ভাৰতীয় দৰ্শনে, বিশেষকৈ বেদান্ত জন্মান্তৰবাদ, কৰ্মফলবাদ আৰু ভক্তিবাদে নলিনীবালাৰ কবিতাক ভাবপুষ্ট কৰিছে। বুদ্ধদেব আৰু মহাত্মাজীৰ সাম্য, মৈত্ৰী আৰু কৰুণাই দৃষ্টিভংগী বোলাইছে আৰু ৰবীন্দ্ৰনাথৰ কবিতাৰ কাব্যিক ৰূপসৌন্দৰ্য আৰু ৰহস্যবাদৰ সুৰে তেওঁৰ কবিতাক ভাবব্যঞ্জক, ৰহস্যঘন আৰু মধুৰ কোমল কৰাত সহায় কৰিছে"।

নলিনীবালা আৰু মহাদেৱী দুয়োৰে কবিতাৰ ভাব আৰু ভাষা দুয়োটাকে ভাৰতীয় পৰম্পৰাই নিৰ্মাণ কৰিছে। নলিনীবালাক তেওঁৰ সংঘাতময় জীৱনে আৰু মহাদেৱীক জন্মগত বৈৰাগ্যই একে পৰম্পৰাৰ প্ৰতি, একে ভাব-ভাষাৰ প্ৰতি অনুপ্ৰাণিত কৰিছে। একে ভাৰতীয় ৰহস্যবাদী পৰম্পৰাৰ অন্তৰ্গত বুলিয়েই আমি সন্তযুগৰ ভালেকেইটি ৰহস্যবাদী অভিব্যক্তিৰ সৈতে হুবহু একেধৰণৰ অভিব্যক্তি নলিনীবালা আৰু মহাদেৱীৰ কবিতাতো পাওঁ—

(১) প্ৰভুজী, তুম চন্দন মৈঁই পানী। *(ৰৈদাস)*

(২) তুম হো বিধু কে বিম্ব ঔৰ মৈঁই
মুগ্ধা ৰশ্মি অজান। *(মহাদেৱী)*

(৩) সেউজী শুৱনি বনভূমি মই
তুমি সুন্দৰ নৱ বসন্ত। *(নলিনীবালা)*

আকৌ

(১) সো সাঁই তনমেঁ বসৈ, ভ্ৰম্যো ন জানৈ তাস
কস্তুৰী কে মৃগ জ্যোঁ, ফিৰি ফিৰি সূঁঘে ঘাস। *(কবীৰ)*

(২) গোন্ধ হৰিণাৰ কস্তুৰী বাস,
বিচাৰি নেপাই ব্যাকুল হতাশ। *(নলিনীবালা)*

(৩) কাব্যবস্তু

ৰোমাণ্টিকতা আৰু ৰহস্যবাদ দুয়োগৰাকীৰে কবিতাৰ মূলধাৰা হোৱাৰ বাবে

দুয়োৰে কাব্যবস্তুৰ ক্ষেত্ৰত প্ৰচুৰ সমতা আছে। সন্ধিয়াৰ সুৰ, সপোনৰ সুৰ, পৰশমণি, যুগদেৱতা, অলকানন্দা, জাগৃতি আৰু অন্তিমসুৰ— নলিনীবালাৰ এই সাতোখন কবিতাপুথিৰ সামগ্ৰিকভাৱে বিষয়বস্তু হ'ল— (ক) এক চিৰন্তন সত্তাৰ ওপৰত গভীৰ বিশ্বাস ৰাখি বিশ্বজগতৰ সকলোতে সেই সত্তাৰ উপলব্ধি আৰু সন্ধান, দৈৱী অনুভূতি, প্ৰেম, বিৰহ, আত্মবিলুপ্তি, তৃপ্তি বা আনন্দ আদি ৰহস্যবাদৰ সমস্ত উপাদান, (খ) স্বদেশপ্ৰীতি (গ) প্ৰকৃতি আৰু (ঘ) নাৰী।

নীহাৰ, ৰশ্মি, নীৰজা, সান্ধ্যগীত, আৰু দীপশিখা, মহাদেৱী বৰ্মাৰ পাঁচখন কাব্যকৃতি।

মোৰ কণে কণে প্ৰতিকণে গলি বৈ যায়
কাৰোবাৰ অশ্ৰুসনা চেনেহ টোপাল
মই নয়নৰ দুপাহিত পুহি আছো আতোলতোল
সুকুমাৰ কাৰোবাৰ সপোন নিটোল।

— দীপশিখাৰ এই কবিতাফাঁকিতেই মহাদেৱীৰ সমস্ত কাব্যকৰ্মৰ মূলপ্ৰেৰণা নিহিত হৈ আছে। তেওঁৰ কাব্যবস্তুৰ দৃষ্টিৰে নলিনীবালা আৰু মহাদেৱীক একে ধৰাতললৈ আনি চাবলৈ গ'লে নলিনীবালাৰ বিস্তৃতি অধিক, কিন্তু দুখ, করুণা আৰু বিৰহানুভূতিৰ গভীৰতা অথবা লৌকিকপ্ৰেমসুলভ তীব্ৰতা মহাদেৱীৰ বৰ্ণনাত অধিক।

মূল কাব্যবস্তু হিচাপে চাবলৈ গ'লে দুয়োগৰাকী কবিৰ মাজত প্ৰভেদ তেনেকৈ নাই। অপাৰ্থিৱ পৰমতৃষ্ণা নলিনীবালাৰ কবিতাৰ মূলবস্তু। সেইদৰে মহাদেৱীয়ে 'নয়নৰ দুপাহিত পুহি ৰখা নিটোল সপোনো' অপাৰ্থিৱ জনৰ। কবি দুগৰাকীৰ ব্যক্তিগত জীৱন আৰু ব্যক্তিত্বৰ বাবে এগৰাকীৰ যদি কাব্যবস্তুৱে বিস্তৃতি লাভ কৰিছে, অন্যগৰাকীৰ কাব্যবস্তুৱে লাভ কৰিছে গভীৰতা।

সাংসাৰিক জীৱনত ক্ষত বিক্ষত হোৱা নলিনীবালাৰ হৃদয় পূৰ্বতে পৰিয়াল আৰু পৰিবেশৰ প্ৰভাৱত গঢ় লোৱা সংস্কাৰৰ বলত অসীম, অনন্ত সত্যৰ ফালে ঢাল খালে। ইন্দ্ৰিয়ই ঢুকি পোৱা বিষয়ত অকণো শান্তি নাই। সেয়া মাত্ৰ কামনা-বাসনাৰ খেলা বুলি তেওঁ অনুভৱ কৰিলে। কবি-হৃদয়ে সেই পৰোক্ষসত্তাৰ অনুভৱ কৰিলে, যিজনে কবিৰ 'সুখময় মিলনান্দত', যি সময়ত কবিৰ নিজৰ স্বীকাৰোক্তি মতেই "পতা নাই তোমাৰ আসন, মতা নাই তোমাক এবাৰ, কৰা নাই তোমাক স্মৰণ" যদিও যিজনে অনাহূতভাৱে "চিৰকৰুণাৰ আঁজলি ভৰাই" তেওঁৰ অযাচিত সম্পদ, সুগন্ধ সৌৰভ নেদেখা হাতেৰে ভৰাই দিছিলে, সেই অজ্ঞাত জনৰ প্ৰতি সকলো ৰহস্যবাদীৰ দৰেই নলিনীবালাৰ মনতো জিজ্ঞাসাৰ ভাব হৈছে— "তুমি কোন? তুমি কোন?" অনাদি

অনন্ত অজ্ঞেয় সত্তাত আস্থা আৰু বিশ্বাস স্থাপন ৰহস্যবাদৰ দ্বিতীয় অৱস্থা। কবি নলিনীবালাই "জগতৰ প্ৰতি ৰেণু মাজে / আছা তুমি জানো ভালকৈয়ে" আদিৰ নিচিনা বৰ্ণনাৰে জাগতিক বৰ্ণ-বৈচিত্ৰ্যৰ মাজত সনাতন পৰমসত্যৰ অস্তিত্বত আস্থা প্ৰকট কৰিছে। ৰহস্যবাদৰ তৃতীয় অৱস্থা অদ্বৈতভাৱনা। নলিনীবালাৰ কবিতাত এই ধৰণৰ বৰ্ণনাৰো প্ৰাচুৰ্য আছে— "কোনো কালে তুমি মই / কোনো ৰূপে হোৱা নাই ভিন" অথবা "তুমি জ্যোতি মই ৰেণু" আদি আত্মা-পৰমাত্মাৰ অদ্বৈত ভাৱনাৰ দ্যোতক।

ইফালে মহাদেৱী বৰ্মাই প্ৰাপ্তি আৰু তৃপ্তিৰ পৰা ইচ্ছাকৃত ভাবেই দূৰত থাকিবলৈ বিচাৰিছে। 'য়ামা'ৰ ভূমিকাত তেওঁ নিজেই লিখামতে— "দুখ সমস্ত সংসাৰক একসূত্ৰত বান্ধি ৰাখিবলৈ সক্ষম। আমাৰ অসংখ্য সুখে হয়তো আমাক মনুষ্যতাৰ প্ৰথম খলপালৈকো লৈ যাবলৈ সক্ষম নহয়; কিন্তু জীৱনক অধিক মধুৰতা, অধিক উৰ্বৰতা দান নকৰাকৈ আমাৰ এটোপাল মাত্ৰ চকুলোও এনেয়ে নসৰে। মানুহে সুখ অকলে ভোগ কৰিব খোজে। কিন্তু দুখৰ ক্ষেত্ৰত, দুখ সকলোৰে লগত ভগাই লৈ এটোপাল পানী সমুদ্ৰৰ বিশাল জলৰাশিত বিলীন হৈ যোৱাৰ দৰে দুখ ভগাই লৈ বিশ্বজীৱনৰ লগত নিজৰ জীৱন, বিশ্ববেদনাৰ লগত নিজৰ বেদনাক মিলাই দিয়ে। 'ৰশ্মি' শীৰ্ষক কাব্যপুথিৰ ভূমিকাত কবিয়ে লিখামতে "সংসাৰত যাক দুখ আৰু অভাৱ বুলি কোৱা হয়, তেনেকুৱা একো মোৰ ক্ষেত্ৰত নাই।"

অন্যহাতেদি সংসাৰে যাক দুখ বুলি পৰিভাষিত কৰে, তেনেকুৱা দাৰুণ দুখ নলিনীবালাই গ্ৰহণ কৰিব লগীয়া হৈছে। এইসকলো দুখ তেওঁ অজ্ঞাত পৰমেশ্বৰৰ, অসীম, অনন্ত প্ৰিয়তমৰ দান বুলি দুখক সুখলৈ উত্তৰণ ঘটাইছে। ব্যক্তিগত দুখশোকৰ বোজাত জৰ্জৰিত আত্মাৰ করুণ ক্ৰন্দন, ৰহস্যবাদী আকুতি তেওঁৰ কবিতাৰ মূল যদিও সামগ্ৰিকভাৱে নলিনী-কবিতাত ব্যক্তিগত দুখৰ অনুভূতিৰ প্ৰকাশন আমি কমেইহে দেখিবলৈ পাওঁ। এই বিষয়ত "দুখৰ ক্ষেত্ৰত মানুহে বিশ্ব জীৱনৰ লগত নিজৰ জীৱন, বিশ্ববেদনাৰ লগত নিজৰ বেদনা মিলাই দিয়া"— মহাদেৱীৰ এই উক্তিৰ সাৰ্থকতা বাৰুকৈয়ে পৰিলক্ষিত হয় বুলিব পাৰি। সেয়েহে কবিৰ দৃষ্টিত "নিবিড় এন্ধাৰবোৰে টোকে চকুপানী" ('মহাৰাত্ৰি মহালয়া'— অলকানন্দা) "বৰষা ধাৰত সৰে সুৰভিত চকুলোৰ ধাৰ" ('জীৱনক কৰোঁ মনোৰমা'— অলকানন্দা)।

সাংসাৰিক দুখেই হওক বা ইচ্ছাকৃতভাবে বৰণ কৰি লোৱা দুঃখেই হওক, দুখ নলিনীবালা আৰু মহাদেৱীৰ কবিতাৰ মূল উৎস। এই দুঃখৰ পৰাই তেওঁলোক উভয়ৰে মন চিৰসুন্দৰৰ ফালে ঢাল খাইছে। নলিনীবালাৰ ক্ষেত্ৰত আগতে আলোচনা কৰি অহা ৰহস্যবাদৰ তিনি অৱস্থা জিজ্ঞাসা, আস্থা আৰু অদ্বৈতভাৱনা মহাদেৱীৰ কবিতাৰ

ক্ষেত্ৰতো প্ৰায় একেধৰণেৰে প্ৰকাশ ঘটিছে। নলিনীবালাৰ দৰে মহাদেৱীৰ মনতো প্ৰশ্ন জাগিছে— "কোন তুমি মোৰ হৃদয়ত" বুলি। "সোণৰ দৰে দিন/মুকুতাৰ দৰে নিশা/ সোণালী সন্ধ্যা/ গোলাপী উষা।/আঁকা যায় আৰু/মচ খাই বাৰম্বাৰ/ কোন জগতৰ এই চিত্ৰকৰ?" বুলি কবিয়ে প্ৰশ্ন কৰিছে। কিন্তু চিত্ৰই চিত্ৰকৰৰ অস্তিত্ব প্ৰমাণ কৰাৰ দৰে এই মহাবিশ্বই তাৰ স্ৰষ্টাৰ অস্তিত্বৰ কথাকে ঘোষণা কৰিছে বুলি কবি চিৰসুন্দৰ সৃষ্টিকৰ্তাৰ অস্তিত্ব সম্পৰ্কেও আস্থাশীল। সেইদৰে আত্মা-পৰমাত্মাৰ অদ্বৈতভাৱনাৰ চিত্ৰণো মহাদেৱীত স্পষ্ট— "বীণাও তোমাৰ মই ৰাগিনীও মই"।

ৰহস্যবাদী অভিব্যক্তিৰ এই তিনিপ্ৰকাৰৰ অৱস্থাৰ সমতা সত্ত্বেও প্ৰণয়ানুভূতিৰ অভিব্যক্তিৰ ক্ষেত্ৰত দুই কবিৰ কিছু প্ৰভেদো আছে। নলিনীবালাৰ কবিতাত পৰোক্ষপ্ৰিয়ৰ প্ৰতি সমৰ্পিত আত্মনিবেদন পোৱা যায়। কিন্তু মহাদেৱীত ইয়াৰ অতিৰিক্তভাবে লৌকিকতাৰ স্পৰ্শ থকা সাত্বিক প্ৰণয়ানুভূতিৰো অনেক অভিব্যক্তি দৃষ্টিগোচৰ হয়। অলৌকিক ৰহস্যভাৱনাকে লৌকিক প্ৰণয়ৰ ৰূপকৰ মাধ্যমেৰে প্ৰকাশ কৰিছে যদিও একে আষাৰতে ক'বলৈ হ'লে মহাদেৱীৰ প্ৰণয়াভিব্যক্তি অধিক তীব্ৰ। সাহিত্যশাস্ত্ৰী সকলে আলোচনা কৰা অভিলাষা, চিন্তা, স্মৃতি, গুণকথন, প্ৰিয়ৰ প্ৰতি উপালম্ভ, গৰ্ভ আদি বিৰহৰ ১০ প্ৰকাৰৰ মনোদশাৰ চিত্ৰণ মহাদেৱীৰ বিৰহ বৰ্ণনাত বিচাৰি উলিয়াব পৰা যায়।

নলিনীবালাৰ ব্যক্তিগত জীৱন আৰু কবিতাৰ পৰা এইকথা স্পষ্ট হয় যে অভাৱ বা তৃষ্ণা কি বস্তু সেই সম্পৰ্কীয় বাস্তৱ অভিজ্ঞতা তেওঁৰ আছে। তৃষ্ণা, আৰু চিৰসুন্দৰৰ দ্বাৰা সেই তৃষ্ণাৰ নিবৃত্তি তেওঁৰ কবিতাত সুস্পষ্ট, সহজবোধগম্য। মৃত্যুৰ পিছত চিৰসুন্দৰৰ লগত মিলনৰ আকুল আকাংক্ষা তেওঁৰ কবিতাত গুঞ্জৰিত—

> চিতাগ্নি হোমাগ্নি হ'ব
> সমীৰণ মলয় চন্দন,
> সিদিনা সাৰ্থক হ'ব
> পূৰ্ণ অৰ্ঘ্য পূৰ্ণ ই জীৱন।

('শেষ অৰ্ঘ্য' - সন্ধিয়াৰ সুৰ)

এইধৰণেৰে চাবলৈ হ'লে মহাদেৱীৰ ক্ষেত্ৰত তৃষ্ণা বা অভাৱৰ বাস্তৱ অভিজ্ঞতা নাই; কিন্তু পীড়া বা বেদনা তেওঁৰ প্ৰিয়। সেই পীড়াৰ পৰা তেওঁ নিষ্কৃতি নিবিচাৰে। প্ৰাপ্তি আৰু তৃপ্তিৰ পৰা দূৰত থাকিবলৈ বিচাৰিছে যদিও মহাদেৱীয়ে ইয়াৰ অনুসন্ধান কিন্তু নিৰন্তৰ অব্যাহত ৰাখিছে। দূৰত থাকিবলৈ বিচৰাৰ কাৰণ হৈছে তৃপ্তিয়ে প্ৰযত্নক পঙ্গু কৰি পেলায়, প্ৰাপ্তিয়ে বিৰহত মলিনতা সানে। কবিৰ নিজৰ ভাষাত—

নিষ্ফল কৰে জীৱন
কামনাৰ চিৰ তৃপ্তি;
তৃষ্ণা আঁতৰ হ'লেই
পলকতে আহে বিৰক্তি।

সেয়েহে তেওঁ চিঞৰি উঠিছে— "মিলন কা মত নাম লে/মৈঁই বিৰহ মেঁ চিৰ ৰহূঁ"। ইচ্ছাকৃতভাৱে বেদনাক আপোন কৰি লৈ তেওঁ "বিৰহৰ জলজাত জীৱন" অথবা "মই নীৰভৰা দুঃখৰ মেঘালী" বুলি কৈছে। নলিনীবালাৰ তুলনাত মহাদেৱীৰ বেদনা আৰু প্ৰণয়ৰ অভিব্যক্তি তীব্ৰ, সুতীক্ষ্ণ কাঁড়ৰ দৰে বুকু বিন্ধি নিয়া; কিন্তু সুস্পষ্ট আধাৰহীন। "মধুৰ মুঝকো হো গয়ে সব মধুৰ প্ৰিয়কী ভাৱনা লে" বুলি মধুৰ প্ৰিয়তমৰ ভাৱনাৰে সমস্ত জগত মধুময় বুলি অনুভৱ কৰা কবি মহাদেৱী বৰ্মাই প্ৰণয়ৰ ৰং-বিৰঙৰ বিভিন্ন চিত্ৰ আঁকি উলিয়াইছে তেওঁৰ কবিতাৰ মাধ্যমেৰে। প্ৰিয়প্ৰাপ্তিৰ বাবে তেওঁ দৃঢ়সংকল্প— "হ'লেও হওক অপৰিচিত পথ, হয় হওক! প্ৰাণ মোৰ অকলশৰীয়া"। মৰণৰ অধিকাৰ প্ৰেমিক-প্ৰেমিকাৰ একপ্ৰকাৰৰ সাত্ত্বিক দাবী। প্ৰেয়সী মহাদেৱীয়ে গৰ্বেৰে প্ৰিয়তমৰ উপহাৰ উপেক্ষা কৰিছে—

অমৰলোক দিবা মোক,
উপহাৰ ৰূপে কৰুণাৰ?
তেন্তে ৰাখি থোৱা, দেৱ মোৰ
আছে মোৰ মৰণৰ অধিকাৰ।

চিৰন্তন প্ৰণয়িনী এগৰাকীৰ দৰেই কবিয়ে অনন্ত অসীম প্ৰিয়তমৰ বিষয়তো গৰ্বভাব প্ৰকাশ কৰিছে—

নিঃকিন কেনেকৈ, তেওঁতকৈ মোৰ এই ভিক্ষুক জীৱন?
অসীম কৰুণা আছে তেওঁৰ, মোৰোচোন শূণ্যতা অসীম!

সামগ্ৰিকভাৱে, ৰহস্যবাদী বিষয়বস্তুৰ ক্ষেত্ৰত দুয়ো গৰাকী কবিৰে বৰ্ণনাৰ গতি প্ৰায় সমান্তৰাল। নলিনীবালাৰ সহজতা আৰু স্পষ্টতা অধিক। বেদনা, কৰুণা আৰু বিৰহৰ বৰ্ণনাই মহাদেৱীৰ কবিতাত কেৱল নলিনীবালাৰ তুলনাতেই কিয়, বৰঞ্চ সমগ্ৰ ৰহস্যবাদী পৰম্পৰাতে এক বিৰল আসন দখল কৰিছে বুলিব লাগিব। নলিনীবালাৰ কবিতাত জন্মান্তৰবাদ আৰু কৰ্মফলবাদৰ যি স্পষ্ট অনুৰণন শুনিবলৈ পোৱা যায়, সেয়া মহাদেৱীৰ কবিতাত নাই। প্ৰকৃতিয়ে দুয়োগৰাকী কবিৰে কবিতাত ৰহস্যবাদৰ হাত ধৰি আহি কম-বেচি পৰিমাণে আলম্বন, উদ্দীপন, মানবীৰূপ তথা উপমান আৰু প্ৰতীকৰ ৰূপত স্থান লাভ কৰিছে। নলিনীবালাৰ কাব্যবস্তুৰে ইয়াৰ অতিৰিক্ত

স্বদেশপ্ৰেম, নাৰী আৰু বীৰপ্ৰশস্তিক সামৰি লৈছে। অন্যধৰণেৰে ক'বলৈ গ'লে নলিনীবালাৰ কবিতাত মহাদেৱীৰ তুলনাত সামাজিক দিশটো অধিক প্ৰবল। তেওঁৰ কবিতা সৰ্বসাধাৰণৰ বাবে অধিক প্ৰেৰণাদায়ক। অৱশ্যে সমাজৰ সুখ-দুঃখক মহাদেৱীৰ কবিতাই একেবাৰে স্পৰ্শ কৰা নাই বুলিলে ভুল হ'ব। নহ'লে কবিৰ মনত এনেকুৱা দ্বিধা উপস্থিত নহ'লহেঁতেন—

কৈ দিয়াঁ মা কি চাওঁ
চাও হাঁহি থকা ফুলৰ কলি,
নে তৃষ্ণাত মৰহি যোৱা ওঁঠ
তোমাৰ চিৰ যৌৱন সুষমা,
নে জৰ্জৰিত জীৱন তোমাৰ?

(৪) **শিল্পবস্তু**

কাব্যত শিল্পই ভাৱক ৰূপ দান কৰে। ভাব যিমানেই উচ্চমানৰ, বিশিষ্ট প্ৰকাৰৰ নহওক, অনুকূল প্ৰকাশ পদ্ধতিৰ মাধ্যমেৰেহে ই প্ৰভাৱশালী হয়। নলিনীবালা আৰু মহাদেৱী কেৱল ভাবৰ দিশতে চহকী নহয়, বৰঞ্চ সেই ভাৱক অভিব্যক্তি দিয়াৰ বাবে উপযুক্ত প্ৰকাশভংগীৰো অধিকাৰিণী।

কাব্যৰ শিল্পতত্ত্বত পাঁচ প্ৰকাৰৰ বিশেষত্ব দেখুৱাব পাৰি (ক) প্ৰস্তুত বিষয়ৰ লগত অপ্ৰস্তুতৰ সংযোগ (খ) প্ৰস্তুত বিষয়ৰে বিস্তাৰিত বিশ্লেষণ বা চিত্ৰণ (গ) অপ্ৰস্তুতৰ দ্বাৰা প্ৰস্তুতৰ ব্যঞ্জনা (ঘ) প্ৰস্তুত আৰু অপ্ৰস্তুতৰ কিছুমান গুণৰ পাৰস্পৰিক আদান প্ৰদান বা বিনিময় (ঙ) প্ৰস্তুত বিষয়ৰ বিভিন্ন অবয়বৰ মাজত বাহ্য একৰূপতা।

(ক) দুয়োগৰাকী কবিয়ে কোনো সূক্ষ্মতত্ত্বৰ সুস্পষ্ট ব্যঞ্জনাৰ কাৰণে তাৰ লগত কোনো স্থূল অথবা দৃষ্টিগোচৰ বস্তুৰ সংযোজন কুশলতাৰে ঘটাইছে। পৰম্পৰাগত আলোচনা পদ্ধতিৰে উপমা, ৰূপক, উৎপ্ৰেক্ষা, সমাসোক্তি, নিদৰ্শনা আদি অলংকাৰৰ নামেৰে আলোচনা কৰা এনে অসংখ্য উদাহৰণ দুয়োৰে ৰচনাত ওলাব। কিন্তু অলংকাৰৰ বৈবিধ্যময়তা আৰু প্ৰয়োগ বহুলতাতকৈ উপমানৰ নবীনতাহে এইক্ষেত্ৰত, অধিক গুৰুত্বৰ বিষয়। হিন্দীত মহাদেৱীৰ প্ৰায় সমসাময়িক, চল্লিশৰ দশকৰ পৰা কাব্যজগতত প্ৰবেশ কৰা অন্য এজন জ্ঞানপীঠ বিজয়ী কবি 'অজ্ঞেয়'ই কাব্যৰ উপমানৰ সম্পৰ্কত "এইবোৰ উপমান মলিন হ'ল, বাচন অধিক ঘঁহিলে জিলিকনি নষ্ট পায়" বুলি নতুন উপমানৰ প্ৰয়োগৰ বাবে আহ্বান জনাইছিল। কাব্যশাস্ত্ৰীসকলৰ মতেও "ক্ষণে ক্ষণে যৎ নবতামুপৈতি তদেব ৰূপম্ ৰমণীয়তায়াঃ"। এই প্ৰতিক্ষণে নবীনত্ব সৃষ্টিৰ বাবে স্ৰষ্টাৰ অপূৰ্ব নিৰ্মাণ ক্ষমতাৰ আৱশ্যক। কিন্তু এই অপূৰ্ব নিৰ্মাণ ক্ষমতাৰ

পৰা বিদ্যমান বস্তুৰে মৰ্ম উদঘাটনৰ আশাহে কৰা হয়, নথকা নতুন বস্তুৰ নিৰ্মাণৰ নহয়। নতুন উপমানৰ সৃষ্টি আৰু পুৰণি উপমানৰ নতুন ধৰণেৰে প্ৰয়োগৰ ক্ষেত্ৰত মহাদেৱী নলিনীবালাতকৈ এখোজ আগবঢ়া। সমকালীন সমস্ত ভাৰতীয় সাহিত্যতে মহাদেৱীৰ উপমান প্ৰয়োগৰ বিশেষ স্থান আছে। কিন্তু এনে নবীনতাই বহুক্ষেত্ৰতে সৌন্দৰ্য আৰু হৃদয়গ্ৰাহিতাৰ সীমা অতিক্ৰম কৰি দুৰূহতা আৰু বুদ্ধিগ্ৰাহিতাৰ সীমাত সোমাইছেগৈ বুলিব লাগিব। উদাহৰণ স্বৰূপে—

(১) শলভ মই শাপময় বৰ
কাৰোবাৰ মই দীপক নিষ্ঠুৰ।

(২) আকাংক্ষাৰ মৃদু আঙুলিৰে চুই হৃদয়ৰ তাঁৰ
তোমাত জগালোঁ সুৰ মই সেয়ে ঝংকাৰ।

(৩) সপোন বাৰিষাই টোপনি আকাশত তোমাৰ
আঁকে যি সেয়ে মই ৰামধেনুখনি সুকুমাৰ।

(খ) প্ৰস্তুত বিষয়ৰ বিস্তাৰিত চিত্ৰণক পৰম্পৰাগত আলোচনাত চিত্ৰকল্প শীৰ্ষকত আলোচনা কৰা হয়। এইক্ষেত্ৰতো দুয়োগৰাকী কবি অনুপম প্ৰাচুৰ্যৰ, প্ৰতিভাৰ অধিকাৰিণী। মহাদেৱীৰ তুলনাত নলিনীবালাৰ চিত্ৰণ অধিক পোনপটীয়া। উদাহৰণ স্বৰূপে দুয়োৰে সন্ধিয়াৰ বৰ্ণনাৰ এটি প্ৰসঙ্গ আনিব পাৰি--

(১) নীলাকাশ জুৰি শান্ত গধূলি/তৰা ফুলবোৰ সৰে
গছে পাতে পাতে নিয়ঁৰ কণাই। মুকুতাৰ মালা আঁৰে। *(নলিনীবালা)*

(২) ফুলৰ মিঠা চাবনি/আকাশৰ এই দীপালি
শোঁতা পৰা সন্ধ্যামুখত/কিৰণৰ এয়া ফুলজাৰি। *(মহাদেৱী)*

সেইদৰে নিশাৰ বৰ্ণনাত—

(১) জোনালী ছয়ামায়াৰ আঁৰত উৰে
মনৰ ময়ুৰী নাচে উলাসত সুৰে
জোনাক মায়াই ওপচালে দুনয়ন
ৰূপ বিয়াকুল মাটিৰ পৃথিৱীখন। *(নলিনীবালা)*

(২) ছাঁৰ লুকাভাকু/মেঘৰ উন্মাদনা।
শ্যামলীমা সনা নিশাৰ গালত/জিলিকিছে শ্ৰমকণা। *(মহাদেৱী)*

(গ) দুয়োগৰাকীয়ে লৌকিক প্ৰতীকৰ মাধ্যমেৰে অপ্ৰত্যক্ষ, অসীম, অনন্ত

চিৰসুন্দৰৰ প্ৰতি প্ৰীতিভাৱ, মিলন আকাংক্ষাৰ ব্যঞ্জনা কৰিছে। গতিকে কাব্যশৈলীৰ পাঁচ প্ৰকাৰৰ বিশেষত্বৰ ভিতৰত নলিনীবালা আৰু মহাদেৱীৰ এই প্ৰতীকাত্মক শৈলীৰ প্ৰাচুৰ্য অন্য সকলোতকৈ অধিক। দুয়োৰে প্ৰতীকৰ ক্ষেত্ৰতো প্ৰচুৰ সমতা আছে। তমস এন্ধাৰ, সন্ধিয়া, অমানিশা বা নিশা, দীপ্ত, অশ্ৰু বা চকুলো, বীণ আদিৰ প্ৰতীকেৰে দুয়োৰে কবিতা ভৰি আছে। সামগ্ৰিকভাৱে ক'বলৈ হ'লে প্ৰতীকসমূহ প্ৰধানভাৱে দুয়ো প্ৰকৃতিৰ পৰা গ্ৰহণ কৰিছে। প্ৰকৃতিৰ পিছতে সঙ্গীতকলাৰ পৰা প্ৰতীক গ্ৰহণ কৰা হৈছে। ইয়াৰ অতিৰিক্তভাৱে মহাদেৱীৰ কবিতাত চিত্ৰকলাৰ বিভিন্ন উপকৰণকো প্ৰতীকৰ ৰূপত বহুলভাৱে ব্যৱহাৰ কৰা পোৱা যায়।

(ঘ) বক্ৰোক্তি, বিৰোধাভাস আদিৰ দৃষ্টিৰে নলিনীবালাৰ অভিব্যক্তিশৈলী সৰল, বোধগম্য। কিন্তু এইবিলাকে মহাদেৱীৰ কবিতাক ঠায়ে ঠায়ে অধিক বুদ্ধিগম্য কৰি তুলিছে—

(১) এক লঘুক্ষণে দিয়ে/নির্বাণৰ শত বৰদান।
(২) জ্বালাই ৰবৰে আজি কিয়/মধুৰ কৰ্পূৰ সুৰভিত।
(৩) মই নীৰভৰা দুখৰ মেঘালী
স্পন্দনত চিৰ নিস্পন্দৰ বাস
ক্ৰন্দনত আহত বিশ্বৰ হাস।

ইয়াৰ তুলনাত নলিনীবালাৰ "ৰচিম হোমৰ বেদী/চিৰ শেষ শ্মশান চিতাত", "চিতাগ্নি হোমাগ্নি হ'ব" আদিত বিৰোধাভাস থাকিলেও সহজে হৃদয়গ্ৰাহ্য।

(ঙ) প্ৰস্তুত বিষয়ৰ বিভিন্ন অবয়বৰ মাজত বাহ্য একৰূপতাই হ'ল কাব্যশাস্ত্ৰৰ অলংকাৰবাদীসকলৰ যমক, অনুপ্ৰাস আদি শব্দালংকাৰ। এনেকুৱা অলেখ উদাহৰণ নলিনীবালা আৰু মহাদেৱীৰ কবিতাৰ পৰা দিব পৰা যায়—

(১) ভোমোৰাৰ গুণ গুণ/নেপুৰৰ ৰুণজুন
শুনিবাচোঁ কাণ পাতি/মোৰ নৃত্য মনৰ মাজত। *(নলিনীবালা)*
(২) বাজে চৰণত মোৰ কিংকিনী/মই ৰননিৰ ৰনৰাণী
সখী ৰনপক্ষী মোৰ/আজলী হৰিণীবোৰ
ঘৰ মোৰ পৰ্বতৰ শিলনি। *(নলিনীবালা)*
(৩) পুলক পুলক উৰ সিহৰ সিহৰ তন
আজ নয়ন আতে ক্যোঁ ভৰ ভৰ? *(মহাদেৱী)*
(৪) মধুৰ মধুৰ মেৰে দীপক জল
যুগ যুগ প্ৰতিদিন প্ৰতিক্ষণ প্ৰতিপল। *(মহাদেৱী)*

উল্লেখযোগ্য যে অনুপ্ৰাস, যমক আদিৰ স্থূল চমৎকাৰতকৈ দুয়োগৰাকী কবিৰে বিচিত্ৰ ছন্দসজ্জা আৰু লয় সৌন্দৰ্যহে অধিক আকৰ্ষণীয় তথা বৈশিষ্ট্যপূৰ্ণ।

(৫) নলিনীবালা আৰু মহাদেৱীৰ স্থান নিৰূপণ ঃ

অসমীয়া ৰহস্যবাদী কাব্যধাৰাৰ প্ৰধান হোতা নলিনীবালা দেৱী। সেইদৰে মহাদেৱী বৰ্মা হিন্দী ৰহস্যবাদীধাৰাৰ এগৰাকী প্ৰধান কাণ্ডাৰী।

নলিনীবালাৰ বিষয়বস্তুৱে দেশপ্ৰেম, প্ৰকৃতিপ্ৰীতি, অতীতৰ গৌৰৱগান আদি সামৰি ভাৰতীয় ৰোমাণ্টিক কবিতাৰ প্ৰায় সমস্ত লক্ষণ গ্ৰহণ কৰিছে। শৈশৱাৱস্থাতে বৌদ্ধ দুঃখবাদৰ দ্বাৰা গভীৰভাবে প্ৰভাবিত মহাদেবীৰ হাতত দুঃখ, কৰুণা আৰু বেদনাৰ চিত্ৰণে অধিক গভীৰতা লাভ কৰিছে। কোনো কোনো আলোচকৰ মতে মহাদেৱীৰ কবিতাক কোনো 'বাদ'ৰ অন্তৰ্ভূক্ত কৰিবলৈ হ'লে নিঃসন্দেহে 'দুঃখবাদ'ৰহে অন্তৰ্ভূক্ত কৰিব পৰা যাব। সেইদৰে তেওঁৰ প্ৰণয়ানুভূতিৰ অভিব্যক্তিও অধিক তীক্ষ্ণ। কিন্তু ঠায়ে ঠায়ে দুৰূহ। নলিনী-কাব্যৰ সোৱাদ ৰসগ্ৰাহীজনে সুমিষ্ট নিপোটল পকা আমটোৰ পৰা লোৱাৰ দৰেই ল'ব পাৰে। কিন্তু মহাদেৱীৰ অনেকক্ষেত্ৰতে নাৰিকল সদৃশ। নলিনীবালাৰ দেশপ্ৰেম আৰু সমাজমুখিতা তেওঁৰ কাব্যৰে বিষয়বস্তু হৈ পৰিছে। কিন্তু মহাদেৱীৰ ব্যক্তিত্বৰ এইবিলাক দিশ তেওঁৰ অন্য সৃষ্টিকৰ্মৰ যোগেদিহে প্ৰকাশ লাভ কৰিছে; কবিতাৰ যোগেদি নহয়। কবিতা তেওঁৰ ব্যক্তিগত অনুভূতিৰ খতিয়ান সদৃশ।

প্ৰায় একেধৰণৰ সুৰৰে অনুগুঞ্জন বা একে ভাবৰে পুনৰুক্তি ভালেসংখ্যক কবিতাত হোৱাৰ কাৰণে দুয়োৰে কবিতাই ঠায়ে ঠায়ে বিচিত্ৰতা হেৰুৱাইছে।

দুয়োগৰাকী গীতি কবি। নিজৰ নিজৰ গীতি কবিতাৰ পৰম্পৰাত দুয়ো বিশেষ স্থান দখল কৰি আছে।

মহাদেৱীয়ে যি ভাষাত কাব্য ৰচনা কৰিছে, সেয়া এক সুবিস্তৃত অঞ্চলৰ বৃহৎ জনসমূহে কোৱা, সুবিশাল শব্দ ভাণ্ডাৰৰ, প্ৰাচুৰ্যময়ী অভিব্যক্তিশৈলীৰ হিন্দী ভাষা। এই ভাষাৰ সাহিত্যত তেওঁ ৰহস্যবাদী চিন্তাৰ ঐতিহ্যময়ী পৰম্পৰা আৰু মীৰাবাঈৰ নিচিনা কবিৰ প্ৰণয়াভিব্যক্তিৰ পৰম্পৰা লাভ কৰিছে। সেয়েহে শব্দচয়ন, ভাবানুকূল ভাষাৰ প্ৰয়োগ, আৰু সকলো মিলাই লাভ কৰা শৈলীয় সৌন্দৰ্যৰ ক্ষেত্ৰত মহাদেৱী স্বাভাৱিকতেই এখোজ আগবাঢ়ি গৈছে। এনে কাৰণতে হয়তো মহাদেৱীৰ কাব্যই কবিলৈ ভাৰতৰ সৰ্বোত্তম সাহিত্যিক স্বীকৃতি 'জ্ঞানপীঠ'ৰ সৌভাগ্য কঢ়িয়াই আনিব পাৰিছে। আৰু এই সন্মান, স্বীকৃতিৰ পাছত তেওঁৰ কাব্যই ভাৰতীয় কাব্য আলোচনাত উত্তৰোত্তৰ স্বীকৃতি আৰু অধিকাধিক স্থান লাভ কৰাৰো সৌভাগ্যৰ অধিকাৰী হৈছে

বিভিন্ন ভাৰতীয় সাহিত্যক গাইগুটীয়াভাবে দিয়া সৰ্বভাৰতীয় স্বীকৃতি—'সাহিত্য অকাদেমি'ৰ পুৰস্কাৰ নলিনীবালাই লাভ কৰিছে। সৰ্বাত্মকভাবে ভাৰতীয় সাহিত্যৰ ৰহস্যবাদী ধাৰাত মহাদেবীৰ গুৰুত্ব যিমান, এককভাবে অসমীয়া সাহিত্যৰ এই ধাৰাত নলিনীবালাৰ গুৰুত্ব তাতকৈ অনেক বেছি বুলিব লাগিব। একপ্ৰকাৰে অকলেই এই গৰাকী কবিয়ে ভাৰতীয় কাব্যৰ এই বিশেষধাৰাটো অসমীয়া কাব্যসাহিত্যত উজলাই তুলিছে। অসমীয়া ভাষাসাহিত্যৰ পৰিসীমাৰ মাজত তেওঁৰ ভাব আৰু শিল্পসৌন্দৰ্যৰ তুলনা নাই। অৱশ্যে কম মানুহে জনা, কম মানুহে পঢ়া আৰু কম মানুহৰ মাজত চৰ্চা হোৱা অসমীয়া ভাষাত ৰচিত হোৱাৰ বাবে সৰ্বভৰতীয় পৰ্যায়ত নলিনীবালাৰ স্বীকৃতি আৰু আলোচনা স্বাভাৱিকতেই কম। ■

আত্মজীৱনী লেখিকা হিচাপে নলিনীবালা দেৱী আৰু ৰাসসুন্দৰী দেৱীৰ তুলনামূলক আলোচনা

✍ ডঃ সুমিতা চৌধুৰী

সাহিত্যকীৰ্তি হিচাপে দুই মহিলাৰ আত্মজীৱনীৰ তুলনামূলক মুল্যায়ন ইমান সহজসাধ্য নহয়। কাৰণ হিচাপে ক'বলৈ গ'লে দেশ, কাল আৰু ভাষা ইয়াৰ কিছুখিনি অন্তৰায়। সাহিত্যৰ প্ৰকাশ মাধ্যম হ'ল ভাষা। সেই ভাষাগত প্ৰয়োগৰ পাৰ্থক্য কম হ'লেও কিছু পৰিমাণে লক্ষ্যনীয়। কিন্তু এহো বাহ্য, সাহিত্য অকল ৰূপগত পৰিচয়েৰেই পৰিচিত নহয়, ৰসগত স্বৰূপহে সাহিত্যৰ প্ৰাণ। সেই হিচাপে বিচাৰ কৰিলে ৰাসসুন্দৰী দেৱীৰ "আমাৰ জীৱন" আৰু নলিনীবালা দেৱীৰ "এৰি অহা দিনবোৰ"ৰ তুলনামূলক আলোচনাত এক সৌসাদৃশ্য দেখিবলৈ পাওঁ।

উভয় লেখিকাই নিজৰ জীৱনৰ অকপট বৰ্ণনাৰ মাজে মাজে নিজৰ অজ্ঞাতে কোনো কোনো ঠাইত যি অনবদ্য সাহিত্যৰস সৃষ্টি কৰিছে সি ক'বলৈ গ'লে তেখেতসকলৰ স্বতস্ফূৰ্ত শিল্পবোধৰ পৰিচায়ক।

এই প্ৰবন্ধৰ মূল আলোচ্য বিষয় হ'ল ঊনবিংশ শতিকাৰ বাংলা আৰু অসমৰ প্ৰখ্যাত, প্ৰগতিমনা সম্ভ্ৰান্ত বংশীয় দুইগৰাকী মহিলাৰ লিখিত আত্মজীৱনীৰ তুলনামূলক আলোচনা। সেই যুগত অৰ্থাৎ ঊনৈশ শতিকাৰ প্ৰথমাৰ্ধ আৰু দ্বিতীয়াৰ্ধলৈকে অসম তথা বঙ্গদেশত স্ত্ৰীশিক্ষা প্ৰায় অপ্ৰচলিত আৰু সমাজত অগ্ৰাহ্যবুলিয়েই বিবেচিত আছিল। সেই অৱৰোধৰ যুগত বাংলা সাহিত্যত ৰাসসুন্দৰী দেৱীয়ে তেওঁৰ আত্মজীৱনী (বাংলা ভাষাৰ প্ৰথম আত্মজীৱনী) লিখি নৱযুগৰ সূচনা কৰিলে। গৃহস্থালিৰ ওৰণিৰ আঁৰত চকু ঢকা বোৱাৰীজীৱন আৰম্ভ কৰি তেওঁ এদিন ৰাইজৰ আগত তুলি ধৰিলে নিজৰ অপৰূপ জীৱনালেখ্য 'আমাৰ জীৱন (১২৭৫বাং/১৮৬৮ইং)। মহিলাৰ জীৱনৰ অনাদৰনীয় কাহিনী কেতিয়াবা এনে আকৰ্ষণীয়ভাৱে শুনিব লগীয়া আৰু শুনাব লগীয়া হ'ব পাৰে, ৰাসসুন্দৰী দেৱীৰ আগতে কোনেও ভাবিবই নোৱাৰিছিল।

অসমীয়া সাহিত্যৰ স্বনামধন্যা কবি নলিনীবালা দেৱীয়ে জীৱনৰ শেষপ্ৰান্তত আহি যি জীৱন সমীক্ষামূলক আত্মজীৱনী (১৯৭৬ ইং) লিখিলে, ইয়াৰ লগত ৰাসসুন্দৰী দেৱীৰ আত্মজীৱনীৰ ৰচনা কালৰ প্ৰায় শতাধিক কালৰ ব্যৱধান। নলিনীবালাৰ আত্মজীৱনীত উনৈশ শতিকাৰ শেষাৰ্ধ আৰু বিংশ শতিকাৰ আৰম্ভণিৰ অসমৰ সামাজিক জীৱনৰ যি পৰিচয় পোৱা যায়, তাৰ পৰা ইয়াকে বোধগম্য হয় যে এই সুদীৰ্ঘকালৰ ব্যৱধানত অসমৰ সামাজিক জীৱনৰ অগ্ৰগতি বিশেষভাবে তিৰোতাৰ ব্যক্তিগত স্বাধীনতাৰ ক্ষেত্ৰত তেনে উল্লেখযোগ্য পৰিবৰ্তন হোৱা নাছিল। নলিনীবালা দেৱীৰ জন্ম (১৮৯৮) আৰু তাৰ পৰৱৰ্তী ১৫/২০ বছৰলৈকে অসমত স্ত্ৰী শিক্ষাৰ প্ৰচাৰ বা প্ৰসাৰৰ তেনে কোনো উদ্যোগ লোৱা হোৱা নাছিল। প্ৰচলিত মাধ্যমত (স্কুল/কলেজ) ছোৱালীৰ শিক্ষাৰ কথা ভদ্ৰসমাজৰ কল্পনাতো অহা নাছিল, তদুপৰি ছোৱালী/বোৱাৰীবোৰে নানা অৱৰোধ আৰু সীমিত স্বাধীনতাৰ ভিতৰত জীৱন কটাব লগীয়া হৈছিল।

বঙ্গ আৰু অসমৰ এই দুয়ো গৰাকী মহিলাৰ লিখিত আত্মজীৱনীয়ে কালৰ ব্যৱধানক অতিক্ৰম কৰি নাৰীহৃদয়ৰ কিছুমান প্ৰশ্ন আৰু নাৰীৰ অধিকাৰবোধ সম্বন্ধে কিছু মূল্যবান প্ৰশ্ন বিনা মঞ্চে পাঠকৰ মজিয়াত উপস্থিত কৰিব পাৰিছে। দ্বিধা আৰু সংশয়ৰ সমুদ্ৰ পাৰ হৈ এক নিশ্চিত প্ৰত্যয়ত উপস্থিত হোৱাৰ স্বীকাৰোক্তি পোৱা যায় এই দুই গ্ৰন্থত।

বিশুদ্ধ আত্মজীৱনীত নিজতকৈ পাৰিপাৰ্শ্বিক জগত কেতিয়াও ডাঙৰ হ'ব নোৱাৰে। কিন্তু নিজৰ জীৱন-বৰ্ণনা উপলক্ষে পাৰিপাৰ্শ্বিক জগত যেতিয়া স্বতস্ফূৰ্তভাবে প্ৰকাশ পায়, এইখিনিৰ মূল্যও তুচ্ছ নহয়। বিষয়ৰ গুৰুত্ব অকল আত্মজীৱনী হিচাপে ইয়াৰ শ্ৰেষ্ঠত্বৰ ওপৰতে নিৰ্ভৰ নকৰে, সেই প্ৰসঙ্গত দেশ কাল সমাজৰ যি সামগ্ৰিক পৰিচয় পোৱা যায়, তাৰ মূল্যও নিতান্ত তুচ্ছ নহয়।

'আমাৰ জীৱন'ৰ লেখিকা ৰাসসুন্দৰী দেৱী আৰু 'এৰি অহা দিনবোৰ' গ্ৰন্থৰ লেখিকা নলিনীবালা দেৱী দুয়োগৰাকীয়েই বংগ তথা অসমীয়া সাহিত্যৰ পথিকৃৎ মহিলা আত্মজীৱনীকাৰ। দেশ, কাল, ভাষা আৰু সময়ৰ ব্যৱধান সত্বেও এই দুই গৰাকী মহিলাৰ জীৱন, কৰ্ম আৰু ব্যক্তিত্বতো এক ধৰণৰ সমধৰ্মিতা লক্ষ্য কৰা যায়।

জন্মসূত্ৰত ৰাসসুন্দৰী দেৱী আৰু নলিনীবালা দেৱী উভয়েই সম্ভ্ৰান্ত আৰু অৱস্থাপন্ন পৰিয়ালত জন্ম গ্ৰহণ কৰাৰ সৌভাগ্যলাভ কৰিছিল। ১২১৬ বঙ্গাব্দ (১৮১০ ইং) ৰ চ'ত মাহত পোতাজিয়া গাঁৱৰ এক সম্ভ্ৰান্ত আৰু ধনী পৰিয়ালত ৰাসসুন্দৰী দেৱী উপজিছিল। শৈশৱত তেওঁৰ পিতৃবিয়োগ হৈছিল যদিও, তেওঁ পৰিয়ালৰ সকলোৰে মৰমৰ পাত্ৰী আছিল। নলিনীবালা দেৱীৰ জন্ম ইং ১৮৯৮ চনত। তেখেঁত

অসমৰ প্ৰথিতযশা সম্ভ্ৰান্ত, ধনী আৰু শিক্ষিত পৰিয়ালৰ। তেওঁ ককাক, আইতাক, দেউতাক মাক আৰু পৰিয়ালৰ আন সকলোৰে বৰ মৰমৰ আছিল।

ঘটনাক্ৰমে, আচৰিত হ'ব লগীয়া কথা হ'ল দুইগৰাকী মহিলাৰ জন্ম মাহ হ'ল চ'ত মাহ।

ৰাসসুন্দৰীৰ সময়কালত বঙ্গদেশত স্ত্ৰীশিক্ষা সুলভ নাছিল। ছোৱালীক শিক্ষাদানৰ কথা মানুহে কল্পনাতো স্থান দিয়া নাছিল, শিক্ষালাভ কৰিলে ছোৱালীৰ দুৰ্ভাগ্য অনিবাৰ্য এনে এটা ভাব আছিল। ৰাসসুন্দৰী দেৱীৰ নাতিনী প্ৰখ্যাত সাহিত্যিকা সৰলাবালা সৰকাৰে তেওঁৰ আইতাকৰ জীৱনী আলোচনা প্ৰসঙ্গত লিখিছে ঃ— "ঠাকুৰমা লেখাপড়া জানিতেন না। যদিও তিনি খুব আদৰেৰ মেয়ে ছিলেন, কিন্তু তাঁহাকে লেখাপড়া শিখাইবাৰ কল্পনাও কেহ কৰেন নাই। কেননা তখনকাৰ দিনে মেয়েদেৰ লেখাপড়া শিখানো হইত না, বৰং লেখাপড়াৰ চৰ্চা কৰিলে মেয়েদেৰ গাৰ্হস্থ্যজীৱনে বৈধব্য, অকল্যাণ ঘটে সেইৰূপ একটি বদ্ধমূল সংস্কাৰ ছিল।" [১]

কিন্তু ভাগ্যক্ৰমে নলিনীবালা দেৱী এই বিষয়ত সৌভাগ্যৱতী আছিল। যদিও তেওঁৰ সময়ত অসমত স্ত্ৰী শিক্ষাৰ বহুল প্ৰচলন নাছিল, তথাপি বিয়াৰ আগতে নলিনীবালাই পিতাক, ককাদেউতাক আৰু গৃহশিক্ষকৰ সহায়ত শিক্ষাৰ সুযোগ লাভ কৰিছিল। 'সেই দিনত বিশেষকৈ অসমীয়া সমাজত স্ত্ৰী শিক্ষাৰ কেনো সুবিধা নাছিল। এনে দিনতো দেউতাৰ যত্নত, গৃহশিক্ষকৰ যত্নত মোৰ শিক্ষাৰ অগ্ৰগতি দেখি, বিশেষকৈ সেই কম বয়সতে মোক কাব্যশিক্ষাৰ মাধ্যমত পঢ়োৱাৰ ফলত উচ্চশিক্ষাৰে শিক্ষিত হৈ উঠিম বুলি ককাদেউতাই মনত এটা হাবিয়াস ৰাখিছিল।' [২]

ৰাসসুন্দৰী দেৱীয়ে শিক্ষা লাভৰ কাৰণে আনৰ সহায় লাভ কৰা নাছিল। তেওঁ লিখিব, পঢ়িবলৈ শিকিছিল শিক্ষা লাভৰ অদম্য বাসনাৰ ফলত। বিৰোধীসমাজৰ ভয়, স্ত্ৰী স্বাধীনতাৰ অভাৱ, পৰাধীন গৃহবধু, বহুসন্তানৰ জননী হৈ গোটেই দিনটো সাংসাৰিক কৰ্মনিৰ্বাহ কৰিও, শিক্ষালাভৰ অদম্য আকাংক্ষাই তেওঁক স্বয়ংশিক্ষিত কৰি তুলিছিল, এই সাধনাৰ প্ৰধান অৱলম্বন আছিল ভগৱৎ বিশ্বাস। ঈশ্বৰ নিৰ্ভৰতাই তেওঁক সকলো প্ৰতিকূল অৱস্থাতে সাহসী কৰি তুলিছিল।

কিন্তু আমাৰ মনেৰ সহিত সৰ্বদা পৰমেশ্বৰেৰ নিকট এই বলিয়া প্ৰাৰ্থনা কৰিতাম, হে পৰমেশ্বৰ। তুমি আমাকে লেখাপড়া শিখাও, আমি লেখাপড়া শিখিয়া পুঁথি পড়িব।' [৩]

১। আমাৰ ঠাকুৰমা— সৰলবালা সৰকাৰ (সৰলবালা ৰচনা সংগ্ৰহ, ১মখণ্ড পৃঃ ৭৫৬)
২। এৰি অহা দিনবোৰ— নলিনীবালা দেৱী (পৃঃ ২)
৩। আমাৰ জীৱন— ৰাসসুন্দৰী দেৱী (পৃঃ ২১)

আটাইতকৈ আচৰিত হ'ব লগীয়া কথা হ'ল ৰাসসুন্দৰী দেবী আৰু নলিনীবালা দেবী উভয়ৰেই বিয়া হৈছিল বাৰ বছৰ বয়সত। কিন্তু এই বাৰ বছৰ বয়সত নলিনীবালা দেবীৰ যি প্ৰাজ্ঞতা আৰু স্থিৰবুদ্ধি আছিল, ৰাসসুন্দৰী দেবীৰ ক্ষেত্ৰত এনে নাছিল, বৰং তেওঁৰ ভিতৰত ল'ৰা মতীয়া ভাবটোৱেই বেছি আছিল। বাৰ বছৰ বয়সত ৰাসসুন্দৰী দেবীয়ে কেনে শিশু সুলভ মনোভাব পোষণ কৰিছিল তেওঁৰ উক্তিৰ পৰাই প্ৰমাণ পোৱা যায়।

'তখন লোক আমাকে বলিতে লাগিল, তোমাৰ বিবাহ হইবে। .... ত খন আমাৰ মনে বেশ আহ্লাদ উপস্থিত হইল; বিবাহ হইবে, বাজনা আসিবে, সকলে হলু দিবে, দেখিব..... পৰে ক্ৰমেই আমোদ বৃদ্ধি হইতে লাগিল। বিবাহেৰ পূৰ্ব দিবস অলংকাৰ, লাল শাড়ী, বাজনা প্ৰভৃতি দেখিয়া আমাৰ ভাৰি আহ্লাদ হইল।' [৪]

কিন্তু নলিনীবালাই এই বয়সত পিতা, পিতামহ আৰু গৃহ শিক্ষকৰ তত্বাবধানত সংস্কৃতৰ বহুকাব্য পাঠ কৰিবলৈ সক্ষম হৈছিল। সেইকাৰণে বিয়াথলীৰ মন্ত্ৰবোৰৰ অৰ্থ তেওঁ হৃদয়ঙ্গম কৰিব পাৰিছিল।

— 'মোৰ শিক্ষকে দিয়া 'বিবাহমঙ্গল' মন্ত্ৰবোৰ পঢ়ি যোৱাবাবে বিয়াথলীৰ প্ৰত্যেকটি বেদমন্ত্ৰই মোৰ হৃদয় অভিভূত কৰি তুলিছিল।' [৫] বিবাহিত জীৱনত দুয়ো গৰাকী মহিলায়েই সুখী আৰু সন্তুষ্ট আছিল। পুৰুষশাসিত সমাজ সম্পৰ্কত তেওঁলোকৰ অভিযোগ থাকিলেও স্বামীভক্তি আৰু স্বামীৰ প্ৰতি শ্ৰদ্ধা আৰু মৰমৰ কথা বাৰে বাৰে ব্যক্ত হৈছে তেওঁলোকৰ আত্মজীৱনীত।

দুই গৰাকী মহিলাৰ আত্মজীৱনীত নাৰীৰ দৃষ্টিকোণেৰে সমাজক বিচাৰ কৰাৰ এটা ঐকান্তিক প্ৰয়াস দেখিবলৈ পাওঁ। সমাজৰ বিৰুদ্ধে তেওঁলোকে বিদ্ৰোহী মনোভাৱ প্ৰকাশ নকৰিলেও তাহানিকালৰ সমাজৰ দৃষ্টিভঙ্গীয়ে দুই গৰাকী মহিলাকে বেদনাৰ্ত কৰি তুলিছিল। নলিনীবালা দেবীয়ে তেওঁৰ 'এৰি অহা দিনবোৰ' গ্ৰন্থত সেইযুগৰ অসমীয়া সমাজত নাৰীজীৱনৰ অসহায়তা আৰু সামাজিক অৱৰোধ আৰু নিষ্পেষণৰ কথা বাৰম্বাৰ উল্লেখ কৰিছে।

— 'ডাঠ পৰ্দাৰ আৱৰণে আবৰি থোৱা এন্ধাৰ দিন। আজিৰ দিনৰ দৰে মাইকী মানুহবোৰ মুকলি-মুৰীয়া হৈ ফুৰা আছিল অতি লাজৰ কথা। বিশেষকৈ ভদ্ৰসমাজৰ ছোৱালী, দহ এঘাৰ বছৰৰ পৰা ঘৰৰ বাজ ওলাব নোৱাৰে।' [৬]

৪। আমাৰ জীৱন ৰাসসুন্দৰী দেবী (পৃঃ ১৪-১৫)
৫। এৰি অহা দিনবোৰ— নলিনীবালা দেবী (পৃঃ -৪৬)
৬। এৰি অহা দিনবোৰ— নলিনীবালা দেবী (পৃঃ ১২)

পর্দাপ্রথাৰ আঁৰত নাৰীজীৱনৰ মূল্যবোধ ৰুদ্ধ হৈ আছিল। মাইকী মানুহৰ ব্যক্তিগত কোনো স্বাধীনতা নাছিল, চন্দ্ৰসূৰ্যৰ লগত সাক্ষাৎলাভ কৰাৰ অধিকাৰ নাছিল। —'বোৱাৰী-জীয়ৰীৰ পৰা সকলো ভদ্ৰমহিলাই ভয়ানক পৰ্দাপ্ৰথাৰ আঁৰত ঘৰৰ চুকত দিন কটাব লগীয়া হৈছিল। .... মাইকী মানুহ আছিল সূৰ্য-চন্দ্ৰ দেখা নোপোৱা।'[৭]

নলিনীবালাৰ বাল্যকালত অসমত প্ৰথাগত স্ত্ৰী শিক্ষা সহজলভ্য নাছিল।

— 'সেই দিনত বিশেষকৈ অসমীয়া সমাজত স্ত্ৰী শিক্ষাৰ কোনো সুবিধা নাছিল।'[৮]

জীৱনৰ শেষ অধ্যায়ত স্ত্ৰীস্বাধীনতা দেখিবলৈ পাই নলিনীবালাই আনন্দ পাইছিল যদিও,এৰি অহা অতীতৰ সামাজিক বাধা আৰু সংকীৰ্ণতাত কিমান অসহায় নাৰী জীৱনৰ ধুনীয়া সপোনৰ অবসান ঘটিছিল সেইবোৰ ভাবি তেওঁৰ মন ভাৰাক্ৰান্ত হৈ উঠিছিল— মোৰ জীৱনৰ আগছোৱাৰ সেই দুৰ্ঘোৰ পৰ্দা প্ৰথাৰ আঁৰৰ দিনবোৰলৈ মনত পৰিলে সপোন যেন লাগে।সেই দিন আৰু আজি এই মুক্ত স্বাধীন তিৰোতা জীৱনৰ স্বৰ্গমৰ্ত্যৰ ব্যৱধান। এই অলংঘনীয় পৰ্দা প্ৰথাৰ আঁৰত বহু নাৰীৰ জীৱন নিৰলে মৰহি গৈছে তাৰ লেখ কোনে লয়? আজি সুঁৱৰিছো অতীতৰ সেই এন্ধাৰ দিনবোৰৰ কথা।'[৯]

ৰাসসুন্দৰীৰ কথাত সেই সুৰৰ অনুবৃত্তি পাওঁ। তেওঁ সহজ সৰল ভাষাৰে সেইযুগৰ বঙালীসমাজৰ মহিলাৰ স্বাধীনতা-হীনতাৰ কথা দাঙি ধৰিছে তেওঁৰ আত্মজীবনীত।

—'আহা কি আক্ষেপৰ বিষয়। মেয়েছেলে বলিয়া কি এতই দুৰ্দ্দশা! চোৰেৰ মত যেন বন্দী হইয়াই থাকি, তাই বলিয়া কি বিদ্যা শিক্ষাতেও দোষ? সে যাহা হউক এখনকাৰ মেয়েছেলে গুলো যে নিষ্কন্টকে স্বাধীনতাই আছে, তাহা দেখিয়াও মন সন্তুষ্ট হয়। এখন যাহাৰ একটি মেয়েছেলে আছে, সে কত যত্ন কৰিয়া লেখাপড়া শিখায়। এই লেখাপড়া শিখবাৰ জন্য আমাদেৰ কত কষ্ট হইয়াছে।'[১০]

ৰাসসুন্দৰী দেৱী মহিলা প্ৰগতিৰ কোনো প্ৰবক্তা নহয়, আবৃৰত থকা ঘৰৰ সাধাৰণ এজনী বোৱাৰী মাত্ৰ, সামাজিক বন্ধনক তেওঁ মানি ললেও তেওঁৰ অন্তৰাত্মা সামাজিক নিষ্পেষণৰ বিৰুদ্ধে বিদ্ৰোহী হৈছিল।

৭। এৰি অহা দিনবোৰ— নলিনীবালা দেৱী (পৃঃ ১২)
৮। এৰি অহা দিনবোৰ— নলিনীবালা দেৱী (পৃঃ ২১)
৯। এৰি অহা দিনবোৰ— নলিনীবালা দেৱী (পৃঃ ১২-১৩)
১০। আমাৰ জীৱন- ৰাসসুন্দৰী দেৱী (পৃঃ ৩০)

—'তখন কাৰ মেয়েছেলেৰা লেখাপড়া শিখত না, সংসাৰে খাওয়া দাওয়াৰ কর্ম সাৰিয়া যে কিঞ্চিত অবকাশ থাকিত, তখন কর্তা ব্যক্তি যিনি থাকিতেন, তাঁহাৰ নিকট অতিশয় নম্র ভাবে দণ্ডায়মান থাকিতে হইত। যেন মেয়েছেলেৰ গৃহকর্ম বৈ আৰ কোনো কর্মই নাই। তখন কাৰ লোকেৰ মনেৰ ভাব সেইৰূপ ছিল।' [১১]

ৰাসসুন্দৰী দেৱী আৰু নলিনীবালা দেৱী দুয়োৰেই পাৰিবাৰিক জীৱনত শান্তি আৰু বিপৰ্যয় লগলাগি আহিছিল। উভয়ৰেই সহনশীলতা আছিল প্ৰবল, সর্বোপৰি আছিল ভগবানৰ প্ৰতি অটুট বিশ্বাস আৰু আত্মসমর্পণৰ আকুলতা। দুই গৰাকী মহিলাই তেওঁলোকৰ নিজৰ জীৱনৰ সাফল্য আৰু সার্থকতাৰ পিছত পৰমেশ্বৰৰ অদৃশ্য হস্তক্ষেপ আছে বুলি পৰম বিশ্বাসী।

ৰাসসুন্দৰী দেৱীৰ আধ্যাত্মিক জীৱনৰ সূচনা তেওঁৰ মাতৃদেৱীৰ শিক্ষাৰ জৰিয়তে। সৰুকালত তেওঁৰ মাতৃদেৱীয়ে দিয়া ভগৱানৰ স্বৰূপবর্ণনা ৰাসসুন্দৰী দেৱীৰ জীৱনৰ মূলমন্ত্ৰ হৈ পৰিল। তেওঁ কৃষ্ণ ভক্ত আছিল। 'সেই পৰমেশ্বৰ, আমাদিগ সকলকে সৃষ্টি কৰিয়াছেন। তাহাঁকে যে যেখানে থাকিয়া ডাকে, তাহাই তিনি শুনেন। বড় কৰিয়া ডাকিলেও শুনেন, মনে মনে ডাকিলেও শুনিয়া থাকেন। এজন্য তিনি মানুষ নহেন, পৰমেশ্বৰ। ...... সেই দিবস হইতে মায়েৰ মহামন্ত্ৰ পৰমেশ্বৰ নামটি আমাৰ হৃদয়ে প্ৰবেশ কৰিয়াছে।' [১২]

জীৱনৰ প্ৰাপ্তি-অপ্ৰাপ্তি, ভাল-বেয়া সকলোৰেই ঈশ্বৰৰ ইচ্ছাধীন আৰু পৰমপিতাই সর্বকর্মৰ মূলাধাৰ, এই ধাৰণা শৈশৱৰ পৰা ৰাসসুন্দৰী দেৱীৰ মনত বদ্ধমূল হৈ আছিল। তেওঁ যেনেকৈ বিৰুদ্ধ সমাজ আৰু পৰিবেশৰ মাজত শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছিল, এয়া যেন ঈশ্বৰৰ পৰমকৃপাৰ ফলতেই সম্ভৱ হৈছিল।

আমাৰ লেখাপড়া সহজ কষ্টে হয় নাই, যাকে বলেকষ্ট। ....আমাকে যেন পৰমেশ্বৰ নিজ হাত ধৰিয়া শিখাইয়াছেন। নতুবা এমন অবস্থায় লেখাপড়া কোনো মতে সম্ভবে না। [১৩]

ৰাসসুন্দৰী দেৱীৰ চকুৰ আগত স্বামী, ছয় পুত্ৰ, কন্যা আৰু নাতিৰ পৰলোকপ্ৰাপ্তি ঘটিছিল, কিন্তু তেওঁৰ অসীম সহনশীলতা আৰু ঈশ্বৰ ভক্তিয়ে ইমান দুখতো তেওঁক স্থিৰ কৰি ৰাখিছিল।

'অধিকাৰী মহাশয়, তোমাৰ একটি নাম দয়াময়। ঐ দয়াময় নামটি ত্ৰিজগতে বিখ্যাত আছে। তুমি নির্দয় হইলেও বলিব দয়াময়।' [১৪]

১১। আমাৰ জীৱন- ৰাসসুন্দৰী দেৱী (পৃঃ - ২১)
১২। আমাৰ জীৱন— ৰাসসুন্দৰী দেৱী (পৃঃ - ১২)
১৩। আমাৰ জীৱন— ৰাসসুন্দৰী দেৱী (পৃঃ - ৪৩)
১১৪। আমাৰ জীৱন— ৰাসসুন্দৰী দেৱী (পৃঃ - ৭২)

নলিনীবালা দেৱীয়ে এক আধ্যাত্মিক অনুভূতি প্ৰৱণ পৰিয়ালত জন্মগ্ৰহণ কৰিছিল।

'আমাৰ ঘৰখন বৈষ্ণৱ ভাবাপন্ন কৃষ্ণভক্তৰ ঘৰ। আইতাৰ শিক্ষাত সৰুৰে পৰা আমাৰ মনত কৃষ্ণভক্তিয়ে ঠাই লৈছিল। [১৫]

পৰৱৰ্তী জীৱনত পৰিয়ালৰ অন্যান্য গুৰুজন, শিক্ষাগুৰু আৰু পিতৃদেৱৰ সুৰুচিপূৰ্ণ ধৰ্মনিষ্ঠ মতবাদে নলিনীবালাক যথেষ্ট প্ৰভাৱিত কৰিছিল। পিতৃহীন পাঁচটি শিশু-সন্তানক লৈ অকাল বৈধ্যব্যৰ বেশত. যেতিয়া নলিনীবালা দেৱীয়ে পিতৃগৃহত প্ৰৱেশ কৰিলে স্থিৰপ্ৰাজ্ঞ আৰু মহান পিতা নবীনচন্দ্ৰ বৰদলৈয়ে সদ্যবিধবা কন্যাক গৈৰিক পথৰ সন্ধান দিছিল। "সেই সদ্যবিধবা মৰমৰ ছোৱালীজনীক অধ্যাত্মপথেৰে অনুপ্ৰাণিত কৰি তুলিবলৈ দেউতাকৰ যত্নৰ সীমা নাছিল। শ্ৰীমদ্ভাগৱত গীতা এখনি দি কলে 'গীতাই তোমাক বাট দেখুৱাব।' [১৬]

নলিনীবালা দেৱীৰ ব্যক্তিগত জীৱনত অকাল-বৈধব্য যাতনা, সন্তান বিয়োগ বেদনা ইত্যাদি বহু দুখেৰে আৱৰা জীৱনত ভগবানকে একমাত্ৰ নিৰ্ভৰ কৰিছিল।

'গ্ৰহণ কৰা প্ৰভু মোৰ সৰ্বভাৰ, তোমাৰ চৰণত এই জীৱনৰ সৰ্বস্ব উছৰ্গা কৰিলোঁ, তোমাৰ চৰণত উৎসৰ্গিতা এই জীৱন, লৈ যোৱা মোক সৰ্বশুদ্ধ পৱিত্ৰ পথেৰে— দীঘলীয়া জীৱন বাটত আগবাঢ়োঁতে যেন মোৰ পিতৃদত্ত পৱিত্ৰ মন্ত্ৰৰ সন্মান ৰাখিব পাৰোঁ। [১৭]

দুখৰ জুইৰ পুণ্যদহনে নলিনীবালাক কবিৰূপত জন্ম দিলে। সেইসময়ত তেওঁৰ বিখ্যাত মিষ্টিককাব্য 'সন্ধিয়াৰ সুৰৰ' সূচনা হয়।

নলিনীবালা আৰু ৰাসসুন্দৰীৰ ব্যক্তিগত জীৱন, সাহিত্যিকজীৱন, আৰু আধ্যাত্মিক জীৱন, জীৱনৰ শেষপ্ৰান্তত এক বিন্দুত মিলি গৈছে। তেওঁলোকৰ জীৱনৰ সফলতা, বিফলতা, গোটেইবোৰৰ মূলাধাৰ এই পৰমমঙ্গলময় ঈশ্বৰ।

নলিনীবালা দেৱীৰ আত্মজীৱনীত তেওঁৰ ৰাজনৈতিক সচেতনতাৰ পৰিচয় পোৱা যায়। পিতা কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ কন্যা হিচাপে সৰুৰে পৰা এক ৰাজনীতি সচেতন পৰিবেশত তেওঁ ডাঙৰ-দীঘল হৈছিল, কেতিয়াবা দেশৰ কাৰণে অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদত মুখৰ হৈ উঠিছিল। কিন্তু শিক্ষাগুৰু পিতাকৰ নিৰ্দেশ মানি প্ৰত্যক্ষভাৱে ৰাজনীতিৰ লগত কেতিয়াও জড়িত হোৱা নাছিল।

১৫। এৰি অহা দিনবোৰ— নলিনীবালা দেৱী (পৃঃ ২৯)
১৬। এৰি অহা দিনবোৰ— নলিনীবালা দেৱী (পৃঃ ৬১)
১৭। এৰি অহা দিনবোৰ— নলিনীবালা দেৱী (পৃঃ ৬১)

"সাহিত্যসাধনা দেশৰ প্ৰধান সেবা। দেশক ভালপাই দেশৰ কল্যাণকৰ সাহিত্য সৃষ্টি কৰিবা। দেশৰ সকলো সেবাৰে আগভাগ লবা। কিন্তু ক'তো লিপ্ত হৈ নপৰিবা। ..... ৰাজনীতিত সক্ৰিয় অংশগ্ৰহণ নকৰাই ভাল, কাৰণ সক্ৰিয় ৰাজনীতিয়ে মানুহৰ মন শুদ্ধ হৈ থকাত বাধা দিয়ে। সাহিত্য যোগেই তোমাৰ প্ৰধান দেশ সেবা হ'ব।' [১৮] সাহিত্যই তেতিয়া তেওঁৰ জীৱনৰ প্ৰধান অৱলম্বন হ'ল।

বিশুদ্ধ সাহিত্য হিচাপে দুই মহিলাৰ আত্মজীৱনীৰ মূল্যায়নৰ ক্ষেত্ৰত প্ৰথমতেই আলোচ্য দুইখন আত্মজীৱনীৰ জীৱনকাহিনীৰ গঠনগত বৈশিষ্ট্যৰ কথা। আলোচনাৰ সুবিধাৰ কাৰণে দুয়ো কাহিনীৰ আদি, মধ্য, অন্ত এই তিনিটি ভাগত ভাগ কৰা হ'ল। আদি পৰ্বত শৈশৱ, কৈশোৰ, যৌৱন। মধ্যপৰ্বত মধ্য বয়স, অন্তপৰ্বত প্ৰৌঢ় আৰু বাৰ্দ্ধক্যৰ বৰ্ণনা।

নলিনীবালা দেৱীয়ে তেওঁৰ আত্মজীৱনক নিজেই তিনি ভাগত বিভক্ত কৰিছে।

১। আগছোৱা— ইয়াত তেওঁ মধ্যবয়সৰ আৰম্ভণিলৈকে আলোচনা কৰিছে।

২। মাজছোৱা— (মধ্যজীৱন), ইয়াত মূলকাহিনীৰ লগেলগে সাহিত্যজীৱন আৰু সমাজজীৱনে প্ৰাধান্য পাইছে।

৩। শেষছোৱা— এইছোৱাত তেওঁৰ ব্যক্তিগত জীৱনতকৈ সাহিত্যজীৱন আৰু আধ্যাত্মিক অনুভূতিৰ কথাই বেছিকৈ কোৱা হৈছে।

ৰাসসুন্দৰী দেৱীয়ে তেওঁৰ আত্মজীৱনীক দুখণ্ডত ভাগ কৰিছে—

১। প্ৰথম খণ্ড— (জীৱনৰ আৰম্ভণিৰ পৰা ৮৮ বছৰলৈকে) জীৱনৰ ঘটনা বৈচিত্ৰ্যৰ বৰ্ণনা পোৱা যায়।

২। দ্বিতীয় খণ্ড— (৮৮ বছৰ পৰৱৰ্তী কাহিনী) এই খণ্ডত তেওঁৰ জীৱনকাহিনী আধ্যাত্মিক ৰসসিক্ত।

কাহিনীৰ আয়তনগত বিচাৰত ৰাসসুন্দৰী দেৱীৰ 'আমাৰ জীৱন' নলিনীবালা দেৱীৰ 'এৰি অহা দিনবোৰ' গ্ৰন্থৰ তুলনাত সংক্ষিপ্ত।

আদি আৰু মধ্যখণ্ডত দুই গৰাকী মহিলাৰ পৰিণত বয়সৰ নানা ঘটনাৰ বাস্তৱ-অভিজ্ঞতাজাত আৰু উপলব্ধিজাত বৰ্ণনা লক্ষ্য কৰিব পাৰোঁ। এইখিনিলৈকে গ্ৰন্থৰ কাহিনী সুদৃঢ় বন্ধনত আবদ্ধ। কাহিনীৰ গতিত কোনো শিথিলতাৰ ভাব অহা নাই। গল্প বৰ্ণনাৰ সহজ সৰল ভঙ্গী এই দুই গ্ৰন্থত লক্ষণীয়।

শেষছোৱা অৰ্থাৎ বাৰ্দ্ধক্য আৰু প্ৰৌঢ়ত্বত দুই গৰাকী মহিলাৰেই অনুভূতি প্ৰগাঢ়

১৮। এৰি অহা দিনবোৰ— নলিনীবালা দেৱী (পৃঃ ১১৬-১১৭)

এক আত্ম উপলব্ধিত পৰিণত হৈছে। নলিনীবালা দেবীৰ আত্মজীৱনীৰ শেষভাগত সাহিত্যসৃষ্টিৰ কালানুক্ৰমিক বৰ্ণনাৰ লগত তেওঁৰ অধ্যাত্ম অনুভূতি মিলিজুলি এক হৈ গৈছে, আৰু ৰাসসুন্দৰী দেৱীৰ শেষজীৱনৰ বৰ্ণনাত অধ্যাত্মজীৱনেই প্ৰধান হৈ উঠিছে। এনে হোৱাত দুই গৰাকী লেখিকাৰ বৰ্ণনাৰ গতি কিছু পৰিমাণে শ্লথ, কিন্তু আমনি লগা অথবা ক্লান্তিকৰ নহয়।

লেখক বা লেখিকাই নিজৰ অজ্ঞাতে তেনে কিছুমান তথ্য আমাৰ কাৰণে থৈ যায় যিবোৰ পৰবৰ্তীকালৰ পাঠকৰ মানত অমূল্য সম্পদৰূপে পৰিগণিত হয়। নলিনীবালা দেৱী ৰক্ষণশীল ঘৰৰ গৃহবধু হলেও পৰবৰ্তী জীৱনত বহু সামাজিক প্ৰতিষ্ঠান আৰু সাহিত্যিকা হিচাপে বহু সভা সমিতিৰ লগত জড়িত থাকিব লগা হৈছিল, স্বভাবতঃ তেওঁৰ আত্মজীৱনী 'এৰি অহা দিনবোৰ' গ্ৰন্থত বহু তথ্যৰ সমাবেশ হৈছে য'ত অসমৰ জাতীয় জীৱনৰ গুৰিৰ কথাও তুলি ধৰা আছে। কিন্তু ৰাসসুন্দৰী দেৱী একান্তভাবে আবুৰত থকা গৃহবধু আছিল, তেওঁৰ লগত বৰ্হিজগতৰ যোগাযোগ তেনেকৈ নাছিল। স্বাভাবিক ভাবেই তেওঁৰ আত্মজীৱনীত বাংলাৰ তৎকালীন জাতীয় জীৱনৰ উত্থানপতনৰ ইতিহাসৰ পুঙ্খানুপুঙ্খ বৰ্ণনা পোৱা নগলেও সমসাময়িক সমাজৰ সৰুসুৰা তথ্য লেখিকাৰ অজানিতভাবেই মুকলি হৈ আহিছে।

নলিনীবালা দেৱী মূলতঃ কবি। সেইকাৰণে তেওঁৰ আত্মজীৱনীৰ পাতত পোৱা যায় কবিতাময়ী গদ্যৰ ঝংকাৰ। 'এৰি অহা দিনবোৰ' নামকৰণৰ মাজতো লেখিকাৰ কবিমনৰ পৰিচয় লক্ষ্যণীয়। কবি হিচাপে দেশব্যাপি স্বীকৃতি পোৱাৰ পাছত তেওঁ আত্মজীৱনী ৰচনাত প্ৰয়াসী হৈছিল, তেওঁৰ বহু গুণমুগ্ধ পাঠক আৰু সাহিত্যিকৰ অনুৰোধ আৰু আগ্ৰহত।

প্ৰকাৰান্তৰে ৰাসসুন্দৰী দেৱীয়ে সহজ সৰল নিৰলংকাৰ অথচ মনোমুগ্ধকাৰী ভাষাত তেওঁৰ আত্মজীৱনী 'আমাৰ জীৱন' লিখি তেওঁৰ সাহিত্যজীৱন আৰম্ভ কৰে একান্তভাবে আপোন অন্তৰৰ প্ৰেৰণাত।

বিশুদ্ধ আত্মজীৱনীৰ ৰূপগত আঙ্গিক সম্বন্ধে অবগত নহৈও ৰাসসুন্দৰী আৰু নলিনীবালা দুয়ো গৰাকীয়েই এই সাহিত্যিক পৰীক্ষাত নিৰ্দ্ধিধাই উত্তীৰ্ণ হ'ব পাৰিছে। যদিও এই দুই গৰাকী মহিলা আত্মজীৱনীকাৰক নাৰীমুক্তি আন্দোলনৰ প্ৰবক্তা হিচাপে চিহ্নিত কৰা নাযায়, তথাপি নলিনীবালা দেৱী আৰু ৰাসসুন্দৰী দেৱী উভয়েই নাৰীজীৱনৰ সত্ত্বা আৰু ব্যক্তিত্বক যথেষ্ট মূল্য দি আত্মজীৱনীৰ নিচিনা শিল্পকৰ্মত আগ্ৰহী হৈছিল এইখিনিয়ে এক কথাত অবহেলিত নাৰীজীৱনৰ জয়গান গাই তথাকথিত সমাজৰ চকুত নাৰীৰ মূল্যহীন জীৱনক অমূল্য কৰি তুলিছিল। দুগৰাকী ভিন্ন ভাষী লেখিকাৰ প্ৰথম নাৰী-ৰচিত আত্মজীৱনী দুখন যে নিজা নিজা সাহিত্য ভঁৰাললৈ অনুপম দান তাত সন্দেহ নাই। □

নলিনীবালা দেৱী ঃ
মই চিনি পোৱা জেঠাইদেউ গৰাকী

✍ তুলতুল বৰুৱা

'পবিত্ৰ কুটীৰৰ দিনবোৰেই বৰ সুন্দৰ আছিল'...... ৰোগ-শয্যাত পৰি আসন্ন মৃত্যুৰ ক্ষণগণি থকা মোৰ দেউতাৰ মুখত এই বাক্যটো শুনি তেখেতৰ শুশ্ৰূষাত লাগি থকা মোৰ ভনী এজনীয়ে দেউতাৰ অৱশেষত ভ্ৰম হোৱা বুলি ভাবিছিল। তেওঁ চকুপানী টুকি মোৰ আগত কথাষাৰ কোৱাত মই বুজিছিলো যে দেউতাই ভ্ৰম বকা নাছিল। মৃত্যুৰ দুৱাৰ-ডলিত থিয় দি তেখেতে নিজৰ জীৱনটোলৈ উভতি চাই নিশ্চয় পবিত্ৰ কুটীৰত কটোৱা বছৰকেইটাক তেখেতৰ জীৱনৰ এছোৱা সুন্দৰ সময় বুলি অনুভৱ কৰিছিল। অথচ, গুৱাহাটীত তেখেতে কটোৱা সুদীৰ্ঘ পঞ্চল্লিচ বছৰৰ মাত্ৰ তিনিটা বছৰহে পবিত্ৰ কুটীৰত কটাইছিল। এতিয়াৰ পৰা ঠিক ষাঠি বছৰৰ আগতে দেউতাই সপৰিয়ালে যিটো ভাড়াঘৰত থাকিবলৈ লৈছিল সেইটোৱেই আছিল পবিত্ৰ কুটীৰ।

পবিত্ৰ কুটীৰতে থাকি দেউতাই ইতিপূৰ্বে মোৰ দদাইদেৱে আৰম্ভ কৰা ব্যৱসায়ত যোগ দি গুৱাহাটীত তেখেতৰ কৰ্ম জীৱনৰ পাতনি মেলিছিল। ভৱিষ্যতৰ নিশ্চয়তা নথকা সেই দিনবোৰত দুই ভাই-ককাইৰ জীৱন-যুঁজৰ সাৰথি আছিল তেখেতসকলৰ ডেকা বয়সৰ অফুৰন্ত কৰ্মোদ্যম আৰু পৰিশ্ৰম-শক্তি। হয়তো তাৰ স্মৃতিয়েই দুৰ্বল দেহৰ মৃত্যুমুখী দেউতাৰ মনত জীৱনৰ পিছৰ ছোৱাত লাভ কৰা ব্যৱসায়িক সাফল্য বা পাৰিবাৰিক স্বাচ্ছন্দ্যতকৈ বহুত বেছি উজ্জ্বল হৈ ধৰা দিছিল। তদুপৰি, আমাৰ গোটেই ঘৰখনে পবিত্ৰ কুটীৰত থাকোতে যি সুন্দৰ সামাজিক পৰিবেশ আৰু আবেগিক নিৰাপত্তা পাই আছিল, তাৰ স্মৃতিও কম সুখকৰ হ'ব নোৱাৰে। যিসকল শুভাকাংক্ষীৰ মৰম-চেনেহ, সহায়-সহযোগ, দিহা-পৰামৰ্শ আৰু সাহচৰ্যৰ বাবে আমাৰ সেই সৌভাগ্য হৈছিল, সেইসকলৰ ভিতৰত অন্যতমা আছিল কাব্য-ভাৰতী নলিনীবালা দেৱী।

সেই সময়ত নলিনীবালা দেৱী উজানবজাৰৰ ৰোৰ পুখুৰীৰ পাৰত থকা তেখেতৰ পিতৃ গৃহতে থাকিছিল; আৰু পবিত্ৰ কুটীৰ আছিল তাৰ ওচৰতে থকা তেখেতৰ এটি

সৰু ভাড়াঘৰ। অকালতে মৃত্যু বৰণ কৰা তেখেতৰ দ্বিতীয় পুত্ৰ পবিত্ৰপ্ৰাণৰ নামেৰে ঘৰটোৰ নামকৰণ কৰা হৈছিল। ইমান ওচৰতে থকাৰ কাৰণে, বিশেষকৈ তেখেতৰ বৰদেউতাকৰ ছোৱালী কণিকা আৰু খুড়াকৰ ছোৱালী তিলোত্তমা (তুলুকী) মোৰ শৈশৱৰ লগৰী আছিল কাৰণে তেওঁলোক দুয়োৰে লগতে ময়ো তেতিয়া সঘনে তেখেতক লগ পাই থাকিছিলোঁ। কৰ্মবীৰ বৰদলৈ আৰু তেখেতৰ ভাই-ককাই কেইজনৰ ঘৰবাৰী-চোতালবোৰ বৰ আহল-বহল আছিল আৰু আমাৰ দৰে সৰু ল'ৰা-ছোৱালীবোৰৰ কাৰণে সেয়া আছিল এক ৰম্যপুৰী। আমি তাত খেলি থাকোঁতে মাজে মাজে নলিনীবালা দেৱীয়ে আমাক ওচৰলৈ মাতি নি ইটো সিটো কথা সুধিছিল, নিজেও আমি নজনা বহুত কথা আমাক কৈছিল, কেতিয়াবা পৌৰাণিক সাধু কৈ শুনাইছিল। তেনেকৈ তেখেতে আমাৰ লগত কিছু সময় কটালে মই বৰ ধন্য মানিছিলোঁ। তেখেতৰ মুখত শুনা বৰগীত বা ৰবীন্দ্ৰ সংগীত এটিৰ সুৰে মোৰ মনত বহুত পৰলৈকে দোলা দি থাকিছিল। মোৰ সেই ছয়-সাত বছৰ বয়সত তেখেতৰ কাব্য প্ৰতিভাৰ বিষয়ে মই একোকে নাজানিছিলোঁ। শুভ্ৰ-বসনা, গৌৰবৰ্ণী ধুনীয়া সেই মানুহগৰাকীৰ মাজত মোৰ শিশুমনক আকৃষ্ট কৰিব পৰা বহুত কিবাকিবি বিচাৰি পাইছিলোঁ। সেইবোৰৰ ভিতৰত প্ৰধান আছিল শিশুৰ প্ৰতি তেখেতৰ আন্তৰিক ভালপোৱা আৰু শিশুবিলাকৰ সৰ্বাত্মক বিকাশৰ বাবে তেখেতৰ অন্তহীন আগ্ৰহ। তাৰ ফলস্বৰূপেই জন্ম হৈছিল "পাৰিজাত কানন" নামৰ শিশু অনুষ্ঠানটিৰ। (দুখৰ কথা যে তাৰ বহুত আগতেই আমি শৈশৱৰ দেওনা পাৰ হৈ আহিছিলোঁ)। তেখেতৰ উদ্যোগত তেখেতসকলৰ চৌহদতে গঢ় লৈ উঠা 'পাৰিজাত-কানন' খনিৰ পৰিসৰ পিছত ভালেমান দূৰলৈকে বিস্তৃত হৈছিল আৰু শেহত ই অসমৰ আন এটি জনপ্ৰিয় শিশু-অনুষ্ঠান "মইনাৰ মেল"ৰ সৈতে যুক্ত হৈ "মইনা পাৰিজাত" ৰূপে খ্যাত হৈ পৰে। অসমৰ অসংখ্য শিশুৰ প্ৰতিভাৰ বিকাশত "মইনা পাৰিজাতে" যোগাই অহা বৰঙণিক কোনেও নুই কৰিব নোৱাৰে।

নলিনীবালা দেৱীৰ ভাড়াঘৰত থাকিলেও আমাৰ দেউতা-দদাইদেউ আৰু মা-খুড়ীদেউহঁতৰ সৈতে তেখেতৰ সম্পৰ্কটোত তেখেতৰ স্থিতি এগৰাকী গৃহ-স্বামিনীৰ দৰে নাছিল, আছিল এগৰাকী জ্ঞানী, সহৃদয়া আৰু স্নেহশীলা বায়েকৰ দৰে; আৰু আমি তেখেতক জেঠাইদেউ বুলিয়েই সম্বোধন কৰিছিলোঁ। গুৱাহাটী চহৰলৈ নতুনকৈ উঠি অহা আমাৰ পৰিয়ালটোক নানা প্ৰকাৰে সহায় কৰিবলৈ তেখেত সদায় উন্মুখ হৈ থাকিছিল। কেৱল তেখেতেই নহয়, চুবুৰীটোত থকা তেখেতৰ বংশ-পৰিয়ালৰ সকলোৱেই আমাৰ পৰিয়ালটোক আপোন বুলি আকোঁৱালি লৈছিল— যি কাৰণে গুৱাহাটীত আৰম্ভ কৰা নতুন জীৱনৰ বাটত সাহসেৰে আগবাঢ়িবলৈ আমাৰ পৰিয়ালৰ

জ্যেষ্ঠসকলে মনত বল পাইছিল।

সংসাৰ অনভিজ্ঞা আৰু কম বয়সীয়া মোৰ মা আৰু পিছত নৱ বিবাহিতা খুড়ীদেউৰ কাৰণে নলিনী জেঠাইদেউ আছিল সাক্ষাৎ দেৱদূতী। ঘৰ-সংসাৰৰ দায়িত্ব বহন কৰোঁতে মাইঁতৰ সমুখত দেখা দিয়া নানানটা সমস্যাৰ সমাধানত তেখেতে প্ৰায় উপযাচিয়েই সহায় কৰিছিলহি। ল'ৰা-ছোৱালী কেইটাৰ অসুখ-বিসুখত কেনেকৈ শুশ্ৰূষা কৰিব লাগে, কি পথ্য-পাতি খুৱাব লাগে তাৰো দিহা দি মাক দুশ্চিন্তাৰপৰা সকাহ দিছিল। জেঠাইদেৱে হেনো হোমিঅ'পেথি চিকিৎসাও কৰিব জানিছিল আৰু আমাৰ কাৰোবাৰ অসুখ হ'লে খবৰ-খাতি কৰি নিজে দৰব দি গৈছিল। এনেকৈ তেখেতে অকল আমাৰ ঘৰখনকে নহয়, ধনী-দুখীয়া আৰু আপোন-পৰ নিৰ্বিশেষে ওচৰ-চুবুৰীয়া সকলোৰে সুখ-দুখৰ খবৰ ৰাখিছিল আৰু প্ৰয়োজন হ'লে নিজে আগবাঢ়ি গৈ সহায় কৰিছিল বুলি মাৰ মুখে শুনি আহিছোঁ। তেখেতৰ সেই মহানুভৱতাৰ কথা মোৰ মাই আজিও অসীম কৃতজ্ঞতাৰে সৈতে সুঁৱৰি থাকে।

বৰদলৈ পৰিয়ালত সংগীত সাহিত্যৰ চৰ্চা পুৰুষানুক্ৰমে চলি আছিল। কৰ্মবীৰ বৰদলৈয়ে গীত আৰু কবিতা ৰচাৰ লগতে হেনো সুন্দৰ গীতো গাইছিল। তেখেতৰ ভাই-ককাইৰ পৰিয়ালবোৰো আছিল সংগীত সাহিত্যৰ অনুৰাগী। তেখেতসকলৰ ল'ৰা-ছোৱালীবোৰৰ লগতে ময়ো তেখেতসকলৰ ঘৰত বছৰত দুই-তিনিবাৰকৈ অনুষ্ঠিত সংগীত-নৃত্য-নাটকৰ অনুষ্ঠানবোৰত ভাগ ল'বলৈ পাইছিলোঁ। সেইদৰে খেল-ধেমালিৰ অনুষ্ঠানবোৰতো ভাগ লৈছিলোঁ। শৈশৱতে সেই সংস্কৃতিবান পৰিয়াল কেইটাৰ সৈতে ঘটা সংস্ৰৱে বহুতো ভাল ভাল কথাৰ— বিশেষকৈ সংগীত-চৰ্চাৰ প্ৰতি মোৰ মনত ধাউতি বঢ়াইছিল।

নলিনীবালা দেৱীৰ কবিতা পিছত হাইস্কুল পাইহে পঢ়িবলৈ পাইছিলোঁ। "সন্ধিয়াৰ সুৰ"ৰ অনুপম কবিতাবোৰ পঢ়ি সেইবোৰৰ স্ৰষ্টা নলিনীবালাক মোৰ আমি হাতেৰে ঢুকি নোপোৱা অইন এখন জগতৰ বাসিন্দা যেনহে লাগিছিল। তেনে এগৰাকী মানুহকে সৰুতে নিজৰ জেঠাইদেউৰ দৰে আপোনকৈ পোৱাৰ কথাটো ভাবি তেতিয়া মই শিহৰিত হৈছিলোঁ আৰু আজিও হওঁ।

১৯৪৮ চনত গুৱাহাটীত অনাতাঁৰ কেন্দ্ৰ স্থাপিত হোৱাৰ পিছত মই তাত কেইবছৰমান আধুনিক গীত গাবলৈ সুযোগ পাইছিলোঁ। সেই গীতবোৰৰ ভিতৰত নলিনীবালা দেৱীয়ে ৰচনা কৰা গীতো আছিল। তাৰে এটাৰ কথা মোৰ বিশেষভাৱে মনত আছে। "বন্দে পূৰব ভাৰতী বাণী"— ধ্ৰুপদৰ আৰ্হিত প্ৰয়াত সঙ্গীতজ্ঞ বীৰেন্দ্ৰ কুমাৰ ফুকনে সুৰ দিয়া এই গীতটি ফুকন ডাঙৰীয়া আৰু মোৰ দ্বৈতকণ্ঠত "মাহটোৰ গীত" হিচাপে প্ৰচাৰিত হৈছিল। গীতটিৰ সুৰ আৰু পৰিবেশনে জেঠাইদেউক বৰ

আনন্দ আৰু সন্তোষ দিছিল। সেই কথা জানি মোৰো গানটো গোৱা সাৰ্থক হ'ল যেন লাগিছিল।

মাজতে বহুত বছৰ অসমৰ বাহিৰত থকাৰ কাৰণে তেখেতৰ সৈতে মোৰ দেখাদেখি হোৱা নাছিল। গুৱাহাটীলৈ উভতি আহি মই বাতৰি কাকতৰ সৈতে যুক্ত হৈ পৰিলোঁ। বাতৰি-কাকতৰ প্ৰতিনিধি হিচাপেই মই শেষবাৰলৈ তেখেতক দীঘলীয়াকৈ লগ পাইছিলোঁ তেখেতৰ শৰণীয়াত থকা বাসভৱন "স্বপ্নাচল'ত। ভৰিৰ হাড় ভাগি শয্যাশায়ী হৈ থাকিলেও তেখেতৰ কথা-বাৰ্তাত আগৰ দৰেই প্ৰাণশক্তি প্ৰকাশ পাইছিল। তেতিয়া দেশত জৰুৰী-কালীন অৱস্থা চলি আছিল; আৰু গুৱাহাটীৰ জৱাহৰ-নগৰত কংগ্ৰেছ চৰকাৰৰ উদ্যোগত মহা ধুমধামেৰে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশন পাতিবলৈ লোৱা হৈছিল। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছৰ আয়োজনত আগ ভাগ লোৱা কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ কন্যা হিচাপে তেখেতে দুয়োখন অধিবেশনৰ মাজত দেখা পোৱা পাৰ্থক্যৰ বিষয়ে তেখেতৰ পৰা জানিবলৈ বিচাৰিছিলোঁ। ২৬ চনৰ স্মৃতি সঁচাকৈয়ে তেখেতৰ মনত সজীৱ হৈ আছিল। অতীতৰ কংগ্ৰেছ-কৰ্মীসকলৰ নিঃস্বাৰ্থ দেশ প্ৰেম, ত্যাগ আৰু কৰ্তব্য নিষ্ঠাৰ ভালেমান উদাহৰণ দাঙি ধৰি তেখেতে কৈছিল যে এনেবোৰ গুণৰ এতিয়া অভাৱ ঘটিছে আৰু এই অভাৱক বাহ্যিক জাকজমকতাই কোনোপধ্যে লুকুৱাই থ'ব নোৱাৰে। বহুত দিনৰ মূৰত লগ পাই তেখেতে মোৰ আগত অন্তৰৰ বহুত কথা কৈছিল। তাৰ কেইমাহমানৰ পিছতে তেখেতে এই সংসাৰৰ পৰা চিৰ-বিদায় লৈছিল।

এটা কথা ভাবি দুখ পাওঁ যে জেঠাইদেৱে আজন্ম ধ্যান কৰি অহা 'জনমভূমি'ৰ অনুপম সুন্দৰ ৰূপটো শেহত কিছু মলিন হৈ পৰাহে দেখি যাব লগীয়া হ'ল।□

কবি নলিনীবালা দেৱীৰ সান্নিধ্যত মোৰ জীয়ৰী কালৰ এছোৱা

✍ কণিকা বৰদলৈ

স্বনামধন্যা আজীৱন চিৰসুন্দৰৰ পূজাৰিনী কবি, সাহিত্যিক নলিনী বালা দেৱী সম্বন্ধত মোৰ বাইদেউ আৰু আমাৰ বৰদলৈ পৰিয়ালৰ ৰবাইদেউ। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈদেৱৰ প্ৰথমা কন্যা হিচাপে স্বৰ্গীয় মাধব চন্দ্ৰ বৰদলৈ পৰিয়ালৰ তেওঁ আছিল প্ৰথম পো-নাতিনী। যৌথ পৰিয়ালৰ মাজত ডাঙৰ হোৱা বাবে পৰিয়ালৰ বাকী ভাই-ককাইৰ ল'ৰা-ছোৱালীবোৰ তেওঁতকৈ সৰু হোৱাত তেওঁ ৰবাইদেউ নামেৰেই সকলোৰে পৰিচিত। মই তেওঁৰ বৰদেউতাকৰ জীয়েক ভনী হিচাবে বয়সত যথেষ্ট সৰু আছিলো বাবে তেওঁ মোৰ মাতৃতুল্য আছিল। একেবাৰে সৰু কালছোৱাত তেওঁৰ সান্নিধ্যত থাকিবলৈ পাইছিলো যদিও বয়সৰ ব্যৱধানত বৰ ওচৰ চাপিবলৈ সাহ কৰা নাছিলো। অকল মোৰ ক্ষেত্ৰতে নহয় আমাৰ যৌথ পৰিয়ালত বয়স অনুসৰি ল'ৰা-ছোৱালীবোৰ বেলেগ বেলেগ চামত ডাঙৰ-দীঘল হৈছিল কাম কৰা লিগিৰীৰ লগত। আমাৰ দিনটোৰ সময়বোৰ নিৰ্দিষ্ট ধাৰাৰে বন্ধা আছিল। মা-আই-বোৰ সান্নিধ্য আমি খুউব কম পাইছিলো। কিন্তু অলপ ডাঙৰ হোৱাত আমি ডাঙৰ সকলৰ সান্নিধ্যলৈ আহিবলৈ পাইছিলো বাবেই ৰবাইদেউৰ ওচৰলৈ আহিবলৈ সুবিধা পাইছিলো। বিশেষকৈ গধূলি সময়ত আমাৰ খুৰা দেউৰ পকী চোতালত তুলসী ভেটীৰ ওচৰত কঠ-ঢাৰি পাৰি আমি ওচৰত ভগৱানৰ প্ৰাৰ্থনা, বৰগীত, কীৰ্ত্তন আদি শিকিছিলো। সেই দিনত আমি জোনবাইৰ দেশৰ তুলসী তলত মৃগ পহু চৰে বুলি ধাৰণা এটা লৈয়ে ডাঙৰ হ'লোহি কিন্তু আজিৰ বিজ্ঞানৰ যুগত কণ কণ ল'ৰা-ছোৱালীকো এই আখ্যানেৰে পতিয়ন নিয়াব নোৱাৰি।

ৰবাইদেউৰ সান্নিধ্যত কটোৱা দৈনন্দিন জীৱনৰ কথাবোৰ খুউব মনত নাথাকিলেও তেওঁৰ ব্যক্তিত্বৰ প্ৰভাৱ আমাৰ সকলোৰে ওপৰত পৰিছিল। তেওঁ শাসন বা আদেশ হিচাপে একো নকৈছিল কিন্তু কথা প্ৰসঙ্গত উপদেশ হিচাপে যিবোৰ কথা কৈছিল সেয়াই আমাৰ চৰিত্ৰ আৰু মানসিকতাৰ ওপৰত প্ৰভাৱ পেলাইছিল। স্কুললৈ যোৱাৰ বাহিৰে আমি আমাৰ চৌহদৰ পৰা বাহিৰলৈ ওলাব নোৱাৰিছিলো। চৌহদতে

থাকি আমি গান গাঁও, নাচো, নানান ধৰণৰ খেল-ধেমালি কৰো আৰু গধূলি আৰতি কৰি দিহাদিহি ঘৰলৈ গৈ পঢ়াশুনা কৰো। তেওঁ বৰ শুৱলা কৈ বৰগীত গাইছিল আৰু আমাকো গাবলৈ শিকাইছিল। মাজে মাজে স্বৰ্গীয় কীৰ্তি নাথ বৰদলৈ ককাৰ কণ্ঠতো শুৱলা বৰগীত শুনিবলৈ পাইছিলো। স্বৰ্গীয় পুলিন চাং কাকতিয়ে (স্বৰ্গীয় বৰদলৈ দেবৰ নাতি,) বৰগীতবোৰ সুন্দৰ ভাবে আয়ত্ত কৰিছিল। আমাৰ লগত শ্ৰীমতী তুলতুল ভৰালী (বৰ্ত্তমান বৰুৱা) একেবাৰে আমাৰ পৰিয়ালৰে এজনী ছোৱালী হিচাপে ডাঙৰ হৈছিল। তেওঁ বৰ লয়লাসেৰে নাচিব পাৰিছিল। সেই সময়ৰ বিভিন্ন সুৰৰ গানবোৰ যেনে "বনৰীয়া আমি বনৰ চৰাই" / "পৰ্ব্বতৰে জুৰিটি নাচি নাচি বৈ যায়"— ইত্যাদিৰ লগতে বঙালী গান "ওগ খেলেছ খেলেছ বিশ্বালয়ে বিৰাট শিশু" আমি নাচি নাচি গাই শুনাও। ৰবীন্দ্ৰ সংগীতৰ চৰ্চাও কৰিছিলো। অলপ বুজি পোৱা হ'ওতে বাইদেউহঁতৰ মুখত পুৰাণ ভাগৱতৰ আখ্যান সমূহ শুনি কীৰ্ত্তন ভাগৱত পঢ়াৰ বাবে ধাউতি হৈছিল। বিশেষকৈ গধূলি সময়ত সদায় তিনি অধ্যায় কীৰ্ত্তন পুথি ঠগী পাতি পঢ়াৰ নিয়ম আছিল। মই এই নিয়ম যথাযথ ভাবে পালন কৰিছিলো। বাইদেউ-পেহীদেউৰ মুখত শুনি শুনি বঙালীতে লিখা ৰামায়ণ, শৰৎ চন্দ্ৰৰ কিতাপ, বঙ্কিমচন্দ্ৰ, ৰবীন্দ্ৰনাথৰ কিতাপ পঢ়িবলৈ আগ্ৰহ হৈছিল আৰু লাইব্ৰেৰীৰ পৰা আনি সেইবোৰ কিতাপ পঢ়িছিলো।

আমি পৰিয়ালৰ ছোৱালীবোৰ যেতিয়া ডাঙৰ হ'লো আৰু লগতে পৰিয়ালৰ দুই এজন ল'ৰাই কম কম বয়সৰ ছোৱালীবোৰ বিয়া কৰাই আনিলে তেতিয়া আমাৰ গধূলিৰ সময়খিনি অলপ বেলেগ ধৰণৰ হ'ল। স্বৰ্গীয় খুৰাদেউৰ গাড়ী বাৰান্দাতে আমি গোটেইবোৰ জীয়াৰী বোৱাৰী বহো ৰৰবাইদেউৰ লগতে, আমাৰ আন আন বয়সীয়া বাইদেউ হঁতো বহে। নানান ধৰণৰ কথা-দেশবিদেশৰ কথা— সেই সময়ৰ স্বৰাজ আন্দোলনৰ কথা- তাত আলোচনা হৈছিল। কেবাজনো বিশ্ববৰেণ্য নেতা আমাৰ বৰদলৈ হাউলীলৈ আহিছিল। জাতিৰ পিতা মহাত্মা গান্ধীৰ নিচিনা এজন ব্যক্তিৰ পদাৰ্পণ যে কিমান মহত্তপূৰ্ণ আছিল আমি নিজে চকুৰে নেদেখাকৈও উপলব্ধি কৰিব পাৰিছিলো। নিস্বাৰ্থভাবে যে দেশ সেৱা, সমাজ সেৱা কৰিব পাৰে মানুহে, তাকে ভাবি তেতিয়াৰে পৰা মনত এটা সাঁচ বহি গৈছিল আৰু পৰবৰ্তী কালত তাকে ভাবি বিশেষ একো কৰিব নোৱাৰিলেও জেষ্ঠ্যজনৰ লগত সমাজ সেৱাত ভাগ লৈছো।

গধূলি একেলগে বহি কথা-বতৰা আলোচনা হোৱাৰ পিছত আমি আটায়ে যোৰ পুখুৰী পাৰেৰে গৈ দীঘলী পুখুৰীৰ ওচৰত পকীবাট পাওঁগে আৰু তাৰ পৰা উভতি আহি ঘৰাঘৰি যাঁওগে। সেই সময়ত জনসমাগম, গাড়ী মটৰ বেছি নাছিল বাবে আমি মুকলি মনে সিমানখিনি দূৰত্বলৈকে ফুৰিবলৈ পাই বৰ ভাল পাইছিলো। লগত সদায় স্বৰ্গীয় ৰৰবাইদেউৰ বোৱাৰীয়েক (আমি নবৌ বুলিয়ে মাতো) আৰু আমাৰ মাজু বাইদেউ সদায় গৈছিল। এতিয়াৰ ল'ৰা ছোৱালীৰ বাবে তেনে দিন নাই। লাহে লাহে

আমাৰ পঢ়াশুনা বাঢ়ি আহিল, দুই এগৰাকী বিয়া হৈ ওলাই গ'ল। গতিকে পৰিবেশো তেনে নোহোৱা হ'ল।

কিন্তু আমি সেইটো চৌহদতে এটা নতুন বস্তু পালো। স্বৰ্গীয় খুৰা দেউৰ ঘৰতে কেইজনমান উৎসাহী জনা বুজা ব্যক্তি আৰু ছাত্ৰৰ সহযোগত স্বৰ্গীয় বৰ বাইদেৱেই প্ৰথমতে ১৯৫২ চনত "পাৰিজাত কানন" নাম দি সৰু সৰু ল'ৰা ছোৱালীৰ বাবে এটি অনুষ্ঠানৰ জন্ম দিলে সেয়ে পৰৱৰ্তী কালত সদৌ অসম ভিত্তিত মইনা পাৰিজাত নামেৰে এটি অনুষ্ঠান গঢ়লৈ উঠি আজিও সেই অনুষ্ঠান জনপ্ৰিয় হৈ চলি আছে। এই পাৰিজাত কানন অনুষ্ঠান সেই সময়ত স্বৰ্গীয় ভবানন্দ দত্ত বয়োজেষ্ঠ্য হিচাপে আৰু ছাত্ৰ হিচাপে শ্ৰী বীৰেন্দ্ৰ নাথ দত্ত, শ্ৰী তফজ্জুল আলি, শ্ৰী প্ৰকাশ শৰ্মা, শ্ৰীৰত্নকুমাৰ গৌতম, শ্ৰী কন্দৰ্পেশ্বৰ শৰ্মা আৰু ছোৱালীৰ ভিতৰত সৰ্ব শ্ৰীমতী ৰেণুকা দেৱী (বৰ্ত্তমান বৰকটকী) ৰমা দেৱী, জোনা বৰুৱা, তুলতুল বৰুৱা আৰু আমাৰ ঘৰৰ জীয়াৰীবোৰ লগ লাগি বৰ উলাহেৰে ল'ৰা-ছোৱালীবিলাকক খেল-ধেমালি, গান-বাজানা, কুচকাৱাজ আদি শিকোৱা হৈছিল। স্বৰ্গীয় নবীন শৰ্মা চাৰে ল'ৰা-ছোৱালীবিলাকক কুচকাৱাজ, সাঁতোৰ বিনামূলীয়াকৈ শিকাইছিল। ১৯৫৩ চনত অনুষ্ঠানৰ বাৰ্ষিক অধিবেশনখন খুউব ধুমধামেৰে পতা হৈছিল।

আমাৰ ঘৰলৈ সেই সময়ত বহুতো সাধুৰ সমাগম হৈছিল। সেইবোৰ কথাও আমি আখ্যানৰ নিচিনাকৈ শুনিছিলো আৰু কিছু ধৰ্ম ভীৰুও হৈ পৰিছিলো। স্বৰ্গীয় মুকুল বৰুৱাক এই লিখনিত নুসুঁৱৰিলে মোৰ লিখনি আধৰুৱা হৈ ৰব। স্বৰ্গীয় মুকুল বৰুৱা আছিল স্বৰ্গীয় বৰবাইদেউৰ জীয়াৰীৰ নাতি। তেওঁ সৰুৰে পৰা সঙ্গীতৰ সাধনা কৰিছিল বুলি কব পাৰি। তেওঁ এজন সুগায়ক আছিল ঠিকেই কিন্তু তাতোকৈ বেছি আছিল এজন সুনিপুন সুৰকাৰ। বাইদেউৰ গীতবোৰত তেওঁ এনে প্ৰাণস্পৰ্শী সুৰ আৰোপ কৰিছিল যে গীতৰ কথাৰ লগত সুৰেৰে এটি সঞ্জীৱনী সুধা আনি দিছিল। প্ৰথম আকাশবাণী স্থাপিত হোৱাত মই তেওঁৰ ছাত্ৰী হিচাপেই ৰেডিঅ'ত কেইবাটাও বাইদেউৰ গীত পৰিবেশন কৰিছিলো। পিচলৈ আমি বৰবাইদেউৰ সান্নিধ্যৰ পৰা বঞ্চিত হ'লো কিয়নো তেওঁ একমাত্ৰ পুত্ৰ স্বৰ্গীয় উপেন চাংকাকতিৰ চাকৰিৰ বদলিৰ সংক্ৰান্তত ল'ৰাৰ লগে লগে যাবলগীয়া হোৱাত সেই আগৰ পৰিবেশটো নোহোৱা হ'ল। আমাৰো দুই এজনীৰ লাহে লাহে বিয়া হৈ গ'ল। পিচলৈ বাইদেৱে দক্ষিণ শৰণীয়াৰ ঘৰত থাকিবলৈ ললে বাবে তেখেতক আমি সহজতে পাবলৈ অসুবিধা হ'ল।

কিন্তু তেখেতৰ সান্নিধ্যত পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰৰ সৈতে প্ৰতিবেশী ল'ৰা-ছোৱালীবোৰৰ যি আত্মীয়তা গঢ়ি উঠিছিল তাক আজিও আমি পাহৰিব পৰা নাই। আৰু এই কাৰণেই আজিও আমি তাহানিৰ কথাবোৰ সুঁৱৰিয়েই নিজকে সুপৰিকল্পিত ভাবে পৰিচালিত কৰিব পাৰিছো বুলি ভাঁবো।□

আইৰ সান্নিধ্যত

✍ ৰেণুকা দেৱী

আমাৰ পৰম আৰাধ্যা মাতৃ মোৰ শাহু আই অসম সাহিত্য সভাৰ প্ৰথম সভানেত্ৰী, কবি গীতিকাৰ, নাট্যকাৰ, কাব্য ভাৰতী, পদ্মশ্ৰী নলিনী বালা দেৱীৰ জন্ম শতবাৰ্ষিকী উৎসৱ উপলক্ষে অসম লেখিকা সন্থাই প্ৰকাশ কৰা গৱেষণামূলক গ্ৰন্থখনিত নলিনীবালা দেৱীৰ স্মৃতি চাৰণ কৰিবলৈ পাই সুখী হৈছো। তেখেতৰ বহুমুখী প্ৰতিভা সকলোৰে জ্ঞাত। মই বোৱাৰী হিচাবে তেখেতৰ সান্নিধ্যলৈ আহি তেখেতক, ঘৰুৱা পৰিবেশত কেনেদৰে পাইছিলো তাকেহে চমুকৈ লিখিছো। মই তেখেতক ১৯৩৮ চনৰ পৰা ১৯৭৭ চনলৈকে অৰ্থাৎ মৃত্যুৰ দিন পৰ্যন্ত পাইছিলো।

তেখেতে সৰুৰে পৰাই কবিতা লিখিছিল। দহ বছৰ বয়সত লিখা তেখেতৰ প্ৰথম কবিতাটোৰ নাম "পিতা" আছিল। ১৯০৮ চনত মাহেকীয়া আলোচনীত কবিতাটি প্ৰকাশ হৈছিল। সৰুতেই বিয়া হোৱাৰ কাৰণে মাজতে কিছু বছৰ তেখেতৰ বিশেষ লিখা পঢ়া হোৱা নাছিল। ১৯০৯ চনত শিৱসাগৰৰ কৃষ্ণ প্ৰাণ চাংকাকতিৰ পুত্ৰ জীৱেশ্বৰ চাংকাকতিৰ লগত নলিনী বালা দেৱীৰ বিবাহ হৈছিল। ১৯১৭ চনত চাৰিটা সন্তানৰ মাতৃ হোৱাৰ পাছতেই মোৰ শহুৰ জীৱেশ্বৰ চাংকাকতিৰ অকাল বিয়োগ ঘটে। তেতিয়া দেউতাক কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ দেৱে জীয়েক নলিনীবালা দেৱীক চাৰিটি সন্তানেৰে সৈতে গুৱাহাটীৰ ঘৰলৈ লৈ আহে। তেতিয়াৰ পৰাই তেখেতে বগা কপাহী কাপোৰ পিন্ধিছিল। উল্লেখনীয় পঞ্চম সন্তানটি জন্ম হৈছিল পিতৃ গৃহতে। দেউতাক কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈদেৱে জীয়েক নলিনী বালা দেৱীৰ হাতত এখন "ভগবদ্‌গীতা" তুলি দি কৈছিল ঃ আই তোমাক এইখনেই জীৱনৰ সঙ্গীৰূপে বাট দেখুৱাই লৈ যাব। তাৰ পাছৰে পৰা তেখেতে গীতা, ভাগৱত, পুৰাণ, বেদবাণী আদি নানা ধৰণৰ ধৰ্মীয় কিতাপ পঢ়িবলৈ ললে আৰু পুনৰ সাহিত্য চৰ্চা কৰিবলৈ ধৰিলে। দেউতাকৰ এই বাণীয়েই তেখেতক আধ্যাত্মিক জীৱন যাপন কৰিবলৈ আৰু আধ্যাত্মিক ভাৱত কবিতা লিখিবলৈ প্ৰেৰণা যোগালে।

তেখেতে কেৱল সাহিত্য চৰ্চা কৰিয়েই ক্ষান্ত নাছিল। তাঁত বোৱা, ছবি অঁকা, সংগীত চৰ্চা, কবিতা আবৃত্তি আদিও কৰিছিল। তাৰ উপৰি বতৰৰ শাক-পাচলি, ফুল ৰোৱা, ফল-মূলৰ গছ আদি ৰোৱা কামত সদায় ব্যস্ত আছিল। তেখেতে হোমিও

পেথিক চিকিৎসাও কৰিছিল। তেখেতে বহুতো ছবি আঁকিছিল, বহুতকে উপহাৰো দিছিল। তেখেতে অঁকা ছবি উষা-চিত্ৰ লেখা এতিয়াও আমাৰ হাতত আছে।

তেখেতৰ উপস্থিত বুদ্ধি আৰু সাহসৰ কাৰণে আমি বহু ক্ষেত্ৰত বহু বিপদৰ পৰা ৰক্ষা পৰিছিলো। এসময়ত আমাৰ লগত থাকি ভতিজাক মিহিৰ বৰদলৈ আৰু মাধুৰী শৰ্মাই পঢ়িছিল। এদিন মিহিৰে গা ধুবলৈ যাওঁতে তিতা টাৱেলখন লাইটৰ তাঁৰত কেনেবাকৈ লাগি তাঁৰ এডাল চিঙি আহি বুকুত লাগিছিল আৰু চিঞৰ মাৰি মাটিত পৰি গৈছিল। বায়েক মাধুৰীয়ে চিঞৰ শুনি টানমাৰি দৰজা খুলি বাল্টিৰেই মাৰি তাঁৰ ডাল গুচাবলৈ যত্ন কৰিছিল। আইয়ে চিঞৰ শুনি গৈ দেখি তৎক্ষণাত পীৰা এখন আনি তাৰ ওপৰত উঠি কাঠ এডালেৰে মাৰি তাঁৰ ডাল গুচাই দিছিল। মিহিৰ প্ৰায় দহ ঘন্টা অজ্ঞান হৈ আছিল। ৰাতিলৈহে তেওঁ জ্ঞান পাইছিল।

এবাৰ কলিকতাত থাকোতে সুবোধ বসু নামৰ এজন মানুহৰ উচ্চ ৰক্ত চাপ আৰু সন্যাস ৰোগ হৈছিল। আমি থকা ঘৰৰ তলৰ তলাত তেওঁলোক আছিল, ৰাতি চিঞৰ-বাখৰ শুনি তললৈ নামি গৈ দেখে যে মানুহজন অজ্ঞান। মুখেদি ফেন ওলাইছিল। ঘৰৰ মানুহে পাৰেমানে পানী ঢালিছিল। আয়ে তলৰ পৰা আমাক হোমিও পেথিক দৰব বেলেডনা পানীত ঢালি দিবলৈ কলে। গোটেই ৰাতি আয়ে চামুচেৰে বসুৰ মুখত দৰব দি আছিল। ৰাতিপুৱালৈ মানুহজন অলপ ভাল হোৱাত আয়ে ডাক্তৰ আনিবলৈ কৈছিল। সেই সময়ত কলিকতাত সাম্প্ৰদায়িক সংঘৰ্ষৰ কাৰণে ৰাতি "কাৰ্ফু" দিছিল। ডাক্তৰ আহি ৰোগীক দেখি আচৰিত হৈ কৈছিল— ৰাতিটো ৰোগী কেনেকৈ বাচি থাকিল!

আৰু এবাৰ আমি কলিকতাৰ পৰা কাশীলৈ গৈছিলো। কাশীৰ পৰা ঘূৰি আহোতে আসানসোল ষ্টেচনত এজাক লাঠি লোৱা মানুহে অসংখ্য লেতেৰা কাপোৰ পিন্ধা মাইকী মানুহ আমাৰ ডবাত উঠাই দি বাহিৰৰ পৰা কিছুমান মতা মানুহে লাঠি লৈ চিঞৰ বাখৰ কৰি গালা-গালি দি আছিল। লগে লগে হাতত ডেগাৰ আৰু পিষ্টল লোৱা দুজন মানুহ উঠি মানুহ বিলাকক ভয় দেখুৱাত ডবাটোৰ মানুহৰ হাঁহাকাৰ লাগিল। কাৰণ সেই সময়ত সাম্প্ৰদায়িক সংঘৰ্ষ চলি আছিল। নলিনীবালা দেবীয়েই অৰ্থাৎ আমাৰ শাহু আয়েই বয়সস্থ মানুহ আছিল। বাকী বিলাক কলিকতাৰ ব্যৱসায়ী বঙালী, মাৰোৱাৰী আৰু পাঞ্জাবী তিৰোতা আছিল। তেখেতে প্ৰথমে মানুহ দুজনক নামি যাবলৈ কৈছিল। কাৰণ ডবাটো মাইকী মানুহৰ কিন্তু সিহঁতে ওলোটাই আইকহে গালা-গালি পাৰিব ধৰিছিল। তেখেতে নিজৰ জীৱন বিপন্ন কৰি তৎক্ষণাত থিয় হ'ল আৰু চেইনত হাত দিলে। লগে লগে মানুহ দুজন চলন্ত ট্ৰেনৰ পৰা জাপ মাৰি নামি গ'ল। সেই দিনা সেইসময়ত চুলি মেলা অৱস্থাত তেখেতে যি ৰণচণ্ডী মূৰ্তি

ধৰিছিল নেদেখা মানুহে বুজি নেপায়। পিছত আইক ডবাটোত থকা অন্যান্য মানুহে কামাখ্যা দেশৰ বুলি জানি ভৰি চুই সেৱা কৰিছিল। এই বিলাক ঘটনা মই নিজ চকুৰে দেখা পাইছিলো।

তেখেতৰ কাগজ পত্ৰ বা অন্যান্য বস্তু চিজিল কৈ থোৱাৰ অভ্যাস নাছিল। সেই কাৰণেই তেখেতৰ কেইবাখনো নিজে আঁকা ছবি আৰু বিশেষকৈ তেখেতে লিখা দুখন কিতাপ আমি নাপালো। তালিকাত প্ৰেছলৈ দিয়া বুলি লিখা আছিল। কিন্তু প্ৰেছে নাই দিয়া বুলি ক'লে। তাৰ কপি এটাও ঘৰত নাছিল। তাৰে এখন হৈছে তেখেতৰ কবিতা পুথিৰ পৰা বচা বচা কবিতাৰ সংকলন। আনখন 'কবি সোঁৱৰণ' নাম দি লিখিছিল। সেইয়া আছিল বহু কবিৰ মৃত্যুৰ পিছত তেখেতে 'কবিৰ সোঁৱৰণ' নামদি লিখা কবিতা। সেই খিনি কোনোমতে পাই লেখিকা সমাৰোহক চপাবলৈ দিয়া হৈছে। আইৰ কেতিয়াবা এনেকুৱাও হৈছিল মনত কিবা ভাব আহিলে টুকুৰা কাগজতে লিখি থৈছিল। যেতিয়া মনত পৰিছিল তেতিয়া গোটেইখন বিচাৰি চলাথ কৰিছিল। শেষত মোক কৈছিল ঃ তুমি চাই থবাচোন।

তেখেতে কণ কণ ল'ৰাছোৱালীৰ মাজত থাকি বৰ ভাল পাইছিল। সেয়েহে তেখেতে, তেখেতৰ পিতৃ নবীনচন্দ্ৰ বৰদলৈ দেৱৰ "শান্তিভৱনত" "পাৰিজাত কানন' নাম দি এটি শিশু অনুষ্ঠান গঢ়ি তুলিছিল। তাৰ সকলো পৰিচালনাৰ ভাৰ নিজে লৈছিল। খেলাধূলা, গান-বাজনা, ব্যায়াম, আবৃত্তি , অভিনয়, নিয়মানুবৰ্ত্তিতা, কৰ্তব্য পৰায়ণতাৰ শিক্ষা দিয়াৰ উপৰি আকস্মিক বক্তৃতা আদি কৰাইছিল। আবেলি হ'লেই "শান্তিভৱনৰ" চৌহদত চামে চামে ল'ৰা-ছোৱালী গোট খাইছিল। সেয়ে আইয়ে গধূলি মইনাহঁতক লৈ ব্যস্ত থাকিব লগা হৈছিল। চামে চামে ছোৱালী বিলাকে মইনাহঁতক শিক্ষা দিছিল। তাত ৰেণুকা বৰকটকী, ৰমা শৰ্মা, কণিকা বৰদলৈ, মাধুৰী শৰ্মা, অপৰ্ণা মেধি, জুলি, ডলী, সুদক্ষিণা শৰ্মা আদি সকলো আহি যোগ দিছিল। নিজে লিখা "পাৰিজাত অভিবেক" নামৰ এখনি নাটকো কৰাইছিল।

এই পাৰিজাত কানন'ৰ মেল-মিটিঙত যোগ দিয়াৰ উদ্দেশ্যে "শান্তিভৱন"লৈ গুৱাহাটীৰ বা অন্যান্য ঠাইৰ বহুতো গণ্য মান্য মানুহৰ আগমন হৈছিল।

আইৰ প্ৰবল কৰ্ম প্ৰেৰণা, ভগৱানৰ ওপৰত বিশ্বাস আৰু আত্ম নিৰ্ভৰশীলতা, উপস্থিত বুদ্ধিৰ কেইটামান ঘটনা এতিয়াও মোৰ চকুত ভাঁহি আছে।

১৯৪০ চন মানত ডিব্ৰুগড়ত তেখেতৰ ভায়েক ডাঃ উমেশ বৰদলৈৰ পৰিয়াৰ আৰু তিনিটি ল'ৰা-ছোৱালীৰ একেলগে টাইফয়দ হৈছিল। তাৰ মাজতে মোৰো বিকলাই হৈছিল। আমাৰ আটাইৰে অৱস্থা সংকটজনক আছিল। শেষত ডাঃ বৰদলৈয়ে

কৈছিল যে এতিয়া আৰু ডাক্তৰী শাস্ত্ৰমতে কৰিবলৈ একো নাই। হোমিওপেথিক দৰবকে খুৱাবলৈ কৈছিল। আয়ে আন এজন অভিজ্ঞ ডাক্তৰৰ লগত পৰামৰ্শ কৰি দৰব খুৱাবলৈ আৰম্ভ কৰিছিল। তেতিয়াৰ দিনত টাইফয়দ বেমাৰীক শুশ্ৰূষা কৰাতহে বেছি জোৰ দিয়া হৈছিল। প্ৰায় ডেৰমাহ দৰব খুৱাৰ পাচত বেমাৰী কেইজন ভালৈ আহিছিল।

আইয়ে সদায়েই পুৱা বেলাহে লিখা পঢ়া কৰিছিল। দুপৰীয়াৰ আহাৰ খাই আইয়ে আবেলি তিনি বজালৈকে বিশ্ৰাম লৈছিল। কোনোবা আহিলেও আমি আইক বিশ্ৰামত আঘাত পায় বুলি কোৱা নাছিলো। আবেলি সদায় আইৰ ওচৰলৈ নানা ধৰণৰ মানুহ আহিছিল। কবি সাহিত্যিকৰ বাহিৰেও দেশৰ সমস্যা আদিৰ বিষয়ে আলোচনা কৰিবলৈ বহু মানুহ আহিছিল। আইয়ে সেই সকলক শুদা মুখে যাবলৈ নিদিছিল।

তেখেতে প্ৰথমে ১৯৩৯ চনৰ পৰা তেখেতৰ ল'ৰাৰ কৰ্মস্থান য'তে হয় আমাৰ লগত আছিল। গুবাহাটীত থিতাপি লোৱাৰ পাছৰে পৰা আইয়ে সভা সমিতি, লিখাপঢ়া আদিত ব্যস্ত আছিল। মাজে মাজে গুৱাহাটীৰ পৰা বাহিৰলৈও গৈছিল। সেই সময়ত আবেলি হ'লেই আমাৰ ঘৰখনত নানা ধৰণৰ মানুহৰ সমাগম হৈছিল আৰু বিভিন্ন ধৰণৰ সমস্যা সমাধানৰ কাৰণে সভাসমিতি পতা আদিত আই ব্যস্ত আছিল।

১৯৭৫ চনত আই নাগপুৰত অনুষ্ঠিত বিশ্ব হিন্দী সম্মিলনত যোগ দিবলৈ গৈছিল। তাৰ পৰা অহাৰ পাছৰে পৰা তেখেতৰ প্ৰায়ে অসুখ হৈছিল। নাগপুৰতো তেখেতক সম্বৰ্ধনা জনাইছিল।

মৃত্যুৰ দুদিন আগৰে পৰা আইৰ জ্ঞান নাছিল। এদিন মই আৰু ভতিজাক ডাঃ প্ৰবীৰ বৰদলৈ ওচৰতে আছিলো। হঠাৎ তেখেতে খুব লাহে লাহে স্পষ্টকৈ তিনিবাৰ কৈছিল ঃ "বিশ্ব ব্ৰহ্মাণ্ডৰ শেষ বিন্দুত উপনীত হৈছো"। সেয়ে তেখেতৰ শেষ কথা আছিল। □

কবি নলিনীবালা দেৱীৰ ঘৰুৱা জীৱনৰ স্মৃতি

✍ মাধুৰী দেৱী

অসমৰ এগৰাকী মহীয়সী নাৰী পদ্মশ্ৰী নলিনীবালা দেৱী অসমীয়া কাব্যজগতত অতীন্দ্ৰিয়বাদী কবি ৰূপে প্ৰতিষ্ঠিত। তেখেতৰ কাব্য প্ৰতিভা আৰু বিবিধ সাহিত্য সৃষ্টিৰ বিষয়ে বিভিন্ন গুণীজনে বহুতো আলোচনা কৰিছে। সেইবোৰৰ বিষয়ে আলোচনা কৰা এই লেখটিৰ উদ্দেশ্য নহয়। ইয়াৰ উদ্দেশ্য মাত্ৰ তেখেতৰ ঘৰুৱা জীৱনৰ ওপৰত সামান্য আলোকপাত কৰাটোহে।

কবি গৰাকীৰ ভতিজা জীয়ৰী হিচাবে তেখেতক সদায় ওচৰত পাইছিলো। কাৰণ আমাৰ ককাদেউতাৰ ঘৰখনেই তেখেতৰ ঘৰ আছিল। তেখেতৰ ল'ৰা-ছোৱালীবোৰে মাকক বৌতি বুলি মাতিছিল আৰু আমিও তেখেতক জেঠাই নুবুলি বৌতি বুলিয়েই সম্বোধন কৰিছিলো। সৰুতেই আমাৰ মাতৃবিয়োগ হোৱাত অৰ্থাৎ আমাক তেখেতৰ ভায়েকৰ ল'ৰা-ছোৱালী কেইটিক মৰমেৰে সাৱটি লৈছিল।

তেখেতৰ জীৱন আছিল পবিত্ৰ এক তপস্বিনীৰ জীৱন। ৰাতিপুৱাই ফুলতুলি গোঁসাই ঘৰত পূজা অৰ্চনা কৰিহে তেখেতে জা-জলপান খাইছিল। সেই দৰে গধূলি সন্ধ্যা অৰ্চনা কৰিছিল। ঘৰৰ ল'ৰা-ছোৱালীবোৰকো ঈশ্বৰৰ প্ৰতি বিশ্বাস আৰু ভক্তিৰ ভাৱ জগাবলৈ প্ৰহ্লাদ, ধ্ৰুৱ লগতে ৰামায়ণ, মহাভাৰতৰো বহুত কাহিনী কৈছিল আৰু সন্ধিয়া পৰত ধূপ-দীপ জ্বলাই ভগবানক প্ৰাৰ্থনা কৰাৰ নিয়ম বান্ধি দিছিল। শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বৰগীত, ঘোষা লগতে উপনিষদৰ প্ৰাৰ্থনা শিকাইছিল। তেখেতে সুললিত কণ্ঠেৰে গোৱা বৰগীতবোৰ শুনি শুনি আমাৰ অন্তৰবোৰ ঈশ্বৰৰ প্ৰতি ভক্তি ভাৱেৰে পৰিপূৰ্ণ হৈ পৰিছিল। আমিও সৰুতেই তেখেতৰ পৰা সেই বৰগীতবোৰ গাবলৈ শিকিছিলো। ল'ৰা-ছোৱালীবোৰক তেখেতে মৰমেৰে শাসন কৰিছিল। কাকো খং ৰাগ কৰি কথা নকৈছিল। ল'ৰা-ছোৱালীবোৰৰ সুচৰিত্ৰ গঠনৰ কাৰণে প্ৰায়েই মহৎ লোকৰ জীৱনী শুনাইছিল, সেয়ে কোনোধৰণৰ তুচ্ছ কথাত নাথাকি সদায় উচ্চভাব, উচ্চআদৰ্শ দেশপ্ৰেমৰ ভাৱ জগাই তুলি ল'ৰা-ছোৱালীবোৰক গঢ় দিবলৈ যত্ন কৰিছিল। সেই আদৰ্শৰেই পিছত নিজৰ ঘৰতেই 'পাৰিজাত কানন' নাম দি এটি শিশু অনুষ্ঠান গঢ়ি তুলিছিল। তেখেতে কৈছিল— "শিশুবোৰ যেন সৰগৰ একোপাহ পবিত্ৰ পাৰিজাত ফুলহে"। এই অনুষ্ঠানটি পিছলৈ 'মইনাৰ মেল' নামৰ আন এটি শিশু অনুষ্ঠানৰ লগ লাগি 'মইনা পাৰিজাত' নামেৰে জনাজাত হ'ল। এই

অনুষ্ঠানটিত শিশুসকলৰ সকলো ধৰণৰ যেনে শাৰীৰিক, মানসিক, সাংস্কৃতিক বিকাশৰ বাবে ব্যৱস্থা কৰা হৈছিল। উল্লেখযোগ্য যে শিশুপ্রাণ স্বৰ্গীয় নবীন শৰ্মা দেৱে শিশুবিলাকক ব্যায়াম শিকাইছিল। শিক্ষাৰ ভাৰ লৈছিল। পিছলৈ তেখেত শিশু কল্যাণ সংস্থাৰ সভাপতিৰ পদত আছিল।

এইগৰাকী অসাধাৰণ প্রতিভা সম্পনা নাৰীৰ মাজত থকা গুণবোৰৰ কথা ভাবিলে আচৰিত হ'ব লাগে। তেখেতৰ মানৱসেৱা লগত শুশ্রূষাকাৰিণী ৰূপটোৰ কথা নেদেখাসকলে নাজানে। এবাৰ আমাৰ সকতেই তিনিটি ল'ৰা-ছোৱালী, মাহী লগতে তেখেতৰ বোৱাৰী ৰেণুকা নবৌ টাইফইদ ৰোগত অগাপিছাকৈ আক্রান্ত হ'ল। সেয়া ১৯৪০ চনৰ কথা। সেইদিনত টাইফইদৰ আজিকালিৰ দৰে ঔষধ নাছিল। ঘৰখনৰ পাঁচখন বিচনাত পাঁচজন ৰোগী। দিনে নিশাই তেখেতে ৰোগীসকলক পৰিচৰ্যা কৰিব লাগিছিল। কাৰণ টাইফইদ ৰোগত একমাত্র শুশ্রূষাৰ প্রয়োজন, সেয়ে তেঁখেতে ৰোগী পৰিচৰ্যা কৰোতে নিজৰ খোৱা লোৱাও ভালদৰে নহৈছিল। তেখেতৰ অক্লান্ত সেৱা শুশ্রূষাত দুমাহৰ মূৰত আমি আটাইকেইটিয়ে পুনৰ্জীৱন পালো। সদায় নিয়ম সংযমত থকা বাবে তেখেত সুস্বাস্থ্যৰ গৰাকী আছিল। অৱশ্যে বৃদ্ধ বয়সতহে ৰোগ ব্যধিয়ে কষ্ট দিলে।

এইগৰাকী মহিমাময়ী নাৰীয়ে মানৱ সেৱাৰ উদ্দেশ্য নিজে হোমিওপেথিক চিকিৎসা বিদ্যা আয়ত্ত কৰিছিল। এই ক্ষেত্রত ককাদেউতাৰ পৰাও সহায় পাইছিল। তেখেতৰ ওচৰলৈ দুখীয়া-নিচলা ৰোগী সকল আহে আৰু তেওঁলোকক বিনামূলীয়াকৈ ঔষধ দি সহায় কৰে। ঘৰতো কাৰোবাৰ সৰুসুৰা ৰোগত তেখেতৰ হোমিওপেথিক চিকিৎসাৰে ৰোগ নিৰাময় হয়।

তেখেতৰ আন এটা গুণ আছিল তীক্ষ্ণ উপস্থিত বুদ্ধি। পৰিয়ালৰ বহুত বিপদত তেখেতে এই উপস্থিত বুদ্ধিৰে বহুতৰ জীৱন ৰক্ষা কৰিছিল। ওচৰ চুবুৰীয়াৰ বিপদ আপদত সহায় কৰিবলৈ সদায় আগবাঢ়ি গৈছিল।

এইগৰাকী বিশাল ব্যক্তিত্বৰ অধিকাৰিণী মহীয়সী মাতৃৰ তুলনা নাই। সৰু বৰ নাই, আপোন পৰ নাই সকলো ল'ৰা-ছোৱালীক নিজ মাতৃৰ দৰে মৰম কৰিছিল। তেখেতৰ সান্নিধ্য আছিল আমাৰ বাবে এক পৰম শান্তি আৰু আনন্দৰ স্থল। তেখেতৰ সুন্দৰ কথাবোৰে, তেখেতৰ পবিত্র সান্নিধ্যই সাংসাৰিক নানা চিন্তাৰে ভাৰাক্রান্ত আমাৰ মনত অনাবিল শান্তি আৰু আনন্দ দিছিল। তেখেতৰ সেই সুন্দৰ কথাবোৰে যেন আজিও আমাৰ জীৱন যাত্রাৰ পথত অকণমান হ'লেও শান্তিৰ সন্ধান দিব পাৰে তাকেই কামনা কৰো।

শেষত শতবৰ্ষ তিথিত এইগৰাকী মহীয়সী মাতৃলৈ মোৰ সশ্রদ্ধ প্রণিপাত জনালোঁ। □